দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্রম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

সমসাময়িক আন্তঃৰাষ্ট্রীয় সম্পর্ক

ৰাজনীতি বিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতীম শর্মা, গৌহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ **ড° অভিজিৎ ভূঞা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ৩, ৫	নীলিম কোঁৰৰ, গৱেষক, গৌহাটী বিশ্ববিদ্যালয়
২, ৮, ১০	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ ভর্মা সংস্কৃত আৰু পৌৰাণিক শিক্ষা বিশ্ববিদ্যালয়
৪	ডেইজী ৰাণী তালুকদাৰ, গৱেষিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬, ১২	ড° শুভ্রজিৎ কোঁৰৰ, গৌহাটী বিশ্ববিদ্যালয়
৭, ৯	বনস্মীতা শর্মা, গৱেষিকা, গৌহাটী বিশ্ববিদ্যালয়
১১	ড° দাদুল দেউৰী, পূৱ কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলী
১৩	আমৰীণ ৰাজ্জাক, গৱেশক, এন.ই.এইচ.ইউ. শ্বিলং
১৪	নীলিম কোঁৰৰ, ৰ'য়েল গ্লোবেল বিশ্ববিদ্যালয়, গুৱাহাটী

ভাষান্তৰকাৰী

পল্লৱ বৰুৱা, সর্বোদয় মহাবিদ্যালয়, যোৱহাট (*অধ্যায়* ১, ২, ৩, ৫)

ড° অর্ণৱ শর্মা, এছ. বি. দেউৰা মহাবিদ্যালয়, গুৱাহাটী (*অধ্যায়* ৪)

ধৰিত্রী গোস্বামী (*অধ্যায়* ৬)

ড° কেশৱানন্দ বৰা, বৰনগৰ মহাবিদ্যালয়, সৰভোগ (*অধ্যায়* ৭)

ৰাস্না পালক, গুৱাহাটী, (*অধ্যায়* ৮, ৯)

দীপলীনা বৰুৱা, গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ১০, ১৩)

পল্লৱী দাস, গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ১১)

প্রাঞ্জল দাস, গৱেষক ছাত্র, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ১২)

মল্লিকা মঞ্জুৰী শইকীয়া, গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (*অধ্যায়* ১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ	**ড° মানসী শর্মা (অৱসৰপ্রাপ্ত),** আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
ভাষা সম্পাদনা	ঃ	**অধ্যাপক বিপুল দাস,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১-৫)
		ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৬-১৪)
গাঁথনিক সম্পাদনা	ঃ	**অধ্যাপক বিপুল দাস,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ ২০২৪, জানুৱাৰী

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্রমৰ দ্বিতীয় ষান্মাষিকৰ এই তৃতীয় পাঠ্যবিষয়ৰ শীর্ষক হৈছে "সমসাময়িক আন্তঃৰাষ্ট্রীয় সম্পর্ক"। এই পাঠ্যবিষয়টো শিক্ষার্থীসকলক আন্তঃৰাষ্ট্রীয় সম্পর্কৰ বিভিন্ন দিশৰ বিষয়ে গভীৰ ভাৱে বুজি পোৱাত সহায় হোৱাকৈ প্রস্তুত কৰা হৈছে। ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্রমৰ শিক্ষার্থীসকলৰ বিশ্বৰ আন্তঃৰাষ্ট্রীয় সম্পর্কৰ বিভিন্ন দিশৰ বিষয়ে সম্পূর্ণ জ্ঞান থকাটো অতি প্রয়োজনীয়। ওপৰোক্ত ধাৰণাৰ প্রতি লক্ষ্য ৰাখি, এই পাঠ্যবিষয়টো আন্তঃৰাষ্ট্রীয় সম্পর্কৰ এটা গুৰুত্বপূর্ণ ধাৰণআ শীতল যুদ্ধ সৈতে আৰম্ভ হৈছে। পাঠ্যবিষয়টোৰ প্রথম অধ্যায়টোৱে শীতল যুদ্ধৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে আলোচনা কৰিছে। এই অধ্যায়টোত, আমি শীতল যুদ্ধৰ সমাপ্তিকে ধৰি শীতল যুদ্ধৰ বিভিন্ন পর্যায়ৰ বিষয়েও আলোচনা কৰিম। পাঠ্যবিষয়টোৰ দ্বিতীয় অধ্যায়টোত উদ্ভাসিত বিশ্বব্যৱস্থাৰ (Emerging World Order) বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টোত, উদ্ভাসিত বিশ্ব ব্যৱস্থাৰ বৈশিষ্ট্য সমূহকে ধৰি বিভিন্ন মাত্রাৰ বিষয়ে আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়টোত ৰাষ্ট্রসংঘৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ৰ জৰিয়তে শিক্ষার্থীসকলে ৰাষ্ট্রসংঘৰ গাঁথনি আৰু কার্য, বিশ্ব শান্তি বজাই ৰখাত ইয়াৰ ভূমিকা আৰু ৰাষ্ট্রসংঘৰ শান্তিৰক্ষা অভিযানৰ সৈতে পৰিচিত হ'ব। চতুর্থ অধ্যায়টো দক্ষিণ-দক্ষিণ সহযোগিতা (South-South Cooperation)ৰ অর্থ আৰু প্রকৃতিৰ সৈতে সম্পর্কিত। বিভিন্ন আঞ্চলিক গোট যেনে NAM, G-77, আছিয়ান ইত্যাদি এই অধ্যায়ত আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত ভাৰতৰ বৈদেশিক নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ৰ জৰিয়তে শিক্ষার্থীসকলে ভাৰতৰ বৈদেশিক নীতিৰ অর্থ, উদ্দেশ্য আৰু মৌলিক নীতিবোৰ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব। ষষ্ঠ আৰু সপ্তম অধ্যায়ত ৰাছিয়া আৰু আমেৰিকাৰ সৈতে ভাৰতৰ সম্পর্কৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। চুবুৰীয়া দেশ পাকিস্তান, চীন আৰু বাংলাদেশৰ সৈতে ভাৰতৰ সম্পর্ক ক্রমে অষ্টম, নৱম আৰু দশম অধ্যায়ত আলোচনা কৰা হৈছে। একাদশ অধ্যায়টি নব্য-ঔপনিবেশিকতা আৰু নির্ভৰশীলতা তত্ত্বৰ সৈতে সম্পর্কিত। ইয়াত নির্ভৰশীলতা তত্ত্বৰ অর্থ আৰু প্রকৃতি আৰু আন্তঃৰাষ্ট্রীয় সম্পর্কত নব্য-ঔপনিৱেশিকতাৰ সন্দর্ভত বিশদ আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়টিয়ে বর্তমান পৃথিৱীৰ অন্যতম এটা জ্বলন্ত সমস্যা, আন্তর্জাতিক সন্ত্রাসবাদ সৈতে জড়িত। এই অধ্যায়টোত সন্ত্রাসবাদৰ অর্থ আৰু প্রকৃতি আৰু সন্ত্রাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ কৌশলৰ ওপৰত আলোচনা কৰা হয়। ত্রয়োদশ অধ্যায়টোৱে গোলকীকৰণৰ গুৰুত্ব আৰু আন্তঃৰাষ্ট্রীয় ৰাজনীতিত ইয়াৰ প্রভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শেষত, চতুর্দশ অধ্যায়টোৱে আন্তঃৰাষ্ট্রীয় পৰিৱেশজনিত বিভিন্ন দিশ আৰু বহনক্ষম মানৱ উন্নয়নৰ সৈতে জড়িত।

এই পাঠ্যবিষয়টো অধ্যয়ন কৰোঁতে আপুনি দেখিব যে আপোনাৰ ভালদৰে বুজিপোৱাত সহায় হোৱাকৈ প্রয়োজন অনুসৰি অধ্যায়বোৰক কিছুমান শাখা আৰু উপ-শাখাত বিভক্ত কৰা হৈছে। পুনৰ, প্রয়োজন অনুসৰি এটা নির্দিষ্ট শাখাৰ পিছত কিছুমান 'চিন্ত-চর্চা কৰক'ৰ সন্নিবিষ্ট কৰা হৈছে। এই 'চিন্তা-চর্চা কৰক' অংশ সমূহে আপেনাক অধ্যায়টিৰ নির্দিষ্ট শাখা অধ্যয়ণ কৰি সমসাময়িক আন্তঃৰাষ্ট্রীয় সম্পর্কৰ ওপৰত লাভ কৰা জ্ঞানৰ ওপৰত ভিত্তি কৰি আপোনাৰ নিজৰ চিন্তা ধাৰাক ব্যৱহাৰিকভাৱে প্রয়োগ কৰাৰ সুযোগ প্রদান কৰিব। ইয়াৰ উপৰিও, আপোনাত কিছুমান প্রাসঙ্গিক বিষয়ৰ ওপৰত অতিৰিক্ত তথ্য দিবলৈ, প্রতিটো অধ্যায়ত "জানি থোৱা ভাল" শীর্ষক এটা অংশ পাব। এটা নির্দিষ্ট অধ্যায়ৰ প্রতিটো শাখাৰ শেষত অন্তর্ভুক্ত কৰা আন এটা অংশ হৈছে "অগ্রগতি নিৰীক্ষণ"। ইয়াৰ উদ্দেশ্য হৈছে আপুনি অধ্যায়টোৰ এটা নির্দিষ্ট শাখা কিমান ভালদৰে বুজি পাইছে সেই বিষয়ে নিজকে মূল্যায়ন কৰাত সহায় কৰা। তাৰ পিছত আপুনি আপোনাৰ উত্তৰবোৰ প্রতিটো অধ্যায়ৰ শেষত দিয়া "অগ্রগতিৰ খতিয়ন"ৰ সৈতে মিলাব পাৰে। প্রতিটো অধ্যায়ৰ "অধিক জানিবলৈ" অংশত কেইখনমান কিতাপৰ নাম আছে, যিবোৰ যদি আপুনি এটা নির্দিষ্ট অধ্যায়ত আলোচনা কৰা ধাৰণা সমূহৰ বিষয়ে অধিক বিশদভাৱে শিকিবলৈ আগ্রহী হয় তেতিয়া আপুনি পঢ়িব পাৰে। ইয়াৰ উপৰিও, "আৰ্হি প্রশ্ন" নামৰ অংশটোৱে আপোনাক পৰীক্ষাত সম্ভাৱনা থকা প্রশ্নৰ প্রকাৰৰ ইংগিত দিয়ে।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **শীতল যুদ্ধ** ৭-১৯

শীতল যুদ্ধৰ প্ৰকৃতি আৰু কাৰণ; শীতল যুদ্ধৰ পৰ্য্যায়সমূহ; শীতল যুদ্ধৰ সমাপ্তি

অধ্যায় ২ ঃ **উদিত/ উদীয়মান বিশ্ব ব্যৱস্থা** ২০-৩২

বিশ্বব্যৱস্থাৰ ধাৰণা; ঐতিহাসিক পটভূমি; সমসাময়িক উদিত উদীয়মান বিশ্ব ব্যৱস্থাৰ উপাদান; শীতল যুদ্ধৰ পিছৰ যুগত নতুন বিশ্বব্যৱস্থা; নতুন সহস্ৰাব্দত উদীয়মান বিশ্ব ব্যৱস্থা

অধ্যায় ৩ ঃ **ৰাষ্ট্ৰসংঘ** ৩৩-৪২

ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগসমূহ; ৰাষ্ট্ৰসংঘৰ ভূমিকা আৰু তাৎপৰ্য; ৰাষ্ট্ৰসংঘ আৰু বিশ্ব নিৰাপত্তা

অধ্যায় ৪ ঃ **দক্ষিণ-দক্ষিণ সহযোগিতা** ৪৩-৫৭

দক্ষিণ-দক্ষিণ সহযোগিতাৰ অৰ্থ আৰু সংজ্ঞা; দক্ষিণ-দক্ষিণ সহযোগিতাৰ বৈশিষ্ট্যসমূহ , দক্ষিণ-দক্ষিণ সহযোগিতাৰ নীতি; দক্ষিণ-দক্ষিণ সহযোগিতাৰ বিৱৰ্তন; গোষ্ঠী নিৰপেক্ষ আন্দোলন (NAM] আৰু জি ৭৭; আছিয়ান আৰু দক্ষিণ-দক্ষিণ সহযোগিতা; ৰাষ্ট্ৰসংঘ আৰু দক্ষিণ-দক্ষিণ সহযোগিতা; দক্ষিণ-দক্ষিণ সহযোগিতাৰ প্ৰত্যাহ্বান; পৰামৰ্শ আৰু সিদ্ধান্ত

অধ্যায় ৫ ঃ **ভাৰতীৰ বৈদেশিক নীতি** ৫৮-৬৬

ভাৰতৰ বৈদেশিক নীতি মৌলিক নীতিসমূহ; ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ

অধ্যায় ৬ ঃ **ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক** ৬৭-৮৬

ভাৰত-ৰাছিয়া সম্পৰ্কৰ পটভূমি; পৰ্যায় আৰু শেহতীয়া প্ৰৱণতা;ভাৰত-ৰাছিয়া সম্পৰ্ক গঠণত প্ৰভাব পেলোৱা বিষয়সমূহ

অধ্যায় ৭ ঃ **ভাৰত - আমেৰিকাৰ সম্পৰ্ক** ৮৭-১০১

ভাৰত - আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ পটভূমি; পৰ্যায় তথা সাম্প্ৰতিক ধাৰাসমূহ / সমসাময়িক ধাৰা; ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বি-পাক্ষিক সম্পৰ্কৰ গুৰুত্ব

অধ্যায় ৮ ঃ **ভাৰতৰ পাকিস্তানৰ সৈতে সম্পর্ক** **১০২-১২১**
ভাৰত-পাকিস্তান সম্পর্কৰ পটভূমি; পর্যায় আৰু শেহতীয়া প্ৰৱণতা

অধ্যায় ৯ ঃ **চীনৰ সৈতে ভাৰতৰ সম্পর্ক** **১২২-১৩৩**
ভাৰত-চীন সম্পর্কৰ পটভূমি; পর্যায় আৰু শেহতীয়া প্ৰৱণতা

অধ্যায় ১০ ঃ **বাংলাদেশৰ সৈতে ভাৰতৰ সম্পর্ক** **১৩৪-১৪৫**
ভাৰত-বাংলাদেশৰ সম্পর্কৰ পটভূমি; পর্যায় আৰু শেহতীয়া ধাৰা

অধ্যায় ১১ ঃ **নব্য-ঔপনিৱেশবাদ আৰু নির্ভৰশীলতা** **১৪৬-১৬০**
নব্য-ঔপনিৱেশবাদৰ অর্থ আৰু প্ৰকৃতি, নব্য-ঔপনিৱেশবাদৰ পদ্ধতি; আন্তঃ ৰাষ্ট্ৰীয় সম্পর্কত নির্ভৰশীলতা তত্ত্ব, নির্ভৰশীলতা তত্ত্বৰ সমালোচনাত্মক মূল্যায়ন

অধ্যায় ১২ ঃ **আন্তর্জাতি সন্ত্রাসবাদ ঃ সমস্যা আৰু প্ৰত্যাহ্বান** **১৬১-১৮২**
সন্ত্রাসবাদৰ অর্থ আৰু প্ৰকৃতি, আন্তর্জাতিক সন্ত্রাসবাদৰ বৃদ্ধিৰ পর্যায়সমূহ; সন্ত্রাসবাদৰ তত্ত্বসমূহ; সন্ত্রাসবাদী গোটৰ কৌশলসমূহ; আন্তর্জাতিক সন্ত্রাসবাদৰ বিৰুদ্ধে অভিজান

অধ্যায় ১৩ ঃ **আন্তৰাষ্ট্ৰীয় ৰাজনীতিত গোলকীকৰণ (ডব্লিউ.টি.অ.) আৰু ইয়াৰ প্ৰভাৱ** **১৮৩-১৯৬**
গোলকীকৰণৰ অর্থ; গোলকীকৰণয বিশ্বায়ন আৰু আন্তর্জাতিক ৰাজনীতি, বিশ্বায়নৰ ঐতিহাসিক পটভূমি, আন্তর্জাতিক ৰাজনীতিত বিশ্বায়নৰ প্ৰভাৱ; আই.এম.এফ., বিশ্ব বেংক আৰু ডব্লিউ.টি.অ.; বিশ্বায়নৰ ক্ষেত্ৰত আই.এম.এফ., বিশ্ব বেংক আৰু ডব্লিউ.টি. অ.-ৰ ভূমিকা

অধ্যায় ১৪ ঃ **আন্তঃৰাষ্ট্ৰীয় পৰিৱেশীয় চিন্তা আৰু বহনক্ষম মানৱ উন্নয়ন** **১৯৭-২১৩**
সাম্প্রতিক সময়ত পৰিৱেশীয় সমস্যাসমূহ ঃ সেউজ গৃহ গেছৰ নির্গমন আৰু জলবায়ু পৰিৱর্তন, বিশ্ব সম্প্রদায়ৰ পদক্ষেপসমূহ— UNFCCC, কিয়'ট' প্ৰট'ক'ল; বহনক্ষম মানৱ উন্নয়নৰ ধাৰণা, বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰ (SDG's)

অধ্যায় ১ ঃ শীতল যুদ্ধ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ শীতল যুদ্ধৰ প্ৰকৃতি আৰু কাৰণ

১.৪ শীতল যুদ্ধৰ পৰ্য্যায়সমূহ

১.৫ শীতল যুদ্ধৰ সমাপ্তি

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শীতল যুদ্ধৰ অৰ্থৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- শীতল যুদ্ধৰ কাৰণসমূহ বাখ্যা কৰিব পাৰিব
- শীতল যুদ্ধৰ পৰ্য্যায়সমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- শীতল যুদ্ধৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- শীতল যুদ্ধৰ সমাপ্তিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত দ্বিতীয় বিশ্বযুদ্ধৰ পাছত উদ্ভৱ/সৃষ্টি হোৱা শীতল যুদ্ধৰ সৈতে পৰিচয় কৰাই দিব। সাধাৰণভাৱে ক'বলৈ গ'লে এই শীতল যুদ্ধৰ অৰ্থ আছিল দুই প্ৰতিদ্বন্দ্বী গোট বা দেশৰ গোটৰ মাজত থকা বলপূৰ্বক আৰু শত্ৰুতাপূৰ্ণ সম্পৰ্ক। মূল প্ৰতিদ্বন্দ্বী গোট আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত গঢ়া লৈ উঠা পশ্চিমৰ পুঁজিবাদী গোট আৰু পূৰ্বৰ ছোভিয়েট ইউনিয়ন বা ইউ. এছ. এছ. আৰ. (Union of Sovient Socialist Repulic) ৰ নেতৃত্বত গঢ় উঠা পূৰ সাম্যবাদী গোট। প্ৰতিটো গোটে নিজ নিজ মতাদৰ্শ আগবঢ়ায় নিব বিচাৰিছিল যাৰ পৰিণতিত দুয়োটা গোচৰ মাজত পাৰস্পৰিক সন্দেহ আৰু প্ৰতিদ্বন্দ্বিতাই বিৰাজ কৰিছিল। এই শীতল যুদ্ধৰ সময়চোৱাত শান্তি অথবা যুদ্ধ বৰ্ত্তি থকা নাছিল।

স্তম্ভলেখক ৰালটাৰ লিপমেনে শীতল যুদ্ধক নামাকৰণ কৰাৰ লগতে জনপ্ৰিয় কৰি তোলে আৰু ১৯৪৭ চনৰ ভিতৰত ই সাধাৰণ অৰ্থত ব্যৱহাৰ হয়। শীতল যুদ্ধই এক বিশেষ অৰ্থ কৰিবলৈ

আৰম্ভ কৰিছিল যেতিয়া পূৰ আৰু পশ্চিমৰ মাজৰ সম্পৰ্ক বেয়া, যুদ্ধসদৃশ আৰু বলপূৰ্বক হৈ পৰিছিল আৰু উতপ্ত যুদ্ধৰ পৰ্য্যায়ত উপনীত হোৱা নাছিল। ই ৰাজনৈতিক-অৰ্থনৈতিক গোটত আৰু আনকি মতাদৰ্শগত ভিত্তিতো তীব্ৰ প্ৰতিযোগিতাৰ প্ৰতীক আছিল যদিও দুয়োটা গোটৰ মাজত উতপ্ত যুদ্ধ বা প্ৰকৃত সশস্ত্ৰ সংঘাতৰ ৰূপ কেতিয়াও লোৱা নাছিল। কেলভোচেৰেছিয়ে (Calvocoressi) মন্তব্য কৰিছে যে শীতল যুদ্ধ আন যুদ্ধৰ দৰে এটা ঘটনা নাছিল, যাৰ আৰম্ভণী আৰু অন্তৰ লগতে বিজয়ী আৰু পৰাজিত আছিল, ই এক অৱস্থাৰ ইংগিত দিছিল।

শীতল যুদ্ধৰ উৎপত্তিৰ বিষয়ে বিভিন্ন মতবাদ যিয়েই নহওক কিয়, ক'ব পাৰি যে মতাদৰ্শগত সংঘৰ্ষ দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ জটিলতা আৰু আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ স্বাৰ্থৰ অমিলতাৰ বাবেই শীতল যুদ্ধৰ সূচনা হৈছিল।

১.৩ শীতল যুদ্ধৰ প্ৰকৃতি আৰু কাৰণসমূহ

হাৰ্টমেনৰ মতে, "শীতল যুদ্ধ হৈছে দেশসমূহৰ মাজত উত্তেজনাৰ অৱস্থা য'ত প্ৰতিটো পক্ষই ইয়াৰ শক্তিশালী কৰিবলৈ আৰু আনটো পক্ষক প্ৰকৃত যুদ্ধৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈ আনটো পক্ষক দুৰ্বল কৰিবলৈ ৰচনা কৰা নীতি গ্ৰহণ কৰে।" প্ৰকৃততে শীতল যুদ্ধ হৈছে এক প্ৰকাৰৰ মৌলিক যুদ্ধ যাক বাতৰি কাকত, আলোচনী, ৰেডিঅ' আৰু অন্যান্য অপপ্ৰচাৰৰ জৰিয়তে কৰা হয়। ই এক অপপ্ৰচাৰ য'ত এখন মহা শক্তিয়ে আন শক্তিৰ বিৰুদ্ধে অপপ্ৰচাৰৰ আশ্ৰয় লয়, ই এক প্ৰকাৰৰ কুটনৈতিক যুদ্ধ। শীতল যুদ্ধ এক অৰ্থত সেই যুগৰ দুই বিশাল পাৰমাণৱিক সামৰিক শক্তিধৰ দেশ আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজৰ ক্ষমতাৰ সংগ্ৰাম আছিল, কিন্তু অধিক মৌলিক স্তৰত শীতল যুদ্ধ আছিল দুটা বিপৰীতমুখী জীৱনশৈলীৰ মাজত প্ৰতিদ্বন্দ্বিতা। এটা আছিল গণতান্ত্ৰিত পুঁজিবাদ, যাৰ নেতৃত্বত আছিল আমেৰিকা আৰু অন্যান্য পশ্চিম ইউৰোপীয় দেশসমূহ। আনটো পক্ষক প্ৰতিনিধিত্ব কৰিছিল সৰ্বহাৰাৰ সাম্যবাদে ছোভিয়েট ইউনিয়ন ৰু ইয়াৰ ওপৰত নিৰ্ভৰশীল পূৰ ইউৰোপৰ দেশসমূহে ইয়াক নেতৃত্ব দিছিল। অহৰহ উত্তেজনা আৰু দুয়োপক্ষৰ দ্বাৰা ভয়ংকৰভাৱে পাৰমাণৱিক অস্ত্ৰ সৃষ্টি হোৱাৰ পিছতো আমেৰিকা আৰু ছোভিয়েট ইউনিয়ন আনুষ্ঠানিকভাৱে শান্তিৰে আছিল — সেয়েহে ইয়াক 'শীতল যুদ্ধ' বুলি নামাকৰণ কৰা হৈছে। তথাপিও ইয়াক শান্তিপূৰ্ণ যুগ আছিল বুলি ক'ব নোৱাৰি।

➢ শীতল যুদ্ধৰ কাৰণ

শীতল যুদ্ধৰ আৰম্ভণীৰ বাবে বিভিন্ন কাৰক দায়ী আছিল। সেইসমূহ হৈছে —

- ছোভিয়েট ৰাছিয়া আৰু আমেৰিকাৰ মাজৰ পাৰ্থক্যই শীতল যুদ্ধৰ সূচনা কৰিছিল। আমেৰিকা যুক্তৰাষ্টই ছোভিয়েট ৰাছিয়াৰ সাম্যবাদী সমাজবাদী মতাদৰ্শক সহ্য কৰিব নোৱাৰিছিল। আনহাতে ইউৰোপীয় আন দেশসমূহৰ ওপৰত আমেৰিকাৰ আধিপতা ৰাছিয়াই মানি ল'ব পৰা নাছিল।
- দুয়োখন মহাশক্তিধৰ দেশৰ মাজত থকা অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা শীতল যুদ্ধৰ আন

এক কাৰণ আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ছোভিয়েট ৰাছিয়াই সামগ্রিক শক্তি বৃদ্ধি কৰিছিল যিটো পশ্চিমীয়া দেশসমূহে ভাবুকি বুলি গণ্য কৰিছিল। সেয়েহে আমেৰিকাই এটম বোমা, হাইড্রজেন বোমা আৰু অন্যান্য মাৰাত্মক অস্ত্রৰ দৰে পাৰমাণৰিক বোমা নির্মাণ কৰিবলৈ আৰম্ভ কৰিছিল। ইউৰোপৰ অন্যান্য দেশসমূহেও পিছ পৰি নাথাকি এই অস্ত্র-শস্ত্রৰ প্রতিযোগিতাত অংশগ্রহণ কৰিবলৈ আৰম্ভ কৰিলে। গতিকে, সমগ্র বিশ্ব দুটা শক্তি গোটত বিভক্ত হৈ পৰিল যিয়ে শীতল যুদ্ধৰ পথ প্রশস্ত কৰিলে।

- মতাদর্শগত পার্থক্য আছিল শীতল যুদ্ধৰ আন এক কাৰণ, ছোভিয়েট ৰাছিয়াই যেতিয়া সাম্যবাদ প্রচাৰ কৰিছিল তেতিয়া আমেৰিকাই পুঁজিবাদ প্রচাৰ কৰিছিল। এই অপপ্রচাৰে অৱশেষত শীতল যুদ্ধখন খৰতকীয়া কৰি তুলিলে। ৰাছিয়াৰ ঘোষণাপত্র আছিল শীতল যুদ্ধৰ আন এক কাৰণ।
- ছোভিয়েট ৰাছিয়াই গণমাধ্যমত সাম্যবাদৰ ওপৰত আলোকপাত কৰিছিল আৰু শ্রমিক বিপ্লৱক উৎসাহিত কৰিছিল। আনহাতে সাম্যবাদৰ বিৰুদ্ধে আমেৰিকাই পুঁজিপতি সকলক সহায় কৰিছিল।
- আমেৰিকাৰ পাৰমাণৰিক কার্যসূচী আছিল শীতল যুদ্ধৰ আন এক কাৰণ। হিৰোছিমা আৰু নাগাছাকিত আমেৰিকাই বোমাবর্ষণ কৰাৰ পিছত ছোভিয়েট ৰাছিয়াই ইয়াৰ/ দেশৰ অস্তিত্বৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য হ'ল যাৰ বাবে তেওঁলোকেও আমেৰিকাৰ ক্রমবদ্ধমান শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ পাৰমাণৰিক কার্যসূচীত নামি পৰে। ইয়াৰ ফলত শীতল যুদ্ধৰ বিকাশ হ'বলৈ ধৰে। পশ্চিমীয়া দেশসমূহৰ বিৰুদ্ধে ৰাছিয়াই ভেটো প্রয়োগ কৰাৰ ফলত তেওঁলোকে ৰাছিয়াক ঘৃণা কৰিবলৈ বাধ্য হৈছিল। যেতিয়া পশ্চিমীয়া দেশসমূহে ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদত যিকোনো বিষয়ত মতামত আগবঢ়ায়, তেতিয়াই ছোভিয়েত ৰাছিয়াই তৎক্ষণাত নিজৰ ভেটো ক্ষমতাৰ জৰিয়তে ইয়াৰ বিৰোধিতা কৰিছিল। ৰাছিয়াৰ কাম-কাজত পশ্চিমীয়া দেশবোৰ বেছি সন্তুষ্ট নাছিল। শীতল যুদ্ধৰ বিকাশৰ ইও এটা অন্যতম কাৰক আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ..... শব্দটো স্তম্ভলেখক ৰালচাৰ লিপমেনে জনপ্রিয় কৰি তুলিছিল আৰু ১৯৪৭ চনৰ ভিতৰত ই সাধাৰণ ব্যৱহাৰলৈ আহিছিল .....

প্রশ্ন ২ ঃ ছোভিয়েট ৰাছিয়া আৰু আমেৰিকাৰ মাজৰ পার্থক্যৰ বাবে শীতল যুদ্ধৰ সূচনা হৈছিল। (সঁচা / মিছা)

প্রশ্ন ৩ ঃ পশ্চিমীয়া দেশসমূহৰ বিৰুদ্ধে ছোভিয়েট ৰাছিয়াই ভেটো ক্ষমতা প্রয়োগ কৰাৰ ফলত তেওঁলোকে ৰাছিয়াক ঘৃণা কৰিবলৈ বাধ্য হৈছিল। (সঁচা / মিছা)

১.৪ শীতল যুদ্ধৰ পর্য্যায়সমূহ

শীতল যুদ্ধ একেদিনাই সংঘটিত হোৱা নাছিল। ই কেইবাটাও পার্য্যায়ৰ মাজেৰে পাৰ হৈ গৈছিল। ইয়াৰ বিষয়ে তলত আলোচনা কৰা হৈছে —

পয্যায় ১ ঃ

১৯৪৬ চনৰ পৰা ১৯৪৯ চনলৈকে প্রথম পর্য্যায়ৰ শীতল যুদ্ধ চলি আছিল। সেই সময়চোৱাত দুয়োটা ক্ষমতা গোটৰ মাজত পাৰস্পৰিক অনাস্থা আৰু সন্দেহৰ সৃষ্টি হয় আৰু প্রতিটো পক্ষই ইটোৱে আনটোৰ ওপৰত হেঁচা প্রয়োগ কৰি ছিন্নভিন্ন কৰিবলৈ বিচাৰিছিল। ১৯৪৭ চনত আমেৰিকাই ট্রুমেন মতবাদৰ জৰিয়তে প্রত্যক্ষ সামৰিক কার্যৰ আশ্রয় লয়। এই সময়চোৱাত আমেৰিকাই হস্তক্ষেপ আৰু মর্যদা ৰক্ষাৰ নীতি গ্রহণ কৰে। ইয়াৰ উপৰিও ১৯৪৭ চনৰ জুন মাহত মার্শ্বেল পৰিকল্পনাৰ জৰিয়তে আমেৰিকাই পশ্চিম ইউৰোপীয় শক্তিসমূহৰ অর্থনৈতিক সংহতিৰ পথ অনুসৰণ কৰে। উল্লেখযোদ্য যে মার্শ্বেল প্লেন আছিল দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই দেশসমূহৰ মাজত অর্থনৈতিক পুনৰ গঠন নিশ্চিত কৰিবলৈ সোতৰখন ইউৰোপীয় দেশক অর্থনৈতিক সাহায্য প্রদানৰ পৰিকল্পনা। আমেৰিকাৰ বিদেশ সচিব জর্জ মার্শ্বেলৰ নামেৰে ইয়াক নামাকৰণ কৰা হৈছিল। ১৯৪৯ চনত আমেৰিকাই 'ছোভিয়েট সম্প্রসাৰণবাদ'ক প্রতিহত কৰিবলৈ উত্তৰ আটলাণ্টিক সন্ধি সংস্থা (NATO) গঠন কৰে। আনহাতে, ১৯৪৬ চনৰ ফ্রেব্রুৱাৰী মাহত জোচেফ ষ্টেলিনে দিয়া ভাষণত 'পুঁজিবাদী শক্তিসমূহৰ সৈতে সংঘাতৰ অনিবার্যতা'ৰ কথা কৈছিল। ১৯৪৯ চনত চীনৰ কমিউনিষ্ট চৰকাৰক সীকৃতি দিবলৈ আমেৰিকাই অস্বীকাৰ কৰা আৰু ফর্মোছা চৰকাৰক সমর্থন জনোৱাৰ ফলত এই সময়চোৱাত দুয়োখন মহাশক্তিধৰ দেশৰ মাজত উত্তেজনা বৃদ্ধি পায়।

দ্বিতীয় পর্য্যায় ঃ

১৯৪৯ চনৰ পৰা ৫০ চনলৈকে দ্বিতীয় পর্য্যায়ৰ শীতল যুদ্ধ চলি আছিল। এই পর্য্যায়ত আমেৰিকাই ছোভিয়েট ইউনিয়নৰ বিৰুদ্ধে সামৰিক আৰু অর্থনৈতিক সাহায্য প্রদানৰ নীতি অব্যাহত ৰাখে। এই সময়ছোৱাত আমেৰিকাই অষ্ট্রেলিয়া আৰু নিউজিলেণ্ডৰ (ANZUS) সৈতে নিৰাপত্তা চুক্তি আৰু ১৯৫১ চনত জাপানৰ সৈতে শান্তি চুক্তি সম্পাদন কৰে। এই সময়চোৱাত কোৰিয়া যুদ্ধত (১৯৫০-৫৩) সংঘটিত হয় আৰু ইয়াৰ ফলত আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ মাজত এক বৃহৎ সংঘাতৰ সৃষ্টি হয়। কোৰিয়াৰ দুয়োপাৰে (কমিউনিষ্ট প্রভাৱত উত্তৰ কোৰিয়া আৰু পশ্চিমীয়া দেশসমূহৰ প্রভাৱত দক্ষিণ কোৰিয়া আমেৰিকা আৰু ৰাছিয়াৰ সৈন্য নিয়োজিত হৈ থাকে। শক্তিগোটবোৰে ইটোৱে আনটোৰ বিৰুদ্ধে বিধ্বংসী কার্যকলাপত লিপ্ত হয়। ছোভিয়েট ইউনিয়নেও ১৯৪৯ চনত পৰমাণু বোমা বিস্ফোৰণ কৰি আমেৰিকাৰ সৈতে পাৰমাণৰিক দৌৰত প্রৱেশ কৰে। প্রতিটো গোটে আনটোৰ প্রভাৱ প্রতিহিত কৰাৰ চেষ্টা কৰিছিল আৰু ক্ষমতাৰ ৰাজনীতিৰ খেলত লিপ্ত হৈছিল। ফলত দুয়োটা প্রতিদ্বন্দ্বী গোটৰ মাজত শত্রুতা অবিৰতভাৱে চলি থাকে।

তৃতীয় পর্য্যায় ঃ

১৯৫৩ চনৰ পৰা ৫৭ চনলৈকে তৃতীয় পর্য্যায়ৰ শীতল যুদ্ধ চলি থাকে। এই পর্য্যায়ত পূৱৰ গোটৰ বিৰুদ্ধে আমেৰিকাৰ সামৰিক আৰু অর্থনৈতিক আক্রমণৰ নীতি অব্যাহত থাকে। এই সময়চোৱাত আমেৰিকাৰ পৃষ্ঠপোষকতাত দুখন নতুন চুক্তি/সন্ধিৰ সৃষ্টি হয়, যথা — দক্ষিণ-পূৱ এছিয়া সন্ধি সংস্থা (SEATO) আৰু মধ্যপ্রাচ্য প্রতিৰক্ষা সংস্থা (MEDO) আমেৰিকাইও ট্রুমেন মতবাদক এই অঞ্চলসমূহলৈ সম্প্রসাৰণ কৰি মধ্যপ্রাচ্যত নিজৰ প্রভাৱৰ ক্ষেত্রখন সম্প্রসাৰণ কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ উপৰিও ই এই ভূখণ্ডৰ ওপৰত কেইবাটাও সামৰিক ঘাটি স্থাপন কৰিছিল। লগতে আমেৰিকাই ৪৩ খন দেশৰ লগত প্রতিৰক্ষা চুক্তিও সম্পাদন কৰে।

ছোভিয়েট ইউনিয়নে ইয়াৰ ফালৰ পৰা ১৯৪৯ চনত গঠন হোৱা নাটোক প্রতিহত কৰিবলৈ পূৱ ইউৰোপীয় শক্তিসমূহৰ সৈতে ৱাৰছ' (WARSAW) চুক্তি সম্পাদন কৰে। ছোভিয়েট ইউনিয়নেও ১২ খন দেশৰ সৈতে প্রতিৰক্ষা চুক্তি সম্পাদন কৰে। এই সময়চোৱাত জার্মানী দুখন দেশত বিভক্ত কৰা হয়। ১৯৫৫ চনত ৫ মে'ত পশ্চিমীয়া গোটে সম্পূর্ণ সার্বভৌম যুক্তৰাষ্ট্রীয় প্রজাতান্ত্রিক জার্মানী (পশ্চিম জার্মানী) প্রতিষ্ঠা কৰাৰ বিপৰীতে ১৯৫৫ চনৰ অক্টোবৰ মাহত ছোভিয়েট ইউনিয়নে গণতান্ত্রিক জার্মান প্রজাতন্ত্র (পূৱ জার্মানী) প্রতিষ্ঠা কৰে। এই সময়ছোৱাত দুয়োটা গোটে হাইড্রজেন বোমাও বিস্ফোৰণ কৰে।

চতুর্থ পর্য্যায় ঃ

চতুর্থ পর্য্যায়টো ১৯৫৭-৬২ চনলৈকে বর্তি আছিল। ইয়াত দুটা চৰম ধাৰা পৰিলক্ষিত হৈছিল। এই সময়চোৱাত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত সহ-অস্তিত্বৰ নীতি ঘোষণা কৰা হৈছিল। একে সময়তে দেখা গৈছিল আটাইতকৈ বিপজনক কিউবান ক্ষেপনাস্ত্র সংকট যিয়ে প্রায় তৃতীয় বিশ্বযুদ্ধ সূচনা কৰাৰ ভাবুকি কঢ়িয়াই আনিছিল। কিন্তু পৰৱর্তী সময়ত দুয়োটা গোটৰ মাজত এক সৌহার্দ্যপীর্ণ পৰিৱেশৰ সৃষ্টি হয় সেই অনুসৰি সম্ভব্য পাৰমাণৰিক যুদ্ধৰ ধ্বংসৰ পৰা মানৱ জাতি ৰক্ষা পৰিল।

সহ-অস্তিত্বৰ /অৱস্থানৰ নীতিৰ অধীনত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত পাৰস্পৰিক সাংস্কৃতিক আৰু ৰাজনৈতিক আদান-প্রদান হৈছিল। দুয়োখন দেশৰ ভ্রমণ কৰিছিল। ইয়াৰ ফলত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজৰ সম্পর্কত উত্তেজনা আপেক্ষিকভাৱে লাঘৱ হোৱাৰ পথ মুকলি হয়।

পঞ্চম পর্য্যায় ঃ

১৯৬২ চনৰ পৰা ১৯৬৯ চনলৈকে পঞ্চম পর্য্যায়ৰ শীতল যুদ্ধ চলিছিল। এই পর্য্যায়ত দুয়োটা গোটৰ মাজত পাৰমাণৰিক অস্ত্রৰ অসাৰতাৰ গভীৰ মর্মাৱলী মানি লোৱা হৈছিল। এই সময়চোৱাত পাৰমাণৰিক অস্ত্র নিষিদ্ধকৰণৰ দাবীত বিশ্বব্যাপী দাবী উত্থাপন হৈছিল আৰু পাৰমাণৰিক অস্ত্র নিৰস্ত্রীকৰণ সম্পর্কীয় কেইবাখনো সন্ধি সম্পাদন কৰা হৈছিল। আংশিক পৰীক্ষা নিষেধাজ্ঞা সন্ধি (Partial Test Ban Treaty) ১৯৬৩ চনত সম্পাদন কৰা হৈছিল। ১৯৬৩ চনৰ জেনেভা হট লাইন চুক্তিয়ে আমেৰিকা আৰু ছোভিয়েট ইউনিয়নক বহু ওচৰলৈ লৈ যায়।

১৯৬৮ চনৰ অপ্রসাৰণ চুক্তি (Non-Proliferation Treaty) ও দুয়োখন মহাশক্তিধৰ দেশৰ প্রচেষ্টাৰ বাবে সম্ভৱ হৈ উঠিছিল। দুয়োখন দেশৰ নেতাসকলে শান্তিপূর্ণ সহাৱস্থানৰ প্রয়োজনীয়তা আৰু মানৱজাতিক আন এক বিশ্বযুদ্ধৰ পৰা ৰক্ষা কৰিবলৈ নিৰস্ত্রীকৰণ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাছিয়াৰ প্রধানমন্ত্রী খ্রুছেভে (Khrushchev) ৰাশ্বিংটন ভ্রমণ কৰি ৰাষ্ট্রপতি আইচেনহাৱাৰক সাক্ষাৎ কৰি তেওঁৰ শান্তিপূর্ণ সহ-অৱস্থানৰ নীতি মানি চলিৱলৈ আহ্বান জনায়। এই ভ্রমণৰ সময়ত খ্রুছেভে ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদত ভাষণ প্রদান কৰে। চাৰি বছৰৰ ভিতৰত সকলো ৰাষ্ট্রই সম্পূর্ণৰূপে নিৰস্ত্র হ'ব লাগে বুলি তেওঁ প্রস্তাৱ আগবঢ়ায়। ইয়াৰ পিছত আমেৰিকা, ছোভিয়েট ইউনিয়ন আৰু ব্রিটেইন পৰীক্ষা নিষেধাজ্ঞা সন্ধি (NPT) গ্রহণ কৰে য'ত নিয়ম বন্ধা হৈছিল যে পাৰমাণৰিক ক্ষমতাৰে সজ্জিত দেশসমূহে নিজৰ পাৰমাণৰিক অস্ত্র কোনো অপাৰমাণৰিক শক্তিলৈ হস্তান্তৰ কৰিব নালাগে বা এই অস্ত্র উৎপাদনৰ কাৰিকৰী জ্ঞান প্রদান কৰিব নালাগে।

ষষ্ঠ পর্য্যায় ঃ

১৯৬৯ চনৰ পৰা আৰম্ভ হোৱা ষষ্ঠ পর্য্যায়ক ডিটেণ্টৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। ১৯৭০ চনৰ আৰম্ভণিতে বিকশিত হোৱা ই শিথিলতাৰ এক নতুন সময়ক চিহ্নিত কৰে যাক 'Detente' নামেৰে জনা যায় ই এটা ফৰাচী শব্দ আৰু ইয়াৰ অর্থ হৈছে উত্তেজনা মুক্ত কৰা। এই সময়চোৱাত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজৰ সম্পর্ক অধিকতকৈ অধিক সহযোগিতামূলক হৈ উঠে/পৰে। আমেৰিকা আৰু দুয়োখন দেশৰ নেতাসকলে ইজনে আনজনৰ দেশ ভ্রমণ কৰে। তেওঁলোকৰ মাজত সাংস্কৃতিক বিনিময়, বাণিজ্যিক চুক্তি আৰু সহযোগিতামূলক প্রযুক্তিগত উদ্যোগ গঢ় লৈ উঠিছিল। এই সকলোবোৰ নতুন উন্নয়ন সংঘটিত হৈছিল যেতিয়া দুয়োপক্ষৰ নেতাসকলে পাৰস্পৰিক ধ্বংসৰ পৰা হাত সাৰিবলৈ আৰু মানৱজাতিক আন এক ধ্বংসাত্মক যুদ্ধৰ পৰা ৰক্ষা কৰাৰ প্রয়োজনীয়তাৰ বিষয়ে উপলব্ধি কৰিছিল। এনে এক সৌহার্দ্যপূর্ণ পৰিৱেশে মহাশক্তিধৰ দেশসমূহৰ মাজত 'ডিটেণ্টৰ' দিশত অৱিহণা যোগাইছিল। উল্লেখযোগ্য যে আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত ডিটেণ্ট আৰম্ভ হৈছিল যেতিয়া ছোভিয়েট ইউনিয়নৰ প্রধানমন্ত্রী খ্রুছেভে শান্তিপূর্ণ সহ-অৱস্থানৰ বাবে আহ্বান/ অনুৰোধ জনাইছিল। ১৯৭২ চনত আমেৰিকাৰ ৰাষ্ট্রপতি নিক্সনে (Nixon) মস্কো ভ্রমণ কৰি SALT - I চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিত এণ্টি বেলিষ্টিক ক্ষেপনাস্ত্র ব্যৱস্থাৰ সীমাবদ্ধতাৰ সন্ধি আৰু কৌশলগত আক্রমণাত্মক অস্ত্রৰ সীমাবদ্ধতাৰ সন্দর্ভত কিছুমান ব্যৱস্থাৰ অন্তৱর্তীকালীন চুক্তি অন্তর্ভুক্ত কৰা হৈছিল। এনে সন্ধিসমূহে দুয়োটা গোটৰ মাজৰ সম্পর্ক উন্নত কৰাৰ দিশত অৱিহণা যোগাইছিল।

এই পর্যায়ত আন এটা পৰিঘটনা ঘটিছিল যেতিয়া ১৯৭০ চনত ছোভিয়েট ইউনিয়নে পশ্চিম জার্মানীৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছিল আৰু জার্মানীৰ বিৰুদ্ধে বল/শক্তি প্রয়োগ নকৰিবলৈ সন্মত হৈছিল। এই চুক্তিয়ে ইউৰোপত উত্তেজনা লাঘৱ কৰাত যথেষ্ট অৱিহণা যোগাইছিল। পৰৱর্তী সময়ত বার্লিনক লৈ দুয়োটা গোটৰ মাজৰ সম্পর্কত উত্তেজনা হ্রাস কৰাৰ লক্ষ্যৰে ছোভিয়েট ইউনিয়ন, ব্রিটেইন, আমেৰিকা আৰু ফ্রান্সৰ মাজত আন এক চুক্তি সম্পাদন হয়। ১৯৭৩ চনত ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট দলৰ মুৰব্বী ব্রেজ্নেভে ৰাশ্বিংটন ভ্রমণ কৰি শান্তি সম্পর্কীয়

ধাৰাবাহিক আলোচনাত মিলিত হয়। দুয়োজন নেতাই শান্তি স্থায়ী কৰাৰ বাবে আৰু তেওঁলোকৰ মাজত চলি থকা পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিযোগিতা হ্ৰাস কৰাৰ বাবে একেলগে কাম কৰাৰ ক্ষেত্ৰত নিজৰ স্থিতি নিশ্চিত কৰে। তেওঁলোকে কৃষি গৱেষণা পৱিবহণ সাংস্কৃতিক আৰু বৈজ্ঞানিক আদান-প্ৰদান আদি সম্প্ৰসাৰণ সম্পৰ্কীয় চাৱিখন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰে।

সমগ্ৰ ইউৰোপত শান্তি লাভৰ বাবে পাৰমাণৱিক যুদ্ধৰ মুকামুখি হোৱাৰ পৰা হাত সাৱিবলৈও তেওঁলোক সন্মত হয়। ৰাষ্ট্ৰপতি ফৰ্ডে ছোভিয়েট দলৰ মুৰব্বী ব্ৰেডলেভৰ সৈতে পৰবৰ্তী দহ বছৰৰ বাবে কৌশলগত আক্ৰমণাত্মক অস্ত্ৰ সীমিত কৰাৰ বাবেও চুক্তিবদ্ধ হয়। তদুপৰি, দুয়োজন নেতাই ১৯৭৫ চনৰ জুলাই মাহত হেলচিংকিত অনুষ্ঠিত ইউৰোপত নিৰাপত্তা আৰু সহযোগিতাৰ ওপৰত অনুষ্ঠিত হোৱা শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। এনে প্ৰচেষ্টাই শান্তিপূৰ্ণ পৱিস্থিতিৰ সৈতে সম্পৰ্ক স্বাভাৱিক কৰাৰ দিশত দুয়োখন মহাশক্তিৰ মাজত প্ৰায় সম্পূৰ্ণ ডিটেণ্টৰ পৱিৱেশৰ সৃষ্টি কৰিছিল।

শীতল যুদ্ধৰ আন এটা দিশ আছিল চীন-ছোভিয়েট মতভেদ যিয়ে ছোভিয়েট ইউনিয়ন আৰু চীনৰ লগতে চীন আৰু আমেৰিকাৰ মাজত নতুন উত্তেজনা গঢ়ি তুলিছিল। কিন্তু ডিটেণ্টৰ সময়চোৱাই সংশ্লিষ্ট দেশসমূহৰ মাজত ভাল বুজাবুজিৰ সম্ভাৱনা বিচাৰি উলিওৱাত সহজ কৰি তুলিছিল। ১৯৭৯ চনত চীন আৰু আমেৰিকা দুয়োখন দেশেই ৰাষ্ট্ৰদূত বিনিময়ৰ যোগেদি উত্তেজনা লাঘৱ কৰাৰ দিশত প্ৰচেষ্টা চলাইছিল।

ডিটেণ্টৰ মাজতো আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত শীতল যুদ্ধৰ কিছুমান ধাৰা অব্যাহত আছিল। সেই অনুসৰি দুয়োটা গোটেই বিৰোধী গোটক ৰোধ ৰুদ্ধ কৰাৰ নীতি গ্ৰহণ কৰিছিল। উদাহৰণস্বৰূপে, মধ্যপ্ৰাচ্যত নিজৰ প্ৰভাৱ অক্ষুণ্ণ ৰাখিবলৈ আৰু অঞ্চলটোত ছোভিয়েট ইউনিয়নৰ ক্ৰমবদ্ধমান প্ৰভাৱ প্ৰতিহিত কৰিবলৈ আমেৰিকাই ইৰাণত অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণত সমৰ্থন অব্যাহত ৰাখিছিল। আনহাতে দক্ষিণ-পূৱ এচিয়াত আমেৰিকাৰ প্ৰভাৱৰ ক্ষেত্ৰখনক সলনি কৰাৰ লগতে চীনক নিয়ন্ত্ৰণ কৰাৰ লক্ষ্যৰে ছোভিয়েট ইউনিয়নে এছিয়াৰ সামূহিক নিৰাপত্তাৰ বাবে প্ৰস্তাৱ দাখিল কৰিছিল। সপ্তম পৰ্য্যায় (১৯৭৯ চনৰ পৰা) ঃ

১৯৭২ চনত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত স্বাক্ষৰিত কৌশলগত অস্ত্ৰ সীমাবদ্ধতা চুক্তি (SALT) ১৯৭৭ চনৰ অক্টোবৰ মাহত বন্ধ হৈ পৰে। এই প্ৰক্ৰিয়াটোক নতুন মাত্ৰা দিবলৈ দুয়োজন নেতাই যথেষ্ট প্ৰচেষ্টা চলাইছিল আৰু দীৰ্ঘদিনীয়া আলোচনাৰ অন্তত ১৯৮৫ চনৰ ৩১ ডিচেম্বৰলৈকে কৌশলগত আক্ৰমণাত্মক অস্ত্ৰৰ সীমাবদ্ধতাৰ ওপৰত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত চুক্তি সম্পাদন হৈছিল আৰু ১৯৭৯ চনৰ ১৮ জুনত ভিয়েনাত আমেৰিকাৰ ৰাষ্ট্ৰপতি কাৰ্টাৰ আৰু ছোভিয়েট ইউনিয়নৰ ৰাষ্ট্ৰপতি লিঅ'নিড ব্ৰেজনেভে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিক SALT-II বুলি জনা যায়। এই চুক্তিত পাৰমাণৱিক অস্ত্ৰৰ সম্প্ৰসাৰণ সীমিত কৰাৰ ক্ষেত্ৰত দুয়োখন মহাশক্তিৰ দৃঢ়তাৰ কল্পনা কৰা হৈছিল। দুয়োখন দেশেই এই চুক্তিৰ জৱিয়তে কৌশলগত অস্ত্ৰৰ অধিক সীমাবদ্ধতা আৰু হ্ৰাসৰ ব্যৱস্থা গ্ৰহণ কৰি সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ সাধনৰ বাবে নিজৰ স্থিতি পুনৰ দৃঢ় কৰে। কিন্তু SALT-II সিদ্ধান্ত আৰু আফগানিস্থানত

ছোভিয়েট হস্তক্ষেপ দুয়োটা একে সময়তে ঘটিছিল আৰু ই ডিটেণ্টৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিছিল। এই নতুন শীতল যুদ্ধৰ সূচনা হৈছিল দুয়োখন মহাশক্তিৰ মাজৰ সম্পৰ্কৰ খহনীয়াৰ ফলত। ই বহু পৰিমাণে অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতাক কেন্দ্ৰ কৰি হৈছিল আৰু তেতিয়ালৈ অস্ত্ৰ প্ৰযুক্তি নতুন শিখৰত উপনীত হোৱাৰ বাবে ই মানৱজাতিৰ বাবে অধিক ভাবুকিপূৰ্ণ হৈ পৰিছিল। নতুন শীতল যুদ্ধৰ মাজতে দুয়োখন মহাশক্তিৰ নেতাসকলে কিবা এটা বুজাবুজিলৈ অহাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি থাকিল। সেয়েহে দুয়োখন মহাশক্তি আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াই তেওঁলোকৰ মাজত নিয়মীয়া আৰু গভীৰ আলোচনাত মিলিত হ'বলৈ কেইবাবাৰো লগ হৈছিল। দ্বিপাক্ষিক আৰু বহুপক্ষীয় মঞ্চত তেওঁলোকৰ মাজত কেইবাখনো বৈঠক অনুষ্ঠিত হৈছিল যদিও কোনো নিৰ্দিষ্ট চুক্তিত উফনীত হ'ব পৰা নাছিল। কিন্তু এই ক্ষেত্ৰত ১৯৮৭ চনৰ ডিচেম্বৰ মাহত ৱাশ্বিংটন শীৰ্ষ সন্মিলনত এটা আদৰণীয় উন্নয়ন সাধন হৈছিল য'ত দুয়োখন মহাশক্তিধৰ দেশে মধ্যম দুৰত্বৰ ক্ষেপণাস্ত্ৰৰ ক্ষেত্ৰত বুজাবুজিত উপনীত হৈছিল আৰু তেওঁলোকে যিমান পাৰি পাৰমাণৱিক অস্ত্ৰ নিৰ্মূল কৰাৰ আঁচনি লৈছিল। ইয়াৰ উপৰিও ১৯৮৮ চনৰ মে'-জুন মাহত মস্কো শীৰ্ষ সন্মিলনত দুয়োখন দেশে মধ্যম দুৰত্বৰ পাৰমাণৱিক বাহিনী (INF) চুক্তি অনুমোদনৰ নথি-পত্ৰ বিনিময় কৰে আৰু তেওঁলোকে কৌশলগত অস্ত্ৰ হ্ৰাসৰ সন্ধিৰ বাবে চেষ্টা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এইদৰে দুয়োখন মহাশক্তিধৰ দেশে নিজৰ সম্পৰ্ক উন্নত কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাইছিল আৰু শীতল যুদ্ধ শিথিল কৰাৰ প্ৰক্ৰিয়া এটা উলিয়াইছিল। এই দিশত আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল ১৯৮৮ চনত ইউৰোপত ছোভিয়েট ইউনিয়নে একপক্ষীয়ভাৱে ছোভিয়েট সৈন্য আৰু অস্ত্ৰ-শস্ত্ৰ হ্ৰাস কৰাৰ দিশত আগবাঢ়িছিল। সেই সময়চোৱাত ছোভিয়েট ইউনিয়নে পশ্চিম বিশ্বৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপনৰ উদ্দেশ্যৰ ইংগিত দিছিল। পৰৱৰ্তী বছৰবোৰত দুয়োখন মহাশক্তিধৰ দেশে বিভিন্ন আন্তৰাষ্ট্ৰীয় বিষয়ত অধিক সহযোগিতাৰ মনোভাৱ দেখুৱাইছিল আৰু তেওঁলোকৰ পাৰস্পৰিক সম্পৰ্কত বিদ্যমান বিৰক্তিকৰ বিষয়বোৰ আঁতৰাবলৈ চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে, ১৯৮৯ চনৰ মাল্টা শীৰ্ষ সন্মিলনত দুয়োখন মহাশক্তিধৰ দেশে ইয়াৰ সৈতে জড়িত কেইবাটাও বাধা আৰু বিষয়ৰ ওপৰত আলোচনা কৰিছিল আৰু এনে শীৰ্ষ সন্মিলন পৰ্য্যায়ৰ আলোচনাই সুসম্পৰ্ক গঢ়ি তোলাত অৱিহণা যোগাইছিল। একেদৰে, ১৯৯০ চনত ৱাশ্বিংটনত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত আন এক শীৰ্ষ সন্মিলন অনুষ্ঠিত হয় আৰু এই দেশ দুখনৰ নেতাসকলে অৰ্থনৈতিক আৰু সাংস্কৃতিক সহযোগিতাৰ বাবে চুক্তি কৰাই নহয় ইউৰোপত গতানুগতিক সামৰিক বাহিনীসমূহ কৰ্তনৰ বাবেও চুক্তি সম্পাদন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। ৰাসায়নিক অস্ত্ৰ ধ্বংস কৰাৰ লগতে ক্ৰুজ মিছাইলৰ সীমাবদ্ধতাৰ বিবাদ নিস্পত্তিৰ সিদ্ধান্তও ঘোষণা কৰে। ইয়াৰ পিছতে দুয়োখন মহাশক্তিৰ দেশে পৃথকে পৃথকে একপক্ষীয় নিৰস্ত্ৰীকৰণ নীতি ঘোষণা কৰে আৰু গণধ্বংসী সকলো পাৰমাণৱিক জৈৱিক আৰু ৰাসায়নিক অস্ত্ৰ নিৰ্মূল কৰাৰ উদ্দেশ্যেৰে ১০ টা বিষয়ৰ নিৰস্ত্ৰীকৰণ পৰিকল্পনা ঘোষণা কৰে।

১৯৮৫ চনৰ আৰম্ভণীৰ পৰাই ছোভিয়েট ইউনিয়নৰ পতন হ'বলৈ ধৰে। বছৰ বছৰ ধৰি সামৰিক বিভাগৰ গঠনৰ ফলত অৰ্থনীতি স্থবিৰ হৈ পৰিছিল। ফলত অৰ্থনীতি স্থবিৰ হৈ পৰিছিল।

একে সময়তে কেইবাখনো ছোভিয়েট সমাজবাদী গণৰাজ্যই কেন্দ্রীয় নেতৃত্বক প্রতিহিত কৰিবলৈ আৰম্ভ কৰে। তাৎপর্যপূর্ণভাৱে ছোভিয়েট ৰাষ্ট্রপতি মিখাইল গর্বাচেভে ১৯৮০ চনৰ দ্বিতীয়ার্ধত পেৰেষ্ট্রইকা (ছোভিয়েট ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থাৰ পুনৰ গঠনৰ লক্ষ্যৰে হোৱা ৰাজনৈতিক আন্দোলন) আৰু গ্লাছনষ্ট (চৰকাৰত মুক্ত আৰু স্বচ্ছতাৰ নীতি) প্রৱর্তন কৰে। এই সকলোবোৰৰ ভিতৰত ১৯৯১ চনৰ ডিচেম্বৰ মাহত ছোভিয়েট ইউনিয়নৰ বিভাজন ঘটে যিয়ে শীতল যুদ্ধৰ অন্ত পেলায়। কিন্তু, নব্বৈৰ দশকৰ মাজভাগত শীতল যুদ্ধৰ আনুষ্ঠানিক অন্ত পৰে যেতিয়া নাটোৰ নেতাসকলে লণ্ডনত অনুস্থিত হোৱা তেওঁলোকৰ শীর্ষ বৈঠকত শীতল যুদ্ধৰ সমাপ্তিৰ আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এনে ঘোষণাক বিশ্বৰ নেতাসকলে বহুলভাৱে প্রশংসা কৰিছিল। আনহাতে, ছোভিয়েট নেতাসকলে ইয়াক "বাস্তৱিক আৰু গঠনমূলক" বুলি অভিহিত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ ১৯৬২ চনৰ পৰা শীতল যুদ্ধৰ পঞ্চম পর্য্যায় আৰম্ভ হৈছিল। (সঁচা / মিছা)

প্রশ্ন ৫ ঃ ১৯৬৫ চনত ৰাছিয়াই WARSAW PACT স্বাক্ষৰ কৰিছিল। (সঁচা / মিছা)

প্রশ্ন ৬ ঃ ..... চনত আমেৰিকাত অনুস্থিত অলিম্পিক বর্জন কৰিছিল। (খালী ঠাই পুৰোৱা)

১.৫ শীতল যুদ্ধৰ সমাপ্তি

ছোভিয়েট ইউনিয়নৰ ৰাষ্ট্রপতি হিচাপে গর্বাচেভৰ আধিপত্যই পূৱ আৰু পশ্চিমৰ সম্পর্কত এক নতুন যুগৰ সূচনা কৰে। তেওঁ ৰাষ্ট্রপতি পদত অধিস্থিত হোৱাৰ ফলত পাৰমাণৱিক আৰু গতানুগতিৰ শক্তিৰ ওপৰত চুক্তিৰ পথ মুকলি হৈ পৰে। ১৯৮৫ চনৰ ১৯-২১ নৱেম্বৰত অনুস্থিত হোৱা জেনেভা সন্মিলন আছিল আফগানিস্তান সংকটৰ পিছত অনুষ্ঠিত হোৱা ছোভিয়েট-আমেৰিকান প্রথমখন শীর্ষ সন্মিলন, ইয়াত আমেৰিকা আৰু ছোভিয়েট ইউনিয়ন দুয়োখনেই তেওঁলোকৰ মাজত যিকোনো পাৰমাণৱিক বা গতানুগতিক যুদ্ধ ৰোধ কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৯৮৬ চনৰ ৰেইজাভিক শীর্ষ সন্মিলন আৰু ১৯৮৭ চনৰ ৰাশ্বিংটন শীর্ষ সন্মিলনৰ পিছত গর্বাচেভে আমেৰিকা ভ্রমণ কৰি INF ত স্বাক্ষৰ কৰে। ১৯৮৮ চনত অনুষ্ঠিত হোৱা মস্কো শীর্ষ সন্মিলনত আৰু ১৯৮৯ চনৰ মাস্টা শীর্ষ সন্মিলনত গর্বাচেভ আৰু ৰেগানৰ সাক্ষাৎ হয় যিয়ে কেৱল আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ সম্পর্কতে নহয়, আন্তৰাষ্ট্রীয় ৰাজনীতিতো নতুন আৰম্ভণিৰ সূচনা কৰে। ১৯৮৯ চনৰ শেষৰ ফালে বুলগেৰিয়া

আৰু ৰোমানিয়াৰ সমাজবাদী চৰকাৰৰ পতন ঘটে। ১৯৮৯ চনত ইয়াৰ শীৰ্ষবিন্দ্ত উপনীত হয় যেতিয়া হাজাৰ হাজাৰ সাধাৰণ নাগৰিকে বার্লিন দেৱাল ভাঙি পেলায় আৰু নিৰাপত্তাৰক্ষীসকলে কেৱল দর্শক হিচাপে থিয় হৈ থাকে। ১৯৯১ চনৰ জুলাই মাহত ৰাষ্ট্রপতি বুছ আৰু গর্বাছেভে তেওঁলোকৰ কৌশতগত অস্ত্রভাণ্ডাৰ অতিকৈ হ্রাস কৰাৰ বাবে START ত স্বাক্ষৰ কৰে।

গর্বাছেভৰ নতুন চিন্তাধাৰা তেওঁৰ GLASNOT আৰু PERESTROIKA ত প্রতিফলিত যি একে কিছুমান শক্তিৰ পথ মুকলি কৰিছিল যিবোৰ শেষত ছোভিয়েট ইউনিয়নৰ পতনৰ কাৰণ হৈ পৰিছিল। আভ্যন্তৰীণভাৱে কেইবাটাও কাৰণৰ ফলত সাম্যবাদৰ পতন ঘটিছিল। ফ্রান্সিছ ফুকুৱামাই 'ইতিহাসৰ অন্ত' আৰু 'শেষ মানুহ' নামৰ গৱেষণাপত্রত উল্লেখ কৰিছে যে উদাৰতাবাদৰ বিজয় আন সকলো মতাদর্শৰ ওপৰত আৰু লগতে তেওঁ উদাৰ পুঁজিবাদৰ বিশ্বায়নৰ বিষয়েও স্পষ্ট কৰি দিছে। আন এখন অতি জনপ্রিয় গৱেষণাপত্র আছিল চেমুৱেল হাণ্টিংটনৰ "সভ্যতাৰ সংঘাত" (Clash of Civilization)। এই পৰিবর্তিত পৰিস্থিতিয়ে বিশ্ব সম্প্রদায়ক আন্তৰাষ্ট্রীয় সম্পর্কৰ বাবে নতুন কার্যক্রমণিকা নির্ধাৰণ কৰিবলৈ প্রৰোচিত কৰিছিল।

➢ শীতল যুদ্ধৰ ফলাফল

আন্তৰাষ্ট্রীয় বিষয়ত শীতল যুদ্ধৰ সুদুৰপ্রসাৰী প্রভাৱ পৰিছিল। ইয়াৰ ফলত ভয় মনোৰোগৰ জন্ম হৈছিল যাৰ ফলত অতি অত্যাধুনিক অস্ত্র-শস্ত্র নির্মাণৰ এক উন্মাদ প্রতিযোগিতা চলিছিল। বিশ্বৰ উত্তেজনা বৃদ্ধিৰ বাবেহে নাটো, ছিয়াটো, ৰাৱছ' চুক্তি, চেণ্টো, এঞ্জুছ আদি বিভিন্ন মিত্রতা গঢ়ি উঠিছিল।

- শীতল যুদ্ধই ৰাষ্ট্রসংঘক অকার্যকৰী কৰি তুলিছিল কাৰণ দুয়োটা মহাশক্তিয়ে বিৰোধীয়ে প্রস্তা কৰা কার্য্যৰ বিৰোধিতা কৰিবলৈ চেষ্টা কৰিছিল। কোৰিয়া সংকট, কিউবাৰ ক্ষেপণাস্ত্র সংকট, ভিয়েটনাম যুদ্ধ আদি এই দিশৰ উজ্জ্বল/ জলন্ত উদাহৰণ আছিল।
- শীতল যুদ্ধৰ বাবেই তৃতীয় বিশ্বৰ সৃষ্টি হ'ল। আফ্রিকা, এছিয়া আৰু লেচিন আমেৰিকাৰ বৃহৎ সংখ্যক ৰাষ্ট্রই দুয়োখন মহাশক্তিৰ সামৰিক মিত্রতাৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত লয়। তেওঁলোকে নিৰপেক্ষ হৈ থাকিব বিচাৰিছিল। সেয়েহে শীতল যুদ্ধৰ প্রত্যক্ষ ফল আছিল গোষ্ঠী নিৰপেক্ষ আন্দোলন।
- সমগ্র পৃথিৱীখনেই এটা পৰিয়াল (Whole World as a Family) নীতি শীতল যুদ্ধৰ বাবে হতাশাৰ শিলত ছিন্নভিন্ন হৈ পৰে। ই বিশ্বক দুটা ভাগত বিভক্ত কৰিছিল যিটো মান জাতিৰ বাবে কোনো সুস্থ লক্ষণ নাছিল।
- শীতল যুদ্ধই দেশসমূহৰ মাজত অবিশ্বাসৰ পৰিবেশৰ সৃষ্টি কৰিছিল। তেওঁলোকে নিজৰ মাজতে প্রশ্ন কৰিছিল যে ৰাছিয়া আৰু আমেৰিকাৰ অধীনত তেওঁলোক কিমান অসুৰক্ষিত আছিল।
- শীতল যুদ্ধই বিশ্ব শান্তি বিঘ্নিত কৰিছিল। মিত্রতা আৰু প্রতি-মিত্রতাই এক অশান্তিদায়ক পৰিৱেশৰ সৃষ্টি কৰিছিল। যদিও ৰাছিয়া আৰু আমেৰিকাই মহাশক্তি হিচাপে আন্তঃৰাষ্ট্রীয়

সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিছিল, তথাপিও তেওঁলোকে বিশ্বত স্থায়ী শান্তি স্থাপনৰ প্ৰচেষ্টাত ব্যৰ্থ হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ শীতল যুদ্ধই বিশ্ব শান্তি বিঘ্নিত কৰা নাছিল। (সঁচা / মিছা)

প্ৰশ্ন ৮ ঃ নাটো সম্পূৰ্ণ ৰূপ/ নাম কি আছিল?

প্ৰশ্ন ৯ ঃ ..... মানৰ জাতিৰ বিৰুদ্ধে প্ৰস্তুত কৰা হৈছিল। (খালী ঠাই পূৰণ কৰক)



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ছোভিয়েট ৰাছিয়া আৰু আমেৰিকাৰ মাজৰ পাৰ্থক্যৰ বাবেই শীতল যুদ্ধৰ সূচনা হৈছিল।
- হাৰ্টমেনৰ মতে "শীতল যুদ্ধ হৈছে দেশসমূহৰ মাজত উত্তেজনাময় অৱস্থা য'ত প্ৰতিটো পক্ষই ইয়াক শক্তিশালী কৰিবলৈ আৰু প্ৰকৃত যুদ্ধৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈ আনটোক দুৰ্বল কৰিবলৈ ৰচনা নীতি গ্ৰহণ কৰে।
- শীতল যুদ্ধ এক অৰ্থত সেই যুগৰ পাৰমাণৱিক সামৰিক মহাশক্তি আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত সংঘটিত ক্ষমতাৰ সংগ্ৰাম আছিল।
- দুয়োখন মহাশক্তিৰ মাজত হোৱা অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতাই শীতল যুদ্ধৰ কাৰক হিচাপে কাম কৰিছিল।
- মতাদৰ্শগত পাৰ্থক্য আছিল শীতল যুদ্ধৰ আন এক কাৰণ।
- ৰাছিয়াৰ ঘোষণা শীতল যুদ্ধৰ আন এক কাৰণ হিচাপে চিহ্নিত হৈছিল।
- আমেৰিকাৰ পাৰমাণৱিক কাৰ্যসূচী শীতল যুদ্ধৰ আন এটা কাৰণৰ বাবে দায়ী আছিল।
- পশ্চিমীয়া দেশসমূহৰ বিৰুদ্ধে ছোভিয়েট ৰাছিয়াই ভেটো বলবৎ কৰাৰ ফলত তেওঁলোকে ৰাছিয়াক ঘৃণা কৰিবলৈ বাধ্য হৈছিল।
- শীতল যুদ্ধ মানৰ জাতিৰ বিৰুদ্ধে ৰচনা প্ৰস্তুত কৰা হৈছিল।
- ১৯৮০ চনত আমেৰিকাই মস্কোত অনুষ্ঠিত অলিম্পিক বৰ্জন কৰে।
- ১৯৫৫ চনত ৰাছিয়াই WARSAW PACT ত স্বাক্ষৰ কৰে। ১৯৫৫ চনত আমেৰিকাই মধ্যপ্ৰাচ্যত MEDO গঠন কৰে।



১.৭ অধিক জানিবলৈ

1) Khanna, V.N. (2007) Foreign Policy of India. Vikas Publication, Delhi.
2) Ghosh Peu. (2009) International Relations PHI Learning pvt. Ltd, New Delhi.
3) Comparative Politics and International Relations- Prakash Chander and Prem Arora.
4) International Relations- Vinay Kumar Malhotra.
5) International Relations (A Simple Study of International Politics) - K.K. Ghai.
6) International Relations - Since 1919- R.K. Pruthi. 7) International Relations and World Politics since 1919- S. N. Dhar



১.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শীতল যুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৩ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৪ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৫ নং প্রশ্নৰ উত্তৰ ঃ মিছা।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮০ লৈ।

৭ নং প্রশ্নৰ উত্তৰ ঃ মিছা।

৮ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ আটলাণ্টিক সন্ধি সংস্থা।

৯ নং প্রশ্নৰ উত্তৰ ঃ শীতল যুদ্ধ।



১.৯ আৰ্হি প্রশ্ন

(ক) অতি চমুকৈ উত্তৰ দিয়ক

প্রশ্ন নং ১ ঃ শীতল যুদ্ধ কি আছিল?

প্রশ্ন নং ২ ঃ নাটোৰ সম্পূর্ণ ৰূপটো/ নামটো লিখক?

প্রশ্ন নং ৩ ঃ শীতল যুদ্ধৰ এটা ফলাফল লিখক।

(খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ শীতল যুদ্ধৰ সংজ্ঞা আগবঢ়াওক।

প্রশ্ন নং ২ ঃ শীতল যুদ্ধৰ কাৰণ সমূহ কি আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ শীতল যুদ্ধৰ পর্য্যায়সমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ শীতল যুদ্ধৰ সমাপ্তিৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ২ ঃ উদিত/ উদীয়মান বিশ্ব ব্যৱস্থা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ বিশ্বব্যৱস্থাৰ ধাৰণা

২.৪ ঐতিহাসিক পটভূমি

২.৫ সমসাময়িক উদিত উদীয়মান বিশ্ব ব্যৱস্থাৰ উপাদান

২.৬ শীতল যুদ্ধৰ পিছৰ যুগত নতুন বিশ্বব্যৱস্থা

২.৭ নতুন সহস্ৰাব্দত উদীয়মান বিশ্ব ব্যৱস্থা

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বিশ্ব ব্যৱস্থাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সমসাময়িক উদিত উদীয়মান বিশ্ব ব্যৱস্থাৰ উপাদানসমূহ বিশ্লেষণ কৰিব পাৰিব
- মেৰু পৰিবর্তন আৰু উদীয়মান বিশ্বৰ ধাৰাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

বর্তমানৰ বিশ্ব ৰাজনীতিত শৃংখলাৰ ভূমিকা অতি উল্লেখযোগ্য। অতীতৰ পৰা বর্তমানলৈকে বিশ্বৰ ৰাজনৈতিক ব্যৱস্থা এই মেৰুৰ পৰা আনটো মেৰুলৈ স্থানান্তৰিত হৈছে। মেৰুৱে ক্ৰমৰ ব্যৱস্থাৰ প্ৰকাৰবিজ্ঞান নিধাৰণ কৰে। বিশ্বায়নৰ যুগত আজিকালি শৃংখলাক/ ব্যৱস্থাক কেইবাটাও ভিন্ন দিশলৈ টানি অনা হৈছে। বিশ্বত আমি বিভিন্ন ধৰণৰ শৃংখলাক বিভিন্ন ৰূপত বিভিন্ন সামঞ্জস্যৰ সৈতে দেখিছো যেনে — আন্তৰাষ্ট্ৰীয় ব্যৱস্থা, বিশ্ব ব্যৱস্থা/ শৃংখলা, গোলকীয় ব্যৱস্থা ইত্যাদি। গোলকীকৰণৰ যুগত বিশ্ব শৃংখলাটো/ ব্যৱস্থাটো চৰিত্ৰত বিশ্বব্যাপী হৈ পৰিছে। আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰখনত শীতল যুদ্ধৰ লগতে শীতল যুদ্ধৰ পাছৰ সময়চোৱাত বহু উন্নয়ন ঘটিছিল। শীতল যুদ্ধৰ পূৰ্বৰ আৰু পিছৰ যুগৰ বিভিন্ন উপাদামে এই শৃংখলা/ ব্যৱস্থা কোন দিশে গতি কৰিব সেই পথ নির্ধাৰণ কৰিছিল। শীতল যুদ্ধৰ সময়ত পূৰ ইউৰোপত ছোভিয়েট ক্ষমতা আৰু শীতল যুদ্ধৰ পিছৰ সময়চোৱাত ছোভিয়েট ইউনিয়ন ভংগ হোৱাৰ ফলত ১৯৯০ চনৰ পিছত বিশ্ব ব্যৱস্থাৰ

আর্হিগত পৰিবর্তনত বহু প্রভাৱ পৰিছে। একেদৰে শীতল যুদ্ধৰ সময়ত আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ মাজত দ্বিমেৰুৰ প্রতিযোগিতা আৰু শীতল যুদ্ধৰ পিছৰ সময়ছোৱাত আমেৰিকাৰ এক মেৰু শান্তি প্রতিষ্ঠাৰ প্রচেষ্টাইও মেৰু বিভাজনক এটা মাত্রাৰ পৰা আন এটা মাত্রালৈ স্থানান্তৰিত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰে। আন্তজার্তিক ৰাজনীতিৰ ইতিহাসত বিশ্ব ব্যৱস্থাৰ সংজ্ঞা নিৰূপণ কৰিবলৈ কিছুমান সুদুৰপ্রসাৰী মতাদর্শগত বিষয় আছে যেনে — প্রতিদ্বন্দ্বী মতাদর্শ আৰু ক্রমে শীতল যুদ্ধ আৰু শীতল যুদ্ধৰ পিছৰ যুগৰ উদাৰ পুঁজিবাদৰ আধিপত্য।

২.৩ বিশ্ব ব্যৱস্থাৰ ধাৰণা

'আন্তঃৰাষ্ট্রীয় ব্যৱস্থাৰ' তুলনাত দৃষ্টিভংগীৰ ফালৰ পৰা 'বিশ্ব ব্যৱস্থাক' শৃংখলাৰ এক বহল শ্রেণী হিচাপে গণ্য কাৰ হয়। 'আন্তঃৰাষ্ট্রীয়' ধাৰণাতকৈ বিশ্ব সমূহে প্রতিটো শ্রেণীকে সামৰি লোৱা এক বিস্তৃত ব্যৱস্থা। জন বেইলিছ (John Baylis) আৰু ষ্টিভ স্মিথে বিশ্ব ব্যৱস্থাৰ ধাৰণাটোৰ কার্য্যক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মতামত আগবঢ়াইছিল। বর্তমানৰ বিশ্ব ব্যৱস্থাই পৰিৱর্তে একোজন ব্যক্তিক ইয়াৰ একক হিচাপে লয়। বেইলিছ আৰু স্মিথৰ মতে সমসাময়িক বিশ্ব ব্যৱস্থাই মানৱ সমাজৰ প্রতিটো চুকলৈ নিৰাপত্তা মানৱ অধিকাৰ মৌলিক প্রয়োজন ন্যায় আদিৰ ৰূপত কিছুমান বস্তু যোগান ধৰাৰ ভিত্তিত শৃংখলাৰ মাত্রা মূল্যায়ন কৰে। যিহেতু বিশ্ব ব্যৱস্থাৰ ধাৰণাটো প্রধানকৈ মানৱতাৰ এককসমূহক কেন্দ্র কৰি, গতিকে ই মূলতঃ মানৱ অধিকাৰ সামাজিক ন্যায় আৰু মানৱ সমাজৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গতিকে, ব্যুৎপত্তিগতভাৱে বিশ্ব ব্যৱস্থাৰ ধাৰণাটোৱে মানৱতা আৰু বহনক্ষমতাৰ মনোভাৱক কল্পনা কৰে। কিন্তু এই বিশ্ব ব্যৱস্থাটোৱে বিভিন্ন ঐতিহাসিক পৰিস্থিতিত বিভিন্ন ৰূপ লয়। উদাহৰণস্বৰূপে, বিশ্বায়নৰ যুগত বিশ্বব্যৱস্থাটো চৰিত্রত বিশ্বব্যাপী হৈ পৰে যিটোক বিশ্বায়িত ব্যৱস্থা বুলিও গণ্য কৰা হয় য'ত মূল এককটো হ'ল জাতীয় ৰাজনীতি, সমাজ আৰু অর্থনীতিৰ অন্ত পৰাৰ বৈশিষ্ট্যযুক্ত বিশ্বব্যাপী ব্যৱস্থা। অর্থনৈতিক আৰু ৰাজনৈতিক মাত্রাৰ মাজৰ সম্পর্ক, মানৱ সুৰক্ষাৰ অগতানুগতিক মাত্রা, বিশ্বায়নৰ পৰিণতি, মানৱ অধিকাৰৰ নীতি-নিয়ম, মানৱ মুক্তিৰ প্রক্রিয়া পৰিবেশৰ বিষয়, সাংস্কৃতিক বহুত্ববাদ আদিৰ বিষয়ে বিতর্ক বর্তমান উদীয়মান বিশ্ব ব্যৱস্থাৰ ক্ষেত্রত সংঘটিত হোৱা কিছুমান উল্লেখযোগ্য বিকাশ।

২.৪ ঐতিহাসিক পটভূমি

যেতিয়া আমি ক্রমৰ বিষয়ে ঐতিহাসিক বাস্তৱতাৰ বাবে পিছলৈ ঘূৰি চাওঁ, তেতিয়া ৰাজ্য, মানুহ, গোট বা ব্যক্তি যাৰ বাবেই হওঁক ক্রম/ ব্যৱস্থা নির্দিষ্ট কৰাৰ ক্ষেত্রত আমি নির্দিষ্ট হ'ব লাগিব। ঐতিহাসিকভাৱে আন্তঃৰাষ্ট্রীয় পর্য্যায়ত প্রচলিত শৃংখলা/ ব্যৱস্থাটোক আন্তঃৰাষ্ট্রীয় ব্যৱস্থা বুলি গণ্য কৰা হয় যিটো মূলতঃ সামৰিক নিৰাপত্তাৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্রসমূহৰ মাজত সুস্থিৰ আৰু শান্তিপূর্ণ সম্পর্কৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন ঐতিহাসিক পৰিস্থিতিত পৃথিৱীত

বিভিন্ন ধৰণৰ শৃংখলা/ ব্যৱস্থা বিৰাজ কৰিছিল। শৃংখলাৰ প্ৰকাৰসমূহ হ'ল — বিশ্বায়িত শৃংখলা, আন্তৰ্জাতিক শৃংখলা, বিশ্ব শৃংখলা আৰু আন্তৰ্জাতিক শৃংখলা, বিশ্ব ৰাজনীতিৰ প্ৰেক্ষাপটত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত ৰাজনীতিৰ পৰিবৰ্তিত ৰূপ অনুসৰি শৃংখলা ভিন্ন হয়। ১৮ আৰু ১৯ শতিকাৰ বিশ্ব ৰাজনীতিত যি ধৰণৰ শৃংখলা প্ৰচলিত আছিল সেয়া আছিল আন্তৰ্জাতিক চৰিত্ৰৰ য'ত ক্ষমতাৰ ভাৰসাম্যৰ ভিত্তিত ৰাষ্ট্ৰসমূহেই আছিল প্ৰধান বিচাৰ্য বিষয়। এই প্ৰকাৰৰ শৃংখলা প্ৰধানকৈ সাৰ্বভৌমত্ব আৰু স্থিতিশীলতাৰ কাৰ্যসূচীৰ সৈতে জড়িত আছিল, ১৮ শ আৰু ১৯ শ শতিকাৰ সময়চোৱাত আতৰ্জাতিক ৰাজনীতিত ক্ষমতাৰ ভাৰসাম্যৰ ধাৰণাটোৱে প্ৰধান স্থান দখল কৰিছিল আৰু বিংশ শতিকাতো ই অব্যাহত আছিল। কিন্তু ক্ষমতাৰ ভাৰসাম্য তত্বই ২০ শতিকাৰ বিশ্ব ৰাজনীতিৰ আলোচ্য বিষয় আৰু সমস্যাসমূহ সমাধান কৰাত ব্যৰ্থ হোৱাৰ বাবে সমগ্ৰ বিশ্বই দুখন বিধ্বংসী বিশ্বযুদ্ধৰ অভিজ্ঞতা লাভ কৰিছিল য'ত মানবীয় মূল্যবোধ আৰু মৰ্য্যদাই সকলোকে ভেঙুচালি কৰি শত্ৰতাপূৰ্ণ প্ৰতিদ্বন্দ্বী হিচাপে ব্যৱহাৰ কৰিছিল। ভাৰসাম্য, ৰক্ষাকাৰী আৰু ভাৰসাম্য ৰক্ষাৰ কৰ্তৃত্বৰ প্ৰচলিত আধিপত্যৰ বাবেই ইউৰোপত শক্তিৰ ভাৰসাম্যৰ সমগ্ৰ ধাৰণাটো ১৯ শতিকাৰ শেষৰ ফালে অসাৰ বুলি প্ৰমাণিত হয় আৰু তাৰ পিছত ইয়াৰ ফলত বিংশ শতিকাৰ প্ৰাকক্ষণত বিশ্ব ৰাজনীতিত অৰাজকতাৰ সৃষ্টি হয়। শেহতীয়াকৈ সমগ্ৰ বিশ্বতে হিংসাৰ কাহিনীৰ অভিজ্ঞতা লাভ কৰি ই এক বিশ্বযুদ্ধ হৈ পৰে যি ইয়াৰ সমাধান বিচাৰিবলৈ শিক্ষাবিদ ৰাষ্ট্ৰনেতা আৰু ৰাজনৈতিক বৃত্তিধাৰী লোকসকলৰ সন্মুখত বহুত প্ৰশ্ন উত্থাপন কৰে।

প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধ দুয়োখনেই আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত বহুতো বৈপৰীত্য উন্মোচন কৰিছিল যিয়ে বিংশ শতিকাৰ বিশ্ব ৰাজনীতিলৈ বিতৰ্ক আৰু বক্তৃতাক আমন্ত্ৰণ জনাইছে। সেই বক্তৃতাসমূহৰ অংশ হিচাপেই বিশ্বব্যৱস্থা আৰু মেৰুৰুত্বৰ পৰিবৰ্তিত দিশসমূহ অন্তিত্বলৈ আহে। দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পিছত ক্ৰমে পুঁজিবাদী আৰু সমাজবাদী ধাৰণাৰ ভিত্তিত দুটা শক্তি গোট অৰ্থাৎ আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ সৃষ্টি কৰি সমগ্ৰ বিশ্বক দ্বিমেৰু বিশ্বত বিভক্ত কৰা হৈছিল। আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ মাজত হোৱা প্ৰতিযোগিতা আৰু সন্দেহৰ বৈশিষ্ট্যপূৰ্ণ বিশ্বযুদ্ধৰ পিছৰ ৰাজনীতিয়ে সমগ্ৰ বিশ্বক অন্ধকাৰ আৰু হিংসাৰ বিপদৰ সন্মুখীন কৰিলে। দুয়োটা ক্ষমতাৰ গোটে নিজৰ মতাদৰ্শ আৰু ক্ষমতাৰ ভিত্তিত বিশ্বৰ বাকী অংশক সহায় আৰু আতংকিত কৰি বিশ্ব ৰাজনীতিত নিজৰ আধিপত্য বিস্তাৰ কৰিবৰৈ চেষ্টা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধক অন্ত পৰাৰ পাছত আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত আধিপত্য বিস্তাৰ কৰিবলৈ সামৰিক সংস্থা যেনে নাটো আৰু বাৰছ' দুয়োটাই যথার্থ অৱস্থাৰ স্থিতি দেখুৱাইছিল। সমগ্ৰ বিশ্ব দুটা গোটত বিভক্ত হৈছিল আৰু সেই সময়ৰ ৰাজনীতি দ্বিমেৰু বিশ্ব ব্যৱস্থাৰ দ্বাৰা সংজ্ঞায়িত হৈছিল। এই দ্বিমেৰু বিশ্ব ব্যৱস্থা ১৯৯০ চনলৈকে প্ৰচলিত আছিল। USSR ৰ পতন হোৱাৰ পাছত আমেৰিকাৰ নেতৃত্বত এই ক্ৰমটো এক মেৰু বিশিষ্ট চৰিত্ৰত পৰিণত হয়। সমগ্ৰ বিংশ শতিকাটোক কম বেছি পৰিমাণে আমেৰিকাৰ শতিকা বুলি গণ্য কৰা হৈছিল আৰু সমগ্ৰ বিংশ শতিকাত আমেৰিকাই আমেৰিকাৰ আধিপত্য প্ৰতিষ্ঠা কৰাত সফল হৈছিল। শীতল যুদ্ধৰ পিছৰ পৰিঘটনা সমূহত আমেৰিকাই নব্য উদাৰতাবাদী ৰাষ্ট্ৰ গাঁথনিৰ জৰিয়তে এক মেৰু বিশিষ্ট বিশ্ব ব্যৱস্থা প্ৰতিষ্ঠা

কৰিছিল। আমেৰিকাৰ বিজয়বাদৰ যুগক ১৯৯০ চন আৰ লেব' আৰু জে ষ্টেইনে তেওঁলোকৰ গ্ৰন্থ "উই অল লষ্ট দ্য ৱল্ড ৱাৰ'ত ভালদৰে চিত্ৰিত কৰিছিল। নতুন সহস্ৰাব্দটোৰে এক মেৰু বিশ্ব ব্যৱস্থাৰ মূল কথা আৰু বহুমেৰু বিশ্ব ব্যৱস্থাৰ বিৰোধ দুয়োটাৰে অভিজ্ঞতা লাভ কৰি আহিছে। এই জটিল সন্ধিক্ষণত, প্ৰকৃত সত্যতা আৰু পৰিবৰ্তিত উপাদানৰ ওপৰত বিতৰ্কৰ সৃষ্টি হয় যি বিশ্বব্যাপী মাত্ৰাৰ ওপৰত ভিত্তি কৰি নতুন বিশ্ব ব্যৱস্থাৰ উত্থানৰ প্ৰক্ৰিয়াক অদৃশ্য কৰি তুলিলে।

২.৫ সমসাময়িক উদীয়মান বিশ্ব ব্যৱস্থাৰ উপাদানসমূহ

- **পৰিচয় বিষয় আৰু জাতি-ৰাষ্ট্ৰৰ ধাৰণা ঃ** সমসাময়িক বিশ্ব ব্যৱস্থাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ১৯৯০ চনৰ পৰা প্ৰচলিত পৰিচয়ৰ বিষয়। জনগোষ্ঠীয় বিচ্ছিন্নতাবাদ, আঞ্চলিক পৰিচয়, নতুন সামাজিক আন্দোলন আদি অনুসৰণ কৰি গঢ় লৈ উঠা জাতীয়তাবাদৰ নতুন ধাৰণাটোৰে সমাজৰ মাজত পৰিচয়ৰ অসন্তুষ্টি বৃদ্ধি কৰে আৰু ফলস্বৰূপে শেষত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়তো ই বিশৃংখলতাৰ সৃষ্টি কৰে।
- **মেৰুত্ব আৰু নিৰাপত্তাৰ সামূহিকৰণ ঃ** শীতল যুদ্ধ অন্ত পৰাৰ পিছত মেৰুকৰণ, দ্বিমেৰু বিশ্বৰ পৰা একমেক বিশিষ্ট বিশ্বলৈ পৰিবৰ্তন হৈছে। মেৰুকৰণৰ পৰিবৰ্তনশীল ধাৰাৰ সৈতে নিৰাপত্তাৰ সামূহিককৰণৰ ধাৰণাটোও আগস্থানলৈ আহে যি সামূহিক নিৰাপত্তাৰ পৰা যথেষ্ট পৃথক। উদাহৰণস্বৰূপে, আমেৰিকাৰ 'সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুদ্ধ'ৰ পদক্ষেপ আছিল নিৰাপত্তাৰ সামূহিককৰণৰ এক চকুত পৰা উদাহৰণ।
- **বিশ্বায়নৰ যুগত সমাজ-ৰাষ্ট্ৰৰ সম্পৰ্ক ঃ** বিশ্বায়নৰ যুগত ৰাষ্ট্ৰসমূহে পূৰ্বৰ অৰ্থাৎ ১৮, ১৯ শতিকাৰ ৰাষ্ট্ৰৰ পৰা এক পৃথক পৰিসৰৰ সামাজিক কাম সম্পন্ন কৰিছে। সমসাময়িক ৰাষ্ট্ৰ ব্যৱস্থাই অৰ্থনৈতিক প্ৰতিযোগিতামূলক আৰু দক্ষতাৰ ক্ষেত্ৰটো উত্তম পদ্ধতি গ্ৰহণ কৰিব লাগিব আৰু লগতে ৰাষ্ট্ৰৰ গাঁথনিৰ পৰিসীমাৰ ভিতৰত বাস কৰা ব্যক্তিসকলৰ নাগৰিক ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰৰ নিৰ্দিষ্ট মানদণ্ডৰ সৈতে মিল ৰাখিবলৈ সুবিধা প্ৰদানৰ ক্ষেত্ৰটো উত্তম পদ্ধতি গ্ৰহণ কৰিব লাগিব।
- **শাসনৰ বিষয় ঃ** আন্তঃৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ সমসাময়িক ৰূপসমূহে (শাসন ব্যৱস্থা, আন্তঃৰাষ্ট্ৰীয় সংগঠন আৰু আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা আদিৰ জৰিয়তে) ব্যৱস্থা/ শৃংখলাৰ স্তৰ চিনাক্তকৰণত উল্লেখযোগ্য ভূমিকা পালন কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত বহুপক্ষীয় পৰিচালনা ব্যৱস্থাক সমসাময়িক ব্যৱস্থাৰ অন্যতম উল্লেখযোগ্য দিশ হিচাপে গণ্য কৰা হয়।
- **ৰাজনৈতিক অৰ্থনীতিৰ প্ৰক্ৰিয়া ঃ** সমসাময়িক উদীয়মান ব্যৱস্থাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল উৎপাদন আৰু বিনিময় প্ৰক্ৰিয়া। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত IMF, WB, WTO আদি সংগঠনৰ দ্বাৰা এই প্ৰক্ৰিয়া পৰিচালিত হয়।
- **আঞ্চলিকতাবাদ ঃ** শীতল যুদ্ধৰ পিছৰ যুগত প্ৰতিটো অঞ্চলে অধিক স্বায়তশাসন লাভ

কৰে আৰু বিশ্বায়নৰ যুগত তেওঁলোকে নিজৰ বিকাশৰ পথ খৰতকীয়া কৰি তুলিছিল। আঞ্চলিকতাবাদৰ সমসাময়িক বিকাশ আৰু বৰ্তমানৰ বিশ্বৰ ৰাজনীতিত প্ৰতিটো অঞ্চলে লোৱা ভূমিকাক উদীয়মান বিশ্ব ব্যৱস্থাৰ এক উল্লেখযোগ্য কাৰক হিচাপে গণ্য কৰা হয়। শীতল যুদ্ধৰ অন্ত পৰাৰ পিছত অঞ্চল একোটাই আপাত দৃষ্টিত অধিক মাত্ৰাৰ নিৰাপত্তা স্বায়ত্বশাসন উপভোগ কৰাৰ বাবে বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ পৰিচয়ৰ ৰাজনীতিৰ বিকাশ ঘটিছিল। পৰৱৰ্তী সময়ত আন্তৰ্জাতিৰ পৰ্য্যায়ত শৃংখলা চিনাক্তকৰণৰ ক্ষেত্ৰত আঞ্চলিকতাবাদ এক প্ৰধান কাৰক হৈ পৰে।

- **নব্য উদাৰতাবাদ আৰু উদাৰ অধিকাৰ ব্যৱস্থা ঃ** সমগ্ৰ শীতল যুদ্ধৰ সময়চোৱা উদাৰ অধিকাৰ ব্যৱস্থা আৰু শীতল যুদ্ধৰ পিছৰ বিশ্ব ৰাজনীতি নব্য উদাৰতাবাদৰ দ্বাৰা চিহ্নিত হৈ আহিছে। মানৰ অধিকাৰ, ধৰ্মনিৰপেক্ষতা, সামাজিক ন্যায় আদিৰ বিষয়বোৰে প্ৰতিজন ব্যক্তিৰ মানবীয় মূল্যবোধ আৰু আত্মপূৰ্ণতাক ৰূপান্তৰিত কৰাৰ উদ্দেশ্যে সমাজৰ প্ৰতিটো শ্ৰেণীলৈ বিয়পি পৰিছিল। একবিংশ শতিকাত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা বজাই ৰখাৰ ক্ষেত্ৰত গণতান্ত্ৰিক পদ্ধতিৰ বাস্তৱায়ন, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাব লাগিব
- **সংঘাতপূৰ্ণ বিশ্বব্যৱস্থা ঃ** আমেৰিকাৰ আধিপত্য আৰু উদীয়মান বহুমেৰু বিশ্বব্যৱস্থাৰ নিৰন্তৰ বিকাশ সমসাময়িক বিশ্বব্যৱস্থাৰ অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰ। বিংশ শতিকাত উদ্যোগিক উত্তৰ আৰু প্ৰান্তীয় দক্ষিণৰ মাজৰ পাৰ্থক্য আৰু পশ্চিমৰ সহযোগত সমৰ্থনত বিশ্বৰ বাকী অংশৰ পুনৰুত্থান নতুন উদীয়মান বিশ্ব ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বিকাশ। উত্তৰৰ শক্তিশালী বিশ্বাস আৰু স্থিতিস্থাপক দক্ষিণৰ একক বিশ্বাসযোগ্যতাই শীতল যুদ্ধৰ পিছৰ বিশ্ব ৰাজনীতিক উদামীনতাৰ উচ্চতালৈ লৈ গ'ল আৰু পৰৱৰ্তী সময়ত বিশ্বায়নৰ যুগত মেৰুৰ স্থানান্তৰৰ লগে লগে এই শৃংখলাটোও স্থানান্তৰিত হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ উদীয়মান বিশ্বব্যৱস্থাৰ যিকোনো দুটা উপাদানৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন ২ ঃ ১৮ আৰু ১৯ শতিকাৰ সময়চোৱাত প্ৰচলিত বিশ্বব্যৱস্থাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

২.৬ শীতল যুদ্ধৰ পিছৰ সময়চোৱাৰ নতুন বিশ্ব ব্যৱস্থা

শীতল যুদ্ধৰ পিছৰ সময়ছোৱাত এক নতুন বিশ্বব্যৱস্থা গঢ়া লৈ উঠিছে যিয়ে মূলতঃ নব্য উদাৰবাদী প্ৰতিষ্ঠানবাদৰ প্ৰাবন্যেক বুজায় য'ত সম্পদ সংগ্ৰহৰ ক্ষমতাৰ ভিত্তিত পশ্চিম আৰু বাকীসকলৰ মাজত প্ৰতিযোগিতা চলিছিল। সমগ্ৰ ২০ শতিকা আৰু আনকি একবিংশ শতিকাতো আমেৰিকাৰ আধিপত্যৰ নিৰন্তৰ বিস্তাৰ আৰু বহুমেৰু বিশ্ব ব্যৱস্থাৰ সমান্তৰাল বিকাশে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক এক শৈক্ষিক বিষয় হিচাপে বহু বিতৰ্ক আৰু আলোচনাৰ আমন্ত্ৰণ জনাইছে। বিশ্বযুদ্ধ অন্ত পৰাৰ পিছতো আমেৰিকা যুদ্ধৰ ফলত ধ্বংস নোহোৱা একমাত্ৰ প্ৰধান ঔদ্যোগিক শক্তি হৈয়েই আছে। ফলত লাহে লাহে ই সমগ্ৰ বিশ্বৰ অন্যতম প্ৰধান অৰ্থনীতি হিচাপে পৰিগণিত হয় আৰু শীতল যুদ্ধ অন্ত পৰাৰ পিছত আমেৰিকাই একমেৰু বিশিষ্ট পৃথিৱী সৃষ্টি কৰাত সফল হ'ল। শেহতীয়াকৈ আমেৰিকাৰ কাৰ্যকলাপে নতুন উন্নত দেশসমূহৰ মনত হতাশা বৃদ্ধি কৰে আৰু তেওঁলোকে বহুমেৰু পৃথিৱী সষ্টিৰ বাবে অগ্ৰসৰ হয়। ইয়াৰ অংশ হিচাপে ১৯৯২ চনত চীনে তেতিয়াৰ প্ৰধানমন্ত্ৰী জিয়াং জেমিনৰ সময়ত তেওঁলোকৰ বৈদেশিক নীতিৰ পদক্ষেপত 'বহুমেৰুত্ব' শব্দটো প্ৰৱৰ্তন কৰে।

শীতল যুদ্ধৰ পিছৰ জাতীয়তাবাদী আন্দোলন আৰু সভ্যতাৰ সংঘৰ্ষ বিংশ শতিকাৰ দশকত অস্তিত্বলৈ আহে আৰৰু একবিংশ শতিকাতো ই অধিক প্ৰচলিত হৈ পৰে। প্ৰতিটো অঞ্চল অদৃশ্য হৈ পৰিল আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অধিক লাভৰ বাবে আগবাঢ়ে। উদাৰতাবাদক অৰ্থনৈতিক নীতি হিচাপে অনুসৰণ কৰি শীতল যুদ্ধৰ পিছৰ সময়চোৱাত কমিউনিষ্ট চীন অধিক আধিপত্যশীল হৈ পৰে। তেওঁলোকৰ প্ৰভাৱশালী অৰ্থনৈতিক আৰু সামৰিক অৱদানৰ বাবেই চীনে এক নিৰ্দেশ জাৰি কৰিবলৈ সক্ষম হৈছে য'ত তেওঁলোকে ভাৰত, ব্ৰাজিল, ৰাছিয়া আৰু দক্ষিণ আফ্ৰিকাকো আমন্ত্ৰণ জনাইছিল। কিন্তু তথাপিও একবিংশ শতিকাতো আমেৰিকাৰ আধিপত্য অব্যাহত আছে। অৰ্থনৈতিকভাৱে শক্তিশালী দেশসমূহৰ সম্পদলৈ চালে আমি ইয়াৰ উত্তৰ বিচাৰি পাম যে একবিংশ শতিকাতো আমেৰিকাৰ প্ৰভাৱ কেনেকৈ অব্যাহত আছে। সম্পদৰ ক্ষেত্ৰত বৰ্তমান প্ৰায় ১৯৩৯ ট্ৰিলিয়ন ডলাৰেৰে আমেৰিকাই অবিৰতভাৱে প্ৰথম স্থান দখল কৰি আছে।

২.৭ নতুন সহস্ৰাব্দত উদীয়মান বিশ্ব শৃংখলা

যেতিয়া টাইম আলোচনীয়ে ২০ শতিকাক আমেৰিকাৰ শতিকা বুলি ঘোষণা কৰিছিল, তেতিয়া আমেৰিকাৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ বিশ্বৰ বিভিন্ন ঠাইত তেওঁলোকৰ কৰ্মকলাপৰ ওপৰত আলোকপাত কৰাত আমেৰিকাৰ নাম বেছি উচ্চাৰিত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত পুঁজিবাদী পশ্চিমত আৰু শীতল যুদ্ধ অন্ত পৰাৰ পিছত সমগ্ৰ বিশ্বতে একমাত্ৰ প্ৰভাৱশালী অৰ্থনীতি হিচাপে প্ৰমাণিত হোৱাৰ বাবে আমেৰিকাই বিংশ শতিকাক আমেৰিকাৰ শতিকা হিচাপে প্ৰমাণিত কৰিলে আৰু বিজয়বাদৰ যুগক মহিমামণ্ডিত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু হঠাতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত কিছুমান আচল পৰিবৰ্তন ঘটিছিল আৰু সমগ্ৰ বিশ্ব আমেৰিকা নেতৃত্বাধীন পশ্চিমৰ

পৰা এছিয়ালৈ বিশেষকৈ চীনলৈ ক্ষমতাৰ সাধাৰণ পৰিবৰ্তনৰ সাক্ষী হৈছিল। এই ধাৰণাটো একবিংশ শতিকাৰ ভাৱমূৰ্তিত সঘনাই 'চীনৰ শতিকা' বুলি ধৰা পৰে। ১৯৮০ চনৰ পৰা চীনে স্থায়ী অৰ্থনৈতিক বিকাশৰ উল্লেখযোগ্য অভিলেখৰ বাবে যি ধৰণৰ প্ৰভাৱ দেখুৱাইছে সেই ধৰণৰ প্ৰভাৱে অৱশেষত ২০১০ চনৰ ভিতৰত চীনক বিশ্ব অৰ্থনীতিৰ দ্বিতীয় স্থানত উপবিষ্ট কৰিছিল আৰু এতিয়াৰ পৰা কিছুবছৰৰ পাছত আমেৰিকাৰ স্থানত উপনীত হ'ব। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ তথ্য অনুসৰি ২০২৫ চনৰ শেষৰ ফালে চীনে আমেৰিকাক অতিক্ৰম কৰি বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। চীনৰ ফালৰ পৰা ক্ৰমাৎ বৃদ্ধি পোৱা আত্মবিশ্বাসক যোৱা দুটা দশক ধৰি তেওঁলোকৰ প্ৰভাৱশালী অৰ্থনৈতিক আৰু কৌশলগত অৱস্থানৰ বাবে ফলপ্ৰসু বুলি বিবেচিত হৈছে। একবিংশ শতিকাত চীনৰ এই অদম্য উত্থানে বহুমেৰু বিশ্ব ব্যৱস্থাৰ ক্ষেত্ৰত চাহিদা যথেষ্ট বৃদ্ধি কৰিছে যিয়ে আমেৰিকাৰ আধিপত্যৰ ধাৰণা আৰু অনুমানক সলনি কৰি নতুন সহস্ৰাব্দতো অব্যাহত ৰাখিছে।

কিন্তু এই একবিংশ শতিকাত বিশ্বায়নৰ প্ৰান্তত/ যুগত একমেৰুত্ব আৰু বিশ্বমেৰুত্বৰ মাজত বিতৰ্ক ক্ৰমাৎ বৃদ্ধি পাইছে আৰু তেওঁলোকে বিশ্বত আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন ধৰণৰ সম্প্ৰসাৰণ কাৰ্যসূচী প্ৰস্তুত কৰিছে। আমেৰিকা আৰু চীন দুয়োখনেই এই নতুন শতিকাত বিশ্বৰ বজাৰখন নিয়ন্ত্ৰণৰ বাবে তেওঁলোকৰ মাজত পাৰ্থক্য বৃদ্ধি কৰে। আমেৰিকা আৰু চীন উভয়ৰে বাবে সামৰিকতাবাদে অতি উল্লেখযোগ্য ভূমিকা পালন কৰে, যাৰ সহায়ত তেওঁলোকে নিৰ্দেশ জাৰি কৰিবলৈ সক্ষম হৈছে। যোৱা কেইটামান দশকত আমেৰিকা আৰু চীন দুয়োখনেই বৈদেশিক নীতি, দ্বিপাক্ষিক সম্পৰ্ক আৰু কৌশলগত অংশীদাৰিত্বৰ ক্ষেত্ৰত অধিক উদাসীন হৈ পৰিছিল। উদাহৰণ স্বৰূপে, আমেৰিকাই আন্তঃগাঁথনি আৰু বহনক্ষম উন্নয়নত বিনিয়োগ কৰিব পৰা ব্ৰিকছৰ নিউ ডেভেলপমেণ্ট বেংক (NDB) গঠনৰ বিৰোধিতা কৰা নাই যদিও চীন নেতৃত্বাধীন এছিয়ান আন্তঃগাঁথনি বিনিয়োগ বেংক (AIIB) গঠনৰ সক্ৰিয় বিৰোধিতা কৰি অষ্ট্ৰেলিয়া, কোৰিয়া আৰু ইণ্ডোনেচিয়াৰ বেংকত যোগদান নকৰিবলৈ হেঁচা প্ৰয়োগ কৰিছে। এই নতুন সহস্ৰাব্দত সমগ্ৰ পশ্চিমীয়া সমাজখনেই চীন, ব্ৰাজিল, ভাৰতৰ দৰে উদীয়মান দেশসমূহৰ সৈতে ক্ৰমাৎ প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। আমেৰিকাত দেখা দিয়া দীৰ্ঘদিনীয়া অৰ্থনৈতিক সংকট আমেৰিকাৰ আধিপত্য শেষ হোৱাৰ আৰম্ভণীৰ সংকেত হিচাপে দেখা দিছে আৰু পৰৱৰ্তী সময়ত শীতল যুদ্ধৰ পিছৰ পৰিঘটনাসমূহে নতুন উন্নত দেশসমূহক বিশ্বাস কৰিবলৈ বাধ্য কৰে যে চীন হৈছে আমেৰিকাৰ আধিপত্যৰ প্ৰত্যাহ্বানৰ আটাইতকৈ সম্ভাৱণাপূৰ্ণ দেশ। চীনৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী জিয়াং জেমিনে প্ৰথমবাৰৰ বাবে ১৯৯২ চনত চীনৰ কমিউনিষ্ট দলৰ চতুৰ্দশ কংগ্ৰেছত বহুমেৰু বিশ্বৰ (Duoji shijie) ধাৰণাটেঙ্গ আনুষ্ঠানিকভাৱে চীনৰ বৈদেশিক নীতিত অন্তৰ্ভুক্ত কৰিছিল। চীনৰ কমিউনিষ্ট দলৰ মতে, এখন সৎ, ন্যায়সংগত আৰু শান্তিপূৰ্ণ পৃথিৱী বহুমেৰুত্বৰ জৰিয়তেহে সম্ভৱ আৰু তেওঁলোকে আমেৰিকাই ব্যৱহাৰ কৰা একক আৰু নিয়ন্ত্ৰিত সন্দৰ্ভত যিটো অতি বিপদজ্জনক আছিল প্ৰশ্ন উত্থাপন কৰিছিল যাৰ উদাহৰণ হৈছে ৰাষ্ট্ৰসংঘৰ নিষেধাজ্ঞা অবিহনে ইৰাকত আমেৰিকাৰ আক্ৰমণ আৰু ক'ছ'ভত আমেৰিকা/ নাটোৰ কাৰ্যকলাপ, সম্পদ সংগ্ৰহ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্ৰত অন্যান্য ব্ৰিকছ দেশসমূহৰ সৈতে চীনৰ ক্ৰমাৎ বৃদ্ধি

প্ৰশ্ন ৬ ঃ ৰাষ্ট্ৰসংঘৰ বহুপক্ষীয় দক্ষিণ-দক্ষিণ সমৰ্থনৰ চাৰিটা স্তম্ভ কি কি?

.....

.....

প্ৰশ্ন ৭ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ উন্নত কামৰ বাবে দুটা পৰামৰ্শ উল্লেখ কৰক।

.....

.....



৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ক) দক্ষিণ-দক্ষিণ সহযোগিতাই দক্ষিণ গোলার্ধৰ নতুনকৈ ঔদ্যোগিক আৰু কম উন্নত ৰাষ্ট্ৰসমূহৰ সহযোগিতামূলক কাৰ্য্যকলাপক বুজায়। দক্ষিণৰ উন্নয়নশীল দেশসমূহৰ মাজত ই এক ঘনিষ্ঠ

কাৰিকৰীআৰু অর্থনৈতিক সহযোগিতা।

খ) ইয়াৰ বৈশিষ্ট্য হৈছে অনুভূমিক অংশীদাৰিত্ব, দ্বিপাক্ষিক আৰু ত্রিকোণীয় উন্নয়ন নীতিৰ জৰিয়তে ঔদ্যোগিক আর্হিৰ বাহিৰেও সহ-কার্যকৰী আঞ্চলিক সহযোগিতা।

গ) ই অনুন্নত দক্ষিণৰ উত্তৰ-ঔপনিৱেশিক প্রচেষ্টাৰ ফল। দক্ষিণ-দক্ষিণ সহযোগিতাৰ দিশত আটাইতকৈ সুনির্দিষ্ট পদক্ষেপ গ্রহণ কৰা হৈছিল বাণ্ডুং সম্মিলনত য'ত আফ্রিকা আৰু এছিয়াৰ ৰাষ্ট্রসমূহৰ সমাৱেশ হৈছিল।

ঘ) NAM আৰু G77 আছিল যৌথ ৰাজনৈতিক সংগঠন আৰু সামূহিক পদক্ষেপৰ উদাহৰণ, য'ত NIEO ৰ দৰে প্রস্তাৱ আগবঢ়োৱা হৈছিল।

ঙ) আছিয়ান হৈছে সহজাতভাৱে দক্ষিণ-দক্ষিণ সহযোগিতাৰ বাহন, যাৰ ফলত এক উমৈহতীয়া দৃষ্টিভংগীক বাস্তৱলৈ ৰূপান্তৰিত কৰা হয় আৰু তেনে কৰাৰ প্রক্রিয়াত উমৈহতীয়া লক্ষ্যসমূহৰ ভাগ-বতৰা কৰা হয়।

চ) দক্ষিণ-দক্ষিণ সহযোগিতাৰ সুবিধা এইটোৱেই যে ই দক্ষিণৰ দেশসমূহক সর্বোচ্চ কাৰিকৰী সহায় আগবঢ়ায়।

ছ) উন্নয়নশীল দেশসমূহৰ সমর্থনত নিজৰ বিশেষজ্ঞতা আৰু ক্ষেত্র অভিজ্ঞতাই দক্ষিণ-দক্ষিণ সহযোগিতাৰ বাবে অৱিহণা প্রদান কৰাত ইউএ-অ'ই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

জ) ধাৰণাটোৰ সর্বসন্মতিক্রমে সংজ্ঞা দিয়াৰ অভাৱে ইয়াক কম কেন্দ্রীভূত, অস্পষ্ট আৰু অনির্দিষ্ট কৰি তুলিছে। যিটোৱে সমগ্র ধাৰণাটোক বহু পৰিমাণে অপ্রাসংগিক কৰি তুলিছে।



৪.১১ অধিক জানিবলৈ

1) Chander, Prakash, & Arora, Prem. Comparative Politics and International Relations. New Delhi: Cosmos Book hive (P) Ltd.

2) Malhotra, Vinay Kumar (2006). International Relations. New Delhi: Anmol Publications Pvt. Ltd.

3) Ghai, K.K. (2005) International Relations – Theory and Practice. New Delhi : Kalyani Publishers.



৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইউএনডিপিয়ে দক্ষিণ-দক্ষিণ সহযোগিতাৰ সংজ্ঞা দিছে এইদৰে দিছে,

"উন্নয়নশীল ৰাষ্ট্রসমূহৰ মাজত উত্তম পদ্ধতি আৰু প্রযুক্তি শিকি আৰু ভাগ-বতৰা কৰি ফলপ্রসূ উন্নয়নক প্রসাৰিত কৰাৰ এক উপায়।"

২ নং প্রশ্নৰ উত্তৰ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ দুটা বৈশিষ্ট্য হ'ল ঃ

ক) দক্ষিণ-দক্ষিণ সহযোগিতাই কাৰিকৰী সহযোগিতাৰ প্রক্রিয়া হিচাপে সামর্থ্য বিকাশৰ ওপৰতগুৰুত্ব আৰোপ কৰে।

খ) ই ব্যয়বহুল আঞ্চলিক সহযোগিতাৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ মূল নীতি হ'ল ইয়াৰ আধাৰত দক্ষিণৰ দেশসমূহে পৰিচালিত হ'ব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৭ চনৰ ৮ আগষ্টত থাইলেণ্ডৰ বেংককত আছিয়ান ঘোষণাপত্র (Bangkok Declaration) স্বাক্ষৰিত হয়। এই ঘোষণাপত্রত আছিয়ান প্রতিষ্ঠাপক সদস্য ক্রমে ইণ্ডোনেছিয়া, মালয়েছিয়া, ফিলিপাইনছ, ছিংগাপুৰ আৰু থাইলেণ্ডে স্বাক্ষৰ কৰে। আঞ্চলিক শান্তি আৰু স্থিতিশীলতা বৃদ্ধিৰ লক্ষ্যৰে আছিয়ান প্রতিষ্ঠা কৰা হৈছিল। আৰম্ভণিতে ইয়াক সদস্যসকলৰ সন্মান আৰু সমতাক বজাই ৰখাৰ এক উমৈহতীয়া আঞ্চলিক মঞ্চ হিচাপে কল্পনা কৰা হৈছিল। বছৰ বছৰ ধৰি আছিয়ান সদস্য ৰাষ্ট্রসমূহে আছিয়ান সম্প্রদায়ৰ সৃষ্টিৰ দ্বাৰা ক্রমান্বয়ে সংঘক শক্তিশালী কৰি তুলিছিল। আনকি সংগঠনটোক শক্তিশালী কৰিবলৈ কেইবাটাও পদ্ধতি গ্রহণ কৰা হৈছিল।

আছিয়ানৰ দৰে উন্নয়নশীল দেশসমূহৰ মাজত কৰা আঞ্চলিক সহযোগিতাৰ ব্যৱস্থাসমূহ সহজাতভাৱে দক্ষিণ-দক্ষিণ সহযোগিতাৰ প্রতিফলন। ইয়াৰ জৰিয়তে উমৈহতীয়া দৃষ্টিভংগী আৰু লক্ষ্যসমূহক বাস্তৱলৈ ৰূপান্তৰিত কৰা হয়। দক্ষিণ-দক্ষিণ সহযোগিতা মূলতঃ "উন্নয়ন চুক্তি"ৰ ৰূপত ৰূপায়ণ কৰা হয় যিয়ে পাঁচটা ভিন্ন পদ্ধতিৰ জৰিয়তে কাম কৰ। সেইকেইটা হ'ল — সমার্থ্য বিকাশ, অনুদান, ৰেহাইমূলক বিত্ত, প্রযুক্তি হস্তান্তৰ আৰু বাণিজ্যিক সংযোগ।

৫ নং প্রশ্নৰ উত্তৰ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ দ্বিতীয়টো ডাঙৰ সুবিধা হ'ল অংশগ্রহণকাৰীয়ে চুবুৰীয়া আৰু দক্ষিণৰ ভিতৰৰ অন্যান্য দেশসমূহৰ সৈতে অভিজ্ঞতা আৰু উত্তম পদ্ধতিসমূহ ভাগ-বতৰা কৰিবলৈ প্রকাশ কৰা ইচ্ছা। যেনে- ২০১১ চনত কোৰিয়া গণৰাজ্যৰ বুছানত অনুষ্ঠিত হোৱা Aid Effectiveness ৰ চতুর্থ উচ্চ পর্যায়ৰ সন্মিলনৰ সময়ত দক্ষিণ-দক্ষিণ সহযোগিতাৰ কেইবাটাও তথ্য অধ্যয়নে আলোচনাত স্থান পাইছিল। এই আলোচনাতে কোষ্টা ৰিকাৰ কৃষকে বেনিনত থকা তেওঁলোকৰ সহকর্মীসকলৰ পৰা পোৱা ধাৰণা ফলপ্রসূ বুলি প্রমাণিত হৈছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ ইউএনঅ'ৰ বহুপক্ষীয় দক্ষিণ-দক্ষিণ সমৰ্থনৰ চাৰিটা স্তম্ভ হ'ল —

ক) সাধাৰণ পৰিষদৰ দক্ষিণ-দক্ষিণ সহযোগিতাৰ উচ্চ পৰ্যায়ৰ সমিতি।

খ) আন্তৰ্জাতিক দক্ষিণ-দক্ষিণ উন্নয়ন একাডেমী

গ) আন্তৰ্জাতিক দক্ষিণ-দক্ষিণ উন্নয়ন প্ৰদৰ্শনী

ঘ) দক্ষিণ-দক্ষিণ আন্তৰ্জাতিক সম্পদ আৰু প্ৰযুক্তি বিনিময়।

৭ নং প্রশ্নৰ উত্তৰ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ উন্নত কামৰ বাবে দুটা পৰামৰ্শ হ'ল —

ক) সাহায্যৰ ফলপ্ৰসূতাৰ উদ্দেশ্য সমৃদ্ধ কৰা।

খ) উন্নয়ন সহযোগিতাৰ বাবে অনুভূমিক অংশীদাৰিত্ব কেনেকৈ গঢ়ি তুলিব পাৰি সেই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্যকৰী কৰা।



৪.১৩ আৰ্হি প্ৰশ্ন

প্রশ্ন নং ১ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ অৰ্থ আৰু সংজ্ঞা উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ বিৱৰ্তনৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন নং ৩ ঃ আছিয়ান আৰু দক্ষিণ-দক্ষিণ সহযোগিতাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ সমসাময়িক বিশ্বত দক্ষিণ-দক্ষিণ সহযোগিতাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ পৰীক্ষা কৰক।

প্রশ্ন নং ৫ ঃ দক্ষিণ-দক্ষিণ সহযোগিতাৰ কাৰ্য্যকলাপত ইউএনঅ'ৰ বৰ্ণনা কৰক।

****

অধ্যায় ৫ ঃ ভাৰতীৰ বৈদেশিক নীতি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ভাৰতৰ বৈদেশিক নীতি মৌলিক নীতিসমূহ

৫.৪ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৈদেশিক নীতিৰ অৰ্থ আৰু সংজ্ঞা জানিব পাৰিব
- বৈদেশিক নীতিৰ নিৰ্ণায়কসমূহ বৰ্ণনা কৰিব পাৰিব
- ভাৰতৰ বৈদেশিক নীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতৰ বৈদেশিক নীতিৰ মৌলিক নীতি আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

প্ৰতিখন সাৰ্বভৌম দেশৰ নিজস্ব বৈদেশিক নীতি আছে। বৈদেশিক নীতিয়ে আন দেশৰ সৈতে লেনদেন কৰাৰ সময়ত এখন দেশে প্ৰচাৰ কৰা নীতি, স্বাৰ্থ আৰু উদ্দেশ্যক বুজায়। বৈদেশিক নীতিৰ কেইবাটাও মৌলিক বৈশিষ্ট্য থাকিলেও ইয়াৰ কোনো নিৰ্দিষ্ট ধাৰণা নাথাকে। বিভিন্ন পৰিবৰ্তিত আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি অনুসৰি বৈদেশিক নীতিৰ গতি সলনি হয়। বৈদেশিক নীতি প্ৰতিখন ৰাষ্ট্ৰই এনেদৰে প্ৰণয়ন কৰে যাতে নিজৰ জাতীয় স্বাৰ্থ পূৰণ কৰিব পাৰে।

হিউ গিবছনে বৈদেশিক নীতিৰ সংজ্ঞা আগবঢ়াইছে যে "বিশ্বৰ বাকী অংশৰ সৈতে চৰকাৰৰ ব্যৱসায় চলোৱাৰ বাবে জ্ঞান আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা এক সু-বৃত্তাকাৰ বিস্তৃত পৰিকল্পনা। ইয়াৰ লক্ষ্য হৈছে জাতিটোৰ স্বাৰ্থক প্ৰসাৰ আৰু সুৰক্ষিত কৰা"।

বৈদেশিক নীতিৰ সংজ্ঞা আগবঢ়ায় মডেলস্কিয়ে কৈছে যে "অন্য ৰাষ্ট্ৰৰ আচৰণ সলনি কৰাৰ বাবে আৰু আন্তঃৰাষ্ট্ৰীয় পৰিৱেশৰ লগত নিজৰ কাৰ্যকলাপৰ সামঞ্জস্য স্থাপনৰ বাবে সম্প্ৰদায়সমূহে বিকশিত কৰা ব্যৱস্থাৱলী। তেওঁ লগতে কয় যে বৈদেশিক নীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ব লাগিব ৰাষ্ট্ৰসমূহে আন ৰাষ্ট্ৰৰ আচৰণ সলনি কৰিবলৈ আৰু সলনি কৰাত

সফল হোৱাৰ উপায়সমূহৰ ওপৰত পোহৰ বিলোৱা।”

বৈদেশিক নীতিৰ বিভিন্ন নির্ণায়ক আছে। ইয়াৰে কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হৈছে —

বৈদেশিক নীতি নির্ধাৰণ সদায় প্রতিখন ৰাষ্ট্রৰ বাবে এক গতিশীল প্রক্রিয়া। প্রথমতে, ভৌগলিক পৰিস্থিতি সকলো বৈদেশিক নীতিৰ এক মৌলিক নির্ণায়ক আকাৰ আৰু ভূ-প্রকৃতি, প্রাকৃতিক সম্পদ আৰু জলসংখ্যাৰ আকাৰে ৰাষ্ট্রৰ ক্ষমতাত অৰিহণা যোগায়।

দ্বিতীয়তে, বৈদেশিক নীতি নির্ধাৰণত ইতিহাস আৰু পৰম্পৰাৰ যথেষ্ট প্রভাৱ আছে। এখন দেশৰ বৈদেশিক নীতি নির্ধাৰণৰ ক্ষেত্রত ঐতিহাসিক সম্পর্ক আৰু পৰম্পৰাগত মূল্যবোধে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

তৃতীয়তে, কেঁচামাল আৰু প্রাকৃতিক সম্পদৰ অধিকাৰ আৰু অর্থনৈতিক উন্নয়নৰ বাধ্যবাধকতাইও এখন দেশৰ অর্থনৈতিক শক্তিৰ গতিপথ নির্ধাৰণ কৰে।

চতুর্থতে, ৰাজনৈতিক সংগঠন, ৰাজনৈতিক পৰম্পৰা, চৰকাৰৰ গাঁথনি আৰু জ্ঞানদীপ্ত নেতৃত্বইও ফলপ্রসু বৈদেশিক নীতি গঢ় দিয়াত অৰিহণা যোগায়।

পঞ্চমতে, এখন দেশৰ সামৰিক শক্তিৰ প্রত্যক্ষ প্রভাৱ পৰে দেশখনৰ বৈদেশিক নীতিত।

ষষ্ঠাতে, বৈদেশিক নীতি গঢ় দিয়াৰ ক্ষেত্রত শেহতীয়াকৈ জনমত এক গুৰুত্বপূর্ণ কাৰক হৈ পৰিছে। ই প্রায়ে বৈদেশিক নীতি আৰু ইয়াৰ কার্যকৰীকৰণৰ পৰিবর্তনৰ জাল তৈয়াৰ কৰা দেখা গৈছে।

আন এটা নির্ণায়ক হ’ল আন্তঃৰাষ্ট্রীয় ব্যৱস্থা যিয়ে বৈদেশিক নীতি নির্ধাৰণৰ ক্ষেত্রত অপৰিসীন প্রভাৱ পেলায়।

বৈদেশিক নীতি সকলো আন্তঃৰাষ্ট্রীয় সম্পর্কৰ ভিত্তি। লেগ আৰু মৰিছনৰ মতে, এটা যুক্তিসংগত নীতি নির্ধাৰণ প্রক্রিয়া বহু পৰিমাণে হ’ল স্পষ্ট আৰু নির্ভৰযোগ্য, (অর্থাৎ, উপায়সমূহে প্রকৃততে আকাংক্ষিত সমাপ্তিলৈ লৈ যায়) মাধ্যম সমাপ্তি শৃংখল সংগঠিত কৰাৰ প্রক্রিয়া, মাধ্যমসমূহ নিজৰ মাজতে সমাপ্তি হোৱাৰ প্রৱণতা নিয়ন্ত্রণ কৰা আৰু মূল আৰু অধিক মৌলিক লক্ষ্যসমূহক দৃষ্টিকোণত ৰাখি।

হোলষ্টিয়ে (Holsti) ৰাষ্ট্রসমূহৰ উদ্দেশ্য চিনাক্ত কৰে যিটো তেওঁ বিভিন্ন বাহ্যিক পৰিস্থিতি আৰু ঘৰুৱা চাপৰ ওপৰত নির্ভৰ কৰি অগ্রাধিকাৰ অনুসৰি ব্যৱস্থা কৰে —

- সুৰক্ষা
- স্বায়ত্ব শাসন
- সম্প্রচাৰৰ অর্থত কল্যাণ
- মর্য্যদা আৰু প্রতিপত্তি

সকলো ৰাষ্ট্রই একে ধৰণৰ অগ্রাধিকাৰ অনুসৰণ নকৰে আৰু বন্দুক আৰু মাখনৰ মাজত বিকল্প থাকিব পাৰে। বৈদেশিক নীতিৰ লক্ষ্যসমূহ সেয়েহে ‘লক্ষ্যৰ আৰিস্কাৰ যিমানেই জড়িত হৈ থাকে সিমানেই বিশেষ ফলাফল লাভৰ বাবে সিদ্ধান্ত ব্যৱহাৰ কৰাটো জড়িত’ বুলি ক’ব পাৰি।

উদ্দেশ্যসমূহৰ ভিতৰত থাকিব পাৰে "নিজস্ব নীতি নির্ধাৰকৰ জৰিয়তে চৰকাৰে বিদেশত প্ৰভাৰ বিস্তাৰ কৰি আৰু অন্যান্য ৰাষ্ট্ৰৰ আচৰণ সলনি আৰু বজাই ৰাখিবলৈ আকাংক্ষা কৰা ভৱিষ্যতৰ পৰিস্থিতি আৰু ভৱিষ্যতৰ পৰিস্থিতিৰ প্ৰতিচ্ছবি'। উদ্দেশ্যসমূহ তাৎক্ষণিক, সুনির্দিষ্ট বা বিমূর্ত, দীর্ঘম্যাদী বা কম-সুনির্দিষ্ট হ'ব পাৰে। তিব্বতত চীনৰ লক্ষ্য দৰে ভূখণ্ডৰ সম্প্ৰসাৰণ, বা ভাৰতৰ সৈতে চীনৰ সীমাৰ যুঁজ আৰু সীমান্তৰ সমস্যাক লৈ লগা যুদ্ধ আৰু অবিৰত শত্ৰুতা, মধ্যপ্ৰাচ্যৰ কেইবাখনো যুদ্ধ শ্বট আল-আৰৰৰ নিয়ন্ত্ৰণক লৈ ইৰাণ-ইৰাকৰ যুদ্ধৰ দৰে, বা কুর্দিস্তানৰ ওপৰত ইৰাকৰ আক্ৰমণক সুনির্দিষ্ট উদ্দেশ্যৰ সৈতে জড়িত বুলি ধৰিব পাৰি। 'গণতন্ত্ৰৰ বাবে বিশ্বক সুৰক্ষিত কৰা' নতুন বিশ্বব্যৱস্থা সৃষ্টি কৰা, যেনে নতুন আন্তঃৰাষ্ট্ৰীয় অর্থনৈতিক ব্যৱস্থাৰ চাহিদা বা 'সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুদ্ধ' আদি মূল্যবোধৰ নির্দিষ্ট গোটৰ প্ৰচাৰক দীর্ঘম্যাদী বা বিমূর্ত লক্ষ্য হিচাপে কল্পনা কৰিব পাৰি। কেতিয়াবা চৰকাৰে অসঙ্গতিপূর্ণ লক্ষ্য অনুসৰণ কৰে, হয়তো আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ মাজত শীতল যুদ্ধৰ সময়ত হোৱাৰ দৰে আন এখন ৰাষ্ট্ৰৰ লক্ষ্যৰ সৈতে অসঙ্গতিপূর্ণ, নহ'লে তেওঁলোকৰ ঘৰুৱা লক্ষ্যৰ সৈতে অসঙ্গতিপূর্ণ।

আন যিকোনো দেশৰ দৰে ভাৰতৰ বৈদেশিক নীতিও ইয়াৰ ইতিহাস ভূগোল সংস্কৃতি অর্থনীতিকে ধৰি কেইবাটাও কাৰকৰ দ্বাৰা গঢ় লৈ উঠিছে। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে দেশৰ বৈদেশিক নীতিক এক নির্দিষ্ট ৰূপ দিলে। ইয়াৰ বিষয়ে তলত বিতংভাৱে আলোচনা কৰা হৈছে —

৫.৩ ভাৰতৰ বৈদেশিক নীতিৰ মৌলিক নীতিসমূহ

ভাৰতৰ বৈদেশিক নীতিৰ বিভিন্ন উদ্দেশ্য আছে। এই লক্ষ্যসমূহ কিছুমান নীতিৰ জৰিয়তে লাভ কৰিব বিচৰা হৈছে। যেনে —

- পঞ্চশীল
- গোষ্ঠী নিৰপেক্ষতা
- ঔপনিৱেশিকতাবাদ বিৰোধী
- সাম্ৰাজ্যবাদ বিৰোধী
- বর্ণবাদ বিৰোধী
- ৰাষ্ট্ৰসংঘক শক্তিশালী কৰা আৰু
- বিবাদৰ শান্তিপূর্ণ নিস্পত্তি

- **পঞ্চশীল**

নেহৰু বিশ্বশান্তি বজাই ৰখাত বিশ্বাসী আছিল। মানৰ জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে শান্তি আৰু উন্নয়নৰ মাজৰ সম্পর্ক তেওঁ বুজি পাইছিল। নীতি নির্ধাৰণত নেহৰুৱে বিশ্ব শান্তিক সর্বোচ্চ গুৰুত্ব দিছিল। ভাৰতে সকলো দেশৰ সৈতে শান্তিপূর্ণ আৰু বন্ধুত্বপূর্ণ সম্পর্ক কামনা কৰিছিল। ১৯৫৪ চনৰ ২৮ এপ্ৰিলত চীনৰ সৈতে চুক্তি স্বাক্ষৰ কৰাৰ সময়ত ভাৰতে দ্বিপাক্ষিক সম্পর্ক

পৰিচালনাৰ বাবে পঞ্চশীল নামেৰে জনাজাত পাঁচটা পথ প্ৰদৰ্শক নীতি মানি চলাৰ পোষকতা কৰিছিল।

ইয়াত তলত উল্লেখিত নীতিসমূহ অন্তৰ্ভুক্ত কৰা হৈছে ঃ

- ইখনে সিখনৰ ভূখণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি পাৰস্পৰিক সন্মান প্ৰদৰ্শন কৰা।
- পাৰস্পৰিক আগ্ৰাসনৰ পৰা বিৰত থকা।
- ইখনে আনখনৰ আভ্যন্তৰীণ কামত হস্তক্ষেপ নকৰা
- সমতা আৰু পাৰস্পৰিক লাভ।
- শান্তিপূৰ্ণ সহ-অৱস্থান।

পঞ্চশীল চুক্তিত চুবুৰীয়া দেশৰ সৈতে শান্তিপূৰ্ণ সহ অৱস্থানৰ উত্তম নীতিসমূহ উল্লেখ কৰা হৈছে। ই ভাৰতৰ বৈদেশিক নীতিৰ এক গুৰুত্বপূৰ্ণ উপাদান।

- **গোষ্ঠী নিৰপেক্ষতা ঃ**

গোষ্ঠী নিৰপেক্ষতাক ভাৰতৰ বৈদেশিক নীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিচাপে গণ্য কৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নে গঠন কৰা কোনো সামৰিক মিত্ৰতাত যোগদান নকৰাকৈ বৈদেশিক বিষয়ত জাতীয় স্বাধীনতা বজাই ৰখৰৈ মূল লক্ষ্য আছিল গোষ্ঠী নিৰপেক্ষতা। গোষ্ঠী নিৰপেক্ষতা বা জড়িত নোহোৱা বা বিচ্ছিন্নতাবাদ নাছিল। ই আছিল এক গতিশীল ধাৰণা যাৰ অৰ্থ আছিল কোনো সামৰিক গোটৰ প্ৰতি দায়বদ্ধ নহৈ আন্তঃৰাষ্ট্ৰীয় বিষয়ত স্বতন্ত্ৰ স্থিতি লোৱা। উন্নয়নশীল দেশসমূহত গোষ্ঠীনিৰপেক্ষতা নীতিয়ে বহু সমৰ্থন লাভ কৰিছিল কাৰণ ই তেওঁলোকক নিজৰ সাৰ্বভৌমত্ব ৰক্ষাৰ সুযোগ প্ৰদান কৰাৰ লগতে উত্তেজনাপূৰ্ণ শীতল যুদ্ধৰ সময়চোৱাত তেওঁলোকৰ কাৰ্যৰ স্বাধীনতাও বৰ্তাই/ বজাই ৰাখিছিল। গোষ্ঠীনিৰপেক্ষ আন্দোলন (NAM) গঢ় দিয়াত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

- **সাম্ৰাজ্যবাদ বিৰোধী ঔপনিৰেশিকতাবাদ বিৰোধী আৰু বৰ্ণবাদ বিৰোধী ঃ**

ভাৰতে সদায় ঔপনিৰেশিকতাবাদৰ বিৰোধিতা কৰি আহিছে। ভাৰতৰ ঔপনিৰেশিকতাবাদ বিৰোধী আৰু সাম্ৰাজ্যবাদ বিৰোধী নীতিৰ মূল নিৰ্হিত হৈ আছে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ অধীনত নিজৰ অভিজ্ঞতাত। বৰ্ণবাদ বিৰোধী আছিল ভাৰতৰ বৈদেশিক নীতিৰ আন এক প্ৰধান নীতি। দক্ষিণ আফ্ৰিকাৰ অবৈধ নামিবিয়া দখল আৰু দক্ষিণ আফ্ৰিকাৰ কুখ্যাত বৰ্ণবৈষম্য নীতিৰ বিৰুদ্ধে ভাৰতে সদায় মাত মাতি আহিছে। সাম্ৰাজ্যবাদৰ দৰে ভাৰতৰ ঐতিহাসিক অভিজ্ঞতাৰ পৰাও বৰ্ণবাদৰ সন্ধান পোৱা যায়।

- **ৰাষ্ট্ৰসংঘক শক্তিশালী কৰা**

ভাৰতে সদায় ৰাষ্ট্ৰসংঘক শান্তিৰ বাবে আৰু বিশ্ব ৰাজনীতিত শান্তিপূৰ্ণ পৰিবৰ্তনৰ আহিলা হিচাপে গণ্য কৰি আহিছে। ভাৰতে সদায় আশা কৰি আহিছে যে ৰাষ্ট্ৰসংঘই আলোচনা বা বুজিবুজিৰ জৰিয়তে দুখন দেশ বা দেশসমূহৰ মাজত বিবাদ নিস্পত্তি কৰিবলৈ নিজকে সক্ৰিয়ভাৱে জড়িত কৰিব। তদুপৰি ভাৰতে তৃতীয় বিশ্বৰ দেশসমূহৰ উন্নয়নমূলক প্ৰচেষ্টাত ৰাষ্ট্ৰসংঘৰ সক্ৰিয় ভূমিকাৰ পোষকতা কৰিছে আৰু ৰাষ্ট্ৰসংঘত তৃতীয় বিশ্বৰ দেশসমূহৰ এক উমৈহতীয়া সংযুক্ত গোটৰ

বাবে অনুৰোধ জনাইছে। ১৯৫০ চনৰ আৰম্ভণীতে ভাৰতে অস্ত্র-শস্ত্র হ্রাস কৰাটো উন্নয়নৰ বৃহত্তৰ লক্ষ্যৰ সৈতে সংযোগ কৰিছিল। ৰাষ্ট্রসংঘই দৰাচলতে ঔপনিৱেশিকৰণ বিৰোধী প্রক্রিয়াত সহায় কৰি বিশ্ব শান্তি ৰক্ষাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১ ঃ পঞ্চশীল চুক্তিখন ..... আৰু ..... মাজত স্বাক্ষৰিত হৈছিল। (খালী ঠাই পুৰণ কৰক)।

প্রশ্ন ২ ঃ (NAM) ৰ অর্থ হ'ল .....। (খালী ঠাই পুৰণ কৰক)।

প্রশ্ন ৩ ঃ ..... বিশ্ব শান্তিৰ বিশ্বাসী আছিল। (খালী ঠাই পুৰণ কৰক)।

প্রশ্ন ৪ ঃ পঞ্চশীলৰ তিনিটা নীতি লিখক।

৫.৪ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ

কোনো এখন দেশৰ বৈদেশিক নীতি কেইবাটাও ঐতিহাসিক আৰু ঘৰুৱা কাৰকৰ দ্বাৰা নির্ধাৰিত হয়। ভাৰতৰ বৈদেশিক নীতিৰ প্রধান লক্ষ্য সদায় বিশ্ব শান্তি আৰু নিৰাপত্তা ৰক্ষা আৰু প্রসাৰ কৰা। ভাৰতৰ প্রাক্তন বৈদেশিক সচিব মুচকুণ্ড ডুবেৰ মতে ঃ "যিকোনো দেশৰ বৈদেশিক নীতিৰ প্রধান উদ্দেশ্য হ'ল ইয়াৰ জাতীয় স্বার্থক প্রসাৰ কৰা, ইয়াৰ নিৰাপত্তা নিশ্চিত কৰা, ইয়াৰ সার্বভৌমত্ব ৰক্ষা কৰা, ইয়াৰ বিকাশ আৰু সমৃদ্ধিত অৰিহণা যোগোৱা আৰু লগতে আন্তঃৰাষ্ট্রীয় ক্ষেত্রখনত ইয়াৰ প্রভাৱ আৰু ভূমিকা বৃদ্ধি কৰা।' এখন দেশৰ বৈদেশিক নীতিয়ে আন্তঃৰাষ্ট্রীয় ক্ষেত্রখনত প্রধানকৈ শান্তি, নিৰস্ত্রকৰণ আৰু উন্নয়নৰ প্রসাৰ আৰু এক নায্য আৰু সুস্থিৰ বিশ্বব্যৱস্থা স্থাপনৰ বহল উদ্দেশ্য পুৰণ কৰিব পাৰিব লাগে। শান্তি, নিৰস্ত্রকৰণ আৰু সমতাপূর্ণ বিশ্বব্যৱস্থাৰ উদ্দেশ্যৰ কেতিয়াবা ৰাষ্ট্রীয় নিৰাপত্তা, সার্বভৌমত্ব আৰু উন্নয়নৰ সৈতে সংঘাত হ'ব পাৰে।

আন্তঃর্জাতিক শান্তি আৰু নিৰাপত্তা বজাই ৰখা আৰু প্রসাৰ কৰাটোৱেই আছিল প্রাথমিক আৰু অতিক্রমণীয় লক্ষ্য। ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্য ইমানেই মৌলিক আৰু জনাসাধাৰণ আৰু বিভিন্ন দল সংগঠনে সাধাৰণভাৱে মানি লোৱা যে ইয়াক এটা জাতীয় নীতিৰ ভিত্তি হিচাপে জনা যায়। আমাৰ দেশৰ ঘৰুৱা আৰু বৈদেশিক নীতিৰ আদর্শ আৰু উদ্দেশ্য সংবিধানত সন্নিবিষ্ট হৈ আছে, মূলতঃ নেহৰুৱে প্রস্তুত কৰা ভাৰতৰ বৈদেশিক নীতিয়ে ওপৰত উল্লেখ কৰা বহল লক্ষ্যৰ সৈতে জাতীয় স্বার্থৰ সংমিশ্রণ ঘটায়।

স্বাধীনতাৰ পিছত পাকিস্তানৰ সৈতে থকা সম্পর্কৰ লগতে শীতল যুদ্ধৰ দ্বাৰা চিহ্নিত আন্তঃৰাষ্ট্রীয় পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি ভাৰতে নিজৰ বৈদেশিক নীতি নির্ধাৰণ কৰিবলগীয়া

হৈছিল। বিশ্ববাসীৰ প্ৰতি ভাৰতৰ বাৰ্তা হৈছে শান্তিপূৰ্ণ উপায়েৰে সকলো সমস্যা সমাধান কৰা। শান্তিৰ অৰ্থ কেৱল যুদ্ধ পৰিহাৰ কৰাই নহয়, উত্তেজনা হ্ৰাস কৰা আৰু সম্ভৱ হ'লে শীতল যুদ্ধৰ অন্ত পেলোৱা। ভাৰতৰ বৈদেশিক নীতিৰ এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে পাৰমাণৱিক অস্ত্ৰ নিৰ্মূল আৰু গতানুগতিক অস্ত্ৰ-শস্ত্ৰ হ্ৰাস কৰা। শান্তিৰ সন্ধান বৈদেশিক নীতিৰ প্ৰধান উদ্দেশ্য হৈ পৰিছিল। ভাৰতৰ শান্তিৰ লক্ষ্য কেৱল ইয়াৰ স্বাৰ্থৰ দ্বাৰা নিৰ্দেশিত নাছিল, মহাত্মা গান্ধীৰ পৰা গ্ৰহণ কৰা আদৰ্শৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল।

ভাৰতৰ বৈদেশিক নীতিৰ আন এটা উদ্দেশ্য আছিল অভাৱ ৰোগ আৰু নিৰক্ষৰতা দূৰ কৰা। শেষত ভাৰতৰ উদ্দেশ্য হৈছে সকলোৰে সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখা, সামৰিক মিত্ৰতা পৰিহাৰ কৰা, গোষ্ঠী নিৰপেক্ষতাক নৈতিক নীতি হিচাপে পালন কৰা, আন্তঃৰাষ্ট্ৰীয় বিবাদৰ শান্তিপূৰ্ণ নিষ্পত্তি বিচৰা আৰু পঞ্চশীলত সন্নিবিষ্ট সাৰ্বজনীন ভাতৃত্ববোধ আৰু মানৱতাবাদক প্ৰসাৰ কৰা।

দ্ৰুত যোগাযোগ আৰু তথ্য বিনিময়ৰ বৰ্তমানৰ এই জগতখনত সামগ্ৰিকভাৱে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি পাইছে, আৰু জনসাধাৰণৰ মাজত বিস্তৃত যোগাযোগো হৈছে, যিসমূহে মানৱ অধিকাৰ, পৰিৱেশ, যুদ্ধ আৰু শান্তি আৰৰু অন্যান্য আনুসংগিক বিষয়ত বিশ্ব জনমতৰ সৃষ্টি কৰাত সহায় কৰিছে।

ৰাষ্ট্ৰসমূহৰ বৈদেশিক নীতিসমূহে বাহ্যিক পৰিৱেশকো বিবেচনা কৰি চলিব লাগে। বৈদেশিক নীতি নিৰ্ধাৰণত বা প্ৰভাৱ পেলোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰকসমূহ হ'ল আন্তঃৰাষ্ট্ৰীয় আইন, আন্তঃৰাষ্ট্ৰীয় সন্ধি, চুক্তি, বাণিজ্যিক গোট আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক সংগঠনৰ উপস্থিতি।

এখন ৰাষ্ট্ৰৰ বাহ্যিক পৰিৱেশ আন ৰাষ্ট্ৰৰ উপস্থিতিৰ দ্বাৰা গঠিত। গতিকে, এখন বিশেষ ৰাষ্ট্ৰৰ বৈদেশিক নীতি প্ৰস্তুত আৰু পৰিচালনাৰ ক্ষেত্ৰত সেই ৰাষ্ট্ৰসমূহৰ আচৰণৰ লগতে তেওঁলোকৰ বৈদেশিখ নীতিৰ বাচনিও কৰিব লাগে। ৰাষ্ট্ৰ এখনৰ বৈদেশিক নীতিৰ লক্ষ্য ৰাষ্ট্ৰ নিৰ্দিষ্ট হ'ব লাগিব এই অৰ্থত যে ই বন্ধুত্বপূৰ্ণ আৰু শত্ৰুতাপূৰ্ণ ৰাষ্ট্ৰৰ সৈতে থকা সম্পৰ্ক অনুসৰি নিজৰ বৈদেশিক নীতিৰ পছন্দসমূহ পৰিচালনা কৰিব লাগে। শেষত ৰাষ্ট্ৰসমূহৰ প্ৰতিক্ৰিয়াই আটাইতকৈ গুৰুত্বপূৰ্ণ। গতিকে আকাংক্ষিত ফলাফল পাবলৈ বৈদেশিক নীতি গঢ় দিব লাগিব।

পৃথক ৰাজনৈতিক এককৰ সহ-অৱস্থানৰ কাৰণে ইয়াৰ মাজত এক নিৰ্দিষ্ট মাত্ৰাৰ সংস্পৰ্শৰ প্ৰয়োজন। চৰকাৰৰ মাজত যোগাযোগৰ প্ৰয়োজন চৰকাৰৰ মাজত যোগাযোগৰ ব্যৱস্থাক কাৰিকৰীভাৱে কূটনীতি বুলি কোৱা হয়। বহল অৰ্থত কূটনীতিৰ অৰ্থ প্ৰায়ে বৈদেশিক নীতি নিৰ্ধাৰণ আৰু কাৰ্যকৰীকৰণ দুয়োটাকে বুজাবলৈ ব্যৱহাৰ কৰা হয়। বৈদেশিক নীতিৰ আহিলা হিচাপে কূটনীতি নতুন কথা নহয় আৰু ইয়াক প্ৰাচীন কালৰ পৰাই অনুসন্ধান কৰিব পাৰি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৫ ঃ ভাৰতৰ উদ্দেশ্য হৈছে সকলো জাতিৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক বজাই ৰখা। (সঁচা / মিছা)

প্রশ্ন ৬ ঃ ভাৰতৰ বৈদেশিক নীতিৰ আন এটা গুৰুত্বপূর্ণ উদ্দেশ্য আছিল অভাৰ ৰোগ আৰু নিৰক্ষৰতা দূৰ কৰা। (সঁচা / মিছা)

প্রশ্ন ৭ ঃ ..... মূলতঃ নেহৰুৰে প্রস্তুত কৰিছিল। (খালী ঠাই পূৰণ কৰক)। প্রশ্ন ৮ ঃ ভাৰতৰ বৈদেশিক নীতিৰ দুটা প্রধান উদ্দেশ্য লিখা।

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৈদেশিক নীতিয়ে এখন দেশে আন দেশৰ সৈতে লেনদেন কৰাৰ সময়ত প্রচাৰ কৰা নীতি স্বার্থ আৰু লক্ষ্যক বুজায়।
- এখন দেশৰ বৈদেশিখ নীতি কেইবাটাও ঐতিহাসিক আৰু ঘৰুৱা কাৰকৰ দ্বাৰা নির্দ্ধাৰিত হয়। ভৌগোলিক পৰিস্থিতি সকলো বৈদেশিক নীতিৰ এক মৌলিক নির্ণায়ক।
- বিভিন্ন পৰিৱর্তিত আন্তঃৰাষ্ট্রীয় পৰিস্থিতি অনুসৰি বিভিন্ন দেশৰ বৈদেশিক নীতিৰ গতি সলনি হয়। কেঁচামাল আৰু প্রাকৃতিক সম্পদৰ অধিকাৰ আৰু অর্থনৈতিক উন্নয়নৰ বাধ্যবাধকতাইও এখন দেশৰ অর্থনৈতিক শক্তিৰ গতিপথ নির্ধাৰণ কৰে।
- শান্তিৰ সন্ধান বৈদেশিক নীতিৰ প্রধান উদ্দেশ্য হৈ পৰিছে।
- ভাৰতৰ বৈদেশিক নীতিৰ প্রধান লক্ষ্য সদায় বিশ্ব শান্তি আৰু নিৰাপত্তা ৰক্ষা আৰু প্রসাৰ কৰা।
- ভাৰতৰ বৈদেশিক নীতিৰ বিভিন্ন উদ্দেশ্য আছে। এই লক্ষ্যসমূহ কিছুমান নীতিৰ জৰিয়তে লাভ কৰিব বিচৰা হৈছে। যেনে পঞ্চশীল গোষ্ঠী নিৰপেক্ষতা ঔপনিবেশিকতাবাদ বিৰোধী ইত্যাদি।
- আমাৰ দেশৰ ঘৰুৱা লগতে বৈদেশিক নীতিৰ আদর্শ আৰু উদ্দেশ্য সংবিধানত সন্নিবিষ্ট হৈ আছে।
- ভাৰতৰ বৈদেশিক নীতিৰ এটা গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে পাৰমাণৰিক অস্ত্র নির্মূল আৰু গতানুগতিক অস্ত্র শস্ত্র হ্রাস কৰা।
- ভাৰতৰ শান্তিৰ লক্ষ্য কেৱল নিজৰ স্বার্থৰ দ্বাৰাই নির্দেশিত নাছিল মহাত্মা গান্ধীৰ পৰা গ্রহণ

কৰা আদৰ্শৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল।

- ভাৰতৰ বৈদেশিক নীতিৰ আন এটা মূল উদ্দেশ্য হৈছে সকলো জাতিৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখা।
- গোষ্ঠী নিৰপেক্ষতাক ভাৰতৰ বৈদেশিক নীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিচাপে গণ্য কৰা হয়।
- প্ৰত্যেক ৰাষ্ট্ৰৰ বাবে বৈদেশিক নীতি নিৰ্ধাৰণ সদায় এক গতিশীল প্ৰক্ৰিয়া।



৫.৬ অধিক জানিবলৈ

1) Khanna, V.N. (2007) Foreign Policy of India. Vikas Publication, Delhi.
2) Ghosh Peu. (2009) International Relations PHI Learning pvt. Ltd, New Delhi



৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত আৰু চীন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গোষ্ঠী নিৰপেক্ষ আন্দোলন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নেহৰু।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চশীলৰ তিনিটা নীতি হ'ল —

এখনে আনখন দেশৰ ভূখণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি পাৰস্পৰিক সন্মান প্ৰদৰ্শন কৰা। পাৰস্পৰিক আগ্ৰাসনৰ পৰা বিৰত থকা আৰু এখনে আনখন দেশৰ আভ্যন্তৰীণ বিষয়ত পাৰস্পৰিক হস্তক্ষেপ নকৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ বৈদেশিক নীতি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা বজাই ৰখা আৰু প্ৰসাৰ কৰাটোৱেই আছিল প্ৰাথমিক আৰু অতিক্ৰমণীয় লক্ষ্য।

খ) ভাৰতৰ বৈদেশিক নীতিৰ আন এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে পাৰমাণৱিক অস্ত্ৰ নিৰ্মূল আৰু গতানুগতিক অস্ত্ৰ-শস্ত্ৰ হ্ৰাস কৰা।



৫.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বৈদেশিক নীতি কি।

প্ৰশ্ন ২ ঃ বৈদেশিক নীতিৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ বৈদেশিক নীতিৰ স্থপতিৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পঞ্চশীল নীতিৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্য কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ ভাৰতৰ বৈদেশিক নীতিৰ মৌলিক নীতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ গোষ্ঠী নিৰপেক্ষতা নীতিৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৬ ঃ ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ভাৰত-ৰাছিয়া সম্পৰ্কৰ পটভূমি

৬.৪ পৰ্যায় আৰু শেহতীয়া প্ৰৱণতা

৬.৫ ভাৰত-ৰাছিয়া সম্পৰ্ক গঠণত প্ৰভাব পেলোৱা বিষয়সমূহ

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সক্ষম হ'ব—

- ৰাছিয়া -ভাৰত সম্পৰ্কৰ পশ্চাদপট ব্যাখ্যা কৰিবলৈ আৰু
- ভাৰত-ৰাছিয়া সম্পৰ্কৰ পৰ্যায় আৰু শেহতীয়া প্ৰৱণতাসমূহ আলোচনা কৰিবলৈ ।

৬.২ পৰিচয়

ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক বছৰ বাগৰি যোৱাৰ লগে লগে অধিক পৰিপক্ক হৈ গৈ আছে আৰু দুয়োখন দেশে ইখনে সিখনৰ প্ৰতি সহযোগিতা আৰু বিশ্বাসৰ মনোভাৱ বজাই ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ আছে। তৎসত্বেও এই কৌশলগত অংশীদাৰিত্ব সময়ে সময়ে ভিন ভিন প্ৰত্যাহ্বান আৰু সমস্যাৰ সন্মুখীন হৈ চাপগ্ৰস্ততাত পৰিছে। এই অধ্যায়টোৰ জড়িয়তে শীতল যুদ্ধলৈকে ভাৰত আৰু ৰাছিয়াৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ এক চমু বিৱৰণ দি য়া হৈছে। তাৰোপৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক গঠণত প্ৰভাৱ পেলোৱা গতিপথ আৰু কাৰকসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

৬.৩ ভাৰত-ৰাছিয়া সম্পৰ্কৰ পটভূমি

উনবিংশ শতিকাৰ আৰম্ভণিৰ সময়চোৱা এছিয়াৰ ওপৰত ৰাছিয়াৰ নিয়ন্ত্ৰণ বিস্তাৰৰ প্ৰধান সাক্ষী আছিল। মূলতঃ,এই কাৰ্য্যই ব্ৰিটিছসকলক অস্বস্তিকৰ পৰিস্থিতিত পেলাইছিল আৰু তেওঁলোকে মধ্য এছিয়াত ৰাছিয়াৰ সম্প্ৰসাৰণবাদ ৰোধ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ আছিল। এংলো আফগান যুদ্ধৰ ফলত আফগানিস্তানৰ অঞ্চলসমূহ ব্ৰিটিছ ভাৰতৰ ভূখণ্ডৰ এক প্ৰতিৰোধক

হিচাপে পৰিগণিত হৈছিল। 'গ্ৰেট গেম' ৰ পৰিণতিস্বৰূপে এংলো ৰাছিয়ান চুক্তি সম্পন্ন হয় (১৯০৭), য'ত ৰাছিয়া আৰু ব্ৰিটেইন উভয়েই ইজনে সিজনৰ স্বাৰ্থক সন্মান কৰিবলৈ সন্মত হয়। ১৯০৫ চনৰ ৰাছিয়া বিপ্লৱে বহু ভাৰতীয় স্বাধীনতা সংগ্ৰামীক অনুপ্ৰাণিত কৰিছিল। মহাত্মা গান্ধীয়ে ৰাছিয়াৰ সৈতে এক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছিল আৰু মহান ৰাছিয়ান লেখক লিঅ' টলষ্টয়ৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিছিল। ১৯১৭ চনৰ বলশ্বেভিক বিপ্লৱেও ভাৰতৰ বহু স্বাধীনতা সংগ্ৰামীক অনুপ্ৰাণিত কৰিছিল। ৰাছিয়ান কমিউনিষ্ট নেতা ভি আই লেনিনে ভাৰতবৰ্ষক স্বাধীনতাৰ হেতু উৎসাহিত কৰিছিল। ১৯২৭ চনত, বলশ্বেভিক বিপ্লৱৰ দশম বৰ্ষপূৰ্তি উপলক্ষে নেহৰুৱে ৰাছিয়া ভ্ৰমণ কৰিছিল আৰু ছোভিয়েট উন্নয়ন আৰ্হিৰ দ্বাৰা গভীৰভাৱে অনুপ্ৰাণিত হৈছিল। অৱশ্যে, দ্বিতীয় বিশ্বযুদ্ধৰ শেষলৈকে ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্কত সীমাবদ্ধতা দেখা গৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মহাত্মা গান্ধী কোনজন ৰাছিয়ান লেখকৰ সৈতে যোগাযোগত আছিল?

প্ৰশ্ন ২ ঃ ভাৰতক স্বাধীন হ'বলৈ উৎসাহিত কৰা এজন ৰাছিয়ান কমিউনিষ্ট নেতাৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ বলশ্বেভিক বিপ্লৱ কোন বছৰত হৈছিল?

প্ৰশ্ন ৪ ঃ .....ৰ ফলস্বৰূপে আফগানিস্তানৰ অঞ্চলসমূহ ব্ৰিটিছ ভাৰতৰ ভূখণ্ডৰ বাবে এক প্ৰতিৰোধক হিচাপে পৰিগণিত হৈছিল। (খালী ঠাই পূৰণ কৰক)

৬.৪ পৰ্যায়সমূহ আৰু শেহতীয়া প্ৰৱণতাসমূহ

• **ভাৰত-ছোভিয়েট সম্পৰ্ক** ১৯৪৭-১৯৬২

স্বাধীনতাৰপাছত, ভাৰতে নিজৰ বৈদেশিক নীতিৰ লক্ষ্যসমূহ পূৰণ কৰিবলৈ অহিংসা আৰু নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰে আৰু ই সাধাৰণ প্ৰয়োজনৰ আধাৰত নিৰ্ভৰ কৰিছিল । সেই অনুসৰি "নিৰপেক্ষ নীতি গ্ৰহণৰ সিদ্ধান্ত কেৱল নিৰপেক্ষতাৰ এক আদৰ্শবাদী সপোন নাছিল, বৰং ভাৰতৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাস্তৱসন্মত মূল্যায়নৰ ওপৰত আধাৰিত আছিল। নেহৰুৰ উদ্দেশ্য আছিল ভাৰতক শীতল যুদ্ধৰ সীমাবদ্ধতাৰ ভিতৰত আৱদ্ধ নৰখাকৈ নিজৰ স্বাৰ্থত অধিক স্বাধীনতা দিয়াৰ। কিন্তু ষ্টেলিনৰ বাবে নিৰপেক্ষতাৰ ধাৰণাটোক ভালদৰে গ্ৰহণ কৰা নহ'ল কাৰণ 'জাতীয় মুক্তি আন্দোলনসমূহক ছোভিয়েট ইউনিয়নৰ শিবিৰৰ অংশ বুলি ভবা হৈছিল আৰু নিৰপেক্ষতাক সাম্ৰাজ্যবাদী প্ৰকল্প' আখ্যা দিয়া হৈছিল'। তথাপিও কেইবাটাও

বিষয়ে ভাৰত আৰু ৰাছিয়াক অধিক ঘনিষ্ঠ কৰি তুলিলে। এটা দিশত ৩৮ নং সমান্তৰালৰ উত্তৰ দিশলৈ কোৰিয়া যুদ্ধ সম্প্ৰসাৰণ কৰাৰ বাবে ভাৰতৰ বিৰোধিতা আৰু পিছলৈ চীনৰ গণপ্ৰজাতন্ত্ৰক ৰাষ্ট্ৰসংঘত স্থান দিয়াৰ সমৰ্থন কৰা; আনহাতে আমেৰিকাৰ ছিয়াট'() (১৯৫৪) **গঠণ** , ১৯৫৫ চনৰ বাগদাদ চুক্তি আৰু পাকিস্তানক আমেৰিকাৰ সমৰ্থনে ভাৰত ৰাছিয়াৰ সম্পৰ্কত পৰিৱৰ্তন আনে। স্মৰ্তব্য যে, ছোভিয়েট ইউনিয়নে পাকিস্থান আৰু গোৱাৰ সম্পৰ্কত অধিক সমৰ্থন দেখুৱাবলৈ আৰম্ভ কৰিছিল। ছুৱেজ সংকট (১৯৫৬)ৰ সময়ত ভাৰতেও এংলো ফৰাচী আগ্ৰাসনক নিন্দা কৰিছিল আৰু ছোভিয়েট ইউনিয়নৰ হাংগেৰী আক্ৰমণৰ প্ৰতি অধিক নিস্তব্ধ সঁহাৰি গ্ৰহণ কৰিছিল। এই কাৰকসমূহে ভাৰত আৰু ৰাছিয়াৰ জাতীয় স্বাৰ্থক একত্ৰিত কৰাত সহায় কৰিছিল।

• ভাৰত-ছোভিয়েট সম্পৰ্কঃ ১৯৬২ চনৰ পৰা শীতল যুদ্ধৰ শেষলৈকে

ৰাছিয়া-চীনৰ সম্পৰ্কৰ অৱনতি আৰু ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ ফলস্বৰূপে ৰাছিয়াই ভাৰতৰ প্ৰতি অধিক অনুকূল নীতি গ্ৰহণ কৰিছিল আৰু পৰৱৰ্তী সময়ত ভাৰতৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত আক্ৰমণাত্মকভাৱে আগুৱাই গৈছিল। ১৯৬০ চনৰ শেষৰ ফালে ছোভিয়েট ইউনিযনে ভাৰতৰ বাবে সৰ্ববৃহৎ প্ৰতিৰক্ষা যোগানকাৰী হিচাপে আত্মপ্ৰকাশ কৰে। ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধ আৰু তাছকেন্ট ঘোষণাক আগুৱাই নিয়াৰ ক্ষেত্ৰত ছোভিয়েট চৰকাৰৰ প্ৰচেষ্টাক ভাৰতে ভালদৰে শলাগ লৈছিল। তাছকেন্টৰ বৈঠকে ভাৰত আৰু ছোভিয়েট ইউনিয়নৰ মাজত সম্পৰ্কৰ নতুন পৰ্যায়ৰ সুচনা কৰিলে। প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে অনুভৱ কৰিছিল যে এই ঘোষণাৰ দ্বাৰা এক 'স্পষ্ট ফলাফল' লাভ কৰিছে আৰু 'স্থিতাৱস্থা' বৰ্তাই ৰখাত সহায়ক হৈছে ; এই ঘোষণাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰকৃত শান্তিপূৰ্ণ সম্পৰ্ক পুনৰুদ্ধাৰ। তাছকেন্ট ঘোষণাপত্ৰই 'বল প্ৰয়োগৰ পৰিত্যাগ আৰু শান্তিপূৰ্ণ উপায়েৰে বিবাদ নিষ্পত্তি'ৰ কথা কয়। আকৌ এই ঘোষণাপত্ৰই ছোভিয়েট দৃষ্টিকোণৰ পৰাও বিশেষ গুৰুত্ব বহণ কৰিছিল কাৰণ ইয়াৰ জড়িয়তে ছোভিয়েট ইউনিয়নে আন্তৰ্জাতিক সম্পৰ্কত দুখন মূখ্য এছিয়ান দেশৰ মাজত শান্তিৰক্ষক হিছাপে প্ৰৱেশ কৰিছিল - যাৰ ভিতৰত এখন পশ্চিমৰ সৈতে সংযুক্ত আৰু আনখন নিৰপেক্ষ দেশ আছিল।

তাৰ পিছৰ বছৰবোৰত বেইজিং -ৱাশ্বিংটন-ইছলামাবাদ ধ্ৰুবীয়কৰণে ভাৰত-ছোভিয়েট সম্পৰ্কৰ তীব্ৰতাৰে বিকাশৰ সূচনা কৰে যাৰ পৰিণতি স্বৰূপে ১৯৭১ চনত ভাৰত-ছোভিয়েট শান্তি আৰু মিত্ৰতা চুক্তি স্বাক্ষৰিত হয়। ছোভিয়েট ইউনিয়নৰ পৰা পোৱা সমৰ্থনে ভাৰতক বৰ্হিঃ ভাবুকিবোৰ ওফৰোৱাত সহায় কৰিছিল আৰু ইয়াৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰি ভৌগোলিক অখণ্ডতা বজাই ৰখাত সহায় কৰিছিল। ১৯৭৪ চনত ভাৰতে পোখৰাণত প্ৰথমটো পাৰমাণৱিক পৰীক্ষণ চলায়, যাক 'শান্তিপূৰ্ণ পাৰমাণৱিক বিস্ফোৰণ' বুলি কোৱা হৈছিল, যিয়ে 'আমেৰিকা আৰু আন বহু দেশক 'আশ্চৰ্য আৰু বিষ্মিত' কৰি তুলিছিল।' ছোভিয়েট ইউনিয়নে এনে কাৰ্যক নিন্দা কৰা নাছিল আৰু ৰৰঞ্চ পাৰমাণৱিক কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় গধুৰ পানী যোগান ধৰিবলৈ আগবাঢ়িছিল। ঠিক তেনেদৰে ভাৰতেও আফগানিস্তানত ছোভিয়েট ইউনিয়নৰ সামৰিক

হস্তক্ষেপৰ বিৰুদ্ধে ভোটদানৰ পৰা বিৰত থাকি ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই সময়ছোৱাত ছোভিয়েট ইউনিয়নে ভাৰতক প্ৰতিৰক্ষা চুক্তিৰে সহায় কৰিছিল, আৰু ভাৰতে ছোভিয়েট ইউনিয়নক কৌশলগত সহায় আগবঢ়াই গৈছিল। ছোভিয়েট ইউনিয়নৰ প্ৰতি এই কৌশলগত সমৰ্থনৰ বিচাৰত এইটোৱেই কৰিব পাৰি যে 'ৰাছিয়াই সন্মুখীন হোৱা তিনিটা ডাঙৰ সংকটৰ কোনো এটাতে - ১৯৫৬ চনৰ হাংগেৰী বিপ্লৱ, ১৯৬৮ চনৰ প্ৰাগ বসন্ত আৰু ১৯৭৯ চনত আফগানিস্তান আক্ৰমণ - ভাৰতে কেতিয়াও মস্কোৰ বিৰুদ্ধে 'নিন্দাসূচক ভাষা' ব্যৱহাৰ কৰা নাছিল।'

• ভাৰত-ছোভিয়েট সম্পৰ্কঃ শীতল যুদ্ধৰ অন্ত পৰাৰ পিছত

শীতল যুদ্ধৰ অন্ত পৰাৰ লগে লগে ভাৰত-ছোভিয়েট সম্পৰ্কৰ মাজত এটি নতুন যুগৰ সুচনা হয়। ই এনে এক যুগৰ সংকেত দিছিল য'ত নতুন কৌশলগত ভাবুকিৰ সৃষ্টি হৈছিল আৰু লগতে ৰাছিয়াত অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱৰ্তন চলিছিল। ছোভিয়েট বিভাজনৰ সময়ত ভাৰত-ৰাছিয়াৰ সম্পৰ্কৰ কিছু অৱনতি ঘটিছিল যদিও প্ৰথম কেইবছৰমানত 'অৰ্থনৈতিক উদ্দীপকৰ ওপৰত গুৰুত্ব দি দুয়োপক্ষৰ বাস্তৱসন্মত সম্ভাৱনা আৰু বৈধ স্বাৰ্থ'ৰ ওপৰত ভিত্তি কৰি ভাৰতৰ সৈতে সম্পৰ্কৰ 'প্ৰাগমেটিক নবীকৰণ'ৰ আহ্বান জনোৱা হৈছিল। ৰাছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে বৰিছ য়েলচিনৰ কাৰ্যকালত হোৱা ক্ষন্তেকীয়া হিকটিৰ বাহিৰে নতুন দিল্লী আৰু মস্কোৱে ছোভিয়েট যুগৰ পৰাই ঘৰ্ষণমুক্ত সম্পৰ্ক গঢ়ি তোলাত অসাধাৰণভাৱে সফল হৈছে'। ভ্লাডিমিৰ পুটিনৰ নেতৃত্বত ভাৰত-ৰাছিয়াৰ সম্পৰ্কই নতুন ফিলিপ লাভ কৰিছিল আৰু ইয়াৰ ফলত ২০০০ চনত ভাৰতৰ সৈতে কৌশলগত অংশীদাৰিত্ব স্থাপন কৰা হৈছিল।আশা কৰা হৈছিল যে মাৰ্চ মাহত পুটিন ৰাছিয়াৰ ৰাষ্ট্ৰপতি পদলৈ পুনৰ নিৰ্বাচিত হ'ব। ২০১২ চনত ভাৰত-ৰাছিয়াৰ সম্পৰ্কৰ ধাৰাবাহিকতা বজাই ৰখাত সহায়ক হ'ব, বিশেষকৈ পুটিনে ভাৰতক "এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ মূল কৌশলগত অংশীদাৰ" বুলি অভিহিত কৰিছে। ২০১৩ চনত ৰাছিয়া ভ্ৰমণত ডঃ মনমোহন সিঙে কয় যে, 'যেতিয়া আমাৰ নিজৰ সম্পদ সীমিত আছিল আৰু আমাৰ বন্ধুসকল কম আছিল তেতিয়া মহান আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ মুহূৰ্তত ৰাছিয়াই ভাৰতৰ কাষত থিয় দিছে... ৰাছিয়াৰ সৈতে বন্ধুত্বই ভাৰতত সম্পূৰ্ণ ৰাজনৈতিক সহমত আৰু বিপুল জনসংগতি আৰু সমৰ্থন লাভ কৰে'।

মোডী-পুটিনৰ যুগত দুয়োখন দেশৰ মাজত সম্পৰ্ক গভীৰ হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে যে ভাৰতত বাস কৰা এক বিলিয়নতকৈ অধিক লোকৰ ভিতৰত যদি আপুনি যিকোনো ব্যক্তিক সোধে যে আমাৰ দেশৰ সৰ্বশ্ৰেষ্ঠ বন্ধু কোন, তেন্তে প্ৰতিজন ব্যক্তিয়ে, আৰু প্ৰতিটো শিশুৱেই জানে যে সেয়া ৰাছিয়া। দুয়োগৰাকী নেতাই যৌথ বিবৃতিত, ড্ৰুজবা-দোস্তি: এ ভিজন ফৰ ষ্ট্ৰেংথনিং দ্য ইণ্ডিয়ান-ৰাছিয়ান পাৰ্টনাৰশ্বিপ অভাৰ দ্য নেক্সট ডিকেডত কয় যে 'দুইখন দেশে বিভিন্ন ক্ষেত্ৰত সুনিৰ্দিষ্ট পদক্ষেপৰ জৰিয়তে অহা দশকত এই অংশীদাৰিত্ব শক্তিশালী কৰাৰ সংকল্প লৈছে আৰু দ্বিপাক্ষিক প্ৰতিষ্ঠানিক আলোচনাৰ স্থাপত্যক অধিক ফলাফলমুখী আৰু আগন্তুক দৃষ্টিভংগীৰে গঢ়ি তোলাৰ সংকল্প লৈছে'।

ভাৰত ৰাছিয়াৰ সম্পৰ্ক এতিয়া বিভিন্ন মাত্ৰাৰ চাপৰ সন্মুখীন হৈছে। চীনৰ ক্ৰমবৰ্ধমান দাবী, আমেৰিকাৰ ভাৰত সম্পৰ্কৰ পৰিৱৰ্তিত গতিশীলতা আৰু ৰাছিয়াৰ ক্ৰমবৰ্ধমান আন্তঃৰাষ্ট্ৰীয় বিচ্ছিন্নতাই এই সম্পৰ্কক অধিক ভংগুৰ কৰি তুলিছে। ৰাছিয়াই 'গোটেই পূৰ্বৰ ছোভিয়েট ইউনিয়নত, আৰু সম্ভৱ হ'লে আৰু অধিক দূৰত ইউৰোপ, পূব এছিয়া আৰু মধ্যপ্ৰাচ্যত প্ৰভাৱৰ ক্ষেত্ৰ স্থাপন কৰাত মনোনিৱেশ কৰি আছে, যাৰ প্ৰমাণ ছিৰিয়াত ইয়াৰ হস্তক্ষেপ'। ৰাছিয়াই চি-পিইচিৰ পদক্ষেপকো সমৰ্থন কৰি পাকিস্তানৰ সৈতে সামৰিক অনুশীলন চলাইছে, যাৰ ফলত ভাৰত চৰকাৰে দুয়োখন দেশৰ সম্পৰ্কৰ 'গভীৰতা' সম্পৰ্কে পুনৰ চিন্তা কৰিছে।

ভাৰত আৰু ৰাছিয়াৰ মাজত মূল দ্বিপাক্ষিক চুক্তি আৰু শীৰ্ষ সন্মিলনঃ

• ১৯৭১ চনৰ আগষ্ট মাহত স্বাক্ষৰিত শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ ভাৰত-ছোভিয়েট চুক্তিত ভাৰত আৰু তেতিয়াৰ ইউ এছ এছ আৰৰ মাজত বিশেষ সম্পৰ্ক স্থাপন কৰা হৈছিল আৰু দুয়োখন ৰাষ্ট্ৰই 'বন্ধুত্ব আৰু সহযোগিতাৰ অধিক বিকাশে দুয়োখন ৰাষ্ট্ৰৰ মৌলিক জাতীয় স্বাৰ্থকো পূৰণ কৰে বুলি বিশ্বাস কৰিছিল।'

এছিয়া আৰু বিশ্বৰ স্থায়ী শান্তিৰ স্বাৰ্থ হিচাপে, সন্ধিখনে পুনৰ দৃঢ়তাৰে কয় যে দুয়োখন ৰাষ্ট্ৰই 'সাৰ্বজনীন শান্তি আৰু নিৰাপত্তাৰ একত্ৰীকৰণক প্ৰসাৰিত কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় উত্তেজনাসমূহ শিথিল কৰাৰ বাবে আৰু ঔপনিৱেশিকতাবাদৰ অৱশিষ্টসমূহ চূড়ান্তভাৱে নিৰ্মূল কৰাৰ বাবে অটল প্ৰচেষ্টা চলাবলৈ সংকল্পবদ্ধ, লগতে বিভিন্ন ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থা থকা ৰাষ্ট্ৰৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান আৰু সহযোগিতাৰ নীতিসমূহৰ ওপৰত নিজৰ দৃঢ় বিশ্বাস বজাই ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞ ।'

• ৰাছিয়া-ভাৰত সম্পৰ্কৰ আধাৰ হৈছে ভাৰত আৰু ৰাছিয়ান ফেডাৰেচনৰ মাজত ১৯৯৩ চনৰ ২৮ জানুৱাৰীত হোৱা 'বন্ধুত্ব আৰু সহযোগিতা' চুক্তি। ইয়াত উল্লেখ আছে

' তেওঁলোকৰ পৰম্পৰাগতভাৱে ঘনিষ্ঠ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কক পাৰস্পৰিক লাভৰ বাবে অধিক সুদৃঢ় কৰাৰ ইচ্ছাৰ পৰা আগবাঢ়ি, তেওঁলোকৰ কূটনৈতিক সম্পৰ্ক স্থাপনৰ ডেৰ শতিকাৰো অধিক সময় ধৰি জমা হোৱা বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ চহকী আৰু ফলপ্ৰসূ পৰম্পৰাৰ আধাৰত; ১৯৭১ চনৰ ৯ আগষ্টৰ শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ দ্বিপাক্ষিক চুক্তি, ১৯৯৪ চনৰ ৩০ জুনত ভাৰত গণৰাজ্য আৰু ৰাছিয়ান ফেডাৰেচনৰ মাজত 'সহযোগিতাৰ অধিক উন্নয়ন আৰু তীব্ৰকৰণৰ ঘোষণা' আৰু ১৯৯৪ চনৰ ৩০ জুনত বহুত্ববাদী ৰাষ্ট্ৰৰ স্বাৰ্থ সুৰক্ষাৰ 'মস্কো ঘোষণা'ৰ ধাৰাবাহিকতা আছিল; তেওঁলোকৰ দ্বিপাক্ষিক সম্পৰ্কই দুয়োখন ৰাজ্যতে অগ্ৰগতি আৰু সমৃদ্ধি আৰু সামগ্ৰিকভাৱে বিশ্বৰ ইতিবাচক ধাৰাসমূহৰ একত্ৰীকৰণৰ প্ৰসাৰ ঘটাব, তেওঁলোকৰ বহুমুখী দ্বিপাক্ষিক সম্পৰ্কসমূহক গুণগতভাৱে নতুন চৰিত্ৰ আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগী প্ৰদান কৰিব বিচাৰিব আৰু আগন্তুক বছৰসমূহত আৰু একবিংশ শতিকালৈ ৰাজনৈতিক, অৰ্থনৈতিক, বাণিজ্যিক, বাণিজ্যিক, প্ৰযুক্তিগত, সাংস্কৃতিক আৰু অন্যান্য ক্ষেত্ৰত ইয়াক সক্ৰিয়ভাৱে বিকশিত কৰিব বিচাৰিব।'

১৯৯৩ চনৰ পৰা ২০০০ চনৰ ভিতৰত কেইবাখনো উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছে য'ত ৰাছিয়াৰ গণ্যমান্য ব্যক্তিসকলে ভাৰত ভ্ৰমণ কৰিছে, য'ত আছে-

- ৰবিছ য়েলচিন, ৰাষ্ট্ৰপতি - জানুৱাৰী
- ভিক্টৰ চেৰনোমিৰ্ডিন, প্ৰধানমন্ত্ৰী ডিচেম্বৰ ১৯৯৪
- য়েভগেনি প্ৰিমাকোভ, বৈদেশিক মন্ত্ৰী - মাৰ্চ ১৯৯৬
- য়েভগেনি প্ৰিমাকোভ, প্ৰধানমন্ত্ৰী - ডিচেম্বৰ ১৯৯৮

একেদৰে ভাৰতৰ চৰকাৰৰ মুৰব্বী আৰু মন্ত্ৰীসকলেও বহুবাৰ ৰাছিয়া ভ্ৰমণ কৰিছে। ইয়াৰ ভিতৰত আছে—

- পি.ভি.নৰ্সিংহ ৰাও, প্ৰধানমন্ত্ৰী জুলাই ১৯৯৪
- প্ৰণৱ মুখাৰ্জী, এক্সটেমেল পৰিক্ৰমা মন্ত্ৰী - মে ১৯৯৫
- প্ৰণৱ মুখাৰ্জী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী - আগষ্ট ১৯৯৫
- আই.কে.গুজৰাল, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী - ফেব্ৰুৱাৰী ১৯৯৭
- এইচ.ডি. দেৱগৌড়া, প্ৰধানমন্ত্ৰী - মাৰ্চ ১৯৯৭
- যশৱন্ত সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী - মে' ১৯৯৯
- যশৱন্ত সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী - জুন ২০০০

• ৰাছিয়াৰ সৈতে সম্পৰ্ক ভাৰতৰ বৈদেশিক নীতিৰ এক মূল স্তম্ভ, আৰু ৰাছিয়া ভাৰতৰ দীৰ্ঘদিনীয়া সময়ৰ পৰীক্ষিত অংশীদাৰ হৈ আহিছে। ২০০০ চনৰ অক্টোবৰ মাহত দুয়োখন দেশে 'ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্বৰ ঘোষণা'ত স্বাক্ষৰ কৰে।

• ৰাছিয়ান ফেডাৰেচনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনেও ২০০২ চনৰ ডিচেম্বৰ মাহত ভাৰত ভ্ৰমণ কৰিছিল। ১৯৯৩ চনৰ ২৮ জানুৱাৰীত 'ভাৰত আৰু ৰাছিয়াৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তি' আৰু ২০০০ চনৰ ৫ অক্টোবৰত 'ভাৰত আৰু ৰাছিয়াৰ মাজত কৌশলগত অংশীদাৰিত্বৰ ঘোষণা'ৰ কথা মনত ৰাখি 'দিল্লী ঘোষণা' ত দুয়োখন দেশৰ মাজত দীৰ্ঘম্যাদী সম্পৰ্ক আৰু সৰ্বাংগীন বিকাশৰ বাবে এক সুদৃঢ় কাঠামো প্ৰদান কৰা হয়।

দুয়োখন দেশৰ জনগোষ্ঠীসমূহৰ পাৰস্পৰিক নিৰাপত্তা, উন্নয়ন আৰু সমৃদ্ধি এই অংশীদাৰিত্বৰ মূল লক্ষ্য। ইয়াৰ উপৰিও ই বিশ্বব্যাপী প্ৰত্যাহ্বান আৰু ভাবুকিসমূহ প্ৰতিহত কৰাত আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৌশলগত স্থিতিশীলতাক প্ৰসাৰিত কৰাত অৰিহণা যোগায়। এই ঘোষনাত উল্লেখ কৰা হৈছে যে , 'এতিয়া পূৰ্বতকৈ অধিক আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক ৰাষ্ট্ৰসংঘ আৰু বহু পাক্ষিকতাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ কৰাৰ প্ৰয়োজনীয়তা আছে'। দুয়োখন দেশেই বহুমেৰু বিশ্বত আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰসাৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ কেন্দ্ৰীয় ভুমিকা শক্তিশালী কৰাৰ পক্ষপাতী। পুণৰায় উল্লেখ কৰা হৈছে যে, দুয়োখন দেশেই নতুন এক সুৰক্ষা ব্যৱস্থাৰ বাবে একেলগে কাম কৰিব যিয়ে সকলো দেশৰ বৈধ নিৰাপত্তা স্বাৰ্থক স্বীকৃতি দিয়ে আৰু অস্ত্ৰ-শস্ত্ৰৰ

স্তৰ হ্রাস কৰে, আৰু অস্ত্র-শস্ত্রৰ অপ্রসাৰ আৰু নিৰস্ত্রীকৰণৰ লক্ষ্য শক্তিশালী কৰে। ইয়াত পুনৰ দৃঢ়তাৰে কোৱা হৈছে যে 'সন্ত্রাসবাদক কেতিয়াও ন্যায্যতা প্রদান কৰিব নোৱাৰি।'

যিকোনো কাৰণতে আৰু য'তেই ইয়াৰ অৱস্থান আছে তাতেই নিদ্বিধায় নিন্দা কৰিব লাগে। সন্ত্রাসবাদক সমর্থন কৰা বা অর্থ যোগোৱা, প্রশিক্ষণ দিয়া, আশ্রয় দিযা বা সহায় কৰা সকলক তীব্র গৰিহণা দিয়া উচিত। সন্ত্রাসবাদীক সহায় কৰা বা আশ্রয় দিয়া ৰাষ্ট্রসমূহ সন্ত্রাসবাদৰ অপৰাধত সম্পূর্ণৰূপে দোষী।

• ৰাষ্ট্রপতি ভ্লাডিমিৰ পুটিনৰ ভ্রমণৰ সময়ত ২০০৪ চনৰ ৩ ডিচেম্বৰত নতুন দিল্লীত 'ৰাছিয়ান ফেডাৰেচন আৰু ভাৰতীয় গণৰাজ্যৰ যৌথ ঘোষণা' স্বাক্ষৰিত হয়। ইয়াত দুয়োখন দেশৰ মাজত 'সহযোগিতাই এছিয়া আৰু সামগ্রিকভাৱে বিশ্বৰ কৌশলগত স্থিতিশীলতা শক্তিশালী কৰিব'বুলি স্বীকৃত হয়, আৰু বিশ্বব্যাপী প্রতিদ্বন্দীতা আৰু আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ প্রতিৰোধৰ ক্ষত্রেত যৌথ কর্মগোটৰ সমন্বয় ৰক্ষাৰ প্রতি মনোযোগ দিয়া হ'ব' বুলি উল্লেখ কৰা হয় ।

• ২০১০ চনত ৰাষ্ট্রপতি দিমিত্রী মেদভেডেৰে নতুন দিল্লী ভ্রমণ কৰি ভাৰতক 'বিশেষাধিকাৰ সম্পন্ন অংশীদাৰ' বুলি অভিহিত কৰে। ভাৰতৰ প্রধানমন্ত্রী ড০ মনমোহন সিঙে ২০-২২ অক্টোবৰ ২০১০ তাৰিখে ৰচ্ছতম ভাৰত-ৰাছিয়া সন্মিলনত যোগদানৰ অর্থে ৰাছিয়ান ফেডাৰেচনলৈ আনুষ্ঠানিক ভ্রমণ কৰে। 'বিশ্বশান্তি আৰু স্থিৰতাৰ বাবে কৌশলগত অংশীদাৰিত্ব' সুদৃঢ় কৰাৰ ক্ষেত্রত দুয়ো পক্ষই সহমত প্রকাশ কৰে যে বিনিয়োগ সহযোগিতা অর্থনৈতিক সহযোগিতাৰ এক গুৰুত্বপূর্ণ উপাদান, যিয়ে দ্বিপাক্ষিক বিনিয়োগ আৰু বাণিজ্য বৃদ্ধিতো সহায় কৰিব পাৰে।

• ৰাছিয়াৰ ৰাষ্ট্রপতি ভ্লাডিমিৰ পুটিনে ১৫-১৬ অক্টোবৰ ২০১৬ চনত ১৭ বার্ষিক সন্মিলনৰ বাবে গোৱা ভ্রমণ কৰিছিল, যাৰ ফলত প্রতিৰক্ষা, মহাকাশ, তথ্য সুৰক্ষা, বৈদেশিক নীতি, বাণিজ্য আৰু বিনিয়োগ, হাইড্র'কার্বন, জাহাজ নির্মাণ, ৰে'লৰে, আৰু বিজ্ঞান আৰু প্রযুক্তিৰ ক্ষেত্রত সহযোগিতাৰ সৈতে জড়িত ১৯খন নথিপত্র প্রকাশ পাইছিল। প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু ৰাষ্ট্রপতি পুটিনে ২০১৭ চনত ভাৰত আৰু ৰাছিয়াৰ মাজত কূটনৈতিক সম্পর্ক স্থাপনৰ ৭০ বছৰীয়া জয়ন্তী উদযাপনৰ বাবে যৌথ বিবৃতি বিশ্বশান্তি আৰু স্থিতিশীলতাৰ বাবে অংশীদাৰিত্ব' আৰু 'কার্যসূচীৰ পথচিত্র' গ্রহণ কৰে। ৭০ বছৰীয়া জয়ন্তী উপলক্ষেচঙ্গৰজ্জনৰ ছেণ্ট পিটার্সবার্গ ঘোষনাত চৰ শতিকাৰ দৃষ্টি'ৰ কথা প্রকাশ কৰা হয়, য'ত স্পষ্টকৈ কোৱা হয় যে 'ভাৰত-ৰাছিয়া বিশেষ আৰু বিশেষাধিকাৰপ্রাপ্ত কৌশলগত অংশীদাৰিত্ব হৈছে দুয়ো বৃহৎ শক্তিৰ মাজত বিশ্বাসৰ অনন্য সম্পর্ক'। আমাৰ সম্পর্কই ৰাজনৈতিক সম্পর্ক, নিৰাপত্তা, বাণিজ্য আৰু অর্থনীতি, সামৰিক আৰু কাৰিকৰী ক্ষেত্র, শক্তি, বৈজ্ঞানিক, সাংস্কৃতিক আৰু মানবিক বিনিময়, আৰু বৈদেশিক নীতিৰ সকলো ক্ষেত্রক আৱৰি ৰাখে, যি দুয়োখন দেশৰ ৰাষ্ট্রীয় স্বার্থক প্রসাৰিত কৰাত সহায় কৰে, আৰু অধিক শান্তিপূর্ণ আৰু ন্যায়সংগত বিশ্বব্যৱস্থা স্থাপনত অৰিহণা যোগায়।'



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৫ ঃ ১৯৪৭-১৯৬২ চনৰ ভাৰত-ছোভিয়েট সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।

প্রশ্ন ৬ ঃ 'ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্বৰ ঘোষণা'কোন বছৰত স্বাক্ষৰিত হৈছিল?

৬.৫ ভাৰত -ৰাছিয়াৰ সম্পৰ্ক গঢ় দিয়া বিষয়

- **অর্থনৈতিক সম্পর্ক**

ভাৰতৰ ঔদ্যোগীকৰণ কার্যসূচীত ছোভিয়েট ইউনিয়নে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল, কিয়নো তেওঁলোকে সামৰিক সঁজুলি আৰু অন্যান্য গুৰুত্বপূর্ণ সামগ্রী যেনে তেল, সাৰ, আৰু ধাতু আদিও যোগান ধৰিছিল। ছোভিয়েটৰ সাহায্যই ভাৰতক অর্থনৈতিক স্বনির্ভৰতাৰ পথত আগবঢ়াত সহায় কৰিছিল, যি সদ্য স্বাধীন হোৱা দেশ এখনৰ বাবে অতি গুৰুত্বপূর্ণ। ভাৰতৰ কেইবাটাও জনপ্রিয় চৰকাৰী খণ্ডৰ প্রতিষ্ঠান, যেনে ভাৰত হেভি ইলেক্ ট্রিকেলছ্ লিমিটেড (বিএইছইএল), অইল এণ্ড নেচাৰেল গেছ কর্পৰেশ্যন (অএনজিচি), আৰু হিন্দুস্তান এৰ'নটিক্স লিমিটেড (এইচএএল)ৰ লগতে তীখা উদ্যোগো ছোভিয়েটৰ সহযোগিত্বত স্থাপন কৰা হৈছিল'।

ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ তথ্য অনুসৰি, ২০১৪ চনৰ ডিচেম্বৰ মাহত দুয়োখন দেশৰ নেতাসকলে ২০২৫ চনলৈকে দ্বিপাক্ষিক বাণিজ্য ৩০ বিলিয়ন মার্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছিল। ৰাছিয়াৰ ফেডাৰেল শুল্ক সেৱাৰ তথ্য অনুসৰি, ২০১৬ চনৰ ভিতৰত দুয়ো দেশৰ দ্বিপাক্ষিক বাণিজ্যৰ মুঠ পৰিমাণ আছিল ৭.৭১ বিলিয়ন মার্কিন ডলাৰ (২০১৫ চনৰ তুলনাত ১.৫ শতাংশ হ্রাস), য'ত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ আছিল ২.৩৯ বিলিয়ন মার্কিন ডলাৰ আৰু ৰাছিয়াৰ পৰা আমদানিৰ পৰিমাণ আছিল ৫.৩২ বিলিয়ন মার্কিন ডলাৰ।

ভাৰতৰ পৰা ৰপ্তানি কৰা প্রধান সামগ্রীসমূহ হ'ল ঔষধ, চাহ, কফি আৰু ধঁপাত, যন্ত্রপাতি আৰু যান্ত্রিক সামগ্রী , জৈৰিক ৰাসায়নিক পদার্থ, আৰু বৈদ্যুতিক যন্ত্রপাতি। ৰাছিয়াৰ পৰা আমদানি কৰা প্রধান সামগ্রীসমূহৰ ভিতৰত হৈছে মুকুতা, বহুমূলীয়া আৰু অর্ধমূল্যবান পাথৰ আৰু ধাতু, পাৰমাণৰিক শক্তিৰ যন্ত্রপাতি, বৈদ্যুতিক যন্ত্রপাতি, খনিজ তেল আৰু উৎপাদন, লোহা আৰু ইস্পাস, আৰু অপটিকেল, সুক্ষ্ম আৰু শল্য চিকিৎসাৰ যন্ত্রপাতি। ভাৰত আৰু ৰাছিয়াই দ্বিপাক্ষিক বাণিজ্য বৃদ্ধিৰ বাবে বিভিন্ন পথৰ অন্বেষণ কৰি আছে অ'আৰএফৰ এক প্রতিবেদন অনুসৰি, অর্থনৈতিক সম্পর্কসমূহ এতিয়াও সম্পর্কৰ দুর্বল অংশ হৈ আছে। ভাৰত আৰু ছোভিয়েট ইউনিয়নৰ মাজত শক্তিশালী অর্থনৈতিক সম্পর্ক আছিল যদিও ভাৰত-ৰাছিয়াৰ বাণিজ্য আজি

নিৰাশাজনকভাৱে কম।' প্ৰতিবেদন অনুসৰি দুয়ো দেশৰ চৰকাৰে ২০২৫ চনৰ ভিতৰত ২৫ বিলিয়ন ডলাৰৰ বাণিজ্যিক লক্ষ্য নিৰ্ধাৰণ কৰিছে। যদিও ভাৰতীয় বাণিজ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি বিগত কেইবছৰমান ধৰি দ্বিপাক্ষিক বাণিজ্যৰ মুঠ পৰিমাণ প্ৰায় ৬ বিলিয়ন ডলাৰ, য'ত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ মাত্ৰ প্ৰায় ২ বিলিয়ন ডলাৰ।'

অৰ্থনৈতিক সম্পৰ্কঃ ভাৰত আৰু ৰাছিয়াই ২০২৫ চনৰ ভিতৰত দ্বিপাক্ষিক বিনিয়োগ ৫০ বিলিয়ন ডলাৰলৈ আৰু বাণিজ্য ৩০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য ৰাখিছে। ২০২০ বিত্তীয় বৰ্ষত দ্বিপাক্ষিক বাণিজ্য আছিল ৮.১ বিলিয়ন ডলাৰ,- য'ত ভাৰতৰ ৰপ্তানী আছিল ২.৬ বিলিয়ন ডলাৰ আৰু ৰাছিয়াৰ পৰা আমদানি আছিল ৫.৪৮ বিলিয়ন ডলাৰ। ২০২০ চনত মহামাৰীৰ ফলত বানিজ্য ১৯.৫ শতাংশ হ্ৰাস পাইছিল, কিন্তু ২০২১ চনৰ এপ্ৰিলৰ পৰা আগষ্টৰ ভিতৰত ৫৪ শতাংশ বৃদ্ধি পাইছিল। ভাৰতৰ পৰা ৰপ্তানি কৰা মূখ্য সামগ্ৰীৰ ভিতৰত যন্ত্ৰপাতি, ৰাসায়নিক সামগ্ৰী, আৰু পোছাক আদি অন্তৰ্ভুক্ত, আনহাতে ৰাছিয়াৰ পৰা আমদানিৰ ভিতৰত প্ৰতিৰক্ষা সঁজুলি আৰু খনিজ পদাৰ্থ। ২০১৮ চনত দ্বিপাক্ষিক বিনিয়োগে ৩০ বিলিয়ন ডলাৰৰ লক্ষ্য অতিক্ৰম কৰিলে, ২০২৫ চনৰ বাবে ৫০ বিলিয়ন ডলাৰৰ নতুন ৫০ বিলিয়ন ডলাৰৰ লক্ষ্য স্থিৰ কৰা হৈছে-বিশেষকৈ তেল, গেছ, আৰু বেংকিঙৰ দৰে খণ্ডত।

২০২২ চনত ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত উল্লেখযোগ্য আক্ৰমণ চলাইছিল, যাৰ ফলত ২০১৪ চনত আৰম্ভ হোৱা ৰুছ-ইউক্ৰেইন যুদ্ধক অধিক তীব্ৰ কৰি তুলিছিল। এই বিষয়ত ভাৰত নিৰপেক্ষ অৱস্থানত আছে। যুদ্ধৰ বাবে ৰাছিয়াৰ ওপৰত বিশ্বব্যাপী নিষেধাজ্ঞা আৰোপ কৰা হৈছিল, যাৰ ফলত তেলৰ মূল্য নিম্নগামী কৰা হৈছিল। ৰাছিয়াৰ সস্তা তেল লাভ কৰি ভাৰতে এতিয়া দৈনন্দিন প্ৰয়োজনীয়তাৰ প্ৰায় ৪৫শতাংশ আমদানি কৰে। এই সস্তীয়া তেলে ভাৰতৰ অৰ্থনীতি আৰু শোধনাগাৰ উদ্যোগক সহায় কৰি, ইউৰোপীয় সংঘৰ দৰে অঞ্চললৈ ৰপ্তানিৰ সুযোগ দিয়ে।

- **প্ৰতিৰক্ষাৰ সম্পৰ্ক**

বিনয় শুক্লাৰ মতে, 'ভাৰত-ৰাছিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ সম্ভৰতঃ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানটো হ'ল দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা সম্পৰ্ক'। ৰাছিয়া ভাৰতৰ প্ৰতিৰক্ষা সামগ্ৰীৰ সৰ্ববৃহৎ যোগানকাৰীয়েই নহয়, ভাৰত-ৰাছিয়াৰ প্ৰতিৰক্ষা সম্পৰ্কত যৌথ গৱেষণা,নক্সা, উন্নয়ন, আৰু যৌথ-উৎপাদনকে ধৰি বহুতো কাৰ্য্যকলাপকো সামৰি লৈছে।' ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় (এম ই এ)ৰ মতে, ভাৰতে ৰাছিয়াৰ সৈতে শক্তিশালী সম্পৰ্ক অব্যাহত ৰাখিছে আৰু 'ক্ৰেতা-বিক্ৰেতাৰ ধাৰণা'ৰ পৰা উন্নত প্ৰতিৰক্ষা প্ৰযুক্তি আৰু ব্যৱস্থাৰ যৌথ গৱেষণা, বিকাশ আৰু উৎপাদন জড়িত ধাৰণালৈ বিকশিত হৈছে। কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা পদক্ষেপ যি আগতে পকল্প হিচাপে আছিল এতিয়া বাস্তৱত পৰিণত হৈছে। এম ই এৰ ৰাজ্য-ব্ৰাহ্মস্ মিছাইল প্ৰণালী লগতে ভাৰতত অনুজ্ঞাপত্ৰপ্ৰাপ্ত এছ ইড -৩০ বিমান আৰু টি-৯০ টেংক উৎপাদন, এনে শীৰ্ষস্থানীয় সহযোগিতাৰ উদাহৰণ। সপ্তদশ বাৰ্ষিক সন্মিলনৰ সময়ত দুয়োপক্ষই এছ-৪০০ এয়াৰ ডিফেন্স চিষ্টেম যোগান ধৰা, প্ৰকল্প ১১৩৫.৬ ৰ অধীনত ফ্ৰিগেট নিৰ্মাণ আৰু

ভাৰতত কেএ-২২৬ হেলিকপ্টাৰ নিৰ্মাণৰ বাবে যৌথ উদ্যোগ গঠনৰ ক্ষেত্ৰত অংশীদাৰ চুক্তি সম্পাদন কৰে। দুয়োখন দেশৰ সশস্ত্ৰ বাহিনীৰ মাজত প্ৰতি বছৰে বিনিময় আৰু প্ৰশিক্ষণ কাৰ্যসূচীও অনুষ্ঠিত হয়। ২০১৬ চনৰ ২২ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ ৰাছিয়াৰ ভ্লাডিভষ্টকৰ উছুৰিস্ক জিলাত 'ইন্দ্ৰ ২০১৬' নামৰ মিলিটেৰি অনুশীলন অনুষ্ঠিত হয়। তদুপৰি প্ৰতিবছৰ হোৱা বাৰ্ষিক দ্বিপাক্ষিক নৌসেনা অনুশীলন 'ইন্দ্ৰ নৌসেনা' ২০১৬ চনৰ ১৪-২১ ডিচেম্বৰত বিশাখাপট্টনমৰ উপকূলত অনুষ্ঠিত হৈছিল। দুয়ো দেশেই ২০১৭ চনত প্ৰথমবাৰৰ বাবে ত্ৰিপাক্ষিক অনুশীলন অনুষ্ঠিত কৰাৰ সিদ্ধান্তও লৈছিল। ১৭তম আই আৰ আই জি চি-এম টি চিৰ বৈঠকৰ সময়ত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিকাশৰ বাবে এখন পথচিত্ৰ চুক্তিত স্বাক্ষৰ কৰা হৈছিল।

মনত ৰাখিবলগীয়া যে, ২০১৪ চনত প্ৰধানমন্ত্ৰীয়ে গোৱাৰ উপকূলত এক বিশেষ অনুষ্ঠানত ৰাছিয়াত নিৰ্মিত বিমানবাহী জাহাজ আই এন এছ বিক্ৰমাদিত্য ৰাষ্ট্ৰক অৰ্পন কৰিছিল। প্ৰত্যাহ্বানৰ মাজতো প্ৰতিবেদনসমূহে প্ৰকাশ কৰিছে যে 'ভাৰতৰ প্ৰতিৰক্ষা সামগ্ৰীৰ উৎসত বৈচিত্ৰ্যতা বৃদ্ধি পালেও ৰাছিয়া বৰ্তমানো ভাৰতৰ বাবে প্ৰতিৰক্ষা সামগ্ৰীৰ যোগানকাৰী দেশ হৈয়ে আছে আৰু থাকিব।এছআইপিআৰআই'[SIPRI] ৰ তথ্য অনুসৰি ২০১২-১৬ চনৰ ভিতৰত ভাৰতৰ অস্ত্ৰ আমদানিৰ ৬৮'শতাংশ ৰাছিয়াৰ পৰা হৈছিল, আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ১৪শতাংশ আৰু ইজৰাইলৰ পৰা ৭.২ শতাংশতকৈও অধিক আছিল।

- **পাৰমাণৰিক শক্তি**

যোৱা চাৰিটা দশকত ৰাছিয়াই ভাৰতৰ পাৰমাণৰিক শক্তি উৎপাদন কাৰ্যসূচীত সক্ৰিয়ভাৱে সহায় কৰিছে আৰু স্বীকাৰ কৰিছে যে ভাৰত এখন উন্নত পাৰমাণৰিক প্ৰযুক্তিৰ দেশ যিখনৰ অস্ত্ৰ প্ৰসাৰণৰ নিৰ্দোষ অভিলেখ আছে। আমেৰিকা, ফ্ৰান্স, কানাডা, ব্ৰিটেইন, অষ্ট্ৰেলিয়া, কাজাখস্তান, মংগোলিয়া আৰু জাপানৰ সৈতে ভাৰতে স্বাক্ষৰ কৰা আন আন গতানুগতিক নাগৰিক পাৰমাণৰিক শক্তি চুক্তিৰ বিপৰীতে য'ত 'সমাপ্তি ধাৰা' থাকে - তেন্তে ভাৰতে যদি কোনো পাৰমাণৰিক অস্ত্ৰ পৰীক্ষা কৰিব লাগে, তেন্তে এনে এটা দফাৰ অনুপস্থিতিয়ে ৰাছিয়াৰ সৈতে হোৱা নাগৰিক পাৰমাণৰিক শক্তিৰ চুক্তিখন কিছু পৰিমাণে পৃথক কৰি তুলিছে। অজ্জাৰ্ভাৰ ৰিচাৰ্চ ফাউণ্ডেশ্যনৰ উপ-সভাপতি নন্দন উন্নিকৃষ্ণনৰ মতে, 'ৰাছিয়াই এন পি টি অপ্ৰসাৰণ চুক্তি' আৰু এন এছ জি আৰু অন্যান্য নিয়ন্ত্ৰণ ব্যৱস্থাৰ স্বাক্ষৰকাৰী দেশ, কিন্তু ই ভাৰতীয় আকাংক্ষাক ৰোধ কৰিবলৈ কেতিয়াও চেষ্টা কৰা নাই। পাৰমাণৰিক শক্তি খণ্ডত সহযোগিতাত দুয়ো দেশেই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এম ই এৰ মতে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে যিয়ে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কক শক্তিশালী কৰিছে।

২০১৪ চনৰ ডিচেম্বৰ মাহত পাৰমাণৰিক শক্তি বিভাগ আৰু ৰাছিয়াৰ ৰোজাট'মে ভাৰত আৰু ৰাছিয়াৰ মাজত পাৰমাণৰিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ কৌশলগত 'ভিছন চুক্তিত' স্বাক্ষৰ কৰে। কুডানকুলাম পাৰমাণৰিক শক্তি কেন্দ্ৰ ৰাছিয়াৰ সহযোগত ভাৰতত নিৰ্মিত হৈ আছে। ইতিমধ্যে কেকেএনপিপি ইউনিট ১ আৰু ২ কাৰ্যক্ষম হৈ পৰিছে যি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাষ্ট্ৰপতি পুটিনে যৌথভাৱে ৰাষ্ট্ৰক অৰ্পণ কৰিছিল।

২০১৬ চনৰ ১৫ অক্টোবৰত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ইউনিট ৩ আৰু ৪ৰ বাবে কংক্রিট ঢালি দিয়াৰ কাৰ্যৰ শুভাৰম্ভনি কৰিছিল। ২০১৫ চনৰ ২৪ ডিচেম্বৰত বাৰ্ষিক শীৰ্ষ সন্মিলনৰ সময়তো ভাৰতত পাৰমাণৰিক সঁজুলি নিৰ্মাণৰ স্থানীয়কৰণৰ চুক্তি সম্পাদিত হয়। ২০১৭ চনৰ জুন মাহত চেণ্ট পিটার্ছবার্গত অনুষ্ঠিত হোৱা ১৮তম বাৰ্ষিক দ্বিপাক্ষিক সন্মিলনৰ সময়ত কেকেএনপিপি ইউনিট ৫ আৰু ৬ৰ বাবে চুক্তি স্বাক্ষৰিত হয়।

২০১৮ চনত ভাৰতে বাংলাদেশৰ সৈতে অসামৰিক পাৰমাণৰিক সহযোগিতাৰ বাবে এক চুক্তিত স্বাক্ষৰ কৰিছে, যাৰ অধীনত ভাৰতে ৰাছিয়াৰ প্রযুক্তিৰে নিৰ্মাণ হ'বলগীয়া ৰূপপুৰ পাৰমাণৰিক শক্তি কেন্দ্র (এন পি পি)ৰ বাবে বিশেষজ্ঞতা আৰু প্রকল্পৰ সমৰ্থন বৃদ্ধি কৰিছে।

• সন্ত্রাসবাদৰ বিষয়

ছিৰিয়া, আফগানিস্তান, ইৰাক আৰু পাকিস্তানৰ নিৰাপত্তা পৰিস্থিতিয়ে দুয়োখন দেশক একত্রিত কৰিছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে কয় যে 'ভাৰত আৰু ৰাছিয়া সন্ত্রাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্রত 'প্রাকৃতিক অংশীদাৰ' আৰু দুয়োখন দেশে 'সময়ৰ পৰীক্ষা সহ্য কৰা' সম্পৰ্ক বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগিব। ২০১৮ চনত চেণ্ট পিটার্ছবার্গত 'একবিংশ শতিকাৰ বাবে এক দৃষ্টিভংগী' শীৰ্ষক যৌথ ঘোষণাত কোৱা হৈছিল 'আমি সন্ত্রাসবাদক ইয়াৰ সকলো ৰূপ আৰু প্রকাশৰ তীব্র নিন্দা কৰিছো আৰু জোৰ দিছো যে মতাদর্শগত, ধর্মীয়, ৰাজনৈতিক, বর্ণবাদী, জাতিগত বা আন কোনো কাৰণৰ ওপৰত ভিত্তি কৰি হওক, সন্ত্রাসবাদৰ কোনো কার্য্যৰ কোনো ন্যায্যতা থাকিব নোৱাৰে' আৰু 'সকলো দেশ আৰু অনুষ্ঠান সমূহক সন্ত্রাসবাদী নেটৱর্ক আৰু তেওঁলোকৰ বিত্তীয় ব্যৱস্থা বিঘ্নিত কৰাত আন্তৰিকতাৰে কাম কৰিবলৈ আৰু 'সন্ত্রাসবাদীৰ সীমা পাৰ আন্দোলনৰ বিৰুদ্ধাচৰণ'ত আন্তৰিকতাৰে কাম কৰিবলৈ আহ্বান জনায়।

দুয়োটা জাতিয়ে যে নিজৰ সম্পৰ্ক তীব্রতৰ কৰাৰ প্রয়োজন আছে তাত কোনো সন্দেহ নাই কাৰণ সকলো সম্ভাৱনাৰ মাজতো সম্পৰ্কৰ 'গভীৰতা' যথেষ্ট অগভীৰ হৈয়েই আছে। বাণিজ্য আৰু বিনিয়োগ, প্রতিৰক্ষা সম্পৰ্ক, শক্তিৰ পৰিস্থিতিত সহযোগিতা যথেষ্ট সীমিত হৈয়ে আছে। ৰাছিয়াই 'শক্তিৰ এক প্রধান স্বতন্ত্র কেন্দ্র হ'বলৈ কাম কৰি আছে আৰু ইউৰেছিয়ান সংহতিৰ লিঞ্চপিন হিচাপে নিজকে স্থান দিছে আৰু ভাৰতে 'উত্থানশীল শক্তি' হিচাপে নিজৰ উপস্থিতি অনুভৱ কৰাইছে। বিশ্বৰ ৰাজনীতিৰ প্রবাহ আৰু নতুন শক্তিয়ে পুৰণি সম্পৰ্কৰ প্রতি ভাবুকি কঢ়িয়াই অনাৰ লগতে নতুন সুযোগো দাঙি ধৰিছে। ভাৰত ৰাছিয়াৰ সম্পৰ্কই নিজৰ বর্তমানৰ সম্পৰ্কক নতুন উচ্চতালৈ উন্নীত কৰিব লাগিব য'ত বিশ্বজনীন ভাবুকিয়ে স্পর্শ কৰিব বিচৰা এই সম্পৰ্কক ডাৱৰীয়া কৰিব নোৱাৰিব বৰঞ্চ সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰি গঢ়ি তুলিব লাগে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ ভাৰত আৰু ৰাছিয়াৰ মাজত অৰ্থনৈতিক সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।

.....

.....

.....

প্ৰশ্ন ৮ঃ ভাৰত আৰু ৰাছিয়াৰ মাজত থকা প্ৰতিৰক্ষা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯ শতিকাৰ আৰম্ভণিতে মধ্য এছিয়াৰ ওপৰত ৰাছিয়াৰ নিয়ন্ত্ৰণৰ সম্প্ৰসাৰণ ঘটিছিল। মূলতঃ ই ব্ৰিটিছসকলক অস্বস্তিকৰ কৰি তুলিছিল আৰু মধ্য এছিয়াৰ বাহিৰত ৰাছিয়াৰ সম্প্ৰসাৰণবাদক বন্ধ কৰিবলৈ বদ্ধপৰিকৰ আছিল। এংলো আফগান যুদ্ধৰ ফলত আফগানিস্তানৰ অঞ্চলসমূহ ব্ৰিটিছ ভাৰতৰ ভুখণ্ডৰ প্ৰতিৰোধক হিচাপে পৰিগণিত হয়।
- গ্ৰেট গেম'ৰ ফলত এংলো ৰাছিয়ান কনভেনচন (১৯০৭) হয় য'ত ৰাছিয়া আৰু ব্ৰিটেইন দুয়োখন দেশতে ইজনে সিজনৰ স্বাৰ্থক সন্মান কৰিবলৈ সন্মত হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে ভাৰতীয় জাতীয় আন্দোলনক ৰাছিয়াৰ কমিউনিষ্ট নেতাসকলে অনুকূল দৃষ্টিৰে চোৱা নাছিল আৰু দ্বিতীয় বিশ্বযুদ্ধৰ শেষলৈকে ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক সীমিত হৈ আছিল।
- স্বাধীনতাৰ পিছত ভাৰতে নিজৰ বৈদেশিক নীতিৰ লক্ষ্যত উপনীত হ'বলৈ অসংলগ্নতাৰ নীতি গ্ৰহণ কৰিছিল আৰু ই ঘৰুৱা আৱশ্যকতাৰ ওপৰতো ভিত্তি কৰিছিল। সেই অনুসৰি 'অসংলগ্নতা গ্ৰহণ কৰাৰ সিদ্ধান্তটো কেৱল নিৰপেক্ষতাৰ আদৰ্শবাদী সপোন নাছিল, ৰৰঞ্চ ভাৰতৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাস্তৱসন্মত মূল্যায়নৰ ওপৰত ভিত্তি কৰিয়েই আছিল। নেহৰুৰ উদ্দেশ্য আছিল ভাৰতক শীতল যুদ্ধৰ মিত্ৰতাৰ সীমাবদ্ধতাৰ ভিতৰত আৱদ্ধ হৈ থাকিবলৈ দিয়াতকৈ নিজৰ স্বাৰ্থ অনুযায়ী কাৰ্য্য সম্পাদন কৰাত উৎসাহ দিয়া।
- কেইবাটাও বিষয়ে ভাৰত আৰু ৰাছিয়াক অধিক ঘনিষ্ঠ কৰি তুলিলে। এফালে ৩৮ নং

সমান্তৰালতাৰ উত্তৰ দিশলৈ কোৰিয়া যুদ্ধ সম্প্ৰসাৰণ কৰাৰ বাবে ভাৰতৰ বিৰোধিতা আৰু পিছলৈ চীন গণৰাজ্যৰ ৰাষ্ট্ৰসংঘক সমর্থন কৰা; আনহাতে, ১৯৫৪ চনত ছিয়াট' গঠনত আমেৰিকাৰ ভূমিকা, ১৯৫৫ চনৰ বাগদাদ চুক্তি আৰু পাকিস্তানক আমেৰিকাৰ সমর্থনে ভাৰত ৰাছিয়াৰ সম্পৰ্কৰ পৰিৱৰ্তন ঘটায়। স্মৰণীয় যে কাশ্মীৰ আৰু গোৱাত ভাৰতৰ স্থিতিৰ প্ৰতি ছোভিয়েট ইউনিয়নে অধিক সমর্থন দেখুৱাবলৈ আৰম্ভ কৰিছিল।

- ছুৱেজ সংকটৰ সময়ত (১৯৫৬) ভাৰতেও এংলো ফৰাচী আগ্ৰাসনক নিন্দা কৰিছিল আৰু ছোভিয়েট ইউনিয়নৰ হাংগেৰী আক্ৰমণৰ প্ৰতি অধিক নিস্তব্ধ সঁহাৰি গ্ৰহণ কৰিছিল। এই কাৰকসমূহে ভাৰত আৰু ৰাছিয়াৰ জাতীয় স্বাৰ্থক একত্ৰিত কৰাত সহায় কৰিছিল।
- ৰাছিয়া-চীনৰ সম্পৰ্কৰ অৱনতি আৰু ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধই ৰাছিয়াক ভাৰতৰ প্ৰতি অধিক অনুকূল নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল আৰু পৰৱৰ্তী সময়ত ভাৰতৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত আক্ৰমণাত্মকভাৱে আগুৱাই লৈ গৈছিল।
- ১৯৬০ চনৰ শেষৰ ফালে ছোভিয়েট ইউনিয়ন ভাৰতৰ বাবে সৰ্ববৃহৎ প্ৰতিৰক্ষা যোগানকাৰী হিচাপে আত্মপ্ৰকাশ কৰে। ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধ আৰু তাছকেন্দ ঘোষণাক আগুৱাই নিয়াৰ ক্ষেত্ৰত ছোভিয়েট চৰকাৰৰ প্ৰচেষ্টাক ভাৰতে ভালদৰে শলাগ লৈছিল। তাছকেন্দৰ বৈঠকে ভাৰত আৰু ছোভিয়েট ইউনিয়নৰ মাজত সম্পৰ্কৰ নতুন পর্যায়ৰ সংকেত দিলে। প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে অনুভৱ কৰিছিল যে ইয়াৰ দ্বাৰা 'স্পষ্ট ফলাফল' আৰু 'যথার্থ অৱস্থা' বজাই ৰখা হৈছে; আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰকৃত শান্তিপূৰ্ণ সম্পৰ্ক পুনৰুদ্ধাৰৰ দিশত পদক্ষেপ।
- শীতল যুদ্ধৰ অন্ত পৰাৰ লগে লগে ভাৰত-ছোভিয়েট সম্পৰ্কৰ নতুন পর্যায়ৰ সংকেত। ই এনে এক যুগৰ সংকেত দিছিল য'ত নতুন কৌশলগত ভাবুকিৰ সৃষ্টি হৈছিল আৰু ৰাছিয়াই অর্থনৈতিক লগতে ৰাজনৈতিক পৰিৱৰ্তন ঘটাইছিল। ছোভিয়েট বিভাজনৰ পিছৰ প্ৰথম কেইবছৰমানত মন্দাৱস্থা দেখা গৈছিল।
- ভাৰত-ৰাছিয়াৰ সম্পৰ্কত 'অর্থনৈতিক উদ্দীপকৰ ওপৰত গুৰুত্ব আৰোপ কৰি দুয়োপক্ষৰ বাস্তৱসন্মত সম্ভাৱনা আৰু বৈধ স্বাৰ্থৰ ওপৰত ভিত্তি কৰি ভাৰতৰ সৈতে সম্পৰ্কৰ প্ৰাগমেটিক নবীকৰণৰ আহ্বান জনোৱা হৈছিল।
- ৰাছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে বৰিছ য়েলচিনৰ কার্যকালত হোৱা ক্ষন্তেকীয়া অস্বস্তিৰ বাহিৰে নতুন দিল্লী আৰু মস্কোৱে ছোভিয়েট যুগৰ পৰাই ঘর্ষণমুক্ত সম্পৰ্ক গঢ়ি তোলাত অসাধাৰণভাৱে সফল হৈছে'।
- ভ্লাডিমিৰ পুটিনৰ নেতৃত্বত ভাৰত-ৰাছিয়াৰ সম্পৰ্কই নতুন ফিলিপ লাভ কৰিছিল আৰু ইয়াৰ ফলত ২০০০ চনত ভাৰতৰ সৈতে কৌশলগত অংশীদাৰিত্ব স্থাপন কৰা হৈছিল।২০১২ চনৰ মার্চ মাহত পুটিন ৰাছিয়াৰ ৰাষ্ট্ৰপতি পদৰ বাবে পুনৰ নির্বাচিত হোৱাটোৱে ভাৰত-ৰাছিয়াৰ সম্পৰ্কত ধাৰাবাহিকতা বজাই ৰখাত সহায় কৰিব, বিশেষকৈ পুটিনে ভাৰতক এছিয়া পেছিফিক অঞ্চলৰ "মূল কৌশলগত অংশীদাৰ" বুলি অভিহিত কৰিছে।

- ২০১৩ চনত ৰাছিয়া ভ্ৰমণত ডঃ মনমোহন সিঙে কয় যে, 'যেতিয়া আমাৰ নিজৰ সম্পদ সীমিত আছিল আৰু আমাৰ বন্ধুসকল কম আছিল তেতিয়া মহান আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ মুহূৰ্তত ৰাছিয়াই ভাৰতৰ কাষত থিয় দিছে... ৰাছিয়াৰ সৈতে বন্ধুত্বই ভাৰতক সম্পূৰ্ণ ৰাজনৈতিক সহমত আৰু বিপুল জনসংগতি আৰু সমৰ্থন লাভ কৰাত সহায় কৰিছে'।
- মোডী-পুটিনৰ যুগত দুয়োখন দেশৰ মাজত সম্পৰ্ক গভীৰ হৈ পৰিছে।
- ভাৰত ৰাছিয়াৰ সম্পৰ্ক এতিয়া বিভিন্ন ধৰণৰ চাপৰ সন্মুখীন হৈছে।
- কিন্তু ভাৰতৰ ঔদ্যোগীকৰণ কাৰ্যসূচীত ছোভিয়েট ইউনিয়নে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে কাৰণ ই সামৰিক সঁজুলি আৰু অন্যান্য মূল সামগ্ৰী যেনে তেল, সাৰ, আৰু ধাতু আদিও যোগান ধৰিছিল।
- ছোভিয়েটৰ সাহায্যই ভাৰতক অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ পথত সহায় কৰিছিল, যিটো নতুনকৈ স্বাধীনতা লাভ কৰা দেশ এখনৰ বাবে অতি গুৰুত্বপূৰ্ণ।
- ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় 'এম ই এ'ৰ মতে ভাৰতৰ ৰাছিয়াৰ সৈতে শক্তিশালী সম্পৰ্ক অব্যাহত আছে আৰু 'ক্ৰেতা বিক্ৰেতাৰ ধাৰণাৰ পৰা যৌথ জড়িত ধাৰণালৈ বিকশিত হৈছে।
- উন্নত প্ৰতিৰক্ষা প্ৰযুক্তি আৰু ব্যৱস্থাৰ গৱেষণা, বিকাশ আৰু উৎপাদন। আগতে প্ৰকল্প হিচাপে চলি থকা কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা পদক্ষেপ এতিয়া বাস্তৱত পৰিণত হৈছে।
- যোৱা চাৰিটা দশকত ৰাছিয়াই ভাৰতৰ পাৰমাণৱিক শক্তি উৎপাদন কাৰ্যসূচীত সক্ৰিয়ভাৱে সহায় কৰা একমাত্ৰ দেশ আৰু ই স্বীকাৰ কৰে যে ভাৰত এখন উন্নত পাৰমাণৱিক প্ৰযুক্তিৰ দেশ যিখনৰ অস্ত্ৰ প্ৰসাৰণৰ নিৰ্দোষ অভিলেখ আছে।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে 'ভাৰত আৰু ৰাছিয়া সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত 'প্ৰাকৃতিক অংশীদাৰ' আৰু দুয়োখন দেশে 'সময়ৰ পৰীক্ষা সহ্য কৰি' সম্পৰ্ক বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগিব।
- দুয়োটা জাতিয়ে যে নিজৰ সম্পৰ্ক তীব্ৰতৰ কৰাৰ প্ৰয়োজন আছে তাত কোনো সন্দেহ নাই কাৰণ সকলো সম্ভাৱনাৰ মাজতো ৰাছিয়াই 'শক্তিৰ এক প্ৰধান স্বাধীন কেন্দ্ৰ হ'বলৈ কাম কৰি আছে আৰু ইউৰেছিয়ান সংহতিৰ লিঞ্চপিন হিচাপে নিজকে থিয় কৰাইছে' আৰু ভাৰতে 'উত্থানশীল শক্তি' হিচাপে নিজৰ উপস্থিতি অনুভৱ কৰাইছে।
- বিশ্বৰ ৰাজনীতিৰ প্ৰবাহ আৰু নতুন শক্তিয়ে পুৰণি সম্পৰ্কৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ লগতে নতুন সুযোগো দাঙি ধৰিছে। ভাৰত ৰাছিয়াৰ সম্পৰ্কই নিজৰ বৰ্তমানৰ সম্পৰ্কক নতুন উচ্চতালৈ উন্নীত কৰিব লাগিব য'ত বিশ্বজনীন ভাবুকিয়ে এইবাৰ পৰীক্ষা কৰা সম্পৰ্কক ডাৱৰীয়া কৰিব নোৱাৰিব বৰঞ্চ সম্পৰ্কক আৰু অধিক চিমেণ্টেৰে গঢ়ি তুলিব লাগে।



৬.৭ অধিক জানিবলৈ

1) Chander, Prakash, & Arora, Prem.(2005). Comparative Politics and International Relations. New Delhi: Cosmos Bookhive (P) Ltd.
2) Ghai, K.K. (2010): International Relations - Theory and Practice. New Delhi: Kalyani Publishers.
3) Singh, Pavneet. (2018). International Relations. Mc Graw Hill Education.
4) Malhotra , Vinay Kumar (2011). International Relations. Anmol Publisher, New Delhi



৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লিঅ' টলষ্টয়

২ নং প্ৰশ্নৰ উত্তৰ ঃ দ্দ্ট লেনিন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১৭

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এংলো-আফগান যুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতাৰপাছত, ভাৰতে নিজৰ বৈদেশিক নীতিৰ লক্ষ্যসমূহ পূৰণ কৰিবলৈ অহিংসা আৰু নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰে আৰু ই সাধাৰণ প্ৰয়োজনৰ আধাৰত নির্ভৰ কৰিছিল । সেই অনুসৰি 'নিৰপেক্ষ নীতি গ্ৰহণৰ সিদ্ধান্ত কেৱল নিৰপেক্ষতাৰ এক আদৰ্শবাদী সপোন নাছিল, বৰং ভাৰতৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাস্তৱসন্মত মূল্যায়নৰ ওপৰত আধাৰিত আছিল। নেহৰুৰ উদ্দেশ্য আছিল ভাৰতক শীতল যুদ্ধৰ সীমাবদ্ধতাৰ ভিতৰত আৱদ্ধ নৰখাকৈ নিজৰ স্বাৰ্থত অধিক স্বাধীনতা দিয়াৰ। কিন্তু ষ্টেলিনৰ বাবে নিৰপেক্ষতাৰ ধাৰণাটোক ভালদৰে গ্ৰহণ কৰা নহ'ল কাৰণ 'জাতীয় মুক্তি আন্দোলনসমূহক ছোভিয়েট ইউনিয়নৰ শিবিৰৰ অংশ বুলি ভবা হৈছিল আৰু নিৰপেক্ষতাক সাম্ৰাজ্যবাদী প্ৰকল্প' আখ্যা দিয়া হৈছিল'। তথাপিও কেইবাটাও বিষয়ে ভাৰত আৰু ৰাছিয়াক অধিক ঘনিষ্ঠ কৰি তুলিলে। এটা দিশত ৩৮ নং সমান্তৰালৰ উত্তৰ দিশলৈ কোৰিয়া যুদ্ধ সম্প্ৰসাৰণ কৰাৰ বাবে ভাৰতৰ বিৰোধিতা আৰু পিছলৈ চীনৰ গণপ্ৰজাতন্ত্ৰক ৰাষ্ট্ৰসংঘত স্থান দিয়াৰ সমৰ্থন কৰা; আনহাতে আমেৰিকাৰ ছিয়াট'( ) (১৯৫৪) **গঠণ** , ১৯৫৫ চনৰ বাগদাদ চুক্তি আৰু পাকিস্তানক আমেৰিকাৰ সমৰ্থনে ভাৰত ৰাছিয়াৰ সম্পৰ্কত পৰিৱৰ্তন আনে। স্মৰ্তব্য যে, ছোভিয়েট ইউনিয়নে

পাকিস্থান আৰু গোৱাৰ সম্পৰ্কত অধিক সমৰ্থন দেখুৱাবলৈ আৰম্ভ কৰিছিল। ছুৱেজ সংকট (১৯৫৬)ৰ সময়ত ভাৰতেও এংলো ফৰাচী আগ্রাসনক নিন্দা কৰিছিল আৰু ছোভিয়েট ইউনিয়নৰ হাংগেৰী আক্রমণৰ প্রতি অধিক নিস্তব্ধ সঁহাৰি গ্রহণ কৰিছিল। এই কাৰকসমূহে ভাৰত আৰু ৰাছিয়াৰ জাতীয় স্বার্থক একত্রিত কৰাত সহায় কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ ২০০০

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ ঔদ্যোগীকৰণ কার্যসূচীত ছোভিয়েট ইউনিয়নে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল, কিয়নো তেওঁলোকে সামৰিক সঁজুলি আৰু অন্যান্য গুৰুত্বপূর্ণ সামগ্রী যেনে তেল, সাৰ, আৰু ধাতু আদিও যোগান ধৰিছিল। ছোভিয়েটৰ সাহায্যই ভাৰতক অর্থনৈতিক স্বনির্ভৰতাৰ পথত আগবঢ়াত সহায় কৰিছিল, যি সদ্য স্বাধীন হোৱা দেশ এখনৰ বাবে অতি গুৰুত্বপূর্ণ। ভাৰতৰ কেইবাটাও জনপ্রিয় চৰকাৰী খণ্ডৰ প্রতিষ্ঠান, যেনে ভাৰত হেভি ইলেক্ ট্রিকেলছ্ লিমিটেড (বিএইছইএল), অইল এণ্ড নেচাৰেল গেছ কর্পৰেশ্যন (অএনজিচি), আৰু হিন্দুস্তান এৰ'নটিক্স লিমিটেড (এইচএএল)ৰ লগতে তীখা উদ্যোগো ছোভিয়েটৰ সহযোগিতাত স্থাপন কৰা হৈছিল'।

ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ তথ্য অনুসৰি, ২০১৪ চনৰ ডিচেম্বৰ মাহত দুয়োখন দেশৰ নেতাসকলে ২০২৫ চনলৈকে দ্বিপাক্ষিক বাণিজ্য ৩০ বিলিয়ন মার্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছিল। ৰাছিয়াৰ ফেডাৰেল শুল্ক সেৱাৰ তথ্য অনুসৰি, ২০১৬ চনৰ ভিতৰত দুয়ো দেশৰ দ্বিপাক্ষিক বাণিজ্যৰ মুঠ পৰিমাণ আছিল ৭.৭১ বিলিয়ন মার্কিন ডলাৰ (২০১৫ চনৰ তুলনাত ১.৫ শতাংশ হ্রাস), য'ত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ আছিল ২.৩৯ বিলিয়ন মার্কিন ডলাৰ আৰু ৰাছিয়াৰ পৰা আমদানিৰ পৰিমাণ আছিল ৫.৩২ বিলিয়ন মার্কিন ডলাৰ।

ভাৰতৰ পৰা ৰপ্তানি কৰা প্রধান সামগ্রীসমূহ হ'ল ঔষধ, চাহ, কফি আৰু ধঁপাত, যন্ত্রপাতি আৰু যান্ত্রিক সামগ্রী , জৈৰিক ৰাসায়নিক পদার্থ, আৰু বৈদ্যুতিক যন্ত্রপাতি। ৰাছিয়াৰ পৰা আমদানি কৰা প্রধান সামগ্রীসমূহৰ ভিতৰত হৈছে মুকুতা, বহুমূলীয়া আৰু অর্ধমূল্যবান পাথৰ আৰু ধাতু, পাৰমাণৰিক শক্তিৰ যন্ত্রপাতি, বৈদ্যুতিক যন্ত্রপাতি, খনিজ তেল আৰু উৎপাদন, লোহা আৰু ইস্পাস, আৰু অপটিকেল, সুক্ষ্ম আৰু শল্য চিকিৎসাৰ যন্ত্রপাতি। ভাৰত আৰু ৰাছিয়াই দ্বিপাক্ষিক বাণিজ্য বৃদ্ধিৰ বাবে বিভিন্ন পথৰ অন্বেষণ কৰি আছে অ'আৰএফৰ এক প্রতিবেদন অনুসৰি, অর্থনৈতিক সম্পর্কসমূহ এতিয়াও সম্পর্কৰ দুর্বল অংশ হৈ আছে। ভাৰত আৰু ছোভিয়েট ইউনিয়নৰ মাজত শক্তিশালী অর্থনৈতিক সম্পর্ক আছিল যদিও ভাৰত-ৰাছিয়াৰ বাণিজ্য আজি নিৰাশাজনকভাৱে কম।' প্রতিবেদন অনুসৰি দুয়ো দেশৰ চৰকাৰে ২০২৫ চনৰ ভিতৰত ২৫ বিলিয়ন ডলাৰৰ বাণিজ্যিক লক্ষ্য নির্ধাৰণ কৰিছে। যদিও ভাৰতীয় বাণিজ্য মন্ত্রালয়ৰ তথ্য অনুসৰি বিগত কেইবছৰমান ধৰি দ্বিপাক্ষিক বাণিজ্যৰ মুঠ পৰিমাণ প্রায় ৬ বিলিয়ন ডলাৰ, য'ত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ মাত্র প্রায় ২ বিলিয়ন

ডলাৰ।'

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় (এম ই এ)ৰ মতে, ভাৰতে ৰাছিয়াৰ সৈতে শক্তিশালী সম্পৰ্ক অব্যাহত ৰাখিছে আৰু 'ক্ৰেতা-বিক্ৰেতাৰ ধাৰণা'ৰ পৰা উন্নত প্ৰতিৰক্ষা প্ৰযুক্তি আৰু ব্যৱস্থাৰ যৌথ গৱেষণা, বিকাশ আৰু উৎপাদন জড়িত ধাৰণালৈ বিকশিত হৈছে। কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা পদক্ষেপ যি আগতে পকল্প হিচাপে আছিল এতিয়া বাস্তৱত পৰিণত হৈছে। এম ই এৰ ৰাজ্য-ব্ৰাহ্মস্ মিছাইল প্ৰণালী লগতে ভাৰতত অনুজ্ঞাপত্ৰপ্ৰাপ্ত এছ ইড -৩০ বিমান আৰু টি-৯০ টেংক উৎপাদন, এনে শীৰ্ষস্থানীয় সহযোগিতাৰ উদাহৰণ। সপ্তদশ বাৰ্ষিক সন্মিলনৰ সময়ত দুয়োপক্ষই এছ-৪০০ এয়াৰ ডিফেন্স চিষ্টেম যোগান ধৰা, প্ৰকল্প ১১৩৫.৬ ৰ অধীনত ফ্ৰিগেট নিৰ্মাণ আৰু ভাৰতত কেএ-২২৬ হেলিকপ্টাৰ নিৰ্মাণৰ বাবে যৌথ উদ্যোগ গঠনৰ ক্ষেত্ৰত অংশীদাৰ চুক্তি সম্পাদন কৰে। দুয়োখন দেশৰ সশস্ত্ৰ বাহিনীৰ মাজত প্ৰতি বছৰে বিনিময় আৰু প্ৰশিক্ষণ কাৰ্যসূচীও অনুষ্ঠিত হয়। ২০১৬ চনৰ ২২ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ ৰাছিয়াৰ ভ্লাডিভষ্টকৰ উছুৰিস্ক জিলাত 'ইন্দ্ৰ ২০১৬' নামৰ মিলিটেৰি অনুশীলন অনুষ্ঠিত হয়। তদুপৰি প্ৰতিবছৰ হোৱা বাৰ্ষিক দ্বিপাক্ষিক নৌসেনা অনুশীলন 'ইন্দ্ৰ নৌসেনা' ২০১৬ চনৰ ১৪-২১ ডিচেম্বৰত বিশাখাপট্টনমৰ উপকূলত অনুষ্ঠিত হৈছিল। দুয়ো দেশেই ২০১৭ চনত প্ৰথমবাৰৰ বাবে ত্ৰিপাক্ষিক অনুশীলন অনুষ্ঠিত কৰাৰ সিদ্ধান্তও লৈছিল। ১৭তম আই আৰ আই জি চি-এম টি চিৰ বৈঠকৰ সময়ত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিকাশৰ বাবে এখন পথচিত্ৰ চুক্তিত স্বাক্ষৰ কৰা হৈছিল।

মনত ৰাখিবলগীয়া যে, ২০১৪ চনত প্ৰধানমন্ত্ৰীয়ে গোৱাৰ উপকূলত এক বিশেষ অনুষ্ঠানত ৰাছিয়াত নিৰ্মিত বিমানবাহী জাহাজ আই এন এছ বিক্ৰমাদিত্য ৰাষ্ট্ৰক অৰ্পন কৰিছিল। প্ৰত্যাহ্বানৰ মাজতো প্ৰতিবেদনসমূহে প্ৰকাশ কৰিছে যে 'ভাৰতৰ প্ৰতিৰক্ষা সামগ্ৰীৰ উৎসত বৈচিত্ৰ্যতা বৃদ্ধি পালেও ৰাছিয়া বৰ্তমানো ভাৰতৰ বাবে প্ৰতিৰক্ষা সামগ্ৰীৰ যোগানকাৰী দেশ হৈয়ে আছে আৰু থাকিব।এছআইপিআৰআই'[SIPRI] ৰ তথ্য অনুসৰি ২০১২-১৬ চনৰ ভিতৰত ভাৰতৰ অস্ত্ৰ আমদানিৰ ৬৮'শতাংশ ৰাছিয়াৰ পৰা হৈছিল, আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ১৪শতাংশ আৰু ইজৰাইলৰ পৰা ৭.২ শতাংশতকৈও অধিক আছিল।



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাৰ পৰা শীতল যুদ্ধৰ সময়লৈকে ভাৰত-ৰাছিয়াৰ সম্পৰ্ক পৰীক্ষা কৰা।

প্ৰশ্ন ২ ঃশীতল যুদ্ধৰ অন্ত পৰাৰ পিছত ভাৰত-ৰাছিয়াৰ সম্পৰ্ক পৰীক্ষা কৰা।

প্ৰশ্ন ৩ ঃ ভাৰত-ৰাছিয়াৰ সম্পৰ্ক গঢ় দিয়া বিষয়সমূহৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ ১৯৪৭ চনৰ পৰা ভাৰত-ৰাছিয়াৰ সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।

তথ্যসূত্ৰসমূহ

১. হৰ্ষ ভি পেণ্ট আৰু জুলি এম ছুপাৰ, ইণ্ডিয়াজ 'নন-এলাইনমেণ্ট কনউছড্রাম: এ টুৱেণ্টিথ চেঞ্চুৰি পলিচি ইন এ চেঞ্জিং ৱৰ্ল্ড . ইণ্টাৰনেচনেল এফেয়াৰ্চ. ৯১: ৪ (২০১৫) , পৃষ্ঠা ৭৪৯।

২. মাৰ্গট লাইট, নিউট্ৰেলিজম এণ্ড ননএলাইনমেণ্ট: দ্য ডায়েলেক্টিক্স অৰ ছোভিয়েট থিয়ৰী, মিলেনিয়াম -জাৰ্নেল অৰ ইণ্টাৰনেশ্যনেল ষ্টাডিজ ১৯৮৫, পৃষ্ঠা ৮১

৩. ভ.পি. দত্ত, ইণ্ডিয়াজ ফৰেইন পলিচি , বিকাশ পাব্লিছিং হাউচ, নতুন দিল্লী, ১৯৮৪, পৃ. ১৩১-৩২।

৪. 'এম.এছ. ৰাজন, দ্য তাছকেণ্ড ডিক্লেৰেচন: ৰেট্ৰ'স্পেক্ট এণ্ড প্ৰস্পেক্ট, ইণ্টাৰনেশ্যনেল ষ্টাডিজ, ভলিউম ৮, সংখ্যা ১-২, পৃষ্ঠা ১১-১৪।

৫. চি ক্ৰীষ্টিন ফেয়াৰ (২০০৫) : লার্নিং টু থিংক দ্য আনথিংকেবল: লেচনছ ফ্ৰম ইণ্ডিয়াছ নিউক্লিয়াৰ টেষ্টছ, ইণ্ডিয়া ৰিভিউ, ৪:১., পৃষ্ঠা ২৭

৬. স্বপ্না ক'না নায়ুডু, 'এ কিউৰিয়াছ কেছ অৰ কেমাৰাডেৰী', হিন্দু বিজনেছ লাইন, ১৩ জানুৱাৰী ২০১৫ ইন বিনয় কৌৰা ইণ্ডিয়াজ চেঞ্জিং ৰিলেচনছিপ উইথ ৰাছিৰ্য়া: দ্য ৰুছি জার্নেল, (২০১৮) ১৬৩:১, ৪৮-৬০, = ৪৯

৭. সঞ্জয় কুমাৰ পাণ্ডে আৰু অংকুৰ যাদৱ, কনটেক্সুৱেলাইজিং ইণ্ডিয়া-ৰাছিয়া ৰিলেচনচ, ইণ্টাৰনেচনেল ষ্টাডিজ , ভলিউম ৫৩, সংখ্য ৩-৪,পৃষ্ঠা ২৩২

৮. হৰ্ষ ভি. পন্ত, ইণ্ডিয়া-ৰাছিয়া টাইজ এণ্ড ইণ্ডিয়াছ ষ্ট্ৰেটেজিক কালচাৰ: ডমিনেন্স অৰ এ ৰিয়েলিষ্ট ৱৰ্ল্ডভিউ, ইণ্ডিয়া ৰিভিউ, ভলিউম ১২, নং ১, ২০১৩, পৃষ্ঠা ১।

৯. পুটিনে এটা বাস্তৱভিত্তিক বৈদেশিক নীতি আগবঢ়াইছে ,'ৰাছিয়া বিয়ণ্ড দ্য হেডলাইনছ, ১২ মাৰ্চ 2012. 'Accessible via http: .//rbth.ru/articles/2012/03/12/ putin_puts_forward_a_realistic_foreign_policy_15042.html.', হৰ্ষ ভি. পন্ত : ইণ্ডিয়া-ৰাছিয়া টাইজ এণ্ড ইণিঅডয়াজ ষ্ট্ৰেটেজিক কালচাৰ ডমিনেন্স অফ এ ৰিয়েলিষ্টিকৱৰ্ল্ডভিও, ইণ্ডিয়া ৰিভিও, ১২:১, পৃষ্ঠা ৬.

১০. প্ৰেছ ইনফৰমেচন ব্যুৰো, ২০১৩ ইন নির্মলা যোশী এণ্ড ৰাজ কুমাৰ শর্মা, ইণ্ডিয়া ৰাটিয়া ৰিলেচনচ ইন এ চেঞ্জিং ইউৰেছিয়ান পার্ছপেকটিভ , ইণ্ডিয়া কোৰাটার্লি ৭৩ (১) , পৃষ্ঠা ৪৫

১১. "কমিটেড ট দিপেন ইণ্ডো-ৰাছিয়া টাইছ্: মোদীয়ে পুটিনক কয়, দ্য হিন্দু, ১৬ জুলাই, ২০১৪।'

১২. ড্ৰাজবা-দোস্তি: 'অহা দশকত ভাৰত-ৰাছিয়ান অংশীদাৰিত্ব শক্তিশালী কৰাৰ এক দৃষ্টিভংগী ' ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ সময়ত ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰোৰ যৌথ বিবৃতি ,। http://pib.nic.in/newsite/PrintRelease.aspx?relid=113166 ওপৰোক্ত সংযোগত উপলব্ধ।

১৩. অখিলেশ পিল্লালামাৰী, ভাৰতৰ ভূ-ৰাজনীতি আৰু ৰাছিয়াৰ পৃথক স্বাৰ্থ: একবিংশ শতিকাত ভাৰত আৰু ৰাছিয়াৰ স্বাৰ্থ কিমান একত্ৰিত হয়?, https://thediplomat.com/2016/12/the-geopolitics-of-india-and-russias-disparate-interests/ ওপৰোক্ত সংযোগত উপলব্ধ , ২০.৭.২০১৭ তাৰিখে পোৱা

১৪. হিমানী পন্ত, ভাৰত-ৰাছিয়াৰ অৰ্থনৈতিক আৰু শক্তি সহযোগিতা: বিচাৰি পাব - https://www.orfonline.org/research/india-russia-economic-and-energy-cooperation-the-way-ahead/ সংযোগত 20.7.2017 তাৰিখে পোৱা

১৫. ইণ্ডিয়া ৰাছিয়া ৰিলেচনচ, https://www.mea.gov.in/Portal/Foreign Relation/Russia August 2017.pdf ত উপলব্ধ, ২০.৭.২০১৮ তাৰিখে পোৱা

১৬. ৰাছিয়া এণ্ড ইণ্ডিয়া নিড টু গার্ড এগেইনষ্ট দ্য কনচিকুৰেঞ্চেচ অফ ষ্ট্ৰেটেজিক দ্রিফ্ট্ , দ্য ৰায়াৰ, https://thewire.in/diplomacy/india-russia-ties-are-at-a-crossroads, 20.7.2018 তাৰিখে পোৱা।

১৭. শুক্লা, বিনয়, ১৯৯৯. ৰাছিয়া ইন চাউথ এছিয়া: এ ভিউ ফ্ৰম ইণ্ডিয়া', ইন গেনাডি চুফ্ৰিন, সম্পাদক, ৰাছিয়া এণ্ড এছিয়া: দ্য ইমাৰ্জিং ছিকিউৰিটি এজেণ্ডা। ষ্টকহোম: (৩৪-৫৯) ' হৰ্ষ ভি পেণ্ট, দ্য মস্কো-বেইজিং-দিল্লী ষ্ট্ৰেটেজিক ট্ৰাইএংগল: এণ আইডিয়া হুজ টাইম মে নেভাৰ কম, ছিকিউৰিটি ডাইলগ ভলিউম ৩৫, নং্. ছেপ্টেম্বৰ ২০০৪, পৃষ্ঠা ৩১৭

১৮. ইণ্ডিয়া ৰাছিয়া ৰিলেচনছ, এম ই এ, গল, https.//www.mea.gov.in/Portal/Foreign Relation/Russia_August_2017.pdদ্ৰ ত উপলব্ধ, ২০.৭.২০১৮ তাৰিখে পোৱা

১৯. ভাৰত ৰাছিয়াৰ সম্পৰ্ক, httpsÊ.//www.mea.gov.in/Portal/Foreign Relation/India Russia_Relations July.pdf ত উপলব্ধ, ২০.৭.২০১৮ তাৰিখে পোৱা

২০. ৰাছিয়াৰ সৈতে গভীৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাই ভাৰতৰ কৌশলগত পছন্দ বৃদ্ধি কৰে দ্য ইকনমিক টাইমছ, !!economictimes.indiatimes.com/articleshow/62200689.cms?utm_source=contentofinterest&utm_medium=text&utm_campaign=cppst. ২০.৭.২০১৮ তাৰিখে পোৱা

২১. ইণ্ডিয়া ৰাছিয়া ৰিলেচনছ, এম ই এ, গল, https.//www.mea.gov.in/Portal/Foreign Relation/Russia_August_2017.pdf ত উপলব্ধ, ২০.৭.২০১৮ তাৰিখে পোৱা

২২. ভাৰত, ৰাছিয়াই যৌথভাৱে পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত তৃতীয় দেশত কাম কৰিব পাৰেঃ ভাৰতৰ ৰাষ্ট্ৰদূত। !!অৰ্থনৈতিক সময়ছোৱা. indiatimes.com/articleshow/64512979.cms?utm_source=contentofinterest&utm medium=text&utm campaign=cppst, 20.7.2018 তাৰিখে পোৱা।

****

অধ্যায় ৭ ঃ ভাৰত - আমেৰিকাৰ সম্পৰ্ক

অধ্যায় গাঁঠনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ভাৰত - আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ পটভূমি

৭.৪ পৰ্যায় তথা সাম্প্ৰতিক ধাৰাসমূহ / সমসাময়িক ধাৰা

৭.৫ ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বি-পাক্ষিক সম্পৰ্কৰ গুৰুত্ব

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপুনি—

- ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঐতিহাসিক সম্পৰ্কৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বি-পাক্ষিক সম্পৰ্কৰ উন্নয়নৰ গতিপথ সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- বৰ্তমান সময়ত কেনেদৰে দুয়োখন দেশৰ সম্পৰ্ক উন্নত হৈছে সেই বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক ৰাজনৈতিক কূটনৈতিক আৰু শৈক্ষিক দিশত থকা সহযোগিতা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব।

৭.২ পৰিচয়

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ ক্ৰমবিকাশ দীৰ্ঘদিন ধৰি চলি আছে। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উভয়ে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ। পৰিবৰ্তিত ভূ-ৰাজনৈতিক বাতাবৰণে দুয়োখন দেশৰ সম্পৰ্ক বৃহৎ পৰিমাণে নিৰ্ধাৰন কৰে। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত বিশ্বৰ প্ৰধান গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে দুয়োখন দেশেই শান্তি আৰু স্থিতিশীলতা বজাই ৰখাৰ ক্ষেত্ৰত কিছুমান যৌথ মূল্যবোধৰ দ্বাৰা পৰিচালিত হয়। সেইবাবে বহু বছৰ ধৰি ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰাঁতো এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে।

৭.৩ ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ পটভূমি

ভাৰত আমেৰিকাৰ সম্পৰ্কই আন্তৰ্জাতিক ৰাজনৈতিক ক্ষেত্ৰত ভাৰতীয় গণৰাজ্য আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্বন্ধক বুজায়। বৃটিছৰ সময়ত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্ক অতি শক্তিশালী আছিল। উল্লেখনীয় যে স্বামী বিবেকানন্দই যোগাসন আৰু বেদান্ত দৰ্শনৰ গুৰুত্ব সম্পৰ্কত আমেৰিকাৰ ছিকাগো চহৰত প্ৰচাৰ চলাইছিল। ১৯৫০ ৰ দশকৰ মাৰ্কিন লুথাৰ কিং জুনিয়ৰ দ্বাৰা প্ৰচাৰিত অহিংস দৰ্শনে জাতিৰ পিতা মহাত্মা গান্ধীৰ ওপৰতো গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। ১৯৩০ আৰু ১৯৪০ দশকৰ প্ৰথমছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰই বৃটিছ সাম্ৰাজ্যৰ পতনৰ বাবে ভাৰতৰ স্বাধীনতা আন্দোলনত অতি শক্তিশালী সমৰ্থন আগবঢ়াইছিল। ৰাষ্ট্ৰপতি ৰুজভেল্ট (Roosevelt) এ বৃটিছ শাসনৰ অধীনত থকা সকলো উপনিৱেশৰ আত্মনিয়ন্ত্ৰণৰ ধাৰণাক সম্পূৰ্ণৰূপে সমৰ্থন কৰে। ১৯৪০ চনৰ শেষৰ ফালে ট্ৰুমেন (Truman) প্ৰশাসনৰ কূটনীতিবিদসকলে ভাৰতক কূটনৈতিকভাৰে চুবুৰীয়া দেশ পাকিস্তানতকৈ অধিক মূল্যৱান বুলি পৃষ্ঠপোষকতা কৰিছিল। তত্সত্বেও শীতলযুদ্ধৰ সময়ত পণ্ডিত জৱাহৰলাল নেহৰুৰ গোষ্ঠী নিৰপেক্ষ নীতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰ্যবেক্ষকৰ পক্ষে গ্ৰহণযোগ্য নাছিল আৰু তেওঁলোকে ভাৰতৰ গোষ্ঠী নিৰপেক্ষ নীতিক নেতিবাচক বুলি গণ্য কৰিছিল। কিন্তু পৰ্যায়ক্ৰমে বিভিন্ন দিশত দুয়োখন দেশৰ সম্পৰ্ক উন্নত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। উদাহৰণস্বৰূপে বাণিজ্যিৰ সন্দৰ্ভত ক'ব পাৰি যে আমেৰিকা ভাৰতৰ দ্বিতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ আৰু ভাৰত ইয়াৰ নৱম বৃহত্তম বাণিজ্যিক অংশীদাৰ। ভাৰতৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰই আমদানি কৰা প্ৰধান সামগ্ৰী সমূহৰ ভিতৰত তথ্য প্ৰযুক্তি সেৱা, বস্ত্ৰশিল্প, যন্ত্ৰপাতি, ৰত্ন আৰু হীৰা, ৰাসায়নিক পদাৰ্থ, লোহা আৰু তীখাৰ সামগ্ৰী, কফি, চাহ আৰু অন্যান্য খাব পৰা খাদ্য সামগ্ৰী আদি অন্তৰ্ভুক্ত কৰিব পাৰি। আনহাতে, ভাৰতে আমেৰিকাৰ পৰা আমদানি কৰা সামগ্ৰী সমূহ হ'ল— বিমান, সাৰ, কম্পিউটাৰ হাৰ্ডৱেৰ, স্ক্ৰেপ মেটেল আৰু চিকিৎসা সঁজুলি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰপতি ৰুজভেল্টে ব্ৰিটিছৰ অধীনত থকা সকলো উপনিবেশৰ আত্মনিয়ন্ত্ৰণৰ ধাৰণাক সম্পূৰ্ণৰূপে সমৰ্থন কৰিছিল। (সচাঁ/মিছা)

.....

৭.৪ পৰ্যায় আৰু শেহতীয়া ধাৰাসমূহ

- **১৯৪৭ চনৰ পৰা ১৯৬০ ৰ দশকলৈ ঃ**

অৱশেষত ব্ৰিটিছসকলে ভাৰত উপমহাদেশৰ পৰা নিজৰ ঔপনিবেশিক শাসনৰ পৰিসমাপ্তি ঘোষণা কৰে আৰু সেইমৰ্মে ভাৰত স্বাধীন আইন, ১৯৪৭ গৃহীত হয়। দেশৰ স্বাধীনতাৰ

সমান্তৰালভাৱে ভাৰতৰ তদানিন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰুমেনক সাক্ষাৎ কৰে। এই বৈঠকতে ভাৰতৰ শীতল যুদ্ধৰ ক্ষেত্ৰত নিজৰ নিপেক্ষতাৰ স্থিতি আনুষ্ঠানিকভাৱে ঘোষণা কৰে আৰু এইদৰেই ভৱিষ্যতৰ গোষ্ঠী নিৰপেক্ষ নীতিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে।

ডুৱাইট ডি. আইজেনহাৱাৰ আছিল ১৯৫৯ চনত ভাৰত ভ্ৰমণলৈ অহা প্ৰথমগৰাকী মাৰ্কিন ৰাষ্ট্ৰপতি। জন এফ. কেনেডী ৰাষ্ট্ৰপতি হৈ থকাৰ সময়ত (১৯৬১-৬৩), সাম্যবাদী চীনক বাধা দিয়াৰ ক্ষেত্ৰত ভাৰতক কৌশলগত সংগী হিচাপে গণ্য কৰা হৈছিল। ভাৰত-আমেৰিকাৰ সম্পৰ্ক নিৰ্ধাৰণৰ ক্ষেত্ৰত ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ বিষয়ে উল্লেখ নকৰিলে আধৰুৱা হ'ব। এটা বিতৰ্কিত সীমান্তৰ বাবে ভাৰত আৰু চীনৰ যুদ্ধ সংঘটিত হৈছিল। যুদ্ধৰ এই সময়ছোৱাত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি জন এফ. কেনেডীৰ সমৰ্থন বিচাৰিছিল। তেওঁৰ এই সমৰ্থনৰ প্ৰতি সঁহাৰি জনাই কেনেডী প্ৰশাসনে ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধত মুক্তভাৱে সহায়ৰ হাত আগবঢ়াইছিল। চীনৰ এই কাৰ্যক আমেৰিকাই "ভাৰতৰ বিৰুদ্ধে চীনৰ কমিউনিষ্ট আগ্ৰাসন" বুলি অভিহিত কৰে। এই যুদ্ধত ৱাশ্বিংটনে ভাৰতক সমৰ্থন কৰিছিল আৰু বিমান তথা অস্ত্ৰ শস্ত্ৰৰ লগতে মেক্ মোহন লাইনক সীমান্ত হিচাপে স্বীকৃতি দিছিল। আনকি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বায়ুসেনাই ভাৰতীয় সৈন্যলৈ অস্ত্ৰ-শস্ত্ৰ, গোলাবাৰুদ আৰু কাপোৰৰ সামগ্ৰীত প্ৰেৰণ কৰিছিল। অৱশ্যে ১৯৬৩ চনত কেনেডীৰ হত্যাকাণ্ডৰ পিছত ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ লাহে লাহে অৱনতি ঘটিছিল। আনহাতে কেনেডীৰ উত্তৰাধিকাৰী, লিণ্ডন জনছনে কমিউনিষ্ট চীনক প্ৰতিহিত কৰিবলৈ ভাৰতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ সমান্তৰালভাৱে পাকিস্তানৰ লগত সম্পৰ্ক শক্তিশালী কৰিবলৈ বিচাৰিছিল।

- **১৯৭০ চনৰ আৰম্ভণিৰ পৰা ১৯৮০ দশকৰ শেষলৈকে ঃ**

১৯৭০ চনৰ আৰম্ভণিত নিক্সন প্ৰশাসনৰ অধীনত ভাৰত আমেৰিকাৰ সম্পৰ্কই সৰ্বকালৰ নিম্নত্মম স্তৰত উপনীত হয়। ভাৰতৰ সৈতে ছোভিয়েট ইউনিয়নৰ উন্নত সম্পৰ্ক পৰ্যবেক্ষণ কৰি ৰিচার্ড নিক্সনে পাকিস্তানক সামৰিক আৰু অৰ্থনৈতিকভাৱে সহায় কৰিবলৈ আৰম্ভ কৰে। ভাৰত উপমহাদেশত ছোভিয়েট সংঘৰ প্ৰভাৱৰ বিৰুদ্ধে তেওঁ পাকিস্তানক অতি গুৰুত্বপূৰ্ণ মিত্ৰ হিচাপে গণ্য কৰিছিল। উল্লেখযোগ্য যে, ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধত আমেৰিকাই ইছলামাবাদৰ পৰা লৈছিল।

১৯৭৪ চনৰ ১৮ মে'ত ভাৰতে প্ৰথমটো পাৰমাণৱিক পৰীক্ষা সম্পূৰ্ণ কৰাৰ পাছতে ভাৰত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পাঁচখন স্থায়ী সদস্য ৰাষ্ট্ৰৰ বাহিৰৰ প্ৰথমখন পাৰমাণৱিক সামৰ্থ থকা দেশলৈ পৰিণত হয়। এই পদক্ষেপে অৱশেষত ভাৰত আৰু আমেৰিকা এই দুয়োখন দেশৰ মাজত বিভেদ আনিছিল যি দুটা দশকৰো অধিক সময় ধৰি চলিছিল। ভাৰতৰ পাৰমাণৱিক পৰীক্ষাৰ আমেৰিকাই বিৰোধিতা কৰিছিল। ইয়াৰ বিপৰীতে ভাৰতে "পাৰমাণৱিক অস্ত্ৰ সম্প্ৰসাৰণ বিৰোধ চুক্তি"ত স্বাক্ষৰ কৰাৰ পৰা বিৰত আছিল, কাৰণ চুক্তিখনে ভৱিষ্যতে ভাৰতক পাৰমাণৱিক অস্ত্ৰ পৰীক্ষণত বাধা প্ৰদান কৰিব আৰু ই ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত হেঙাৰস্বৰূপ হৈ পৰিব। কিন্তু পিছলৈ ামেৰিকাই এই সিদ্ধান্তত উপনীত হয় যে পোখৰান পৰীক্ষাই কোনো চুক্তি

উলংঘা কৰা নাছিল যাৰবাবে আমেৰিকাই ১৯৭৪ চনৰ জুন মাহত তাৰাপুৰ পাৰমাণৰিক ৰিয়েক্টৰৰ বাবে সমৃদ্ধ ইউৰেণিয়াম যোগান ধৰিছিল।

১৯৭০ দশকৰ শেষৰফালে প্রধানমন্ত্রী মোৰাৰজী দেশাইৰ জনতা পার্টী চৰকাৰে ক্ষমতালৈ অহাৰ লগে লগে ভাৰত-আমেৰিকাৰ সম্পৰ্ক উন্নত হ'বলৈ ধৰে। দুয়োখন দেশৰ উন্নত সম্পৰ্ক ১৯৮০ ৰ দশকলৈ অব্যাহত আছিল। যদিও ভাৰতে আমেৰিকাক ছোভিয়েট আক্রমণ আৰু আফগানিস্তানৰ দখলক সমর্থন কৰা নাছিল, তথাপি ৰেগান প্রশাসনে ভাৰতক সীমিত সহায় আগবঢ়াইছিল। ১৯৮৪ চনত ৰাশ্বিংটনে ভাৰতক লাগতিয়াল প্রযুক্তি যোগান ধৰাত অনুমোদন জনায়। ইয়াৰ ভিতৰত নৌসেনাৰ ফ্রিগেটৰ বাবে গেছ টার্বাইন আৰু ইঞ্জিনৰ বাবে ভাৰতৰ লঘু যুদ্ধ বিমানৰ প্রট'টাইপ বিশেষভাৱে উল্লেখযোগ্য।

- **১৯৯০ দশকৰ মাজভাগৰ পৰা একবিংশ শতিকাৰ প্রথম দশকলৈকে ঃ**

ভাৰত আৰু আমেৰিকাৰ প্রতিৰক্ষা বাহিনীৰ মাজত সহযোগিতা আৰু বিকাশৰ বাবে ১৯৯৫ চনত প্রতিৰক্ষা নীতি গোট গঠন কৰা হয়। অৱশ্যে ১৯৯৮ চনত ভাৰতে দ্বিতীয় পোখৰান পাৰমাণৰিক পৰীক্ষা সম্পন্ন কৰাৰ পাছত ভাৰত-আমেৰিকাৰ সম্পৰ্কই পুনৰ নিম্নতম স্তৰলৈ গতি কৰে। আমেৰিকা যুক্তৰাষ্ট্রই পাৰমাণৰিক পৰীক্ষাসমূহ কঠোৰভাৱে গৰিহণা দিয়ে আৰু নিষেধাজ্ঞা আৰোপ কৰাৰ প্রতিশ্রুতি দিয়ে। ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদৰ প্রস্তাৱৰ পক্ষত পৰীক্ষাবোৰৰ বিৰুদ্ধে আমেৰিকাই ভোট দিয়ে। ৰাষ্ট্রপতি বিল ক্লিন্টনে ভাৰতৰ ওপৰত সকলো ধৰণৰ সামৰিক আৰু অর্থনৈতিক সাহার্য কর্তনকে ধৰি অর্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰে। অৱশ্যে, অতি সোনকালেই নিষেধাজ্ঞাসমূহ উঠাই লোৱা হৈছিল। তাৰ পাছত ক্লিন্টন প্রশাসন আৰু প্রধানমন্ত্রী বাজপেয়ীৰ প্রতিনিধিসকলে দুয়োখন দেশ ভ্রমণ কৰি আন্তৰিক সম্পৰ্ক পুনৰুদ্ধাৰ কৰাত সহায় কৰিছিল।

২০০০ চনৰ মার্চ মাহত আমেৰিকাৰ ৰাষ্ট্রপতি বিল ক্লিন্টনে ভাৰত ভ্রমণ কৰে। দুয়োখন দেশে বিভিন্ন সমস্যা সমাধানৰ ফলপ্রসু আলোচনাত মিলিত হয় আৰু তাৎপর্যপূর্ণভাৱে এই ভ্রমণৰ সময়ত ভাৰত-আমেৰিকা বিজ্ঞান আৰু প্রযুক্তি মঞ্চ স্থাপন কৰা হৈছিল।

জর্জ ডব্লিউ বুছ প্রশাসনৰ কার্যকালত ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ বহু উন্নতি ঘটিছিল। দুয়োখন দেশে একেলগে পৰিসৰৰ কিছুমান উমৈহতীয়া সমস্যা সমাধানৰ বাবে কাম কৰিবলৈ আৰম্ভ কৰে; ইয়াৰ ভিতৰত সন্ত্রাসবাদৰ ভাবুকি আৰু প্রতিহিত কৰা বিষয়সমূহ, শক্তি সুৰক্ষা, জলবায়ু পৰিৱর্তন, শিক্ষা, বাণিজ্য ইত্যাদি। ২০০৪ চনত আমেৰিকাই পাকিস্তানক "মেজৰ নন্-নাটো বন্ধু" (MNNA)ৰ মর্যদা দিয়ে। আমেৰিকা যুক্তৰাষ্ট্রই ভাৰতৰ লগতো একেদৰেই "নন-নাটো বন্ধু" ৰ মর্যাদাৰে কাম কৰিবলৈ বিচাৰিছিল যদিও ভাৰতে এই প্রস্তাৱ নাকচ কৰে।

ভাৰত-আমেৰিকাৰ অসামৰিক পাৰমাণৰিক চুক্তি ২০০৮ চনত স্বাক্ষৰিত হয়। এই চুক্তিখনে ভাৰতক পাৰমাণৰিক শক্তিসম্পন্ন হিচাপে স্বীকৃতি দিয়ে। এই চুক্তিৰ মূল উদ্দেশ্য আছিল ভাৰত-আমেৰিক্সঙ্গৰ মাজত অসামৰিক পাৰমাণৰিক কার্যকলাপ, অসামৰিক মহাকাশ কার্যসূচী, উচ্চ প্রযুক্তিৰ বাণিজ্য, ক্ষেপনাস্ত্র পৰীক্ষা আদিৰ ক্ষেত্রত সহযোগিতা স্থাপন কৰা।

- **২০১০ চনৰ পৰা বৰ্তমানলৈকে ঃ**

মাৰ্কিন ৰাষ্ট্ৰপতি বৰাক ওবামাই ২০১০ চনত ভাৰত ভ্ৰমণ কৰে। তেওঁ ভাৰতীয় সংসদৰ যৌথ অধিবেশনত ভাষণ দি উল্লেখ কৰে যে তেওঁ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী আসনৰ দাবীক সমৰ্থন কৰে। ৰাষ্ট্ৰপতি ওবামাই ভাৰত-আমেৰিকাৰ এই সম্পৰ্কক "একাবিংশ শতিকাৰ অন্যতম বন্ধুত্ব" বুলি বৰ্ণনা কৰে। ২০১০ চনত ভাৰত আৰু আমেৰিকাৰ প্ৰথম কৌশলগত আলোচনা অনুষ্ঠিত হয় য'ত ভাৰতক আমেৰিকাৰ "অত্যাৱশ্যকীয় অংশীদাৰ" হিচাপে গণ্য কৰে। ২০১৪ চনত বিজেপি নেতৃত্বাধীন এন.ডি.এ. (NDA) চৰকাৰ কেন্দ্ৰত গঠনৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিনিয়োগ আকৰ্ষণ আৰু ভাৰত-আমেৰিকাৰ কৌশলগত সম্পৰ্কক শক্তিশালী কৰাৰ উদ্দেশ্য আমেৰিকা ভ্ৰমণ কৰে। ৰাশ্বিংটনত মোদী আৰু ৰাষ্ট্ৰপতি ওবামাই আমেৰিকাৰ ৰপ্তানি-আমদানি বেংক (EXIM Bank) আৰু নবীকৰণযোগ্য শক্তি উন্নয়ন সংস্থা (IREDA) ৰ মাজত বুজাপৰাৰ চুক্তি সম্পাদন কৰে। ৰাশ্বিংটনৰ পৰা প্ৰকাশ হোৱা এক যৌথ বিবৃতিত সন্ত্ৰাসবাদ জলবায়ু পৰিৱৰ্তন, স্বচ্ছ শক্তি (Clean Energy)ৰ প্ৰসাৰ, বাণিজ্যৰ সুবিধা প্ৰতিৰক্ষা সম্পৰ্কৰ সম্প্ৰসাৰণ, আমেৰিকাৰ প্ৰতিৰক্ষা উদ্যোগসমূহক ভাৰতত নিৰ্মাণ কৰিবলৈ আমন্ত্ৰণ জনোৱাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ সমস্যা স্পৰ্শ কৰিছিল।

ট্ৰাম্প প্ৰশাসনে ভাৰতক এক গুৰুত্বপূৰ্ণ কৌশলগত মিত্ৰ বুলি গণ্য কৰে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শাসনকালত ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক গভীৰ হৈ পৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা উন্মোচন কৰি ট্ৰাম্পো ভাৰতক ভাৰতক "অগ্ৰণী বিশ্ব শক্তি" বুলি অভিহিত কৰে। ইয়াৰ উপৰিও ট্ৰাম্প প্ৰশাসনে হাৱাইত "আমেৰিকাৰ পেচিফিক কামাণ্ড"ৰ নাম সলনি কৰি "ভাৰত-আমেৰিকা প্ৰশান্ত মহাসাগৰীয় আদেশ" নামেৰে নামাকৰণ কৰে, যিয়ে ভাৰতক আমেৰিকাই নিজৰ নিৰাপত্তা প্ৰনয়ণত গুৰুত্বপূৰ্ণ স্থান দিছে বুলি গণ্য কৰা হয়।

উল্লেখ কৰিব পাৰি যে ২০০৪ চনৰ পৰাই ভাৰত আৰু আমেৰিকাই মূল্যবোধ আৰু সুৰক্ষাৰ ওপৰত ভিত্তি কৰি 'কৌশলগত মৈত্ৰী' হিচাপে কাম কৰি আহিছে। ২০০৫ চনত ভাৰত আৰু আমেৰিকাই দহ বছৰৰ বাবে "প্ৰতিৰক্ষা গাঁথনি চুক্তি" (Defence Framework Agreement) স্বাক্ষৰ কৰে। দুয়োখন দেশে কেইবাটাও সংযুক্ত সামৰিক অনুশীলনত অংশগ্ৰহণ কৰিছে। ভাৰত-আমেৰিকাৰ প্ৰতিৰক্ষা গাঁথনি চুক্তি (Indo-US Defence Framework Agreement) যি ২০১৫ চনত পুণৰ দহ বছৰৰ বাবে নবীকৰণ কৰা হয়। চুক্তিখনে গুৰুত্ব প্ৰদান কৰা বিষয়বোৰৰ ভিতৰত নিৰাপত্তা আৰু স্থায়িত্ব; সন্ত্ৰাসবাদ আৰু হিংসাত্মক ধৰ্মীয় উগ্ৰবাদক পৰাস্ত কৰা; গণধ্বংসী অস্ত্ৰ আৰু সংশ্লিষ্ট সামগ্ৰীৰ লগতে তথ্য-প্ৰযুক্তিৰ বিস্তাৰ ৰোধ কৰা; স্থল, আকাশ আৰু সাগৰীয় পথৰ জৰিয়তে মুক্ত বাণিজ্য প্ৰবাহক সুৰক্ষা দিয়া। ইয়াৰোপৰি চুক্তিখনে কয় যে, "ভাৰত-আমেৰিকাৰ গভীৰ কৌশলগত সম্পৰ্ক বিস্তাৰিত কৰিবলৈ আমাৰ প্ৰতিৰক্ষা অনুষ্ঠানসমূহে ঃ যৌথ আৰু সংযুক্ত অনুশীলন আৰু বিনিময় পৰিচালনা কৰিব; সমূহীয়া স্বাৰ্থৰ বাম্ভে বহুজাতিক কাৰ্যকলাপক সহযোগিতা কৰিব; নিৰাপত্তা বৃদ্ধি আৰু সন্ত্ৰাসবাদক পৰাস্ত কৰিবলৈ সামৰিক বাহিনীৰ সাহাৰ্য আৰু নিৰাপত্তা বৃদ্ধি কৰা; আঞ্চলিক আৰু বিশ্বশান্তিৰ বাবে লগতে গণধ্বংসী অস্ত্ৰৰ প্ৰসাৰ ৰোধ

কৰিবলৈ আন ৰাষ্ট্ৰৰ সৈতে পাৰস্পৰিক ক্ৰিয়া-কলাপ সম্প্ৰসাৰিৰত কৰিব।" চুক্তিখনে আৰু কয় যে "আমাৰ কৌশলগত সম্পৰ্কৰ প্ৰেক্ষাপটত দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা বাণিজ্যৰ সম্প্ৰসাৰণ হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা লেনদেনৰ জৰিয়তে নিৰাপত্তা শক্তিশালী কৰা, কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা, সশস্ত্ৰ বাহিনীৰ মাজত পাৰস্পৰিক ক্ৰিয়া-কলাপ বৃদ্ধি কৰা আৰু প্ৰতিৰক্ষা প্ৰতিষ্ঠানসমূহৰ মাজত অধিক বুজাবুজি গঢ়ি তুলিব।"

আমেৰিকাৰ নতুন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ আমন্ত্ৰণ ক্ৰমে ২০১৭ চনৰ জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা ভ্ৰমণ কৰে। এই বৈঠকে দুয়োগৰাকী নেতাক এক উষ্ণ, সুবিধাজনক আৰু সন্মানজনক কৰ্ম সম্পৰ্ক স্থাপন কৰিবলৈ সুযোগ দিয়ে।

বস্তুনিষ্ঠভাৱে ইয়াৰ আটাইতকৈ ডাঙৰ পৰিঘটনা আছিল কাশ্মীৰৰ আন্তৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠন হিজবুল মুজাহিদীনৰ শীৰ্ষ নেতৃত্বৰ কঠোৰ ভাষাৰে সমালোচনা কৰা। ট্ৰাম্পে তেওঁৰ ভ্ৰমণৰ অন্তিমটো যুটীয়া বিবৃতিত পাকিস্তানৰ নাম দুবাৰকৈ উল্লেখ কৰি কয় যে পাকিস্তানে নিশ্চিতভাৱে ইয়াৰ ভূ-খণ্ড অন্য দেশৰ বিৰুদ্ধে সন্ত্ৰাসবাদী আক্ৰমণ চলাবলৈ ব্যৱহাৰ নকৰিব; আৰু দ্বিতীয়তে ২৬/১১ ৰ মুম্বাই কাণ্ডৰ অপৰাধীসকলক ক্ষিপ্ৰতাৰে ন্যায়ৰ সমীপলৈ অনা আৰু পাকিস্তান প্ৰেৰিত সীমা অতিক্ৰম কৰা অন্যান্য সন্ত্ৰাসবাদীৰ আক্ৰমণ ৰোধ কৰা হ'ব। লগতে যৌথ বিবৃতিত লস্কৰ-ই-তৈবা আৰু অন্যান্য গোটৰ নাম উল্লেখ কৰি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰাদায়ক সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধতাৰে যুঁজিবলৈও উপদেশ দিছে।

আঞ্চলিক সংযোগ আৰু দক্ষিণ চীন সাগৰৰ বিষয়টোৰ সন্দৰ্ভত ভাৰতৰ স্থিতি স্পষ্টকৈ দেখুওৱা হৈছে। যৌথ বিবৃতিয়ে আন্তঃগাঁথনিৰ স্বচ্ছ উন্নয়নৰ প্ৰয়োজনীয়তা, দায়িত্বশীল আৰ্থিক ঋণ পদ্ধতিৰ ব্যৱহাৰ, সাৰ্বভৌমত্বৰ প্ৰতি আৰু ভূখণ্ডৰ অখণ্ডতাৰ প্ৰতি সন্মান প্ৰদৰ্শন, আইনৰ শাসন আৰু পৰিৱেশ সুৰক্ষা ইত্যাদিৰ বিষয়ে ঘোষণা কৰে। এইটো স্পষ্টকৈ উল্লেখ কৰা হৈছে যে চীনৰ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰভাৱ আৰু উপস্থিতিৰ বিৰুদ্ধে যুদ্ধ কৰাত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই একে পথেৰে প্ৰচেষ্টা চলাইছে। আলোচনাৰ আন এক উল্লেখযোগ্য বিষয় আছিল বাণিজ্য। দ্বি-পাক্ষিক সম্পৰ্কৰ বিস্তৃত আলোচনাৰ যোগেদি মুক্ত আৰু নাৰ্য বাণিজ্যক অধিক বিস্তাৰ কৰিবলৈ দুয়োপক্ষই সন্মতি দিয়ে। ট্ৰাম্পে সংবাদ মাধ্যমক দিয়া বক্তব্যত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ দুয়োখন দেশৰ মাজত ন্যায্য আৰু পাৰস্পৰিক বাণিজ্যিক অংশীদাৰিত্বৰ কথা উল্লেখ কৰে।

ভাৰত আমেৰিকাৰ সম্পৰ্ক আৰম্ভণিৰে পৰাই বিভিন্ন উত্থান-পতনেৰে ভৰা। আমেৰিকাই ভাৰতক ক্ৰমবৰ্দ্ধমান বিশ্ব শক্তিৰূপে গণ্য কৰে আৰু ভাৰতক নিজৰ কৌশলগত স্বাৰ্থৰ চাবিকাঠী হিচাপে স্বীকৃতি দিয়ে। ক'ব পাৰি যে ভাৰত আমেৰিকা কৌশলগত, ৰাজনৈতিক, প্ৰতিৰক্ষা, নিৰাপত্তা আৰু অৰ্থনৈতিক চৰ্ত আগন্তুক বছৰবোৰত ইতিবাচক দিশত আগবাঢ়িব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ঃ ১৯৫৯ চনত ভাৰত ভ্ৰমণ কৰা আমেৰিকাৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি কোন আছিল?

.....

প্ৰশ্ন ৩ঃ কোন চনত ভাৰত আৰু আমেৰিকাৰ কৌশলগত আলোচনা অনুষ্ঠিত হৈছিল?

.....

৭.৫ ভাৰত-আমেৰিকাৰ দ্বি-পাক্ষিক সম্পৰ্কৰ তাৎপৰ্য

ভাৰত আৰু আমেৰিকাই শক্তিশালী আৰু কৌশলগত দ্বি-পাক্ষিক সম্পৰ্ক ৰক্ষা কৰি আহিছে, যিয়ে বিশ্বৰ স্থিতিশীলতা আৰু সমৃদ্ধিত অৰিহণা যোগাইছে। ভাৰত আমেৰিকাৰ বাবে এক কৌশলগতভাৱে অপৰিহাৰ্য সংগী। গণধ্বংসী অস্ত্ৰৰ বিস্তাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰোধ কৰাৰ ক্ষেত্ৰত ভাৰত আমেৰিকাৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ। তদুপৰি উগ্ৰবাদ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি আমেৰিকাৰ সৈতে একে।

আমেৰিকাৰ প্ৰতিষ্ঠানসমূহে প্ৰদান কৰা দক্ষ প্ৰযুক্তিৰ জৰিয়তে ভাৰতে আন্তঃগাঁথনি, পৰিবহণ, শক্তিৰ উৎপাদন তথা বিতৰণ আৰু প্ৰতিৰক্ষা সঁজুলি আদিৰ আধুনিকীকৰণলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত যথেষ্ট লাভৱান হ'ব। বিশ্বৰ জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধেও ভাৰত আৰু আমেৰিকাই ইখন দেশে আনখনক সহযোগ কৰে।

ভাৰত বৰ্তমান সময়ত আমেৰিকাৰ বাবে অতি গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণসমূহ হ'ল ঃ

১. (ক) ভাৰত বাস্তৱিকতে বহুপাক্ষিক প্ৰতিষ্ঠান আৰু সহযোগিতাৰ ওপৰত আধাৰিত এখন বিশ্ব ব্যৱস্থাত প্ৰতিশ্ৰুতিবদ্ধ আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ মানদণ্ডসমূহত বিশ্বাস কৰে।

(খ) ভাৰতীয় সংস্কৃতি আৰু কূটনীতিয়ে ইয়াৰ বিস্তৃত পাৰ্শ্ববৰ্তী অঞ্চলত সদিচ্ছা জন্মাইছে।

(গ) ভাৰতীয় গণতন্ত্ৰ বিভিন্ন সমস্যাৰাজি যেনে— দৰিদ্ৰতা; নানা জাতি, ধৰ্ম আৰু ভাষিক বৈচিত্ৰতা; বৈদেশিক আৰু আভ্যন্তৰীণ সংঘাত আদিৰ স্বত্ত্বও সমৃদ্ধিশালী হৈ আছে।

আনহাতে, আমেৰিকা ভাৰতৰ বাবে ইমান গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণসমূহ হ'ল ঃ

(ক) আমেৰিকাই ইয়াৰ সামৰিক আৰু কূটনৈতিক ক্ষমতাৰ প্ৰক্ষেপন আৰু প্ৰতিশ্ৰুতিৰ জৰিয়তে এছিয়াত এটা জটিল স্থিতিশীল শক্তি হৈ আছে।

(খ) ভাৰতে আমেৰিকাৰ সৈতে সমন্বয়ৰ জৰিয়তে পাকিস্তান আৰু আফগানিস্তানত ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা কৰাটো অধিক সহজ হ'ব।

(গ) ভাৰতৰ অৰ্থনৈতিক সফলতাৰ বাবে আমেৰিকা আগন্তুক সময়তো গুৰুত্বপূৰ্ণ হৈ থাকিব।

(ঘ) আমেৰিকাই ভাৰতত বৈদেশিক পুঁজি বিনিয়োগৰ ক্ষেত্ৰত অন্যতম শীৰ্ষ স্থানত আছে যিয়ে গুৰুত্বপূৰ্ণ ব্যৱস্থাপনাগত দক্ষতা, পুঁজি আৰু প্ৰযুক্তিৰ সৈতে গতিশীল ভাৰতীয় বজাৰৰ সৃষ্টি কৰিছে।

(ঙ) যিহেতু ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা প্ৰতিষ্ঠানবোৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব বিচাৰিছে, গতিকে এই ক্ষেত্ৰত আমেৰিকাৰ সমৰ্থন ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ হ'ব।

- **ভাৰত - আমেৰিকা ঃ শক্তি আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত সহযোগিতা ঃ**

শক্তিখণ্ডত বাণিজ্য আৰু পুঁজি বিনিয়োগক উৎসাহিত কৰাৰ উদ্দেশ্যে ২০০৫ চনৰ মে' মাহত ভাৰত - আমেৰিকা শক্তি সংলাপ উদ্বোধন কৰা হৈছিল। আমেৰিকাৰ শক্তি বিভাগ আৰু ভাৰত চৰকাৰে PACE (Partnership to Advance Clean Energy) ৰ উদ্যোগত যৌথভাৱে স্বচ্ছ শক্তি গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ স্থাপন কৰে যিটো ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানীসকলে দুয়োখন দেশৰ চৰকাৰে যোগান ধৰা পুঁজিৰ সহায়ত স্বচ্ছ শক্তিৰ উদ্ভাৱনক প্ৰসাৰিত কৰিবলৈ নিৰ্মাণ কৰা হৈছে।

- **ভাৰত - আমেৰিকা ঃ শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা ঃ**

দশতা বিকাশৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত ভাৰতে আমেৰিকাৰ অভিজ্ঞতাৰ পৰা বহু কথা শিকিছে। আমেৰিকাৰ প্ৰতিষ্ঠানসমূহৰ সৈতে প্ৰযুক্তি সক্ষম শিক্ষণ আৰু বৃহৎ মুক্ত অনলাইন পাঠ্যক্ৰমৰ ক্ষেত্ৰত সহযোগিতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে, যাতে ভাৰতত শিক্ষাৰ প্ৰসাৰ ঘটিব পাৰে। ভাৰতে আৰম্ভ কৰা Global Initiative of Academic Network (GIAN) আঁচনিৰ অধীনত প্ৰতিবছৰে ১০০০ জন আমেৰিকাৰ শিক্ষাবিদক ভাৰতীয় বিশ্ববিদ্যালয়ত নিজৰ সুবিধা অনুসৰি শিক্ষকতা কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়।

- **ভাৰত - আমেৰিকা ঃ মানুহৰ পৰা মানুহৰ যোগাযোগ ঃ**

উল্লেখযোগ্য যে ভাৰত-আমেৰিকান সম্প্ৰদায়টো আমেৰিকাৰ এটা গুৰুত্বপূৰ্ণ জনগোষ্ঠী যি দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ১ শতাংশ হয়। ভাৰত-আমেৰিকান সম্প্ৰদায়টোত অন্তৰ্ভুক্ত হৈছে বহু সংখ্যক ব্যৱসায়িক উদ্যোগী, পেছাদাৰী আৰু শিক্ষাবিদ, যাৰ প্ৰভাৱ সমাজত দিনক দিনে বৃদ্ধি পাবলৈ লৈছে। দুয়োখন দেশেই নাগৰিকৰ যাত্ৰা সহজ কৰিবলৈ একেলগে কাম কৰি আহিছে। এই উদ্দেশ্যে ২০১৬ চনৰ জুন মাহত এক পাৰস্পৰিক বুজাবুজিৰ চুক্তি (MoU)ত স্বাক্ষৰ কৰিছে যাৰ জৰিয়তে ভাৰতৰ Global Entry Programme ত যোগদান সহজ কৰা হৈছে, যাতে ভাৰতীয় নাগৰিকে আমেৰিকাৰ বিমান বন্দৰ সমূহত অনুপ্ৰৱেশ প্ৰক্ৰিয়া দ্ৰুততাৰে সম্পন্ন কৰিব পাৰে। ক'ব পাৰি যে ড'নাল্ড ট্ৰাম্পৰ শাসন কালত ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক কৌশলগত, ৰাজনৈতিক, নিৰাপত্তা, প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক ক্ষেত্ৰত উন্নয়নৰ দিশে আগবাঢ়ি যাব বুলি আশা কৰা হৈছে। ভূ-ৰাজনৈতিক কৌশলে ভাৰত আমেৰিকাৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ

প্ৰভাৱ পেলাব পাৰে তথাপিও ভাৰত-আমেৰিকাৰ দ্বি-পাক্ষিক সম্পৰ্ক এক 'অপৰিহাৰ্য অংশীদাৰিত্ব'ৰ আধাৰত যুগমীয়া হৈ থাকিব।

উল্লেখযোগ্য যে, আমেৰিকা হৈছে ভাৰতৰ আটাইতকৈ পুৰণি আৰু গুৰুত্বপূৰ্ণ "২+২ মন্ত্ৰীস্তৰীয় সংলাপৰ অংশীদাৰ" য'ত ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী আৰু প্ৰতিৰক্ষা সচিবৰ লগতে আমেৰিকাৰ বৈদেশিক মন্ত্ৰী আৰু ৰাজ্যিক সচিবে একলগে বৈঠকত মিলিত হয়। ২০১৮ চনত ট্ৰাম্প প্ৰশাসনৰ সময়ত প্ৰথম ২+২ মন্ত্ৰীত্বৰ আলোচনা দুয়োখন দেশৰ মাজত অনুষ্ঠিত হৈছিল।

ভাৰত আৰু আমেৰিকাই ইতিমধ্যে চাৰিখন মৌলিক প্ৰতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰিছে যিয়ে দুয়োখন দেশৰ মাজত গভীৰ সামৰিক সম্পৰ্কৰ সংকেত দিয়ে। এই চুক্তিসমূহ হ'ল—

১) **সাধাৰণ নিৰাপত্তাৰ সামৰিক তথ্য চুক্তি (General Security of Military Information Agreement, GSOMIA) ঃ**

সাধাৰণ নিৰাপত্তাৰ সামৰিক তথ্য চুক্তিখন ২০০৫ চনত স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ উদ্দেশ্য হ'ল ভাৰত আৰু আমেৰিকাৰ মাজত সামৰিক চোৰাংচোৱা তথ্যৰ সহজ আদান-প্ৰদান।

২) **লজিষ্টিক্‌স এক্সচেঞ্জ মেমোৰেণ্ডাম অফ এগ্ৰিমেণ্ট (Logistics Exchange Memorendum of Agreement, LEMOA) ঃ**

LEMOA চুক্তিখন ২০১৬ চনত স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ অধীনত ভাৰত আৰু আমেৰিকাই এখন দেশে আনখন দেশৰ মেৰামতি আৰু পুনৰ যোগানৰ বাবে সামৰিক ঘাটিবোৰ ব্যৱহাৰ কৰিব।

৩) **যোগাযোগ সামঞ্জস্য আৰু সু�ৰক্ষা চুক্তি (Communications Compatibility and Security Agreement, COMCASA) ঃ**

যোগাযোগ সামঞ্জস্য আৰু সু�ৰক্ষা চুক্তিখন ২০১৮ চনত প্ৰথম ২+২ বাৰ্তালাপৰ পিছত স্বাক্ষৰিত হৈছিল। চুক্তিখনে দুয়োখন দেশৰ মাজত প্ৰশিক্ষন অনুশীলন আৰু সামৰিক কাৰ্যকালত সুৰক্ষিত যোগাযোগ আদান-প্ৰদানৰ সুবিধা প্ৰদান কৰে। ইয়াৰ দ্বাৰা ভাৰত আৰু আমেৰিকাৰ মাজত সঠিক সময়ত তথ্য বিনিময় সম্ভৱ হৈছে।

৪) **মৌলিক বিনিময় আৰু সহযোগিতা চুক্তি (Basic Exchange and Cooperation Agreement, BECA) ঃ**

মৌলিক বিনিময় আৰু সহযোগিতা চুক্তিখন ২০২০ চনত ভাৰত আৰু আমেৰিকাৰ মাজত ২+২ মন্ত্ৰীস্তৰীয়, বাৰ্তালাপৰ পাছত স্বাক্ষৰিত হৈছিল। এই চুক্তিয়ে দুয়োখন ৰাষ্ট্ৰৰ মাজত গোপন তথ্য আদান-প্ৰদানৰ এটা সুবিধা প্ৰদান কৰে। ইয়াৰ দ্বাৰা ভাৰত আৰু আমেৰিকা উভয় ৰাষ্ট্ৰৰ এখনে আনখনৰ পৰা বিস্তৃত মানচিত্ৰ, বিমান সম্পৰ্কীয় চাৰ্ট, চিত্ৰকল্প আদিৰ আদান-প্ৰদানক সামৰি লোৱা হৈছে। এই চুক্তিৰ অধীনত ভাৰতক উন্নত মানদণ্ডৰ জি.পি.এছ প্ৰদান কৰা হ'ব, যাৰ জৰিয়তে বিৰোধী পক্ষক নিখুঁতভাৱে লক্ষ্য আৰু সুনিৰ্দিষ্টভাৱে ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰিব পাৰিব।

আচলতে, ভাৰত আৰৰু আমেৰিকাৰ মাজত সক্রিয় সামৰিক সহযোগিতা ১৯৯২ চনত আৰম্ভ হয়, যেতিয়া দুয়োখন দেশৰ নৌসেনাৰ অংশগ্রহণত প্রথমখন মালাবাৰ নৌসেনাৰ অনুশীলন হৈছিল। এই অনুশীলনত বিমানবাহী জাহাজ ছাবমেৰিন বিৰোধী যুদ্ধ, উভচৰ অভিযান, পাইচেৰী-বিৰোধ অভিযান আদিৰ অন্তর্ভুক্তি হৈছিল।

সময়ৰ লগে লগে এই দ্বিপাক্ষিক সামৰিক অনুশীলনে অষ্ট্রেলিয়া আৰু জাপানকো সামৰি বিস্তৃত হৈছিল। 'চর্তুদেশীয় নিৰাপত্তা সংলাপ' (Quadrilateral Security Dialogue) সাধাৰণতে "Quad" নামেৰে পৰিচিত ভাৰত, আমেৰিকা, অষ্ট্রেলিয়া আৰু জাপানৰ মাজত হোৱা এটা অনানুষ্ঠানিক কূটনীতিক আৰু কৌশলগত মৈত্রী যাৰ উদ্দেশ্য হৈছে চীনৰ একপক্ষীয় কার্যকলাপক লক্ষ্য ৰাখি ভাৰত-প্রশান্ত মহাসাগৰীয় সামুদ্রিক সুৰক্ষা নিশ্চিত কৰা। মালাবৰ অনুশীলন ভাৰত আৰু আমেৰিকাৰ লগত নিয়মীয়াকৈ বছৰি অনুষ্ঠিত হৈ আছে। ভাৰত-প্রশান্ত মহাসাগৰীয় অঞ্চলটো সদায় মুক্ত আৰু উন্মুক্ত হৈ থাকে আৰু শান্তি তথা সমৃদ্ধি অটুত থাকে তাৰ বাবে 'Quad' ৰ সদস্যসকল— ভাৰত, আমেৰিকা, অষ্ট্রেলিয়া আৰু জাপানে পৰস্পৰ সহযোগিতা কৰি আছে।

সাম্প্রতিক সময়ত অর্থাৎ ২০২৩ চনৰ জুন মাহত প্রধানমন্ত্রী মোডীৰ আমেৰিকা ভ্রমণৰ সময়ত ভাৰত আৰু আমেৰিকাৰ মাজত পাঁচটা ডাঙৰ প্রতিৰক্ষা চুক্তি হয়। তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য আছিল General Electric (GE) আৰু Hindustan Aeronautics Limited (HAL) ৰ মাজত সহযোগিতাৰে F414 ইঞ্জিন উৎপাদনৰ চুক্তি। এই ইঞ্জিনসমূহে ভাৰতৰ তেজছ মার্ক ২ (Tejas Mark 2) বিমানক শক্তি প্রদান কৰিব। ইয়াৰ উপৰিও ভাৰতে আমেৰিকাৰ পৰা Sea Guardian ড্রোন ক্রয় কৰাৰো সিদ্ধান্ত গ্রহণ কৰে, যাৰ ফলত ভাৰতৰ প্রতিৰক্ষা ক্ষমতা বৃদ্ধি পাব। লগতে, ভাৰতে আমেৰিকাৰ নৌ সেনাৰ জাহাজসমূহৰ মেৰামতিৰ সুবিধাও প্রদান কৰিব। এই উদ্দেশ্যে ২০২৩ চনৰ জুন মাহত আমেৰিকাৰ নৌ বাহিনীয়ে L & T ৰ সৈতে পাঁচ বছৰীয়া Master Ship Repair Agreement (MSRA) স্বাক্ষৰ কৰে। প্রতিঞ্জক্ষাৰ সহযোগিতাৰ উপৰিও প্রযুক্তি অংশীদাৰিত্বও ভাৰত-আমেৰিকা সম্পর্কৰ আন এক মুখ্য স্তম্ভ। সেই অনুসৰি ২০২৩ চনৰ জুন মাহত ভাৰতৰ প্রধানমন্ত্রীৰ আমেৰিকা ভ্রমণৰ সময়ত সিদ্ধান্ত লোৱা হয় যে, ভাৰত আৰু আমেৰিকা দুয়োখন দেশে যৌথভাৱে কম্পিউটাৰ আৰু তথ্য বিজ্ঞান, বিশ্বাসযোগ্য চাইবাৰ জগত, চাইবাৰ সুৰক্ষা, স্থায়িত্ব, সেউজ প্রযুক্তি, বুদ্ধিমান পৰিবহণ ব্যৱস্থাৰ দৰে বহু খণ্ডত গৱেষণাৰ বাবে ধন আগবঢ়াব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে গুৰুত্বপূর্ণ হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

.....

.....

প্রশ্ন ৫ ঃ শিক্ষাৰ ক্ষেত্রত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সহযোগিতাৰ বিষয়ে সংক্ষেপে লিখা।

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- আন্তঃৰাষ্ট্রীয় ৰাজনীতিত ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পর্ক বুলিলে ভাৰত গণৰাজ্য আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত থকা সম্পর্কক বুজোৱা হয়।
- বিটিছৰ শাসন কালত ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পর্ক বৰ শক্তিশালী আছিল। উল্লেখযোগ্য যে, স্বামী বিবেকানন্দই আমেঞ্জিকাৰ ছিকাগোত যোগ আৰু বেদান্তৰ প্রচাৰ কৰিছিল। মহাত্মা গান্ধীয়ে অহিংসাৰ যি দর্শন আগবঢ়াইছিল তাৰ প্রভাৱ ১৯৫০ ৰ দশকত মার্টিন লুথাৰ কিং জুনিয়ৰকো গভীৰভাৱে প্রভাৱন্বিত কৰিছিল।
- ১৯৩০ আৰু ১৯৪০ দশকৰ আৰম্ভণিতে আমেৰিকাই ভাৰতৰ স্বাধীনতা আন্দোলনক দৃঢ়ভাৱে সমর্থন কৰিছিল, যি ব্রিটিছ সাম্রাজ্যৰ বিৰুদ্ধে আছিল।
- ১৯৪০ চনৰ শেষৰ ফালে ট্রুমেন প্রশাসনৰ অধীনত আমেৰিকাই ভাৰতক সমর্থন কৰিছিল কাৰণ বেছিভাগ আমেৰিকাৰ পৰিকল্পনাকাৰীয়ে মন্তব্য আগবঢ়াইছে যে কূটনৈতিকভাৱে ভাৰত পাকিস্তানতকৈ অধিক মূল্যৱান।
- কিন্তু শীতল যুদ্ধৰ সময়ত নেহৰুৰ নিৰপেক্ষতাৰ নীতি বহু আমেৰিকাৰ পর্যবেক্ষকৰ বাবে গ্রহণযোগ্য নাছিল আৰু তেওঁলোকে নিৰপেক্ষতাৰ নীতিক নেতিবাচকভাৱে গ্রহণ কৰিছিল। কিন্তু লাহে লাহে দুয়োখন দেশৰ সম্পর্কবোৰ বহু দিশত উন্নত হ'বলৈ ধৰে।
- ব্রিটেইনে ভাৰত উপমহাদেশত নিজৰ ঔপনিৱেশিক শাসনৰ অন্ত ঘোষণা কৰাৰ লগে লগেই ১৯৪৭ চনত ভাৰতীয় স্বাধীনতা আইন গৃহীত হয়। দেশ স্বাধীন হোৱাৰ পাছতেই প্রধানমন্ত্রী জৱাহৰলাল নেহৰুৱে আমেৰিকাৰ ৰাষ্ট্রপতি ট্রুমেনক সাক্ষাৎ কৰে। এই বৈঠকতে ভাৰতে শীতল যুদ্ধৰ নিৰপেক্ষতা নীতিৰ ঘোষণা কৰে, যিয়ে গোষ্ঠী নিৰপেক্ষ

আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

- ১৯৫৯ চনত ডুৱাইট ডি. আইজেনহাৱাৰ আছিল ভাৰত ভ্ৰমণ কৰা প্ৰথমজন আমেৰিকাৰ ৰাষ্ট্ৰপতি। জন এফ. কেনেডীৰ ৰাষ্ট্ৰপতিৰ শাসন কালত (১৯৬১-৬৩) ভাৰতক এক কৌশলগত সহযোগী আৰু সাম্যবাদী চীনৰ উত্থানৰ প্ৰতি এক প্ৰতিৰুদ্ধ শক্তি হিচাপে বিবেচনা কৰা হৈছিল। ভাৰত আমেৰিকা সম্পৰ্ক বুজাবলৈ ১৯৬২ চনৰ ভাৰত-চীনৰ যুদ্ধ বিশেষভাৱে উল্লেখযোগ্য। এই যুদ্ধত কেনেডী প্ৰশাসনে ভাৰতক মুকলি সমৰ্থন আগবঢ়াছিল।
- যদিও ১৯৬৩ চনত জন এফ. কেনেডীৰ হত্যা হোৱাৰ পাছত ভাৰত আমেৰিকাৰ সম্পৰ্কৰ ক্ৰমে অৱনতি হ'বলৈ ধৰে। কেনেডীৰ উত্তৰাধিকাৰী লিণ্ডন জনচনে কমিউনিষ্ট চীনক প্ৰতিৰোধ কৰাৰ বাবে ভাৰতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিব বিচাৰিছিল, কিন্তু একে সময়তে তেওঁ পাকিস্তানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰিবলৈও চেষ্টা কৰিছিল। ১৯৭০ দশকৰ আৰম্ভণিতে, নিক্সন চৰকাৰৰ অধীনত ভাৰত আমেৰিকাৰ সম্পৰ্ক সৰ্বকালৰ নিম্নতম স্তৰলৈ গতি কৰে। ৰিচার্ড নিক্সনে পাকিস্তানক সামৰিক আৰু অৰ্থনৈতিকভাৱে সহায় আগবঢ়াবলৈ আৰম্ভ কৰে কাৰণ তেওঁ দেখিছিল যে ভাৰতৰ ছোভিয়েত সংঘৰ সৈতে পাৰস্পৰিক সম্পৰ্ক উন্নত হৈছিল। তেওঁ পাকিস্তানক ভাৰত উপমহাদেশত ছোভিয়েত ৰাছিয়াৰ প্ৰভাৱ প্ৰতিৰোধ কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ মিত্ৰ হিচাপে গণ্য কৰিছিল। ১৯৭১ চনৰ ভাৰত-পাকিস্তনৰ যুদ্ধত আমেৰিকাই ইছলামাবাদক সমৰ্থন জনাইছিল। ১৯৭৪ চনৰ ১৮ মে' তাৰিখে ভাৰতে প্ৰথমটো পাৰমাণৱিক পৰীক্ষা সম্পূৰ্ণ কৰে আৰু ইয়াৰ পাছতেই ভাৰত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰ পাঁচখনৰ বাহিৰে আনৱিক সক্ষমতা ঘোষণা কৰা প্ৰথমখন দেশ হৈ পৰে। এই পদক্ষেপ অৱশেষত দুয়োখন দেশ ভাৰত আৰু আমেৰিকাৰ মাজত বিচ্ছিন্নতাৰ সৃষ্টি কৰিছিল যি দুটা দশকৰো অধিক সময় ধৰি চলিছিল। এই পৰীক্ষাৰ আমেৰিকাই তীব্ৰভাৱে বিৰোধিতা কৰিছিল।
- ভাৰতেও পাৰমাণৱিক অস্ত্ৰ-সম্প্ৰসাৰণ চুক্তি (Nuclear Non-Proliferation Treaty) ত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰিছিল কাৰণ এই চুক্তিয়ে ভাৰতক পাৰমাণৱিক অস্ত্ৰ পৰীক্ষা কৰাত বাধা দিক্ ভাৰতৰ নিৰাপত্তা স্বাৰ্থৰ ক্ষতি সাধন কৰিব। অৱশ্যে আমেৰিকাই পিছত এই সিদ্ধান্তত উপনীত হয় যে পোখৰান পৰীক্ষাই কোনো চুক্তি উলংঘা কৰা নাছিল সেইবাবেই ১৯৭৪ চনৰ জুন মাহত তাৰাপুৰ নিউক্লিয়াৰ ৰিয়েক্টৰৰ বাবে সমৃদ্ধ ইউৰেনিয়াম পঠিয়াবলৈ অনুমতি দিছিল।
- ১৯৭০ দশকৰ শেষৰ ফালে প্ৰধানমন্ত্ৰী হিচাপে মোৰাৰজী দেশাইৰ নেতৃত্বত জনতা পাৰ্টী চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগে ভাৰত আমেৰিকা সম্পৰ্ক উন্নত হ'বলৈ আৰম্ভ কৰে। ঠিক সেইদৰে ১৯৮০ ৰ দশকতো দুয়োখন দেশৰ মাজৰ সম্পৰ্ক ক্ৰমান্বয়ে উন্নত হ'বলৈ ধৰে। যদিও ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক ছোভিয়েত আক্ৰমণ আৰু আফগানিস্তানৰ দখলক সমৰ্থন কৰা নাছিল তথাপি ৰেগান প্ৰশাসনে ভাৰতক সীমিত

সহায় আগবঢ়াইছিল।

- ১৯৯৫ চনত ভাৰত আৰু আমেৰিকাৰ সেনাবাহিনাৰ মাজত সহযোগিতা উন্নত কৰাৰ উদ্দেশ্যে প্ৰতিৰক্ষা নীতি গোট (Defence Policy Group) গঠন কৰা হয়।
- ১৯৯৮ চনত ভাৰতে পোখৰাণ ২ পৰমানু পৰীক্ষা কৰাৰ পিছত ভাৰত - আমেৰিকাৰ সম্পৰ্ক পুনৰ এক নিম্ন স্তৰলৈ গতি কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই এই পৰীক্ষাসমূহৰ কঠোৰ ভাষাৰে নিন্দা কৰিছিল আৰৰু নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। মাৰ্কিন প্ৰশাসনে এই পৰীক্ষাসমূহ নিন্দা কৰি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইয়াৰ সপক্ষে ভোটদান কৰে। তৎকালীন ৰাষ্ট্ৰপতি বিল ক্লিটনে ভাৰতৰ ওপৰত আৰ্থিক নিষেধাজ্ঞা আৰোপ কৰিছিল, যাৰ অন্তৰ্গত সকলো সামৰিক আৰু আৰ্থিক সহায় বন্ধ কৰা হৈছিল।
- ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ক্লিন্টন প্ৰশাসন আৰু প্ৰধানমন্ত্ৰী বাজপেয়ীক মাজত সদ্ভাৱপূৰ্ণ সম্পৰ্ক পুনৰুদ্ধাৰৰ বাবে প্ৰতিনিধি বিনিময় হৈছিল।
- ২০০০ চনৰ মাৰ্চ মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিন্টনে ভাৰত ভ্ৰমণ কৰে। এই ভ্ৰমণৰ কালছোৱাত দুয়োখন দেশৰ মাজত বিভিন্ন বিষয়ত ফলপ্ৰসু আলোচনা হৈছিল। ভাৰত-আমেৰিকা বিজ্ঞান আৰু প্ৰযুক্তি মঞ্চ স্থাপন এই ভ্ৰমণৰ অন্যতম গুৰুত্বপূৰ্ণ ফলাফল আছিল।
- জৰ্জ ডব্লিউ বুছ প্ৰশাসনৰ কাৰ্যকালত ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক যথেষ্ট উন্নত হৈছিল। এই সময়ছোৱাত দুয়ো দেশে একাধিক উমৈহতীয়া বিষয় যেনে— সন্ত্ৰাসবাদৰ ভাবুকি, সন্ত্ৰাসবাদক নিৰ্মূল কৰাৰ উপায়, শান্তি সুৰক্ষা, জলবায়ু পৰিৱৰ্তন, শিক্ষা, বাণিজ্য, মহাকাশ আৰু অন্যান্য বিষয়ৰ ওপৰত কাম কৰিবলৈ আৰম্ভ কৰিছিল।
- ২০১০ চনৰ নৱেম্বৰ মাহত ৰাষ্ট্ৰপতি বাৰাক ওবামাই ভাৰত ভ্ৰমণ কৰিছিল। তেওঁ ভাৰতৰ সংসদৰ যুটীয়া অধিবেশনত ভাষণ দি কয় যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী আসনৰ দাবীক তেওঁ সমৰ্থন কৰে। ভাৰত-আমেৰিকাৰ সম্পৰ্কক অ'বামাই "একবিংশ শতিকাৰ অন্যতম প্ৰধান অংশীদাৰিত্ব" বুলি অভিহিত কৰে।
- ভাৰত আৰু আমেৰিকাৰ মাজত প্ৰথম কৌশলগত আলোচনা ২০১০ চনত অনুষ্ঠিত হয়, য'ত ভাৰতক আমেৰিকাৰ এখন অপ্ৰতিৰোধ্য অংশীদাৰিত্বৰ দেশ হিচাপে গণ্য কৰা হৈছিল।
- ২০১৪ চনত কেন্দ্ৰত বিজেপি দলৰ এন. ডি. এ. চৰকাৰ গঠন হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-আমেৰিকাৰ কৌশলগত অংশীদাৰিত্বক অধিক শক্তিশালী আৰু বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ লক্ষ্যৰে আমেৰিকা ভ্ৰমণ কৰে।
- ট্ৰাম্প চৰকাৰেও ভাৰতক এখন কৌশলগত মিত্ৰ দেশ বুলি গণ্য কৰে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শাসনকালত ভাৰত-আমেৰিকাৰ মাজৰ সম্পৰ্ক অতি গভীৰ হৈ পৰে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কৌশলৰ কথা উন্মোচন কৰি ট্ৰাম্পে ভাৰতক "অগ্ৰণী বিশ্ব শক্তি" বুলি অভিহিত কৰে। ট্ৰাম্প প্ৰশাসনে হাৱাইস্থিত "আমেৰিকাৰ পেচিফিক কামাণ্ড"

(PACOM)ৰ নাম সলনি কৰি "ভাৰত-আমেৰিকা পেচিফিক কামাণ্ড" ৰাখে যাৰ জৰিয়তে আমেৰিকাৰ সু�ৰক্ষা নীতি নির্ধাৰণত ভাৰতক প্রদান কৰা গুৰুত্ব বাঢ়ি অহা পৰিলক্ষিত হৈছে।

- উল্লেখনীয় যে ভাৰত আৰু আমেৰিকাৰ কৌশলগত অংশীদাৰিত্ব ২০১৪ চনৰ পৰাই মূল্যবোধ আৰু নিৰাপত্তাৰ স্বাৰ্থৰ ওপৰত কেন্দ্র কৰি গঢ় লৈ উঠিছে।
- ২০০৫ চনত ভাৰত আৰু আমেৰিকাই দহ বছৰীয়া প্রতিৰক্ষা কাঠামো চুক্তিত স্বাক্ষৰ কৰে। দুয়োখন দেশেই বহুসংখ্যক সংযুক্ত সামৰিক অনুশীলনত অংশ লয়। ভাৰত-আমেৰিকা প্রতিৰক্ষা কাঠামো চুক্তি ২০১৫ চনত পুনৰ ১০ বছৰৰ বাবে নতুনকৈ গঠন কৰা হয়। এই চুক্তিখনে যিবোৰ দিশত গুৰুত্ব আৰোপ কৰিছিল সেইসমূহ হ'ল— সুৰক্ষা আৰু স্থিতিশীলতা ৰক্ষা কৰা; সন্ত্রাসবাদ আৰু ধর্মীয় উগ্রবাদক নাশ কৰা; গণবিধ্বংসী অস্ত্র আৰু সংশ্লিষ্ট সামগ্রী, তথ্য আৰু প্রযুক্তিৰ প্রসাৰ ৰোধ কৰা; স্থল-বায়ু আৰু সাগৰৰ বাণিজ্য পথ সমূহৰ স্বাধীন গতি প্রবাহ নিশ্চিত কৰা।
- ইয়াৰোপৰি চুক্তিখনে কয় যে ভাৰত আমেৰিকাৰ গভীৰ কৌশলগত সম্পৰ্ক বিস্তাৰিত কৰিবলৈ আমাৰ প্রতিৰক্ষা অনুষ্ঠানসমূহে যৌথ আৰু সংযুক্ত অনুশীলন আৰু বিনিময় পৰিচালনা কৰিব; সমূহীয়া স্বাৰ্থৰ বাবে বহুজাতিক কার্যকলাপ সহযোগিতা কৰিব; নিৰাপত্তা বৃদ্ধি আৰু সন্ত্রাসবাদক পৰাস্ত কৰিবলৈ সামৰিক বাহিনীৰ সামর্থ আৰু নিৰাপত্তা বৃদ্ধি কৰিব; আঞ্চলিক আৰু বিশ্বশান্তিৰ বাবে লগতে গণবিধ্বংসী অস্ত্রৰ প্রসাৰ ৰোধ কৰিবলৈ অন্য ৰাষ্ট্রৰ সৈতে পাৰস্পৰিক ক্রিয়া-কলাপ সম্প্রসাৰিত কৰিব।
- প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আমেৰিকাৰ নতুন ৰাষ্ট্রপতি ড'নাল্ড ট্রাম্পৰ আমন্ত্রণক্রমে ২০১৭ চনৰ জুন মাহত আমেৰিকা ভ্রমণ কৰে। এই বৈঠকে দুয়ো নেতা আৰু দেশৰ মাজত উষ্ণ, স্বাচ্ছন্দ্যপূর্ণ আৰু সন্মানজনক কর্মসম্পৰ্ক গঢ়ি তোলাৰ এটি মূল্যবান সুযোগ প্রদান কৰে।
- ভাৰত আৰু আমেৰিকাই চাৰিখন মূল প্রতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰিছে, যিয়ে দুয়ো দেশৰ মাজত অধিক গভীৰ সামৰিক সম্পৰ্কৰ সংকেত দিয়ে। এই চুক্তিসমূহ হ'ল— GSOMIA, LEMOA, COMCASA আৰু BECA। ২০২৩ চনৰ জুন মাহত ভাৰতৰ প্রধানমন্ত্রীৰ আমেৰিকা ভ্রমণে ভাৰত-আমেৰিকাৰ প্রতিৰক্ষা সহযোগিতা আৰু প্রযুক্তিগত অংশীদাৰিত্ব অধিক দৃঢ় কৰি তোলে।
- আৰম্ভণিৰ পৰা ভাৰত-আমেৰিকাৰ সম্পৰ্কত কেইবাবাৰো উত্থান-পতন দেখা গৈছে। আমেৰিকা যুক্তৰাষ্ট্রই ভাৰতক এখন ঊর্দ্ধমুখী বিশ্বশক্তি হিচাপে গণ্য কৰে আৰু নিজৰ কৌশলগত স্বাৰ্থৰ বাবে ভাৰতক গুৰুত্বপূর্ণ বুলি স্বীকৃতি দিয়ে। ক'ব পাৰি যে, কৌশলগত ৰাজনৈতিক, নিৰাপত্তা, প্রতিৰক্ষা আৰু অর্থনৈতিক দিশত ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক আগন্তুক সময়ত ইতিবাচক ৰূপত অব্যাহত থাকিব, কিয়নো এই দুয়োখন

দেশ সঁচাকৈয়ে "স্বাভাৰিক মিত্ৰ" যাৰ মাজত আন্তঃৰাষ্ট্ৰীয় তথা আঞ্চলিক শান্তি আৰু সুৰক্ষাৰ ক্ষেত্ৰত বহুতো উমৈহতীয়া সাধাৰণ স্বাৰ্থ আছে।



৭.৭ অধিক জানিবলৈ

1) Chander, Prakash, & Arora, Prem.(2005). Comparative Politics and International Relations. New Delhi: Cosmos Bookhive (P) Ltd.
2) Ghai, K.K. (2010): International Relations - Theory and Practice. New Delhi: Kalyani Publishers.
3) Singh, Pavneet. (2018). International Relations. Mc Graw Hill Education.
4) Malhotra , Vinay Kumar (2011). International Relations. Anmol Publisher, New Delhi.



৭.৮ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ উত্তৰ ঃ ডাৰাই ডি. আইজেনহাৱাৰ।

প্ৰশ্ন নং ২ উত্তৰ ঃ ২০০৪

প্ৰশ্ন নং ৩ উত্তৰ ঃ

(ক) ভাৰতে এক আন্তঃৰাষ্ট্ৰীয় বহুপাক্ষিক আৰু সহযোগিতামূলক বিশ্ব ব্যৱস্থাত বিশ্বাস কৰে আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ মানদণ্ডত প্ৰতিশ্ৰুতিবদ্ধ।

(খ) ভাৰতৰ সংস্কৃতি ৰু কূটনীতিয়ে ইয়াৰ বিস্তৃত পাৰ্শ্ববৰ্তী অঞ্চলত সদিচ্ছা সৃষ্টি কৰিছে।

প্ৰশ্ন নং ৪ উত্তৰ ঃ ভাৰতে দক্ষতা বিকাশৰ দাবীসমূহৰ সন্দৰ্ভত আমেৰিকাৰ অভিজ্ঞতাৰ পৰা বহুতো কথা শিকিছে। ভাৰত আৰু আমেৰিকাৰ প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতাৰে প্ৰযুক্তিভিত্তিক শিক্ষাদান আৰু বৃহৎ মুক্ত অনলাইন পাঠ্যক্ৰম (MOOCS) ৰ জৰিয়তে শিক্ষাৰ বিস্তাৰ ঘটাবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ভাৰতৰ দ্বাৰা আৰম্ভ কৰা গ্ল'বেল ইনিচিয়েটিভ একাডেমিক নেটৰ্ৱৰ্ক (GIAN) ৰ জৰিয়তে প্ৰতিবছৰে ১০০০ আমেৰিকাৰ শিক্ষাবিদক ভাৰতীয় বিশ্ববিদ্যালয়সমূহত পাঠদানৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব।



৭.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ১৯৮০ ৰ দশকলৈকে বাৰত-আমেৰিকাৰ সম্পৰ্কৰ বিষয়ে লিখক।

প্ৰশ্ন নং ২ ঃ শক্তি আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ভাৰত-আমেৰিকাৰ সহযোগিতাৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৩ ঃ ভাৰত-আমেৰিকাৰ দ্বি-পাক্ষিক সম্পৰ্কৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৮ ঃ ভাৰতৰ পাকিস্তানৰ সৈতে সম্পৰ্ক

অধ্যায় গঠন

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাৰত-পাকিস্তান সম্পৰ্কৰ পটভূমি

৮.৪ পৰ্যায় আৰু শেহতীয়া প্ৰৱণতা

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্ৰগতিৰ খতিয়ান

৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়ৰ জৰিয়তে জানিব পাৰিব—

- ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ ঐতিহাসিক পটভূমি।
- বিংশ আৰু একবিংশ শতিকাত পাকিস্তানৰ সৈতে ভাৰতৰ সম্পৰ্ক বিশ্লেষন।

৮.২ পৰিচয়

স্বাধীনতাৰ পাছৰে পৰা ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্ক বিভিন্ন পৰ্যায়ৰ উত্তেজনাৰ মাজেৰে অতি বাহিত হৈছে। ভাৰত আৰু পাকিস্তানৰ মাজত ক্ৰমবৰ্দ্ধমান উত্তেজনা আৰু সংঘাতৰ ঐতিহাসিক পটভূমি বিদ্যমান। স্বাধীনতা আন্দোলনৰ সময়ছোৱাতে ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতাসকলৰ মাজত হোৱা মতানৈক্যৰ বাবে দেশ বিভাজন হয় আৰু ইয়াৰ ফলস্বৰূপে দুখন স্বতন্ত্ৰ সাৰ্বভৌম ৰাষ্ট্ৰ ভাৰত আৰু পাকিস্তানৰ জন্ম হয়। ভাৰত আৰু পাকিস্তানৰ স্বাধীনতাৰ পিছতো কেইবাটাও বিষয়ক লৈ উত্তেজনা বৰ্তি থাকিল আৰু ইয়ে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কক অধিক জটিল কৰি তুলিলে। বৰ্তমানেও ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্ক অশান্তময়।

৮.৩ ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ পটভূমি

ভাৰত আৰু পাকিস্তান উভয়ৰে উমৈহতীয়াভাৱে ঐতিহাসিক আৰু সামাজিক সাস্কৃতিক দিশৰ পৰা উত্তৰাধিকাৰী আছে। দুয়োখন দেখেই বিভাজনৰ পূৰ্বে বহু শতিকা ধৰি এককভাৱে অৰ্থনৈতিক আৰু ৰাজনৈতিক সত্তা গঠন কৰিছিল। স্বাধীনতা আন্দোলনৰ সময়ত দুয়োপক্ষৰ মানুহ একেলগে সন্মুখলৈ আহি ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে যুঁজিছিল। সমগ্ৰ অঞ্চলৰ জনসাধাৰণৰ

উল্লেখযোগ্য অৱদানে শেষত ব্রিটিছ শাসকসকলক ভাৰতৰ পৰা আঁতৰি যাবলৈ বাধ্য কৰাইছিল। সাম্রাজ্যবাদী নীতিয়ে ব্রিটিছৰ "বিভাজন আৰু শাসন" তত্ত্ব প্রয়োগ কৰি দুটা প্রধান সম্প্রদায় ক্রমে হিন্দু আৰু মুছলমানক বিভাজিত কৰিছিল।

ভাৰত বিভাজন আৰু দুৰাষ্ট্র তত্ত্বৰ জৰিয়তে পাকিস্তান সৃষ্টিৰ পাছত যি বিভাজন হয় তাৰ অভিজ্ঞতাই দুয়োখন দেশৰ মাজত তিক্ততা প্রদান কৰে। পাকিস্তানে বিভাজনৰ পিছতেই পশ্চিমীয়া অস্ত্র আৰু বোমা বাৰুদ সুৰক্ষিতভাৱে ৰাখিবলৈ আমেৰিকাৰ পৃষ্টপোষকতাত সামৰিক মিত্রজোঁটত যোগদান কৰি নিজৰ আভ্যন্তৰীণ নিৰাপত্তা আৰু ভূখণ্ডৰ অখণ্ডতা সুনিশ্চিত কৰিবলৈ অনায়াসে চেষ্টা চলায় আৰু ভাৰতৰ অৰাষ্ট্রীয়তা নীতিৰ বিৰুদ্ধে বিৰোধিতা কৰে। বিপৰীতে ভাৰতে নিজৰ জাতীয় স্বার্থ ৰক্ষাৰ বাবে তথা আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তাৰ প্রসাৰৰ বাবে অসংলগ্নতাৰ নীতি মানি চলিবলৈ চেষ্টা কৰিছিল। দৃষ্টিভংগী আৰু মতাদর্শগত দৃষ্টিভংগীৰ পার্থক্যৰ বাবে দুয়োখন দেশে সদায়ে ইখনে সিখনৰ

স্বাধীনতাৰ পাছৰ সময়ছোৱাত ভাৰত আৰু পাকিস্তানৰ মাজত মতানৈক্য বাঢ়ে। ভাৰতে সদায়ে চুবুৰীয়া ৰাষ্ট্রসমূহৰ লগত আন্তৰিক আৰু ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখিবলৈ চেষ্টা কৰিছিল যদিও পাকিস্তানৰ সৈতে সৌহাদ্যপূর্ণ সম্পৰ্ক গঢ়াৰ ক্ষেত্রত ভাৰত অসুবিধাৰ সন্মুখীন হৈছিল। সেয়ে চুবুৰীয়া দেশ দুখনৰ দ্বিপাক্ষিক সম্পৰ্কৰ সুস্থ বিকাশৰ ক্ষেত্রত বহুতো বাধা আহিল।

৮.৪ পর্যায় আৰু শেহতীয়া প্রৱণতা

ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ বিকাশৰ সময়ছোৱাত বিভিন্ন অৱস্থাৰ বিষয়ে নিম্নোক্তধৰণে আলোচনা কৰিব পাৰি—

স্বাধীনতাৰ পিছৰ যুগত বিশেষকৈ ১৯৪৭ চনৰ পৰা ১৯৬০ চনলৈকে ভাৰত আৰু পাকিস্তানৰ সম্পৰ্ক যথেষ্ট অৱনতিৰ ফালে গতি কৰে। দুখন দেশৰ মাজত হোৱা বিভাজনৰ ফলতেই ঘৃণা আৰু সন্দেহে বৃদ্ধি লাভ কৰে। কিন্তু ইয়াৰ মাজতে দুয়োখন দেশৰ, নেতাই ভাৰৱত আৰু পাকিস্তানৰ মাজত আন্তৰিক সম্পৰ্ক ৰক্ষাৰ অর্থে মন্তব্য প্রদান কৰে। স্বাধীনতা আন্দোলনৰ শেষত দুয়োখন দেশেই বহুতো দ্বিধা দ্বন্দ্বৰ সন্মুখীন হয়। ভাৰত আৰু পাকিস্তনৰ মাজৰ সম্পৰ্ক বিশ্লেষন কৰিবলৈ হ'লে স্বাধীনতাৰ পিছৰ পর্যায়ৰ কিছুমান নির্দষ্ট বিষয় অৱলোকৱনৰ আৱশ্যক হয়।

১) **সীমা বিতর্ক ঃ** বিভাজনৰ আৰম্ভণিত ব্রিটিছ চৰকাৰে দুটা সীমা আয়োগ স্থাপন কৰিছিল। ভাৰত আৰু পাকিস্তান উভয়ৰে সমান প্রতিনিধি থকা এই দুটা আয়োগ এটা বংগৰ বাবে আৰু আনটো পঞ্জাৱৰ বাবে। কিন্তু পূৱ আৰু পশ্চিম বংগৰ মাজত লগতে পূৱ বংগ আৰু অসমৰ মাজৰ সীমাৰ সঠিক সীমা নির্দ্ধাৰণৰ ক্ষেত্রত যথেষ্ট সমস্যাই গা কৰি উঠিছিল। সেই সমস্যাৰ কিছুমান বর্তমানেও অব্যাহত। এই সমস্যাসমূহ পর্যবেক্ষন কৰিবলৈ এখন সীমা বিৱাদ ন্যায়াধিকৰণ গঠন কৰা হৈছিল। ভাৰত-পাকিস্তানৰ সীমা

বিৱাদৰ ন্যায়াধিকৰণৰ অধ্যক্ষ আছিল চুইডেনৰ পৰা অহা ন্যায়াধীশ আলগট বাগে।

২) **শৰনার্থীৰ সমস্যা ঃ** স্বাধীনতাৰ পিছৰ সময়ছোৱাত দুয়োখন দেশৰ মাজত ক্রমাৎ বৃদ্ধি পোৱা সাম্প্রদায়িক হিংসা আৰু সংঘাতৰ বাবে বহুতো শৰনার্থীৰ জন্ম হৈছিল। দুয়োপক্ষৰ পৰা বিভাজনৰ পিছত প্রায় ১ কোটি ২০ লাখ লোক স্থানচ্যুত হৈছিল আৰু সেইসকলে ভঙাৰত আৰু পাকিস্তানত আশ্রয় বিচাৰি শৰনার্থী হৈ পৰে। দুয়োখন দেশেই বিহিত ব্যৱস্থা হাতত লয় আৰু সেয়ে ১৯৬২ চনৰ ভিতৰত সামগ্রিকভাৱে সমস্যাটো সমাধান হৈছিল।

৩) **সংখ্যালঘুৰ সমস্যা ঃ** ভাৰত আৰু পাকিস্তান উভয়ৰে বাবে ধর্মীয় সংখ্যালঘুৰ বিষয়টো সদায়ে চিন্তাৰ বিষয় হৈ আহিছে। বিভাজনৰ পিছতো বহু মুছলমান ব্যক্তি ভাৰতত থাকিল। অন্যহাতে কিছুমান হিন্দু ব্যক্তি পাকিস্তানৰ বসৱতী হ'ল। নিজ নিজ দেশৰ সংখ্যালঘু ধর্মীয় সম্প্রদায়ে দুয়োখন দেশৰ বাবেই বহু অমীমাংসিত প্রশ্ন উত্থাপন কৰি আহিছে। ভাৰতৰ সংবিধানে সকলো ধর্মীয় সম্প্রদায়ৰ স্বার্থ ৰক্ষাৰ প্রতি দায়বদ্ধ ৰাজনীতি স্থাপন কৰাৰ বিপৰীতে পাকিস্তানে ইছলামিক গণৰাজ্যৰ পথ বাছি লৈছিল। দুয়োপক্ষৰ নেতাসকলে স্বাধীনতাৰ পিছত ধর্মীয় সংখ্যালঘুৰ বিষয়টো আলোকপাত কৰি কিছুমান নীতি প্রয়োগ কৰিছিল। নেহেৰুৰে ১৯৫০ চনত সেই সময়ৰ পাকিস্তানৰ প্রধান মন্ত্রী লিয়াকুৱাট আলী খানৰ সৈতে সংখ্যালঘু সম্পর্কীয় চুক্তি স্বাক্ষৰ কৰে। কিন্তু পাকিস্তানত সংখ্যালঘুসকলৰ সৈতে দুব্যৱহাৰ হয়। এই অভিযোগ অব্যাহত হৈ পৰৱর্তী সময়ত বিষয়টোৱে দুয়োখন দেশৰ মাজৰ সম্পর্ক অধিক বেয়া কৰি পেলায়।

৪) **নলাৰ পানী সম্পর্কীয় বিবাদ ঃ** ভাৰত আৰু পাকিস্তানৰ সংঘাতৰ অন্যতম গুৰুত্বপূর্ণ দিশ হৈছে নলাৰ পানী সম্পর্কীয় বিবাদ। পঞ্জাৱ আৰু বংগৰ বিভাজনে নদীৰ পানীৰ ভাগ-বতৰা কৰাৰ সমস্যাৰ সৃষ্টি কৰিছিল। স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত ভাৰত আৰু পাকিস্তানৰ মাজত স্বাক্ষৰিত হোৱা "ষ্টেণ্ডষ্টিল" চুক্তিখন ১৯৫০ চনৰ ২৩ আগষ্টলৈকে অব্যাহত থাকে। কিন্তু তাৰ পিছত পাকিস্তানে এই চুক্তি নাকচ কৰি কিছু বিতর্কিত বক্তব্য আগবঢ়ায়। পিছলৈ ১৯৬০ চনত দুয়োখন দেশৰ মাজত সিন্ধু জল সন্ধি স্বাক্ষৰিত হয়। এয়া আই বি আৰ ডি (ইণ্টাৰনেচনেল বেংক ফৰ ৰিকনষ্ট্রাকচন এণ্ড ডেভলপমেণ্ট) ৰ জৰিয়তে সুলভ হয়।

৫) **অর্থনৈতিক আৰু বানিজ্যিক সম্পর্ক ঃ** স্বাধীনতাৰ পৰৱর্তী যুগত দুয়োখন দেশৰ মাজত অর্থনৈতিক আৰু বানিজ্যিক সহযোগিতা সঠিক বিকাশত বাধাপ্রাপ্ত হৈছিল। ভাৰত আৰু পাকিস্তান দুয়োখন দেশেই বিভাজনৰ হেতু গুৰুতভাৱে অর্থনৈতিক আৰু বানিজ্যিক সমস্যাৰ সন্মুখীন হ'বলগীয়া পৰে। দুয়োখন দেশৰ মাজত হোৱা সহযোগিতাৰ অভাৱ আৰু ক্রমে বৃদ্ধি পোৱা শত্রুতাই দেশ দুখনৰ মাজত সুস্থ অর্থনৈতিক আৰু বানিজ্যিক সম্পর্ক গঢ়ি তোলাত বাধা প্রদান কৰে। পাকিস্তানৰ সীমান্তৱর্তী অঞ্চলসমূহৰ মাটি কপাহ আৰু ঘেঁহু উৎপাদনৰ বাবে উর্বৰা। আনহাতে

ভাৰতীয় অঞ্চলসমূহৰ মাটি ধান, চুপাৰীৰ বাবে উপযোগী আৰু ইয়াত কয়লা আৰু লোহাৰ অক্সাইডৰ বিশাল মহত আছে। দুয়োখন দেশৰ মাজত থকা মতানৈক্যৰ হেতু এই সম্পদসমূহ দুয়োপক্ষই সুবিধা অনুযায়ী ব্যৱহাৰ কৰাৰ বাধা প্ৰাপ্ত হয়।

৬) ভাৰত আৰু পাকিস্তানৰ মাজত ক্ৰমে উত্তেজনা বাঢ়ি যোৱা এটা গুৰুত্বপূৰ্ণ বিষয় আছিল ৰাজতন্ত্ৰ ৰাষ্ট্ৰৰ একত্ৰীকৰণ প্ৰক্ৰিয়া। ভাৰতৰে হওক অথবা পাকিস্তানৰে হওক নিজৰ ভৱিষ্যত নিৰ্ণয়ৰ স্বাধীনতা ৰাজতন্ত্ৰ ৰাষ্ট্ৰই ভাৰতীয় স্বাধীনতা আইন, ১৯৪৭ ৰ জৰিয়তে প্ৰদান কৰিছিল। যথা— জুনাগড়, হায়দৰাবাদ আৰু কাশ্মীৰ— এই তিনিটা অঞ্চল এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত বিভিন্ন সমস্যাৰ সন্মুখীন হয়। ৮০ শতাংশ হিন্দু জনসংখ্যাৰে গঠিত জুনাগাড়ে পাকিস্তনৰ সৈতে ৰাজ্যখনৰ কোনো ভূমিৰ সম্পৰ্ক একেবাৰেই নথকা স্বত্বেও পাকিস্তানত যোগাদান কৰিবলৈ আগ্ৰহ কৰিছিল। সেই সময়ৰ মুছলমান শাসক ছাৰ মহাবত খানে এই সিদ্ধান্ত লৈছিল। কিন্তু জুনাগড়ক ১৯৪৮ চনত জনমতৰ জৰিয়তে ভাৰতীয় এলেকাৰ অধীনত অন্তৰ্ভুক্ত কৰা হয়। এই হেতুকে পাকিস্তান অসন্তুষ্ট হৈ পৰিছিল আৰু এই ক্ষেত্ৰত নিৰাপত্তা পৰিষদৰ হস্তক্ষেপৰ দাবী জনাইছিল।

একেধৰণৰ পৰিস্থিতি হায়দৰাবাদতো সৃষ্টি হয়। তাতে নিজাম, এজন মুছলমান শাসকে সেই অঞ্চলটো হিন্দু সংখ্যাগৰিষ্ঠ অঞ্চল বুলি আওকান কৰি স্বাধীন হৈ থকাৰ সিদ্ধান্ত লৈছিল। সেই সময়ৰ মুছলমান শাসকজনেও ভাৰতৰ সৈতে "ষ্টেণ্ডষ্টিল" স্বাক্ষৰিত স্বাক্ষৰ প্ৰদান কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত নিজামে ভাৰতত যোগদান কৰাৰ সিদ্ধান্ত লয় আৰু ভাৰত চৰকাৰৰ হস্তক্ষেপ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ প্ৰত্যাহাৰ কৰে। কাশ্মীৰৰ বিষয়টো ভাৰত আৰু পাকিস্তানৰ সম্পৰ্কত আটাইতকৈ স্পৰ্শকাতৰ বিষয় হিচাপে বিবেচিত হৈছে। কাশ্মীৰৰ বিষয়টো বিভাজনৰ সময়ৰে পৰা আজিলৈকে অমীমাংসিত হৈ আছে। আৰম্ভনিৰে পৰা কাশ্মীৰৰ বিষয়টোত সমস্যাই দেখা দি আহিছে। ৰাজতন্ত্ৰ ৰাজ্য জম্মু কাশ্মীৰৰ শাসক মহাৰাজা হৰি সিঙে পাকিস্তানে উপত্যকাটো দখল কৰিবলৈ জনজাতীয় লোক নিক্ষেপ কৰা আগ্ৰাসনৰ পৰিশ্ৰেক্ষিতত ভাৰতত যোগদান কৰাৰ সিদ্ধান্ত লয়। তেনে জটিল পৰিস্থিতিত ভাৰত চৰকাৰ আগুৱাই আহি কাশ্মীৰৰ প্ৰতিৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰে। কিন্তু পাকিস্তানে কাশ্মীৰে ভাৰতত যোগদান কৰাৰ সিদ্ধান্তত তীব্ৰ বিৰোধিতা কৰিছিল।

- বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত, নতুনকৈ স্বাধীন হোৱা দেশসমূহ, যিবোৰ বহুদিন ধৰি ঔপনিৱেশিক শাসনৰ অধীনত আছিল, তেওঁলোকে উপলব্ধি কৰে যে, তেওঁলোকে এটা নতুন ধৰণৰ আধিপত্যৰ অধীনত বাস কৰি আছে। এই আধিপত্য সাধাৰণতে উন্নত দেশসমূহ বিশেষকৈ তেওঁলোকৰ পূৰ্বৰ ঔপনিৱেশিক প্রভূসকলৰ পৰা আহে। এই নতুন ধৰণৰ আধিপত্যক নব্য-ঔপনিৱেশবাদ (Neo-Colonialism) বুলি কোৱা হয়। যদিও এই নতুনকৈ স্বাধীন হোৱা দেশসমূহে স্বাধীনতা লাভ কৰিছিল, তথাপি সঁচাকৈয়ে তেওঁলোক উন্নত দেশসমূহৰ দ্বাৰা পৰোক্ষভাৱে নিয়ন্ত্রিত হৈ আছে।
- 'নব্য-ঔপনিৱেশবাদ' শব্দটো ব্যৱহাৰ কৰা আটাইতকৈ প্রসিদ্ধ ব্যক্তি আছিল এনক্রুমাহ (Kwame Nkrumah)। তেওঁ ১৯৫৭ চনত ঘানাক স্বাধীনতা প্রদান কৰি দেশখনৰ প্রথম ৰাষ্ট্রপতি হিচাপে কার্যনির্বাহ কৰিছিল। এনক্রুমাই তেওঁৰ ১৯৬৫ চনত প্রকাশিত গ্রন্থ 'Neo-Colonialism : The Last Stage of Imperialism' ত নব্য-ঔপনিৱেশবাদৰ এটা শ্রেষ্ঠ সংজ্ঞা দিছিল। তেওঁ তাত যুক্তি আগবঢ়াইছিল যে, ঔপনিৱেশিকতা যি আগতে সাম্রাজ্যবাদৰ মুখ্য অস্ত্র আছিল, সি বর্তমান নব্য-ঔপনিৱেশবাদৰ স্থান গ্রহণ কৰিছে। অর্থাৎ, আজিৰ যুগত সাম্রাজ্যবাদে নব্য-ঔপনিৱেশবাদৰ জৰিয়তে নিজৰ আধিপত্য বজাই ৰাখিছে।
- অর্থনৈতিকভাৱে বিকশিত দেশসমূহৰ ওপৰত নির্ভৰশীল হৈ থকাৰ ফলত, উন্নয়নশীল আৰু অনুন্নত দেশসমূহে নিজৰ অর্থনৈতিক কার্যকলাপ স্বাধীনভাৱে পৰিচালনা কৰিবলৈ সক্ষম নহয়। তেওঁলোকে যেতিয়া নিজৰ অর্থনৈতিক নীতি নির্দ্ধাৰণ আৰু ৰূপায়ণ কৰে, তেতিয়া সেই নীতিবোৰ উন্নত দেশসমূহৰ প্রভাৱ আৰু দিশ নির্দেশনাত চলি থাকে।
- নব্য-ঔপনিৱেশবাদ বজাই ৰখাৰ কিছুমান বিশেষ পদ্ধতি আছে। যেনে— তৃতীয় বিশ্বৰ দেশসমূহৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ, অস্ত্র-শস্ত্রৰ যোগান ধৰা, বৈদেশিক সাহায্য আৰু ঋণৰ ব্যৱহাৰ, আন্তর্জাতিক অর্থনৈতিক প্রতিষ্ঠানসমূহৰ জৰিয়তে নিয়ন্ত্রণ, বহুজাতিক প্রতিষ্ঠান (MNCs) ৰ মাধ্যমেৰে আধিপত্য স্থাপন, অর্থনৈতিক নির্ভৰশীলতা আৰু উপগ্রহ ৰাষ্ট্র সৃষ্টি কৰা আৰু সাংস্কৃতিক উপায়ৰ ব্যৱহাৰ ইত্যাদি।
- নির্ভৰশীলতা তত্ত্বৰ (Dependency Theory) মূল উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্রীয় ৰাজনীতিক বিশ্লেষণ কৰা, বিশেষকৈ ৰাষ্ট্রসমূহৰ মাজত থকা অসমান সম্পর্ক, অর্থাৎ উন্নত আৰু অনুন্নত দেশসমূহৰ মাজৰ সম্পর্কৰ ওপৰত গুৰুত্ব আৰোপ কৰা। নির্ভৰশীলতা তত্ত্বটো আধুনিকীকৰণ আৰু উন্নয়ন তত্ত্বসমূহৰ বিকল্প হিচাপে আগবঢ়োৱা হৈছিল, যিবোৰ পশ্চিমীয়া তথা মার্ক্সবাদী পণ্ডিতসকলে গঢ়ি তুলিছিল আৰু সমর্থন কৰিছিল। এই তত্ত্বটো

অনুন্নত দেশসমূহৰ দেশীয় আর্থ-সামাজিক আৰু ৰাজনৈতিক গঠনত ঔপনিৱেশিক প্রভাৱ কেনেদৰে পৰিছে সেই অধ্যয়নেৰে আৰম্ভ হয় আৰু বিশ্ব পুঁজিবাদী ব্যৱস্থাৰ বিকাশৰ প্রেক্ষাপটত নতুন আর্থ-সামাজিক গঠনৰ বৈশিষ্ট্যবোৰ বিশ্লেষণ কৰে।

- নির্ভৰশীলতা তত্ত্ব অনুসৰি, পৃথিৱীখন মূলত দুটা ভাগত বিভক্ত— উত্তৰৰ উন্নত ৰাষ্ট্রসমূহক "মহানগৰ" (Metropolis) বা কেন্দ্র হিচাপে গণ্য কৰা হয় আৰু দক্ষিণৰ অনুন্নত ৰাষ্ট্রসমূহক "পৰিধি" (Periphery) বা প্রান্ত হিচাপে বিবেচনা কৰা হয়। এই তত্ত্বত অনুন্নত দেশসমূহৰ আভ্যন্তৰীণ গঠন আৰু গতি প্রকৃতি বিশ্লেষণ কৰা হয় আৰু তেওঁলোকৰ আন্তর্জাতিক অর্থনৈতিক ব্যৱস্তাৰ ভিতৰত থকা স্থানৰ সৈতে তেওঁলোকৰ অনুন্নয়নক সংযোগ কৰা হয়। এই তত্ত্ব অনুসৰি, তৃতীয় বিশ্বৰ দেশসমূহৰ শোষণৰ ফলস্বৰূপেই পুঁজিবাদী দেশসমূহৰ অর্থনৈতিক উন্নতি সম্ভৱ হৈছে। অন্য কথাত, কিছুমান দেশৰ উন্নতি বহুতো দেশৰ দাৰিদ্রাৰ ওপৰত নির্ভৰশীল। অনুনয়ন্নক কিছুমান সাম্রাজ্যবাদী দেশৰ সচেতন প্রচেষ্টা আৰু পৰিকল্পনাৰ ফল বুলি নির্ভৰশীলতা তত্ত্বই দাবী কৰে।
- নির্ভৰশীলতা তত্ত্ব অনুসৰি, অনুন্নয়ন হৈছে, অনুন্নয়ন হৈছে পুঁজিবাদী বিস্তাৰৰ এক ফল, য'ত অসমান পূর্ণ বিনিময় সংগঠিত হয় আৰু কেন্দ্র / মহানগৰ (Metropolis) নিজৰ লাভৰ বাবে পৰিধি / প্রান্তৰ (Periphery) সম্পদ আৰু পৰিশ্রম শোষণ কৰে। প্রান্তীয় বা উপগ্রহ ৰাষ্ট্রই এক নির্ভৰশীল অৱস্থাত জীৱন যাপন কৰে আৰু এই অৱস্থা অনুন্নয়নেৰে চিহ্নিত। সেয়ে, নির্ভৰশীলতা হৈছে উন্নয়নশীল তথা অনুন্নত ৰাষ্ট্রসমূহ আৰু উন্নত ৰাষ্ট্রসমূহৰ মাজত থকা এক সম্পর্ক, যি অনুন্নত দেশসমূহৰ উন্নয়ন ক্ষমতাৰ ক্ষেত্রত বাধাৰ সৃষ্টি কৰে। এই সম্পর্ক আৰু নির্ভৰশীলতাৰ অৱস্থা পুঁজিবাদী ব্যৱস্থাৰ বিস্তাৰেৰে সীমিত হৈ থাকে।
- নির্ভৰশীলতা তত্ত্বৰ কিছুমান সীমাবদ্ধতা আছে।



১১.৬ অধিক জানিবলৈ

1) Basu, Rumki : The United Nations: The Structure and Functions of an International Organisation, Sterling Publishing, New Delhi
2) Chander, Prakash, & Arora, Prem.(2005). Comparative Politics and International Relations. New Delhi: Cosmos Bookhive (P) Ltd.
3) Ghai, K.K. (2010): International Relations - Theory and Practice. New Delhi: Kalyani Publishers.
4) Singh, Pavneet. (2018). International Relations. Mc Graw Hill Education

১১.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ৰ উত্তৰ ঃ কোৱামে এনক্রুমাহ (Kwame Nkrumah)।

প্রশ্ন নং ২ৰ উত্তৰ ঃ বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত, নতুনকৈ স্বাধীন হোৱা দেশসমূহৰ অধিকাংশই দীঘলীয়া সময় ধৰি ঔপনিৱেশবাদৰ অধীনত আছিল, যিবোৰ স্বাধীনতাৰ পিছতো উন্নত দেশবোৰৰ নতুন ধৰণৰ আধিপত্যৰ অধীন হৈ পৰে। এই আধিপত্যক 'নব্য-ঔপনিৱেশবাদ' বুলি কোৱা হয়। এই দেশবোৰে ৰাজনৈতিকভাৱে স্বাধীনতা লাভ কৰে যদিও বাস্তৱিকতে তেওঁলোক উন্নত দেশবোৰৰ দ্বাৰা পৰোক্ষভাৱে নিয়ন্ত্রিত হৈ থাকে। নব্য-ঔপনিৱেশবাদৰ যুগত, ধনী আৰু উন্নত ৰাষ্ট্রবোৰে, যিবোৰ পূর্বে ঔপনিৱেশবাদী শক্তি আছিল, সেইবোৰে উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰ প্রাকৃতিক সম্পদ আৰু অর্থনৈতিক সম্পদ শোষণ কৰি আহিছে। এই আধিপত্য অব্যাহত ৰাখিবলৈ তেওঁলোকে বিভিন্ন কৌশল অৱলম্বন কৰে। যেনে— বৈদেশিক সাহায্য আৰু ঋণৰ জৰিয়তে প্রভাৱ বিস্তাৰ কৰা, অনুদান, শুল্ক আৰু বাণিজ্যিক নীতিৰে নিয়ন্ত্রণ, আন্তঃৰাষ্ট্রীয় অর্থনৈতিক প্রতিষ্ঠানবোৰত আধিপত্য, বহুজাতিক কোম্পানীৰ মাধ্যমত আর্হি সৃষ্টিৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক প্রভাৱ আৰু শোষণমূলক মূল্যব্যৱস্থালৈকে এই সকলোবোৰ উপায়ৰ জৰিয়তে উন্নত ৰাষ্ট্রবোৰে স্বাধীন ৰাষ্ট্রবোৰৰ ওপৰত আধিপত্য বজাই ৰাখে।

প্রশ্ন নং ৩ৰ উত্তৰ ঃ

ক) তৃতীয় বিশ্ব / উন্নয়নশীল দেশসমূহৰ আভ্যন্তৰীণ কার্যত হস্তক্ষেপৰ জৰিয়তেঃ

নতুনকৈ স্বাধীন হোৱা উন্নয়নশীল দেশসমূহৰ ৰাজনৈতিক ব্যৱস্থাত এক সাধাৰণ বৈশিষ্ট্য হৈছে— চূড়ান্ত ক্ষমতা সংগ্রামৰ বাবে বিভিন্ন গোটৰ মাজত সংঘাতৰ ফলত হোৱা ৰাজনৈতিক অস্থিৰতা। এই পৰিস্থিতিৰ সুযোগ লৈ, পশ্চিমীয়া উন্নত দেশসমূহে উন্নয়নশীল দেশসমূহৰ আভ্যন্তৰীণ ৰাজনীতিত প্রৱেশ কৰে আৰু নিজৰ অনুগত ৰাজনৈতিক গোটসমূহক সমর্থন আগবঢ়ায়। এইদৰে তেওঁলোকে নীতি নির্দ্ধাৰণ প্রক্রিয়াত প্রভাৱ বিস্তাৰ কৰে। আনহাতে, পুতলা চৰকাৰসমূহক সমর্থন আৰু বেছিভাগ ক্ষেত্রত নির্দ্ধাৰিত ৰাজনৈতিক অভ্যুত্থানৰ সহায়ত, এই পূর্বৰ ঔপনিৱেশবাদী শক্তিসমূহে উন্নয়নশীল দেশসমূহৰ ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত নিয়ন্ত্রণ অব্যাহত ৰাখে।

খ) অস্ত্র-শস্ত্রৰ যোগানৰ জৰিয়তে ঃ

নতুনকৈ স্বাধীন হোৱা উন্নয়নশীল ৰাষ্ট্রসমূহৰ বাবে নিৰাপত্তা এক গুৰুত্বপূর্ণ প্রয়োজন হৈ পৰে। এই নিৰাপত্তা অথবা সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে, উন্নয়নশীল দেশসমূহে উন্নত দেশসমূহৰ পৰা অস্ত্র আৰু সামৰিক সামগ্রী ক্রয় কৰে। নিজৰ সামৰিক প্রয়োজন পূৰণত আত্মনির্ভৰশীল হ'ব নোৱাৰাৰ ফলত, এই দেশবোৰ উন্নত দেশবোৰৰ

ওপৰত নির্ভৰশীল হৈ পৰে। উন্নত দেশসমূহে এই অস্ত্ৰ আৰু সামৰিক সামগ্ৰী যোগানৰ প্ৰক্ৰিয়া ব্যৱহাৰ কৰে উন্নয়নশীল দেশসমূহৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰাখিবলৈ।

প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ আন্দ্ৰে গুণ্ডাৰ ফ্ৰাংক (Andre Gunder Frank)

প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ নির্ভৰশীলতা তত্ত্ব অনুসৰি, অপর্যাপ্ত উন্নয়ন হৈছে পুঁজিবাদী ব্যৱস্থাৰ এক ফলাফল, যাৰ সৈতে অসমান বিনিময় ব্যৱস্থা জড়িত থাকে আৰু য'ত কেন্দ্ৰ (Metropolis) বা উন্নত দেশসমূহে নিজৰ লাভৰ বাবে পৰিধি (Periphery) বা অনুন্নত দেশসমূহৰ সম্পদ আৰু পৰিশ্ৰম শোষণ কৰে। এই পৰিধিবোৰ বা উপগ্ৰহৰ দৰে দেশসমূহ নির্ভৰশীল অৱস্থাত বাস কৰে আৰু তেওঁলোকৰ বৈশিষ্ট্য হ'ল অপর্যাপ্ত উন্নয়ন। সেইদৰে, 'নির্ভৰশীলতা' ই নির্ভৰশীলআৰু উন্নত দেশসমূহৰ মাজত থকা সম্পর্কক বুজায়, যি পুঁজিবাদৰ বিস্তাৰৰ দ্বাৰা সীমাবদ্ধ হয়। এই নির্ভৰশীলতাৰ পৰম্পৰাগত ৰূপ আছিল সাম্ৰাজ্যবাদ বা ঔপনিৱেশবাদ আৰু ইয়াৰ আধুনিক ৰূপ হৈছে নব্য-ঔপনিৱেশবাদ, অর্থাৎ পৰিধি দেশসমূহৰ উন্নত কেন্দ্ৰসমূহৰ ওপৰত থকা নির্ভৰশীলতা। নির্ভৰশীলতা তত্ত্ব অনুসৰি, কেন্দ্ৰ-পৰিধি ধাৰণাটোক ব্যৱহাৰ কৰে আন্তঃৰাষ্ট্ৰীয় সম্পর্কৰ স্বৰূপ আৰু অপর্যাপ্ত উন্নয়নৰ প্ৰকৃতি বিশ্লেষণ কৰিবলৈ, যি অপর্যাপ্ত দেশসমূহৰ ৰাজনৈতিক ব্যৱস্থাৰ বৈশিষ্ট্য হিচাপে বিবেচিত হয়। এই অনুন্নত দেশসমূহ উন্নত দেশসমূহৰ উপগ্ৰহৰ দৰে বাস কৰি আহিছে। উন্নয়নৰ তত্ত্ববিদসকলে আগবঢ়োৱা 'ঔদ্যোগিকৰণ'ৰ ধাৰণাই তৃতীয় বিশ্বৰ দেশসমূহলৈ উল্লেখযোগ্য পৰিৱর্তন অনা নাই। এই দেশসমূহৰ অর্থনীতি স্থবিৰ হৈ পৰিছে আৰু দিনক দিনে উন্নত দেশসমূহৰ অর্থনীতিৰ ওপৰত অধিক নির্ভৰশীল হৈ পৰিছে। নির্ভৰশীলতা তত্ত্ব অনুসৰি, অনুন্নত দেশসমূহে তেতিয়াহে উন্নত হ'ব পাৰিব যেতিয়া বিদ্যমান নির্ভৰশীলতা ব্যৱস্থাক ওফৰাই পেলোৱা হ'ব। কিছুমান তত্ত্ববিদে এই উদ্দেশ্য সাধন কৰিবলৈ সমাজবাদী বিপ্লৱৰ পক্ষপাতী হৈছে, আনহাতে কিছুমানে বিশ্বাস কৰে যে বাণিজ্যিত সঠিক সাম্য বজাই ৰাখি, আঞ্চলিক সহযোগিতাৰ জৰিয়তে প্ৰয়োজনীয় ক্ষমতা বৃদ্ধি কৰি আৰু নতুন প্ৰযুক্তি গ্ৰহণৰ সৈতে বৃহৎ অর্থনৈতিক সঁজুলিসমূহ ৰূপায়ণৰ জৰিয়তে উদাৰপন্থী সংস্কাৰৰ পথ গ্ৰহণ কৰাটো অধিক ফলপ্ৰসূ হ'ব।

প্ৰশ্ন নং ৬ৰ উত্তৰ ঃ

ক) নির্ভৰশীলতাৰ স্পষ্ট পৰিভাষাৰ অভাৱ ঃ

নির্ভৰশীলতা তত্ত্বৰ পক্ষপাতীসকলে নির্ভৰশীলতা আৰু অপর্যাপ্ত উন্নয়নৰ এক স্পষ্ট আৰু দ্ব্যর্থহীনভাৱে পৰিভাষা আৰু ব্যাখ্যা দিবলৈ ব্যর্থ হৈছে। তেওঁলোকে কোনখন দেশ নির্ভৰশীল আৰু কোনখন নহয়, সেই বিষয়ে কোনো গ্ৰহণযোগ্য মানদণ্ড প্ৰদান কৰা নাই।

খ) অপর্যাপ্ত উন্নয়নৰ বিভিন্ন কাৰক অন্তর্ভুক্ত কৰাত ব্যর্থতা ঃ

অপর্যাপ্ত উন্নয়নৰ স্বভাৱ বা বৈশিষ্ট্য দেশ তথা মহাদেশ অনুসৰি ভিন্ন। যদি এই অপর্যাপ্ত উন্নয়ন বিশ্ব পুঁজিবাদী ব্যৱস্থাৰ প্রসাৰৰ ফল হ'লহেতেন, তেন্তে ইয়াৰ স্বভাৱ আৰু পৰিসৰ সকলো ক্ষেত্রত একে হ'ব লাগিছিল। লেটিন আমেৰিকাৰ অপর্যাপ্ত উন্নয়নৰ ধৰণ, এছিয়া আৰু আফ্রিকাৰ অপর্যাপ্ত উন্নয়নৰ পৰা সম্পূর্ণৰূপে পৃথক।



১১.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ "নব্য-ঔপনিৱেশবাদ" (Neo-Colonialism) শব্দটো প্রথমে কোনে প্রচলন কৰিছিল?

প্রশ্ন নং ২ ঃ ঔপনিৱেশবাদ আৰু নব্য-ঔপনিৱেশবাদৰ মাজত মুখ্য পার্থক্যটো কি?

প্রশ্ন নং ৩ ঃ নির্ভৰশীলতা তত্ত্বৰ মুখ্য সমর্থক কোন?

প্রশ্ন নং ৪ ঃ নব্য-ঔপনিৱেশবাদৰ অর্থটো সংক্ষেপে লিখক। নব্য-ঔপনিৱেশবাদ বজাই ৰখাৰ পদ্ধতিসমূহ আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ নির্ভৰশীলতা তত্ত্বটো সমালোচনামূলকভাৱে আলোচনা কৰক। আন্তঃৰাষ্ট্রীয় ৰাজনীতি বুজি পোৱাৰ ক্ষেত্রত ইয়াৰ গুৰুত্ব আলোচনা কৰক।

****

অধ্যায় ১২ঃ আন্তর্জাতি সন্ত্রাসবাদ ঃ সমস্যা আৰু প্ৰত্যাহ্বান

অধ্যায় গাঁঠনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ সন্ত্রাসবাদৰ অর্থ আৰু প্রকৃতি
১২.৩.১ আন্তর্জাতিক সন্ত্রাসবাদৰ বৃদ্ধিৰ পর্যায়সমূহ
১২.৪ সন্ত্রাসবাদৰ তত্ত্বসমূহ
১২.৫ সন্ত্রাসবাদী গোটৰ কৌশলসমূহ
১২.৬ আন্তর্জাতিক সন্ত্রাসবাদৰ বিৰুদ্ধে অভিজান
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সন্ত্রাসবাদৰ অর্থ বর্ণনা কৰিব পাৰিব
- আন্তর্জাতিক সন্ত্রাসবাদৰ বৃদ্ধিৰ পর্যায়সমূহ আলোচনা কৰিব পাৰিব
- সন্ত্রাসবাদী গোটসমূহ ব্যৱহাৰ কৰা কৌশলসমূহ বুজিব পাৰিব
- সন্ত্রাসবাদৰ বিৰুদ্ধে গ্রহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

সাম্প্রতিক সময়ত সন্ত্রাসবাদে গোলকীয় স্বৰূপ পোৱাৰ ফলশ্রুতিত বিশ্বৰ প্রায় সকলো অশতে ইয়াৰ বিৰূপ প্রভাৱ দেখিবলৈ পোৱা গৈছে। সন্ত্রাসবাদৰ সমস্যা মানৱ জাতিয়ে বহু দশক ধৰি সন্মুখীন হৈ আহিছে। সাম্প্রতিক বিশ্বত সন্ত্রাসবাদে উন্নত আৰু উন্নয়নশীল উভয় দেশসমূহক লক্ষ্য কৰি লোৱা পৰিলক্ষিত হৈছে। এই অধ্যায়ত আমি সন্ত্রাসবাদৰ সমস্যাৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম।

১২.৩ সন্ত্রাসবাদৰ অর্থ আৰু প্রকৃতি

৯/১১ সন্ত্রাসবাদী আক্রমনৰ পৰৱর্তী সময়ত আন্তর্জাতিক সন্ত্রাসবাদে সৃষ্টি কৰা প্রত্যাহ্বানৰ বিষয়ে বিশ্বৰ দেশসমূহ আৰু নাগৰিকসকল পূর্বতকৈ অধিক সজাগ হৈ উঠিছে। বর্তমান সময়ত

নতুন অভিকর্তা (New Actors) সমূহে ৰাষ্ট্রীয় কতৃত্ত্বক প্রত্যাহ্বান জনাই আহিছে। ইয়াৰ ফলশ্রুতিত সৃষ্টি হোৱা ক্ষমতা দখলৰ সংগ্রামত নিৰীহ নাগৰিক সকলৰ বিস্তৰ ক্ষতি সাধন হোৱা দেখিবলৈ পোৱা যায়। সন্ত্রাসবাদে মূলতঃ হিংসাৰ ব্যৱহাৰ কৰে আৰু সন্ত্রাসবাদী গোটসমূহে বিৰোধীপক্ষৰ মাজত ভয়ৰ সৃষ্টিক মূল লক্ষ্য হিচাপে গ্রহণ কৰে। ইয়াক অসমমিত যুদ্ধ বা 'Assymmetric Warfare' বুলি কোৱা হয়। সন্ত্রাসবাদ এক 'বিবাদিত' শব্দ আৰু সাধাৰণতে অ'ৰাষ্ট্রীয় অভিকর্তা (non-state actors) বোৰে গ্রহণ কৰা হিংসাত্মক কৌশল বুলি অভিহিত কৰিব পাৰি যাৰ দ্বাৰা ৰাষ্ট্রবিৰোধী কার্যকলাপ যেনে অপহৰণ, হত্যা, বলপূর্বক ধন দাবী আৰু নিৰ্বিচাৰ বোমা বিস্ফোৰণ আদি সংঘটিত কৰা হয়।

সন্ত্রাসবাদৰ জৰিয়তে সাধাৰণ নাগৰিকক ভয়-ভাবুকিৰে ৰাজনৈতিক বা কেতিয়াবা ধর্মীয় লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰা হয়। উল্লেখনীয় যে হিংসাত্মক কার্যকলাপ অ'ৰাষ্ট্রীয় অভিকর্তা (Non-state actors) সমূহৰ ওপৰিও ৰাষ্ট্রীয় অভিকর্তা (State actors) সমূহেও সংঘটিত কৰিব পাৰে।

অনান্য হিংসাত্মক কার্যকলাপ আৰু সন্ত্রাসবাদৰ পার্থক্য (Distingushing terrorism from other violent activities) ঃ

হিংসাত্মক কার্যকলাপ অ'ৰাষ্ট্রীয় অভিকর্তা (Non-state actors) তথা ৰাষ্ট্রৰ দ্বাৰাও সম্পদিত অথবা সংঘটিত হ'ব পাৰে। সেয়েহে প্রকৃত অর্থত সন্ত্রাসবাদ মানেনো কি বুজিবলৈ হ'লে— সন্ত্রাসবাদক অনান্য হিংসাত্মক কার্যকলাপৰ পৰা পৃথক কৰা অতি প্রয়োজনীয়।


	পৰম্পৰাগত যুদ্ধ (Conventional War)	গেৰিলা যুদ্ধ (Cruerrilla War)	সন্ত্রাসবাদ (Terroism)
যুদ্ধৰ এককৰ (unit) আকাৰ	ডাঙৰ (সৈন্য বাহিনী বিভাগ)	মধ্যমীয়া (প্লাটুন, কোম্পানী, বেটেলিয়ান)	সৰু (সাধাৰণতে ১০ জনতকৈ কম লোক)
অস্ত্র-শস্ত্র	সম্পূর্ণ সামৰিক ব্যৱস্থাপনা (বায়ুসেনা, গোলা-বাৰুদ)	বেছিভাগ পদাতিক সৈন্য, (পাতল অস্ত্রৰ লগতে কেতিয়াবা কামান বা তোপ)	বন্দুক, গ্রেনেড, অত্যাধুনিক ৰাইফল আৰু বিশেষ বোমা
কৌশল	বিভিন্ন কামাণ্ড বিবাগৰ দ্বাৰা যৌথ অভিযান	কামাণ্ডোৰ দ্বাৰা	অপহৰণ, হত্যা, গাড়ী বোমা বিস্ফোৰণ, বিমান হাইজেকিং, ইত্যাদি
লক্ষ্য	বেছিভাগ সামৰিক বাহিণী, উদ্যোগিক আৰু পৰিবহনৰ আন্তঃগাঁঠনি	বেছিভাগ সামৰিক আৰক্ষী আৰু প্রশাসনৰ কর্মচাৰীৰ লগতে ৰাজনৈতিক বিৰোধী	ৰাষ্ট্রৰ প্রতীকসমূহ ৰাজনৈতিক বিৰোধী আৰু সাধাৰণ ৰাইজ

অভিপ্রেত প্রভাৱ	শাৰীৰিক ক্ষতিসাধন/ধ্বংস	মূলতঃ শত্রুৰ শাৰীৰিক ক্ষতিসাধন	মানসিক চাপ আৰু হেঁচাৰ সৃষ্টি কৰা
নিয়ন্ত্রিত ক্ষেত্র	থাকে	থাকে	নাথাকে
সামৰিক পোচাক	থাকে	প্রায়ে থাকে	নাথাকে
স্বীকৃত যুদ্ধক্ষেত্র	সীমিত ভৌগলিক অঞ্চল	দেশৰ ভিতৰতে সীমিত	সমগ্র বিশ্বজুৰি (কোনো ধৰণৰ নির্দিষ্টতা নাথাকে)
আন্তর্জাতিক বৈধতা	যদি নিয়মৰ দ্বাৰা পৰিচালিত হয়	যদি নিয়মৰ দ্বাৰা পৰিচালিত হয়	নাথাকে
ঘৰুৱা বৈধতা	থাকে	নাথাকে	নাথাকে

উৎস ঃ Adapted from Ariel Merari, "Terrorism as Strategy of insurgency in creed chalianed and Arnawd Blin (eds)– The History of Terrorism : From Antiquity of Al Qaeda.

উৎস ঃ এৰিয়েল মেৰাৰিৰ "টেৰ'ৰিজম এচ এ ষ্ট্রেটেজি অফ ইনচাৰজেঞ্চি'ৰ পৰা গৃহীত, জেৰার্ড চালিয়াণ্ড আৰু আনর্ড ব্লিলৰ সম্পাদিত "দ্য হিষ্টৰি অফ টেৰ'ৰিজম ঃ ফর্ম এণ্টিকোইটি টু আল কায়ডা, কেথৰিন পুলভাৰ আৰু জেদি ব্রাউনাৰ (ৰ্বাকলে ঃ কেলফর্ণিয়া বিশ্ববিদ্যালয় প্রেছ, ২০০৭) ৰ দ্বাৰা নুদিত, পৃষ্ঠা নং - ২৬ কাৰেন ৰাচলাৰ আৰু উইলিয়াম আৰ. থম্পচনৰ, "লুকিং ফ'ৰ ৰেভচ্ অফ টেৰৰিজম এণ্ড পলিটিকেল ভায়লেন্স, ২১: ২৮-৪১, ২০০৯, ২৯ পৃষ্ঠা।

টাইপ'লজিকেল ট্রি অফ' টেৰ'ৰিজম



উৎস ঃ জি. মেকিঙাৰ, "টাইপ'দিকেল ট্রি অফ টেৰ'ৰিজম, ছাৰাহ ভি. মার্চডেন আৰু এলেক্স পি. স্মিথ'ৰ দ্বাৰা সম্পাদিত 'টাইপ'লজিচ অফ টেৰ'ৰিজম এণ্ড পলিটিকেল ভায়লেন্স, দ্য' ৰাউটলেডচ হেণ্ডবুক অফ টেৰ'ৰিজম, ৰিচার্চ ৰাউটলেভচ্, USA ২০১১ পৃষ্ঠা ১৭৩

ঘৰুৱা সন্ত্রাসবাদ আৰু আন্তর্জাতিক সন্ত্রাসবাদৰ বিভিন্ন কাৰকসমূহৰ দ্বাৰা ওতঃপোত ভাৱে জড়িত হৈ থাকে, যেনে— সন্ত্রাসৰ উপায়, লক্ষ্য ইত্যাদি। আনহাতে বহুতো সন্ত্রাসবাদী সংগঠনৰ অনুপ্রেৰণা, বিত্তীয় সাহার্য, প্রশিক্ষন আৰু অস্ত্র-শস্ত্রৰ ক্ষেত্রত বিদেশী সংগঠনসমূহৰ সৈতে সু-সম্পর্ক থাকে। সেয়েহে ঘৰুৱা আৰুৰ আন্তর্জাতিক সন্ত্রাসবাদৰ মাজত পার্থক্য নির্দ্ধাৰন

কৰিবলৈ হ'লে প্রকাৰৰ পৰিৱর্তে মাত্রাৰ (Degree) ওপৰত নির্ভৰ কৰিব লগা হয়।

সন্ত্রাসবাদৰ সংজ্ঞা (Defining Terrorism)

সন্ত্রাসবাদৰ চৰিত্র আৰু প্রকৃতি অতি জটিল, সেয়েহে সন্ত্রাসবাদৰ সর্ব গ্রহন যোগ্য সংজ্ঞা নির্দ্ধাৰণৰ ক্ষেত্রত নীতি নির্ধাৰক আৰু শিক্ষাবিদসকল জটিলতাৰ সন্মুখীন হৈ আহিছে। সাধাৰন অর্থত সন্ত্রাসবাদ এক হিংসাত্মক কার্য কিন্তু সন্ত্রাসবাদৰ বিভিন্ন কাৰণ, ব্যৱহাৰ কৰা বিভিন্ন উপায় আৰু ইয়াৰ বিভিন্ন লক্ষ্য সমূহে স্পষ্ট আৰু এক নির্দিষ্ট সংজ্ঞা গ্রহণত সমস্যাৰ সুষ্টি কৰে।

সন্ত্রাসবাদৰ বিভিন্ন সংজ্ঞাসমূহ (Different Definations of Terrorism)

- ৱাল্টাৰ লাকুৰেৰ (Walter Laqueur) ঃ "সন্ত্রাসবাদ হৈছে হিংসাৰ ব্যৱহাৰ বা হিংসাৰ ব্যৱহাৰৰ ভাবুকি, যুদ্ধৰ এক পদ্ধতি বা কিছুমান নির্দিষ্ট লক্ষ্য প্রাপ্তিৰ কৌশল ..... ইয়াৰ লক্ষ্য ভুক্তভোগীৰ মাজত ভয়ৰ সৃষ্টি কৰাৰ, য'ত নিষ্ঠুৰ আৰু অমানবীয় পদ্ধতি ব্যৱহাৰ কৰা হয়।

  'প্রচাৰ' সন্ত্রাসবাদৰ এক অপৰিহার্য উপাদান" (লাকুৰেৰ, ৱাল্টাৰ (১৯৮৭)। দ্য এইজ অফ টেৰ'ৰিজম (২য় সংস্কৰণ)। বষ্টনঃ লিটল এণ্ড ব্রাউন. পৃ. ১৪৩
- এলেক্স স্মিড আৰু এলর্বাট জংমেন (Alex Schmid and Albert Jongman) ঃ "সন্ত্রাসবাদ হৈছে বাৰে বাৰে কৰা হিংসাত্মক কার্যৰ এক উদ্বেগজনক পদ্ধতি। যিটো (অধ) গোপনীয় ব্যক্তি, গোট বা ৰাষ্ট্রীয় অভিকর্তাৰ (State actors) দ্বাৰা নীতিগত, অপৰাধমূলক বা ৰাজনৈতিক কাৰণত ব্যৱহাৰ কৰা হয়। হত্যায়ে লক্ষ্য যদিও প্রত্যক্ষ যুদ্ধ বা হিংসা ব্যৱহাৰ কৰা নহয়। হিংসাৰ ব্যৱহাৰ কৰিবলৈ ভুক্তভোগীসকলক সাধাৰণতে যাদৃচ্ছিকভাৱে (Randomly) (সুবিধাৰ লক্ষ্য অনুযায়ী) বা কোনো নির্দিষ্ট জনগোষ্ঠীৰ পৰা নির্বাচিত (প্রতিনিধিত্বমূলক) বাছনি কৰা হয় আৰু ইয়াৰ জৰিয়তে বার্তা প্রেৰণ কৰিবলৈ চেষ্টা কৰা হয়।"

  (স্মিড, এলেক্স আৰু জংমেন এলবার্ট (১৯৮৮), পলিটিকেল টেৰ'ৰিজম ঃ এ নিউ গাইড টু এক্টর্ছ, অথছ. কনচেপ্টছ, ডাটা বেছেছ থিয়ৰীজ এণ্ড লিটাৰেচাৰ, আমষ্টাৰভাস ঃ নর্থ হলণ্ড, টেন্সজেকচন, বুকচ. পৃ. ২৮)
- ডেভিড ৰেপ'পর্ট (David Rapoport), "সন্ত্রাসবাদ হৈছে কোনো ভাৱধাৰাক লক্ষ্য কৰি নির্দিষ্ট সহানুভুতি আদায় কৰাৰ চেষ্টা।

  (ৰেপ'পর্ট, ডেভিড চি. (১৯৭৭, নৱেম্বৰ ২০) দ্য গভর্ণমেণ্ট ইজ আপ হ'ন দ্য এয়াৰ অভাৰ কমবেটিং টেৰ'ৰিজম, নেচনেল জার্ণেল, ৯, ১৮৫৩-১৮৫৮)।
- য়োনা আলেকজেণ্ডাৰ (Yonah Alexander), "সন্ত্রাপ্লবাদ হৈছে কোনো নাগৰিকক হিংসাৰ জৰিয়তে ভাবুকি প্রদান কৰা অথবা জনমানসত ভয়ৰ পৰিৱেশ সৃষ্টিৰে ৰাজনৈতিক লক্ষ্য প্রাপ্তিৰ এক প্রচেষ্টা।

(আলেকজেণ্ডাৰ য়োনা (১৯৭৬), ইণ্টাৰনেচনেল টেৰৰিজম ঃ নেচনেল ৰিজিঅ'নেল এণ্ড গ্ল'বেল পার্চপেক্টিভছ। নিউইর্ক, প্রেগাৰ, পৃঃ xi)

নীত নির্ধাৰক আৰু শিক্ষাবিদসকলৰ অসংখ্য প্রচেষ্টাৰ পিছতো 'সন্ত্রাসবাদ' এক বিবাদিত শব্দ হিচাপেই পৰিগণিত হৈ ৰৈছে। কিয়নো সন্ত্রাসবাদৰ কোনো ধৰণৰ সর্বসন্মত সংজ্ঞা নাই। উল্লেখযোগ্য যে কোনোবাই সন্ত্রাসবাদী বুলি অভিহিত কৰিব বিচৰা ব্যক্তিক আন এজনে মুক্তি যুজাঁৰু আখ্যা দিবলৈ বিচাৰে। সন্ত্রাসবাদৰ সর্ব সন্মত সংজ্ঞা প্রস্তুত আৰু গ্রহণৰ ক্ষেত্রত মূল সমস্যাটো হ'ল যে— সাম্প্রতিক সময়ত ইয়াৰ লগত বহুতো নৈতিক অর্থ জড়িত হৈ পৰিছে। ইয়াৰ সামন্তৰালভাৱে ভাল আৰু বেয়া সন্ত্রাসবাদ, ঘৰুৱা আৰু আন্তজার্তিক সন্ত্রাসবাদৰ দৰে শ্রেণীবিভাজনৰ দৰে বিষয়বোৰে জনপ্রিয়তা লাভ কৰিছে। তাৰ লগতে সন্ত্রাসবাদ সৃষ্টিৰ 'মূল কাৰণ' আৰু সন্ত্রাসবাদ বিৰোধী অভিযানসমূহত মানৰ অধিকাৰ উলংঘাৰ আৰোপ সমূহেও বিশেষ গতি লাভ কৰিছে।

সন্ত্রাসবাদৰ সংজ্ঞা দিয়াটো কিয় জটিল ? (Why terrorism is difficult to define?)

ব'জ গানোৰে (Boaz Ganor) নিম্নলিখিত কাৰণসমূহ চিনাক্ত কৰিছে—

১) কাৰণ সন্ত্রাসবাদ এক বিতর্কিত ধাৰণা আৰু ইয়াৰ ৰাজনৈতিক আইনী, সমাজ বিজ্ঞানৰ আৰু বিভিন্ন জনপ্রিয় ধাৰণাবোৰৰ পৰা সম্পূর্ণ পৃথকতা আছে।

২) কাৰণ ধাৰণাটোৰ সৈতে আদর্শগত আৰু নিষিদ্ধকৰণৰ দৰে প্রশ্ন জড়িত হৈ থাকে।

৩) কাৰণ সন্ত্রাসবাদৰ বিভিন্ন প্রকাৰ আৰু চৰিত্র আছে।

৪) সন্ত্রাসবাদৰ ধাৰণাটোৱে প্রায় ২০০ বছৰতকৈও অধিক সময়ত বিভিন্ন অর্থ আৰু সংজ্ঞাৰ মাজেৰে পাৰ হৈ আহিছে।

৫) কিয়নো সন্ত্রাসবাদী সংগঠবোৰ (অর্ধ) গোপনে থাকে আৰু গোপনীয়তাই বস্তুনিষ্ঠ বিশ্লেষণ কৰাটো কঠিন কৰি তোলে।

৬) কিয়নো সন্ত্রাসবাদীৰ বস্তুনিষ্ঠ সংজ্ঞাৰ সৈতে সন্ত্রাসবাদীসকলে সন্ত্রাসবাদ নিজৰ (ৰাষ্ট্রীয়) স্বার্থত ব্যৱহাৰ কৰিছে নে নাই সেই ধৰণত প্রশ্নও জড়িত হৈ পৰে ফলত দ্বৈত মানদণ্ড (Double standard tend) ৰ প্রয়োগেৰে পৰীক্ষাৰ প্রাসংগিতা আহি পৰে।

৭) কিয়নো সন্ত্রাসবাদ আৰু অনান্য ৰাজনৈতিক হিংসা (যেনে— হত্যা, গেৰিলা যুদ্ধ) ৰ সৈতে থকা পার্থক্য সীমাৰেখা অতি অস্পষ্ট আৰু অনিশ্চিত।

৮) কিয়নো ৰাষ্ট্রই একচেটিয়া ক্ষমতাৰ প্রয়োগৰ বাবে ব্যৱহাৰ কৰা দমনমূলক কার্যকলাপ (যেনে— নির্বিচাৰ দমন) ইত্যাদিক সন্ত্রাসবাদৰ আইনী সংজ্ঞাৰ পৰা বাদ দিব পাৰে।

৯) কিয়নো সন্ত্রাসবাদ হিংসাত্মক কার্য আৰু ইয়াৰ প্রতিক্রিয়া হিচাপে সৃষ্টি হোৱা বিভিন্ন কার্যকলাপৰ বিভিন্ন সংমিশ্রিত কাৰণসমূহৰ সৈতে জড়িত।

১০) বিভিন্ন প্রতিষ্ঠিত লেখকে ৰাষ্ট্র আৰু অ'ৰাষ্ট্রীয় অভিকর্তাৰ বাবে পৃথক শব্দ ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায় (যেনে— সৈন্য বনাম হিংসা, সন্ত্রাস বনাম সন্ত্রাসবাদ ইত্যাদি)।

১১) কাৰণ শব্দটোৰ ধাৰণাগত আৰু আদর্শগত অর্থ ব্যৱহাৰকাৰীসকলে পৃথক বৱহাৰ কৰে

(যেনে— অপৰাধী ন্যায়িক মডেল (Criminal Justice Model), যুদ্ধৰ আর্হি (War Model)।

১২) কাৰণ সন্ত্রাসবাদৰ আলোচনাৰ লগত আত্ম-নির্ণয় আৰু বিদেশী আমোলাতন্ত্র আৰু বৈষম্যবাদৰ বিৰুদ্ধে সশস্ত্র বিৰোধৰ দৰে বিষয় সমূহ জড়িত হৈ থাকে।

১৩) কিয়নো সন্ত্রাসবাদৰ ৰগত জড়িত ব্যক্তিসকলে প্রায়ে সশস্ত্র সংগ্রামৰ বৈধ কিছু ৰূপৰ লগত জড়িত হয়, যেনে— দলীয় ৰাজনৈতিত অংশগ্রহণ।

১৪) কিয়নো সন্ত্রাস দমনৰ নামত সন্ত্রাসবাদ বুলি অভিহিত কৰা সমলতকৈ অধিক হিংসাত্মক কার্যকলাপ সংঘটিত হ'ব পাৰে।

১৫) কিয়নো সন্ত্রাসবাদৰ হিংসাত্মক কার্যকলাপৰ মূল্যায়ন, অভিকর্তাৰ স্ব-লক্ষ্য আৰু মর্যাদাৰ লগত ওতঃপোত ভাৱে জড়িত।

উৎস ঃ ৰোৱাজ গামোৰ, 'ডিফাইনিং টেৰ'ৰিজম ঃ ইজ ৰান মেনছ টেৰ'ৰিষ্ট এনাদাৰ মেনছ ফ্রীডম ফাইটাৰ?" আইচিচি পেপার্চ, ৪ আগষ্ট ১৯৯৮, পৃ. ২২-২৩

সন্ত্রাসবাদৰ ধাৰণাটোৱে জটিলৰ পৰা জটিলতাৰ ৰূপ ধাৰণ কৰে যেতিয়া ৰাষ্ট্রয়ে নিজেই নিৰীহ নাগৰিকৰ ওপৰত অত্যাচাৰ চলায়। ৰেবাৰে যুক্তি আগবঢ়াইছে যে— ৰাষ্ট্রয়ে হৈছে এনে এক সত্বা যিয়ে কোনো নির্দিষ্ট সীমাৰেখাৰ ভিতৰত শক্তিৰ বৈধ ব্যৱহাৰ কৰিব পাৰে। ৰাষ্ট্রয়ে নিজৰ অখণ্ডতা আৰু সার্বভৌমত্বৰ ৰক্ষাৰ প্রতি 'ঘৰুৱা' অথৱা আন্তজার্তিক বহু প্রত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। লাকুৰেৰে (Laquerar) (১৯৯৬) মতে— সমসাময়িক ৰাষ্ট্রসমূহে 'সন্ত্রাসবাদক' সমর্থন কৰি ভুৱা (promis) কৌশল হিচাপে প্রয়োগ কৰে, কিয়নো পৰম্পৰাগত বহিঃৰাজ্যৰ লগত যুদ্ধ আৰু আক্রমন অতি ব্যয়বহুল আৰু অনিশ্চিত। সেয়েহে ৰাষ্ট্রসমূহে শত্রু ৰাষ্ট্রক আক্রমন কৰিবলৈ সন্ত্রাসবাদক ব্যৱহাৰ কৰে, তাৰ ফলস্বৰূপে শত্রু ৰাষ্ট্রয়ে সন্ত্রাসবাদ বিৰোধী কার্যকলাপত যথেষ্ট খৰচ কৰিব লগা হয়, ইয়াৰ উপৰিও যথেষ্ট হতাহতিৰ সন্মুখীন হোৱাৰ লগতে ভৱিষ্যতে হ'ব পৰা সংঘাত প্রতিহিত কৰিবলৈ যথেষ্ট সামৰিক সম্পদ ব্যৱহাৰ কৰিব লগা হয়। ৰাষ্ট্রয়ে ব্যৱহাৰ কৰা এনে ধৰণৰ কার্যকলাপ যদিওবা স্ব-দৃষ্টিকোনেৰে চালে সঠিক যেন লাগে কিন্তু ইয়াৰ ফলত নিৰীহ নাগৰিকসকল হিংসাত্মক কার্যকলাপৰ বলি হয়।

ডেভিড ক্লাৰিজৰ (David Claridge) মতে ৰাষ্ট্রীয় সন্ত্রাসবাদৰ আর্হিয়ে (Model of State terrorism) তলত দিয়ঙ্গ দিশসমূহ প্রদর্শন কৰে—

১. ই পদ্ধতিগত
২. ই প্রকৃততে বা সম্ভৱনাময়ভাৱে হিংসাত্মক
৩. ই ৰাজনৈতিক
৪. ইয়াক ৰাষ্ট্রৰ এজেণ্ট বা ৰাষ্ট্রৰ সম্পদৰ ব্যৱহাৰ কৰা ভূৱা (প্রক্সিৰ) দ্বাৰা সংঘটিত কৰা হয়।

৫. ইয়াক ভয় সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰা হয়।

৬. ইয়াক তাৎক্ষণিক ভুক্তভোগী সকলতকৈ, অধিক জনমানসত বিশেষ বার্তা প্রেৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

৭. লক্ষ্য ৰখা হয় যে ভুক্তভোগীসকল যাতে নিৰস্ত্ৰ হয় আৰু হিংসা ব্যৱহাৰ কৰাৰ সময়ত যাতে প্রতিৰক্ষা আৰু আক্রমন কৰিব নোৱাৰে।

১২.৩.১ আন্তজার্তিক সন্ত্রাসবাদৰ বিকাশৰ পর্যায়

সন্ত্রাসবাদৰ ইংৰাজী প্রতিশব্দ 'টেৰ'ৰিজম্ (Terrorism) লেটিন ভাষাৰ শব্দ টেৰেৰে (Terrore) শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অর্থ ভয়ৰ সৃষ্টি কৰা। ফৰাচী বিপ্লৱৰ সময়চোৱাত সন্ত্রাসৰ শাসন (১৭৯৩-১৭৯৪)ৰ ফলত মেক্সিমিলিয়ান ৰবেস্পিয়েৰৰ (Maximillien Robespierre) অধীনত জেকবিনসকলৰ উত্থান হৈছিল। পৰৱর্ত্তী সময়ত, ঊনবিংশ আৰু বিংশ শতিকাত, সর্বাত্মকবাদী আৰু একনায়কত্ববাদী শাসন ব্যৱস্থাৰ দ্বাৰা পৰিচালিত ৰাষ্ট্রীয় সন্ত্রাসবাদে (যেনে— নাজী-জার্মানী, ৰাছিয়া আৰু চীনত কমিউনিষ্ট শাসন, কম্বোডিয়াত প'লপট) লাখ লাখ মানুহৰ ওপৰত অত্যাচাৰ চলাইছিল। আর্চডিউক ফ্রাঞ্জ সংঘটিত হোৱাত সাৰ-পানী যোগাইছিল। ১৯৭২ চনৰ গ্রীষ্মকালীন অলিম্পিকত সংঘটিত মিউনিক হত্যাকাণ্ডয়ে সন্ত্রাসবাদৰ বিকাশৰ এক নতুন দিশৰ সূচনা কৰিছিল, য'ত সন্ত্রাসবাদী সংযঠনবোৰে গৃহভূমিৰ সীমা পাৰ হৈ বহিঃৰাষ্ট্রতো হিংসাত্মক কার্যকলাপ সংঘটিত কৰিবলৈ সক্ষম হৈছিল। ২০০১ চনৰ ১১ ছেপ্টেম্বৰৰ সন্ত্রাসবাদী আক্রমন আৰু আৰব বসন্ত (Arab spring) 'নৱ সন্ত্রাসবাদ'ৰ ধাৰা সৃষ্টি কৰিলে ধর্মক' সংগঠনত নতুন সদস্য ভর্তিৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰা আৰম্ভ কৰিলে, যাৰ ফলস্বৰূপে সন্ত্রাসবাদী সংগঠনসমূহৰ (আল-কায়ডা আৰু আইছিছ) নেটৱর্ক সমূহ বিশ্বব্যাপী পৰিচালিত হ'ল।

ডেভিড ৰিপ'পর্টে (David Rapoport) আন্তজার্তিক সন্ত্রাসবাদ আৰু ইতিহাসৰ ওপৰত গৱেষনা কৰি চাৰিটা প্রধান ঢৌৰ বিষয়ে উল্লেখ কৰিছে— প্রথমটো ঢৌ (অৰাজকবাদী / Anarchist) ১৮৮০ চনত ৰাছিয়াত আৰম্ভ হৈছিল আৰু ১৯২০ চনলৈকে চলিছিল। দ্বিতীয়টো ঢৌ (উপনিৱেশবাদবিৰোধী) ১৯২০ চনত আৰম্ভ হৈ ১৯৬০ চনত শেষ হৈছিল। তৃতীয় (নতুন বাওঁপন্থী) ঢৌ ১৯৬০ চনত আৰম্ভ হৈ ১৯৮০ চনলৈকে চলিছিল আৰু চতুর্থ (ধর্মীয়) ঢৌ ১৯৭৯ চনত উদ্ভৱ হৈছিল আৰু বর্তমানলৈকে চলি আছে।

ৰেপ'র্টৰ সন্ত্রাসবাদৰ চাৰিটা ঢৌ

ঢৌ	প্রাথমিক কৌশল	লক্ষ্য পৰিচয়	অংশগ্রহণকাৰী	বিশেষত্ব
নৈৰাজ্যবাদ ১৮৭০-১৯১০	ইলিট্চ, হত্যা, বেংক ডকাইতি	মূখ্যত ইউৰোপীয় ৰাষ্ট্রসমূহ	বিফলতা ঃ ৰাজনৈতিক সংস্কাৰৰ মন্দুৰতা	সন্ত্রাসবাদৰ মৌলিক কৌশলসমূহ ৰ বিকাশ
জাতীয়তাবাদী ১৯২০-১৯৬০	আৰক্ষী আৰু সামৰিক বাহিনীৰ ওপৰত গেৰিলা আক্রমন	ইউৰোপীয় সাম্রাজ্য	১৯১৯ চনৰ পিছত সাম্রাজ্যৰ অৱনতি	আন্তজার্তিক সমর্থনৰ বৃদ্ধি (ৰাষ্ট্রসংঘ)
নৱ-বাওঁপন্থী ১৯৬০-১৯৮০	অপহৰণ, হত্যা	সাধাৰণতে চৰকাৰসমূহ, আমেৰিকাৰ ওপৰত বিশেষ লক্ষ্য	ভিয়েটকংৰ সফলতা	আন্তজার্তিক প্রশিক্ষন, সহযোগৰ বৃদ্ধি
ধর্মীয় ১৯৭০-২০২০	আত্মঘাতী বোমা	আমেৰিকা, ইজৰাইল আৰু মুছলমান জনসংখ্যাৰে সৈতে ধর্মনিৰপেক্ষ ৰাষ্ট্রসমূহ	ইৰানী বিপ্লৱ, আফগানিস্তানত ছোভিয়েটৰ দখল	হতাহতিৰ সংখ্যা বৃদ্ধি, সন্ত্রাসবাদী গোটৰ সংখ্যা হ্রাস

আমি লক্ষ্য কৰিলে দেখিবলৈ পাওঁ যে বর্তমান সময়লৈকে সন্ত্রাসবাদী গোটসমূহ আৰু গোটসমূহৰ ৰণ কৌশল যথেষ্ট পৰিবর্তন হৈছে। পৰম্পৰাগত বা পুৰণি সন্ত্রাসবাদ মূলতঃ শ্রেণীবদ্ধ আৰু জাতীয়তাবাদী ভাৱধাৰাৰ দ্বাৰা গঠিত আছিল। সাম্প্রতিক বা নতুন সন্ত্রাসবাদৰ ভাৱধাৰা অতি বিক্ষিপ্ত- সন্ত্রাসবাদত ধর্ম আৰু ধর্মীয় অনুভুতিৰ ব্যৱহাৰে সন্ত্রাসবাদী কার্যকলাপত লোকসকলক অংশগ্রহণ কৰিবলৈ অনুপ্রেৰণা যোগোৱা ইয়াৰ মূখ্য উদ্দেশ্যত পৰিগণিত হৈছে। বর্তমান সময়ত সন্ত্রাসবাদী গোটসমূহে সামাজিক মাধ্যম'ৰ ব্যৱহাৰ কৰি ত্রাসৰ সৃষ্টি কৰাৰ লগতে লক্ষ্যৰ প্রচাৰ আৰু প্রসাৰৰ জৰিয়তে নতুন অনুগামীৰ অংশগ্রহণ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

পুৰণি আৰু নতুন সন্ত্রাসবাদৰ পার্থক্য

পুৰণি সন্ত্রাসবাদ			নতুন সন্ত্রাসবাদ	
সাংগঠনিক গাঁঠনি	শ্রেণীবদ্ধ	পৰম্পৰাগত গোটসমূহৰ এক শ্রেণীবদ্ধ গাঁঠনি আছে	নেটৱর্কযুক্ত	ই অধিক বিক্ষিপ্ত আৰু ইয়াৰ সমর্থন বিশ্বব্যাপি
কার্যকলাপৰ পৰিসৰ	গৃহভূমিৰ ভিতৰত (ভূখণ্ডভিত্তিক)	ই জাতীয়বাদী বা বিচ্ছিন্নতাবাদী কার্যসূচীৰ সৈতে জড়িত আৰু সেইকাৰণে, কোনো নির্দিষ্ট দেশ বা অঞ্চলৰ পৰিস্থিতিৰ ওপৰত নির্ভৰশীল।	গৃহভূমিৰ বাহিৰত	নতুন সন্ত্রাসবাদৰ বহুল ভৌগলিক লক্ষ্য উদ্দেশ্য আছে। বিশ্বৰ বর্তমান ব্যৱস্থাৰ উফৰাই এক নতুন ধর্মীয় বিশ্ব শৃংখল স্থাপন কৰিব বিচাৰে।
উদ্দেশ্য	ৰাজনৈতিক জাতীয়তাবাদী	পৰম্পৰাগত সন্ত্রাসবাদী গোটসমূহ ধর্ম নিৰপেক্ষ বিষয় সমূহৰ দ্বাৰা অনুপ্রাণিত হৈছিল যি ৰাজনৈতিক আদর্শৰ পৰা উদ্ভৱ হৈছিল- জাতীয়তাবাদী বিচ্ছিন্নতাবাদী, জাতিগত সংঘাত আৰু কর্মজীৰী শ্রেণীৰ স্বাধীনতাৰ সংগ্রাম ইত্যাদি।	ধর্মীয় গোড়ামী	নতুন সদস্যভর্তিত ধর্মীয় অনুভূতিয়ে অনুপ্রাণিত কৰে। সংস্কৃতিৰ পার্থক্যতা, আনৰ ধর্মৰ ওপৰত নিজৰ ধর্মৰ শ্রেষ্ঠতাৰ প্রচাৰ সন্ত্রাসবাদী গোটসমূহৰ মূল লক্ষ্য।
কৌশল	সংঘত হিংসা	পৰিসৰ আৰু লক্ষ্য সীমিত	চৰম হিংসা	চৰম হিংসা আৰু নিৰ্বিচাৰ, ছচিয়েল মেডিয়াৰ ব্যৱহাৰৰ জৰিয়তে প্রসাৰ আৰু প্রচাৰ।
ৱেষ্টফেলিয়ান (Westphalian) ব্যৱস্থাৰ প্রতি দৃষ্টিভংগী	ব্যৱস্থা সমর্থক	জাৰকাল (Zarakol)ৰ মতে জাতিগত- ৰাষ্ট্রবাদৰ সৈতে পৰম্পৰাগত সন্ত্রাসবাদ, আদুনিক ৰাষ্ট্রব্যৱস্থাৰ সংগঠিত কৰা নিতিসমূহৰ লগত জড়িত। ৰাষ্ট্রবাদী আৰু বিচিন্নতাবাদীসকলে ভূমিৰ অধিকাৰ দাবী কৰি স্থানীয় বহুত্ব স্থাপনক চেষ্টা কৰে যিটো ৱেষ্টফেলিয়ান ব্যৱস্থাৰ সৈতে সাদৃশ্য দেখা যায়।	ব্যৱস্থাৰ প্রতি ভাবুকি	ধর্মীয় ভিত্তিৰ ওপৰত সন্ত্রাসবাদী গোটসমূহে সমর্থন কৰা ৰাজনৈতিক লক্ষ্য আৰু আঞ্চলিক দাবীসমূহ ৱেষ্টফেলিয়ান ব্যৱস্থাৰ (Westphelian) পৰপন্থী। সেয়েহে ই জাতি ৰাষ্ট্রৰ প্রতি প্রত্যক্ষ ভাবুকিৰ সৃষ্টি কৰে।

নতুন সন্ত্রাসবাদে বর্তমান সময়ত নতুন মাত্রা লাভ কৰিছে আৰু মানৱ জাতিৰ সন্মুখত নতুন প্রত্যাহ্বান স্বৰূপে থিয় দিছে—

(১) সন্ত্রাসবাদী সংগঠনবোৰ অধিক নেটৱর্কৰ জৰিয়তে শিপাই পৰিছে।

(২) সন্ত্রাসবাদী সংগঠনবোৰৰ পৰিচয় চিনাক্ত কৰাটো অধিক কঠিন হৈ পৰিছে।

(৩) সন্ত্রাসবাদীৰ দাবীবোৰ অধিক অস্পষ্ট আৰু অস্তিত্বহীন

(৪) সন্ত্রাসবাদীৰ আদর্শবোৰ অধিক ধর্মীয় হৈ পৰিছে।

(৫) সন্ত্রাসবাদীৰ হিংসাৰ কূটাঘাটৰ লক্ষ্যসমূহ বিশ্বজুৰি থাকে

(৬) সন্ত্রাসবাদীৰ হিংসা অধিক নির্বিচাৰ হৈ পৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১ ঃ সন্ত্রাসবাদৰ অর্থ চমুকৈ লিখক।

.....

.....

প্রশ্ন ২ ঃ সন্ত্রাসবাদৰ চাৰিটা টো কি কি?

.....

.....

প্রশ্ন ৩ ঃ পুৰণি আৰু নতুন সন্ত্রাসবাদৰ মাজৰ এটা পার্থক্য উল্লেখ কৰক।

.....

.....

১২.৪ সন্ত্রাসবাদৰ তত্ত্ব (Theories of Terrorism)

সন্ত্রাসবাদৰ মূল কাৰণৰ মৌলিক ধাৰণাটো হ'লে যে কিছুমান পৰিস্থিতি আৰু বিশেষ পৰিৱেশে মানুহৰ মাজত ব্যাপক অসন্তুপষ্টিৰ সৃষ্টি কৰে, আৰু এই অসন্তুষ্টিৰ কিছুমান ক্ষীপ্র কাৰকৰ লগত মিলিত হৈ সন্ত্রাসবাদী সংগঠনৰ সৃষ্টি আৰু সন্ত্রাসবাদী কার্যকলাপৰ উদ্ভৱ কৰে। দৰিদ্রতা, জনসংখ্যাগত কাৰক, সামাজিক বৈষম্য আৰু বর্জন, বেদখল আৰু ৰাজনৈতিক অসন্তুষ্টিৰ দৰে কাৰকসমূহে সন্ত্রাসবাদ সৃষ্টিও প্রত্যক্ষ বা পৰোক্ষ ভূমিকা পালন কৰে।

অনুমোদনমূলক গাঠনিগত কাৰক (Permissive Structureal Factors)	প্রত্যক্ষ মূল কাৰক (Direct Root Cause)
১ মতে, 'দৰিদ্রতাক সন্ত্রাসবাদৰ প্রজনন ক্ষেত্র হিচাপে চিহ্নিত কৰা হৈছে। আফগানিস্তান, পাকিস্তান, ছোমালিয়া, ইয়েমেন. চুডান আৰু আলজেৰিয়াৰ দৰে দৰিদ্র আৰু ব্যর্থ ৰাষ্ট্রবোৰত এক ৰাজনৈতিক শূণ্যৱস্থা আৰু গৰিষ্ঠসংখ্যক লোক দৰিদ্রতাৰ মাজত জীৱন নির্বাহ কৰে। সেয়েহে সেই ৰাষ্ট্রসমূহ গোলকীয় সন্ত্রাসবাদৰ উর্বৰভূমি হৈ পৰিছে।	চৰম দৰিদ্রতা, সামাজিক বর্জন আৰু বৈষম্যই সামাজিক গোটসমূহৰ মাজৰ সম্পর্ক আৰু 'আনুভূমিক বৈষম্য (Horizontal inequalities)ক প্রভাৱিত কৰে আৰু ই সংঘাতৰ অন্যতম সৃষ্টিক্ষেত্রলৈ ৰূপান্তৰ হয়।
২ য়তে দ্রুত জনসংখ্যা বৃদ্ধিৰ হাৰ আৰু কোনো অঞ্চলৰ জনসংখ্যাৰ গাঠনিত পৰিবর্তন, বিশেষকৈ যিবোৰ দেশত সম্পদৰ নাটনি আৰু নিযুক্তিৰ সুযোগ কম, তেনে দেশত নৱ-প্রজন্ম সহজতে সন্ত্রাসবাদী সংগঠনৰ দ্বাৰা প্রভাৱিত হয়।	মানৱ অধিকাৰৰ উলংঘা, বিচ্ছিন্নতা আৰু বিতৃষ্ণাৰ লগতে অন্যায়-অত্যাচাৰৰ সন্মুখীন হ'লে জাতিগত ধর্মীয় গোটসমূহ অধিক হিংসাত্মক হৈ উঠে। ভোটাধিকাৰৰ পৰিৱর্তে অস্ত্রৰ দ্বাৰা তেওঁলোকে অতীজৰে পৰা ভুগি অহা অন্যায়বোৰৰ পৰা মুক্তি হ'বলৈ বিচাৰে।
দ্রুত নগৰিকৰণৰ ফলত সৃষ্টি হোৱা নিৱনুৱা সমস্যা আৰু দৰিদ্রতাই যুৱক-যুৱতীসকলৰ বাবে প্রতিকুল পৰিস্থিতিত সন্ত্রাসবাদী নেটৱর্কসমূহে যুৱক-যুৱতীসকলক শোষন কৰে।	ধর্মীয় আৰু সাংস্কৃতিক পার্থক্যই মানুহৰ মাজত উত্তেজনাৰ সৃষ্টি কৰে। সাংস্কৃতিক সাম্রাজ্যবাদ বা আনৰ ওপৰত সাংস্কৃতিক মূল্যবোধ জাপি দিয়া কার্যই সন্ত্রাসবাদৰ সৃষ্টি কৰে।

উৎস ঃ এডৱার্ড নিউমেনৰ "এক্সপ্লৱিং দ্য ৰ'ট কচ অফ ট্রো'ৰিজম"

আপেক্ষিক বঞ্চিততা, দৰিদ্রতা, নিৱনুৱা সমস্যা, বহিস্কাৰ (exclusion), অন্যায় ইত্যাদি কাৰকসমূহে সন্ত্রাসবাদ সৃষ্টিত অৱিহনা যোগাই আৰু সন্ত্রাসবাদী গোটত যোগদান কৰিবলৈ অনুপ্রেকৰ কাম কৰে। কিন্তু উল্লেখযোগ্য যে ইয়াৰে কোনো এটা কাৰকেই সন্ত্রাসবাদৰ মূল কাৰক হিচাপে চিহ্নিত কৰিব পৰা নাযায়। কিয়নো বহু কাৰকে বহু স্তৰত ক্রিয়া সম্পদান কৰে— ব্যক্তিগত সামুহিক আৰু ৰাষ্ট্রীয় স্তৰত। প্রতিটো স্তৰৰ ফলাফল আৰু লক্ষ্য বেলেগ বেলেগ হ'ব পাৰে।

অৱস্থা চলক (Condition Variables)

অনুমোদনমূলক কাৰক

- নিৱনুৱা
- নগৰিকৰণ
- চহৰলৈ প্ৰৱজন
- জনসংখ্যা পৰিবর্তন
- সামাজিক পৰিবর্তন

স্বাধীন চলক (Inependent Variables)

প্রত্যক্ষ কাৰক

- অসমতা
- বহিস্কাৰ (exclusion)
- দমন
- অধিকাৰ চ্যুত কৰা
- মানহানিৰ অনুভৱ
- বিদেশীৰ দ্বাৰা শাসন
- জাতিৰ পৰিচয়ৰ সংঘাত
- হিংসাত্মক সংঘাত
- গোলকীয়কৰণৰ নকৰাত্মক ফলাফল
- হঠাতে হোৱা অর্থনীতিৰ দুৰৱস্থা

মধ্যৱর্ত্তী চলক (Intervening Variables)

অনুঘটক কাৰক (Catalytic Condition)

- নেতৃত্ব
- অর্থৰ যোগান
- ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত

নির্ভৰশীল চলক (Dependent Variables)

- সন্ত্রাসবাদ

উৎস ঃ এডৱার্ড নিউমেনৰ, "এক্সপলিৰিং দ্য ৰুট ক'জেচ অফ টেৰ'ৰিজম"

ওপৰৰ চিত্রখনত আমি স্পষ্টকৈ দেখিবলৈ পাওঁ যে কিছুমান অনুমতিমূলক (Permissive) কাৰকে প্রত্যক্ষভাৱে দৰিদ্রতা, দমন, বেদখল আদিৰ অৱস্থা সৃষ্টি কৰে। এই অৱস্থাৰ সুযোগ গ্রহন কৰি সংগঠন আৰু একাংশ নেতায়ে সন্ত্রাসবাদলৈ পর্যবেক্ষিত কৰে।

সন্ত্রাসবাদৰ গঠন আৰু ভৰিযানসমূহক প্রবাৰিত কৰা কেবিটাও কাৰক আছে। সন্ত্রাসবাদৰ গঠন আৰু অভিযানৰ মূল কাৰকসমূহ কিছুমান নিকট কাৰণ (Provimate causes)ৰ দ্বাৰা সমর্থিত গয়, ইয়াৰ সমান্তৰালভাৱে কিছুমান ত্বৰক বা accelarators আছে যিসমূহ সন্ত্রাসবাদক ত্বৰান্বিত কৰিব পাৰে অথবা অন্য হাতে অহিংস পৰিবর্তনৰ (non-violent change) পথ প্রশস্ত কৰিব পাৰে।

সন্ত্রাসবাদী গোটৰ গঠন াৰু অভিযানৰ সূচকসমূহ (Indicators) ঃ

- **মূল কাৰণ**
  - ১. গনতন্ত্রৰ অভাৱ
  - ২. আইনৰ শাসনৰ অভাৱ
  - ৩. সু-শাসনৰ অভাৱ
  - ৪. সামাজিক ন্যায়ৰ অভাৱ
  - ৫. অবৈধ শাসন ব্যৱস্থাৰ সমর্থন
  - ৬. উচ্চ বিতৰণমূলক বৈষম্য
  - ৭. হিংসাত্মক সংঘর্ষৰ ঐতিহাসিক অভিজ্ঞতা
  - ৮. সন্ত্রাসবাদ ব্যৱহাৰ কৰা গোটসমূহক সমর্থন
  - ৯. আধুনিক গনতন্ত্রৰ দুর্বলতা
  - ১০. ব্যর্থ ৰাষ্ট্র / ৰাজ্যিক নিয়ন্ত্রনৰ বাহিৰত সুৰক্ষিত আশ্রয়স্থল।
- **নিকট কাৰণ (Proximate causes)**
  - ১. প্রতি কৌশলৰ বৃদ্ধি
  - ২. সমর্থন গোটৰ আশা (বিশেষকৈ প্রৱাসী সকলৰ)
  - ৩. সমর্থন হ্রাস / সমর্থন বৃদ্ধি
  - ৪. মিডিয়াৰ কভাৰেজ হ্রাস
  - ৫. সফল প্রতিদ্বন্দী গোট
  - ৬. গোটৰ আভ্যন্তৰিন সংহতিৰ সমস্যা
  - ৭. গোটৰ নেতাৰ ব্যক্তিগত প্রতিচ্ছবি কৌশল
  - ৮. নিম্ন তীব্রতাৰ সংঘর্ষ হ্রাস কৰা
  - ৯. হিংসাত্মক ৰাজনৈতিক সংঘর্ষ বৃদ্ধি
  - ১০. বিদ্যমান সংঘর্ষৰ পৰিস্থিতিত নতুন অভিকর্তাৰ (New Actors) প্রৱেশ।
- **ত্বৰক (Accelerators)**
  - ১. প্রতি সন্ত্রাসবাদী অভিযানে বহু ভুক্তৰোগীক প্রতিশোধ পৰায়ন কৰি তুলে।

২. গোট আৰু ইয়াৰ সমর্থনসকলক কৰা অপমান।
৩. ভাবুকি
৪. শান্তি আলোচনা
৫. নির্বাচন
৬. প্রতিকী তাৰিখ (Symbolic Dates)

- **গতি হ্রাসকাৰী (De-calerators)**
  ১. বৈধ উপায় ব্যৱহাৰ কৰি মধ্যমীয়া প্রতি অভিযান
  ২. প্রভাৰী নেতা / মূল সম্পদসমূহ / আশ্রয়ৰ স্থানসমূহ হেৰুৱালে
  ৩. সন্ত্রাসবাদী সমষ্টিৰ ৰাজনৈতিক দাবীৰ প্রতি অত্যাৱশ্যকীয় সমর্থন
  ৪. দায়িত্বশীল মেডিয়া কভাৰেজ
- **তৎপৰকাৰী (Precipitants)**
  ১. আক্রমনৰ আশংকা নিৰূপন
  ২. লজিষ্টিক প্রস্তুতি (logistical prepation)
  ৩. শত্রুৰ অবৈধতা
  ৪. মুখ্য ব্যক্তিৰ অদৃশ্যতা
  ৫. সাম্বাৰ্য্য লক্ষ্যত আগ্রহ বৃদ্ধি
  ৬. আভ্যন্তৰীন হিংসাৰ বৃদ্ধি

১২.৫ সন্ত্রাসবাদী গোটসমূহৰ ৰণনীতি (Strategies of Terror Groups)

সন্ত্রাসবাদী গোটসমূহে নিজৰ উদ্দেশ্য আগুৱাই নিবলৈ বিভিন্ন কৌশল আৰু ৰণনীতি ব্যৱহাৰ কৰি আহিছে। সন্ত্রাসবাদী গোটসমূহে আৰু ইয়াৰ নেটৱর্কবোৰে ৰাষ্ট্র আৰু নাগৰিকসকলক হিংসাৰ জৰিয়তে ভয়-ভাবুকি প্রদান কৰি আহিছে আৰু য়িৰ বাবে বিভিন্ন উপায় প্রয়োগ কৰে—

পাঁচটা মূল ৰণনীতি (Five Principle Strategies)	
ক্ষয় (Attrition)	এনেধৰণৰ ৰণনীতিত সন্ত্রাসবাদীসকলে ভাবুকি প্রদান কৰে যে শত্রু প্রক্ষয়ে যদি কোনো বিশেষ নীতি অব্যাহত ৰাখে তেতিয়া বহু ক্ষতি কৰিব পৰাকৈ গোটটো সক্ষম।
আতংক (Intimidation)	সন্ত্রাসবাদীসকলে এনে ধৰণৰ ৰমনীতিত জনসাধাৰণক অস্তত্ব কৰিবলৈ যত্ন কৰে যে সিহঁত অত্যন্ত শক্তিশালী আৰু ৰাষ্ট্রই বাধা দিব পৰাকৈ যথেষ্ট দুর্বল, গতিকে সিহঁতে বিচৰাৰ দৰেই যাতে জনসাধাৰণে আচৰন কৰে।
উচতনি (Provocation)	এনেধৰণৰ ৰণনীতিৰ দ্বাৰা জনসাধাৰনক উগ্র কৰি তোলাৰ চেষ্টা কৰা হয় যাতে জনসাধাৰণে সন্ত্রাসবাদৰ প্রৰোচনতাত সমর্থন আগবঢ়াই।

বিফল কৰা (Spoiling)	স্পয়লিং আক্রমনৰ নীতি ব্যৱহাৰ কৰা হয় যাতে পক্ষয় সন্ত্রাসবাদীৰ ফালৰ মধ্যপন্থীসকলক দুর্বল আৰু বিশ্বাসৰ অযোগ্য বুলি ভাবিবলৈ বাধ্য হয়, যাৰ ফলত শান্তি মীমাংসাৰ প্রচেষ্টা ব্যর্থ হয়।
অতিক্রম কৰা (Outbidding)	অতিক্রম নীতি গ্রহনৰ যোগেদি, জনসাধাৰণৰ বিশ্বাস অৰু সমর্থন আদায় কৰাৰ চেষ্টা কৰা হয়। হিংসাৰ জৰিয়তে সন্ত্রাসবাদী গোটৰ এনেধৰণৰ চবি জনমানমত প্রতিষ্ঠিত কৰা হয় যে সন্ত্রাসবাদীসকল শত্রুৰ বিৰুদ্ধে যুঁজ কৰিবলৈ অতি সক্ষম।

গতিকে, দেখা যায় যে সন্ত্রাসবাদীসকলৰ বিভিন্ন কৌশল আছে আৰু মাত্র এটা অভিযানৰ বাবে যথেষ্ট কৌশল একত্রিত কৰি অভিযানসমূহ ৰূপায়নৰ চেষ্টা কৰে। চি.চি. হাৰমনৰ (C.C. Harmon) মতে সন্ত্রাসবাদী সংগঠনসমূহে ব্যৱহাৰ কৰা প্রধান কৌশলসমূহ হ'ল—

(১) সমাজত বিসৃংখলতা বা অৰাজকতাৰ সৃষ্টি কৰা

(২) কোনো বিশেষ চৰকাৰক বদনাম কৰা অথবা ধ্বংস কৰা।

(৩) অর্থনৈতিক আৰু সম্পত্তিৰ ক্ষতি কৰা।

(৪) ৰাষ্ট্রীয় নিৰাপত্তা বাহিনীক 'ৰক্তক্ষৰণ' কৰা আৰু অনান্য সামৰিক ক্ষতি কৰা।

(৫) অন্তজার্তিক ৰূপত প্রভাৱ বিস্তাৰৰ বাবে ভয় বিয়পোৱা।

বছৰৰ পিছত বছৰ ধৰি সন্ত্রাসবাদী সংগঠনসমূহ ব্যৱহাৰ কৰা প্রকৃতি আৰু কৌশল সলনি হৈছে আৰু ৰাষ্ট্রসমূহ আগতকৈ সংবেদনশীল হৈ উঠিছে। সন্ত্রাসবাদী সংগঠনসমূহে বিভিন্ন কাৰণত সংবাদ মাধ্যম আৰু ইণ্টাৰনেচৰ ব্যৱহাৰ আৰু শোষন (ecploit) কৰে— প্রচাৰ লাভ কৰিবলৈ আৰু জনসাদাৰণৰ দৃষ্টি আকর্ষন কৰিবলৈ, নিজৰ উদ্দেশ্য প্রচাৰ কৰিবলৈ, নিজৰ আক্রমনক মহিমামণ্ডিত কৰিবলৈ, নতুন সদস্য ভর্ত্তি, অনুদান লাভৰ বাবে, 'চোৰাংচোৰা কৰিবলৈ, সন্ত্রাসবাদৰ লক্ষ্যসমূহ জনসাধাৰণৰ মাজত বিতৰন কৰিবলৈ ইত্যাদি। উল্লেখযোগ্য যে সন্ত্রাসবাদী আক্রমন কেৱল দুর্বল আৰু বিফল ৰাষ্ট্রৰ বাবেই নহয়, ইউৰোপ আৰু উত্তৰ আমেৰিকাত এনেধৰণৰ আক্রমনৰ বাবে সংবেদনশীল হৈ উঠিছে।

গ্লা'বেল টেৰ'ৰিজম ইনডেক্স (২০১৭) অনুসৰি ২০১৬ চনত সন্ত্রাসবাদৰ দ্বাৰা সর্বাধিক ক্ষতিগ্রত দহখন দেশ হ'ল— ১. ইৰাক, ২. আফগানিস্তান, ৩. নাইজেৰিয়া, ৪. ছিৰিয়া, ৫. পাকিস্তান, ৬. ইয়েমিন, ৭. ছোমালিয়া. ৮. ভাৰত, ৯. তুর্কী, ১০. লিবিয়া।

আল-কায়ডা, বোকো হাৰাম, তালিবান আৰু আইছিছৰ দৰে সংগঠনসমূহে ভয়ংকৰ সন্ত্রাসবাদী কার্যত লিপ্ত হৈছে আৰু প্রচাৰ লাভ কৰিবলৈ ছ'চিয়েল মিডিয়া সক্রিয়ভাৱে ব্যৱহাৰ কৰিছে। ছিৰিয়া, ইয়েমিন, ছোমালিয়া, আফগানিস্তান আৰু ইৰাকৰ দৰে দেশসমূহে সন্ত্রাসবাদীৰ হিংসাত্মকতাৰ লগতে বিদেশী শক্তিসমূহৰ সামৰিক হস্তক্ষেপৰ সন্মুখীন হৈছে, যাৰ ফলতে এক অর্ন্তহীন হিংসাৰ চক্র চলি আছে।

১২.৬ আন্তজার্তিক সন্ত্রাসবাদৰ বিৰুদ্ধে অভিযান

আন্তজার্তিক সন্ত্রাসবাদৰ বিৰুদ্ধে অভিযানত বিশ্ব সম্প্রদায়ৰ প্রচেষ্টা কিছু পৰিমানে ম্লান পৰিছে। আমেৰিকা আৰু ৰাছিয়াৰ দৰে শক্তিধৰ দেশসমূহে একপক্ষীয়ভাৰে বিদেশীভূমিত সন্ত্রাসবাদৰ বিৰুদ্ধে পদক্ষেপ গ্রহন কৰিছে। বহুতো দেশে মিলিতভাৰে কেইবাখনো চুক্তি আৰু সন্মিলনত স্বাক্ষৰ কৰিছে যদিও কার্যকৰীকৰণ প্রক্রিয়া এতিয়াও দুর্বল হৈ আছে। অধিকাংশ দেশে বর্তমান সময়ত একপক্ষীয়ভাৰে বা NATO ৰ দৰে সামৰিক মিত্রতাৰ জৰিয়তে পদক্ষেপ গ্রহন কৰিছে। মাত্র কিছু মূল সন্ত্রাসবাদীক গ্রেপ্তাৰ আৰু ওচামা বিন লাডেনৰ দৰে উল্লেখযোগ্য সন্ত্রাসবাদীৰ হত্যাৰ বাহিৰে দুর্বল দেশসমূহত সন্ত্রাসবাদৰ দপদপনি এতিয়াও অব্যাহত আছে। যদিও আমেৰিকাৰ নেতৃত্বত মিত্রজোঁটে ইৰাক আৰু ছিৰিয়াত আইছিছৰ ঘাটিত আক্রমন কৰি সন্ত্রাসবাদী সংগঠনটোক যথেষ্ট দুর্বল কৰি পেলাইছে, তথাপিও এনে সন্ত্রাসবাদী সংগঠনৰ পৰা ভাবুকি এতিয়াও বিদ্যমান। দৰাচলতে, এটা সন্ত্রাসবাদী সংগঠন নিপাত হ'লে তাৰ ঠাতি পুনৰ অন্য এটা সন্ত্রাসবাদী সংগঠনে ঠাই দখল কৰে, ফলত সন্ত্রাসবাদ বিৰোধী যুজঁখন কঠিনতাৰ সন্মুখীন হ'ব লগা হয়।

গতিকে, যদিওৱা সন্ত্রাসবাদ নিমূলকৰণৰ আৰু সমাধানৰ বাবে যথেষ্ট সংখ্যক চুক্তি আছে, তথাপিও সন্ত্রাসবাদৰ সমস্যাটো সাম্প্রতিক বিস্বত অ-সমাধান হৈয়ে ৰৈছে।

- **সার্বজনীন চুক্তি/ সন্মিলন (Universal instruments)**
  - বিমানত সংঘটিত অপৰাধ আৰু অনান্য কার্যৰ চুক্তি, ১৯৬৩
  - বন্দী (Hostage) কৰাৰ বিৰুদ্ধে আন্তজার্তিক চুক্তি, ১৯৭৯
  - চিনাক্তকৰণৰ উদ্দেশ্য প্লাষ্টিক বিস্ফোৰকৰ চিহ্নিতকৰণৰ ওপৰত চুক্তি, ১৯৯১
  - সন্ত্রাসবাদী বোমা আক্রমন প্রতিহিতকৰণৰ আন্তজার্তিক চুক্তি, ১৯৯৭
  - সন্ত্রাসবাদী বিত্তীয় সাহার্য দমনৰ বাবে আন্তজার্তিক চুক্তি, ১৯৯৯
  - পাৰমানৰিক সন্ত্রাসবাদৰ কার্যকলাপ দমনৰ বাবে আন্তজার্তিক চুক্তি, ২০০৫
- **আঞ্চলিক সজুঁলি (Regional instruments)**
  - আঞ্চলিক সহযোগিতাৰ বাবে দক্ষিন এছীয় সংস্থা (SAARC)ৰ সন্ত্রাসবাদ দমনৰ ওপৰত আঞ্চলিক চুক্তি, ১৯৮৭
  - সন্ত্রাসবাদ দমনৰ ওপৰত আৰৱ চুক্তি, ১৯৯৮
  - নির্দলীয় ৰাষ্ট্রসমূহৰ সদস্য ৰাষ্ট্রসমূহৰ মাজত সন্ত্রাসবাদৰ বিৰুদ্ধে সহযোগিতাৰ চুক্তি, ১৯৯৯
  - আফ্রিকান ঐক্য সংস্থা (DAU)ৰ সন্ত্রাসবাদ প্রতিৰোধ আৰু দমনৰ ওপৰত চুক্তি, ১৯৯৯
  - সন্ত্রাসবাদৰ বিৰুদ্ধে আন্তঃআমেৰিকান চুক্তি, ২০০২
  - সন্ত্রাসবাদ প্রতিৰোধৰ বাবে ইউৰোপীয় পৰিষদৰ চুক্তি, ২০০৫
  - দক্ষিন-পূৰ এছীয় ৰাষ্ট্রসমূহৰ সংজ্ঞা (ASEAM) সন্ত্রাসবাদ বিৰোধী চুক্তি,

২০০৭

- **ৰাষ্ট্রসংঘৰ ঘোষনা (United Mationo Declaration)**
  - ➢ আন্তজার্তিক সন্ত্রাসবাদ নির্মূলকৰণৰ ব্যৱস্থাৰ ওপৰত ঘোষনা, ১৯৯৪
  - ➢ আন্তজার্তিক সন্ত্রাসবাদ নির্মূলকৰণৰ ব্যৱস্থাৰ ওপৰত ১৯৯৪ চনৰ ঘোষনাপত্রৰ পৰিপূৰক ঘোষনা, ১৯৯৬
  - ➢ ৰাষ্ট্রসংঘৰ গোলকীয় সন্ত্রাসবাদৰ বিৰোধী কৌশল, ২০০৬

ৰাষ্ট্রসংঘ আৰু অনান্য আঞ্চলিক সংগঠনসমূহে চুক্তি আৰু সন্মিলনসমূহ গৃহীত কৰাৰ পিছতো ৰাষ্ট্রসমূহ আৰু নাগৰিকসকল সংবেদনশীল আৰু বিপদযংকূল হৈয়ে ৰৈছে। আন্তজার্তিক সন্ত্রাসবাদৰ ওপৰত বিস্তৃত সন্মিলনখনক (চি চি আই টি) এতিয়াও বিশ্ব সম্প্রদায়ে গুৰুত্ব সহকাৰে লোৱা নাই। ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্রমা মন্ত্রী সুষমা স্বৰাজে নিউয়র্কত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাৰ ৭১তম অধিবেশনত ভাষনত কৈছিল— "চি চি আইটি ১৯৯৬ চনতে ভাৰতবর্ষয়ে প্রস্তাৱিত কৰিছিল। ২০১৪ চনত, দুটা দশক পাৰ হৈ যোৱাৰ পিছতো আমি কোনো সিদ্ধান্তত আমি উপনীত হ'ব পৰা নাই। ফলস্বৰূপে, আমি এনে এক নিয়ম বিকশিত কৰিবলৈ সক্ষম হোৱা নাই যাৰ অধীনত সন্ত্রাসবাদীক শাস্তি আৰু প্রত্যপর্ণ কৰা হ'ব। সেয়েহে মোৰ আহ্বান যে এই সাধাৰণ সভাই নতুন সংকল্প আৰু তৎপৰতাৰে এই গুৰুত্বপূর্ণ সন্মিলনখনি গ্রহণ কৰক।" ভূ-ৰাজনৈতিক বিবেচনা, আন্তঃৰাষ্ট্রীয় শত্রুতা, সীমা-সিপাৰৰ নেটৱর্ক আৰু সংযোগসমূহে সন্ত্রাসবাদৰ বিৰুদ্ধে যুজঁত স্পষ্ট বিজয়ী নির্দ্ধাৰণত হেঙাৰ হৈ পৰিছে লগতে সন্ত্রাসবাদী বিৰুদ্ধে যুজঁও বিজয়ী হোৱাৰ পথ কণ্টকময় কৰি তুলিছে।

বিশস্তুবজুৰি সংঘর্ষ, বিশেষকৈ মধ্য প্রাচ্য আৰু উত্তৰ আফ্রিকা (MENA) আৰু দঃ এছিয়াই স্পষ্টভাৱে প্রতিফলিত কৰিছে সন্ত্রাসবাদ অ-ৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় অভিকতা (Actors) উভয়ৰ এক কৌশল হিচাপে আত্মপ্রকাশ কৰিছে। মহিলা, শিশু আৰু প্রান্তীয় সম্প্রদায়সমূহ (marginalized communities) সন্ত্রাসবাদী সংগঠন আৰু ৰাষ্ট্রীয় বাহিনীৰ সহজ লক্ষ্য হৈ পৰিছে। সন্ত্রাসবাদী সংগঠনসমূহৰ ব্যাপক ধ্বংস যজ্ঞৰ অস্ত্র, ইয়াৰ প্রযুক্তিৰ ব্যৱহাৰ আৰু প্রসাৰৰ নিয়ন্ত্রন লাভ কৰাৰ ফলস্বৰূপে বিশ্বৰ বাবে ভাবুকি হৈ পৰিছে। সন্ত্রাসবাদৰ বিৰুদ্ধে অভিযানৰ মিশ্রিত ফলাফল দেখা পোৱা যায়, MENA অঞ্চললৈ সংঘাতৰ বিস্তাৰৰ ফলস্বৰূপে চহৰসমূহৰ ধ্বংস, নাগৰিকৰ স্বাধীনতাৰ উলংঘা, বৃহৎ পৰিসৰৰ শৰনার্থীৰ সংকট আৰু প্রবজন সংঘটিত হৈছে। সন্ত্রাসবাদ বিৰোধী আইনসমূহে সন্ত্রাসবাদীৰ সংগঠনসমূহৰ মনোবলৰ ওপৰত মাত্র সীমিত প্রভাৱ পেলাবলৈ সক্ষম হৈছে। সন্ত্রাসবাদৰ মূলঃ কাৰণৰ চিনাক্তকৰন আৰু সমাধানৰ সূত্রয়ে সদায়ে নীতি নির্ধাৰকসকলক সমস্যাত পেলাই আহিছে। সেয়েহে সন্ত্রাসবাদ বিৰোধী যুজঁত জয়ী হোৱাটো সহজ নহয়।



অগ্রগতিৰ নিৰীক্ষন

প্রশ্ন ৪ ঃ সন্ত্রাসবাদৰ বিৰুদ্ধে যুজঁ দিবলৈ ৰাষ্ট্রসংঘয়ে গ্রহন কৰা যিকোনো দুটা ঘোষনা (Declaration) উল্লেখ কৰক।

.....

.....

প্রশ্ন ৫ ঃ সন্ত্রাসবাদৰ উদ্ভৱৰ বাবে দায়ী যিকোনো দুটা অনুমতিপ্রাপ্ত গাঁথনিগত কাৰক (Permissive Structural Factors) উল্লেখ কৰক।

.....

.....

প্রশ্ন ৬ ঃ চি. চি. হাৰমনৰ মতে সন্ত্রাসবাদী সংগঠনসমূহে গ্রহন কৰা প্রধান কৌশলসমূহ কি কি?

.....

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সন্ত্রাসবাদ মূলতঃ হিংসাৰ ব্যৱহাৰৰ সৈতে জড়িত আৰু ইয়াৰ মূল লক্ষ্য বিৰোধীৰ মাজত ত্রাসৰ সৃষ্টি কৰা। ইয়াক 'অসমমিত যুদ্ধ' বুলিও কোৱা হয়। সন্ত্রাসবাদ এটা বিবাদিত বা বির্তকিত শব্দ আৰু ইয়াক সাধাৰণতে অৰাষ্ট্রীয় অভিকর্তাসকলে গ্রহন কৰা কৌশল বুলিব পাৰি য'ত অপহৰন, হত্যা, বলপূর্বক ধন আদায় আৰু নির্বিচাৰ বোমা বিস্ফোৰণৰ দৰে ৰাষ্ট্র বিৰোধী কার্যকলাপ জড়িত থাকে। য'ত অ-যুজাৰুসকলক (non-combat-ants) বা নিৰীহ নাগৰিকক লক্ষ্য হিচাপে লোৱা হয়। সন্ত্রাসবাদৰ লক্ষ্য ৰাজনৈতিক অথবা ধর্মীয়ও হ'ব পাৰে।
- সন্ত্রাসবাদ আন হিংসাত্মক কার্যকলাপতকৈ পৃথক।
- আন্তজার্তিক সন্ত্রাসবাদ বৃদ্ধিৰ বহুতো পর্যায় আছে।
- আপেক্ষিক বঞ্চিততা, দৰিদ্রতা, নিবনুৱা, বর্জন, নৈৰাজ্য আৰু অন্যায় ইত্যাদি বিষয়বোৰে মানুহক সন্ত্রাসবাদৰ যোগদান কৰিবলৈ অনুপ্রানিত কৰে। যদিওবা ইয়াৰ কোনো নির্দিষ্ট মূল কাৰক নাই কিন্তু বিভিন্ন কাৰকে বিভিন্ন স্তৰত— ব্যক্তিগত, সম্প্রদায় আৰু ৰাষ্ট্রীয় পর্যায়ত কাম কৰে।
- সন্ত্রাসবাদী সংগঠনসমূহে নিজৰ কার্যসূচী আগু�ৰাই নিবলৈ বিভিন্ন কৌশল আৰু পদ্ধতি

ব্যৱহাৰ কৰি আহিছে। সন্ত্রাসবাদী সংগঠনসমূহে আৰু জড়িত নেটৱর্কবোৰে জনসাধাৰণৰ মাজত ভয়ৰ সৃষ্টি কৰিবলৈ নির্বিকাৰ হিংসাৰ ব্যৱহাৰ কৰে। বর্তমান সন্ত্রাসবাদে হিংসাত্মক কার্যৰ বাবে বিভিন্ন কৌশল হাতত লৈছে।

- আন্তজার্তিক সন্ত্রাসবাদৰ সৈতে মোকাবিলা কৰিবলৈ বিশ্ব সম্প্রদায়ে বহুতো ব্যৱস্থা গ্রহণ কৰিছে। এই সন্দর্ভত বহুতো চুক্তি আৰু ঘোষনা পত্র স্বাক্ষৰ কৰা হৈছে।



১২.৮ অধিক জানিবলৈ

1) Ghai, K. K.(2006). International Relations :A simple study of International Politics . Kalyani Publishers.

2) Gupta, Suman.The Replication of Violence Thoughts on International Terrorism after Sept 11th 2001. London: Pluto Press.

3) Koshy, Ninan. (2003). The War on Terror: Reordering the world. Leftwood Publishers.

4) Sen , Sankar. (2009). Terrorism Around the World- Challenges and Responses. New Delhi: Concept Publishing Company



১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সন্ত্রাসবাদ মূলত হিংসাৰ ব্যৱহাৰৰ সৈতে জড়িত, বিৰোধীৰ মাজত ভ?ৰ সৃষ্টি ইয়াৰ মূল লক্ষ্য- সেয়েহে ইয়াক 'অসমমিত যুদ্ধ' বুলিও অভিহিত কৰা হয়। সন্ত্রাসবাদ এক বিবাদিত বা বির্তকিত শব্দ (contested term)। সাধাৰণতে অ-ৰাষ্ট্রীয় অভিকর্তাৰ দ্বাৰা ব্যৱহৃত কৌশল, য'ত বিভিন্ন ৰাষ্ট্রবিৰোধী কার্যকলাপ যেনে হত্যা অপহৰণ, বলপূর্বক ধনদাবী ইত্যাদি সংঘতিত কৰা হয়। এনেধৰণৰ আক্রমণৰ বাবে নিৰপৰাধীসকলক নির্বাচন কৰি লোৱা হয় আৰু ইয়াৰ জৰিয়তে ৰাজনৈতিক বা ধর্মীয় লক্ষ্যপ্রাপ্তিৰ বাবে ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে হিংসাত্মক কার্যসমূহ অ-ৰাষ্ট্রীয় অভিকর্তাৰ লগতে ৰাষ্ট্রত কেতিয়াবা সংঘটিত কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ডেভিদ বপ'পর্টে আন্তজার্তিক সন্ত্রাসবাদৰ চাৰিটা ঢৌৰ উল্লেখ কৰিছে। প্রথমটো (অৰাজকবাদী) আধুনিক সন্ত্রাসবাদী ঢৌ ১৮৮০ চনত ৰাছিয়াত

আৰম্ভ হৈ ১৯২০ চনলৈকে চলিছিল। ২য়টো (উপেনৰেশবাদী) টো ১৯৬০ চনত শেষ হৈছিল। ৩য়টো (নতুন বাওঁপন্থী) টো ১৯৬০ চনত আৰম্ভ হৈ ১৯৮০ চনলৈকে চসিছিল আৰু ৪র্থটো (ধর্মীয়) টো ১৯৭৯ চনত উদ্ভৱ হৈ বর্তমানলৈকে চলি আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত বা পুৰণি সন্ত্রাসবাদ শ্রেণীবদ্ধ আৰু জাতীয়তাবাদী এজেন্ডাৰ জৰিয়তে পৰিচালিত আছিল। অন্যহাতে সমসাময়িক অথবা নতুন সন্ত্রাসবাদ অকলশৰীয়া প্রকৃতিৰ আৰু অধিক বিক্ষিপ্ত। নতুন সন্ত্রাসবাদ আন্তৰাষ্ট্রীয় পর্যায়ত কার্যক্ষম আৰু ধর্মীয় অনুপ্রেৰণাৰ জৰিয়তে হিংসাত্মক কার্যত জড়িত হ'বলৈ মানুহক প্রেৰণা প্রদান কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ (১) আন্তজার্তিক সন্ত্রাসবাদ দূৰ কৰাৰ ব্যৱস্থাৰ ওপৰত ঘোষনা, ১৯৯৪
(২) ৰাষ্ট্রসংঘৰ গোলকীয় সন্ত্রাসবাদ বিৰোধী কৌশল, ২০০৬

৫ নং প্রশ্নৰ উত্তৰ ঃ (১) দৰিদ্রতা আৰু (২) দ্রুত জনসংখ্যা বৃদ্ধি আৰু জনগাঁঠনিৰ পৰিবর্তন

৬ নং প্রশ্নৰ উত্তৰ ঃ চি. চি. হাৰমনৰ মতে, সন্ত্রাসবাদী গোটসমূহে নিয়োগ কৰা প্রধান কৌশলসমূহ হ'ল—
(১) সামাজিক বিশৃংখলা সৃষ্টি কৰা
(২) কোনো বিশেষ চৰকাৰৰ বদনাম আৰু ধ্বংস কৰা
(৩) অর্থনৈতিক আৰু সম্পত্তিৰ ক্ষতি কৰা
(৪) ৰাষ্ট্রীয় নিৰপত্তা বাহিনীৰ 'ৰক্তক্ষৰণ' অথবা অনান্য সামৰিক ক্ষতি কৰা।
(৫) আন্তজার্তিক প্রভাৰ বিস্তাৰৰ বাবে ভয় নিয়পোৱা।



১২.১০ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ সন্ত্রাসবাদৰ অর্থৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ২ ঃ ৰেপ'পর্টৰ সন্ত্রাসবাদৰ চাৰিটা টোৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ সন্ত্রাসবাদৰ উদ্ভৱৰ বাবে দায়ী কাৰণসমূহ ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ ঃ আন্তজার্তিক সন্ত্রাসবাদৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ সন্ত্রাসবাদী সংগঠনসমূহে গ্রহণ কৰা কৌশলসমূহৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন নং ৬ ঃ সন্ত্রাসবাদৰ বিৰুদ্ধে আন্তজার্তিক পর্যায়ত গ্রহণ কৰা ব্যৱস্থাসমূহ বিশ্লেষণ কৰক।

****

অধ্যায় ১৩ঃ আন্তৰাষ্ট্ৰীয় ৰাজনীতিত গোলকীকৰণ (ডব্লিউ.টি.অ.) আৰু ইয়াৰ প্ৰভাৱ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ গোলকীকৰণৰ অর্থ

১৩.৪ গোলকীকৰণ আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ

১৩.৪ গোলকীকৰণ/ বিশ্বায়ন আৰু আন্তর্জাতিক ৰাজনীতি

১৩.৪.১ বিশ্বায়নৰ ঐতিহাসিক পটভূমি

১৩.৪.১ আন্তর্জাতিক ৰাজনীতিত বিশ্বায়নৰ প্ৰভাৱ

১৩.৫ আই.এম.এফ., বিশ্ব বেংক আৰু ডব্লিউ.টি.অ.

১৩.৫.১ বিশ্বায়নৰ ক্ষেত্ৰত আই.এম.এফ., বিশ্ব বেংক আৰু ডব্লিউ.টি.অ.-ৰ ভূমিকা

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবৰ বাবে

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই গোটটোৰ মাজেৰে যোৱাৰ পিছত আপোনালোকে —

- বিশ্বায়নৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- বিশ্বায়নৰ ঐতিহাসিক পটভূমি ব্যাখ্যা কৰিব পাৰিব।
- আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত বিশ্বায়নৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি, বিশ্ব বেংক আৰু বিশ্ব বাণিজ্য সংস্থাই বিশ্বায়নপ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি, বিশ্ব বেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

১৩.২ পৰিচয়

শেহতীয়া সময়ত "গোলকীকৰণ" ৰ ধাৰণাটো অতি জনপ্রিয় হৈ পৰিছে। বিশ্বায়ন বা

গোলকীকৰণ হৈছে এক বহুমাত্ৰিক ধাৰণা, যাৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক প্ৰকাশ আছে। এই গোটটোত আমি গোলকীকৰণৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম আৰু ইয়াৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিম। আমি বিশ্বায়নৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ দৰে কিছুমান আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু দস্তাবেজসমূহৰ ভূমিকাও বিচাৰিম।

১৩.৩ বিশ্বায়নৰ অৰ্থ

"বিশ্বায়ন হৈছে এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা সামাজিক সম্পৰ্কই তুলনামূলকভাৱে দূৰত্বহীন আৰু সীমাহীন গুণাগুণ আহৰণ কৰে। "- বেইলি আৰু স্মিথ

বিশ্বায়ন হৈছে এক ঐতিহাসিক প্ৰক্ৰিয়া, মানৱ উদ্ভাৱন আৰু প্ৰযুক্তিগত প্ৰগতিৰ ফলাফল। ই বিশ্বজুৰি অৰ্থনীতিৰ বৰ্ধিত একত্ৰীকৰণক বুজায়, বিশেষকৈ সীমান্তৰ সিপাৰে সামগ্ৰী, সেৱা আৰু মূলধনৰ চলাচলৰ জৰিয়তে। এই শব্দটোৱে কেতিয়াবা আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি (শ্ৰম) আৰু জ্ঞান (প্ৰযুক্তি) ৰ চলাচলকো বুজায়। গোলকীকৰণৰ বিস্তৃত সাংস্কৃতিক, ৰাজনৈতিক আৰু পা�ৰিপাৰ্শ্বিক দিশো আছে। "গোলকীকৰণ" শব্দটো ১৯৮০ চনৰ পৰা অধিক ব্যৱহৃত হ'বলৈ ধৰে, যিয়ে আন্তঃৰাষ্ট্ৰীয় লেনদেন (বাণিজ্য আৰু বিত্তীয় প্ৰবাহ) সম্পূৰ্ণ কৰাটো সহজ আৰু দ্ৰুত কৰা প্ৰযুক্তিগত উন্নয়নক প্ৰতিফলিত কৰে।

বিশ্বায়ন হৈছে চলন্ত প্ৰক্ৰিয়া যি মানুহ, চুবুৰীয়া, চহৰ, অঞ্চল আৰু দেশসমূহক পূৰ্বতকৈ বহু বেছি ঘনিষ্ঠভাৱে একত্ৰিত কৰি আছে। ইয়াৰ ফলস্বৰূপে আমি খোৱা, আমি পিন্ধা কাপোৰ, আমি শুনা সংগীত, আমি লাভ কৰা তথ্য আৰু আমি ধৰি ৰখা ধাৰণাসমূহৰ জৰিয়তে পৃথিৱীৰ সকলো প্ৰান্তৰ মানুহৰ সৈতে আমাৰ জীৱন জড়িত হৈ পৰিছে। পৃথিৱীত মানুহৰ মাজত এই আন্তঃসংযোগক কেতিয়াবা 'গোলকীয় গাওঁ' বুলিও কোৱা হয় য'ত ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় সীমাৰ বাধাবোৰ কম প্ৰাসংগিক হৈ পৰে আৰু বিশ্বখন আক্ষৰিকভাৱে সৰু হৈ পৰে। এই প্ৰক্ৰিয়াটো অৰ্থনৈতিকভাৱে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰৱাহ আৰু বাণিজ্যৰ দ্বাৰা, প্ৰযুক্তিগতভাৱে তথ্য প্ৰযুক্তি বিজ্ঞান আৰু গণ মাধ্যমৰ মনোৰঞ্জনৰ দ্বাৰা আৰু অতি গুৰুত্বপূৰ্ণভাৱে, সাংস্কৃতিক বিনিময়, প্ৰৱজন আৰু আন্তৰাষ্ট্ৰীয় টুৰিজমৰ দৰে অতি মানৱীয় উপায়ৰ দ্বাৰাও চালিত হয়। এজন ভাষ্যকাৰে মন্তব্য কৰাৰ দৰে, আমি এতিয়া এক নেটৱৰ্কযুক্ত পৃথিৱীত বাস কৰো। যদিও বিশ্বায়ন কোনো নতুন প্ৰক্ৰিয়া নহয়, দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰা ই দ্ৰুতগতিত ত্বৰান্বিত হৈছে আৰু বিশ্বৰ বিভিন্ন দেশৰ মানুহ, পৰিবেশ, সংস্কৃতি, ৰাষ্ট্ৰীয় চৰকাৰ, অৰ্থনৈতিক উন্নয়ন আৰু মানৱ কল্যাণৰ ওপৰত ইয়াৰ বহু প্ৰভাৱ পৰিছে। বিশ্বায়নৰ লক্ষ্য হৈছে সকলো সীমা অতিক্ৰম কৰি সামগ্ৰী, সেৱা, তথ্য, জ্ঞান আৰু মানুহৰ মুক্ত প্ৰবাহৰ জৰিয়তে বিশ্বৰ সকলো লোকৰ সামাজিক-অৰ্থনৈতিক একত্ৰীকৰণ আৰু উন্নয়ন সুৰক্ষিত কৰা। বিশ্বায়নক সকলো ৰাজ্যৰ সীমা অতিক্ৰম কৰি ব্যৱসায় আৰু বাণিজ্য সম্প্ৰসাৰণৰ এক সচেতন আৰু সক্ৰিয় প্ৰক্ৰিয়া হিচাপে দেখা যায়। ইয়াৰ অৰ্থ

হৈছে আন্তঃসীমান্ত সুবিধা আৰু অৰ্থনৈতিক সংযোগৰ সম্প্ৰসাৰণ। বিশ্বৰ সকলো প্ৰান্তত বাস কৰা লোকসকলৰ অৰ্থনৈতিক স্বাৰ্থ আৰু কাৰ্যকলাপৰ একত্ৰীকৰণ সুৰক্ষিত কৰাৰ লক্ষ্যৰে এইটো কৰিব লাগিব। বিশ্বক এক প্ৰকৃত আন্তঃসম্পৰ্কিত, আন্তনিৰ্ভৰশীল, উন্নত গোলকীয় গাওঁ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যই গোলকীকৰণৰ চলি থকা প্ৰক্ৰিয়াটো নিয়ন্ত্ৰণ কৰে।

সেয়েহে, ই হৈছে বিশ্বৰ প্ৰকৃত সামাজিক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ৰূপান্তৰক এক প্ৰকৃত বিশ্ব সম্প্ৰদায়লৈ সুৰক্ষিত কৰাৰ ধাৰণা। বিশ্বৰ সকলো লোকৰ বহনক্ষম উন্নয়ন সুৰক্ষিত কৰাৰ বাবে ইয়াক অত্যাৱশ্যকীয় উপায় হিচাপে গণ্য কৰা হয়। ই ৰাষ্ট্ৰীয়ৰ পৰা অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপৰ এক বিশ্বব্যাপী ক্ষেত্ৰলৈ যোৱাৰ ইচ্ছাক প্ৰতিনিধিত্ব কৰে। ই বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক ব্যৱস্থাটোক বিশ্ব অৰ্থনীতিৰ এক একত্ৰিত ব্যৱস্থালৈ ৰূপান্তৰিত কৰিবলৈ বিচাৰে। বৰ্তমানৰ ব্যৱস্থাত, ৰাষ্ট্ৰীয় অৰ্থনীতি হৈছে প্ৰধান খেলুৰৈ। নতুন ব্যৱস্থাত, বিশ্বায়িত অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপে সমগ্ৰ বিশ্বৰ বাবে বহনক্ষম উন্নয়ন নিশ্চিত কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ গোলকীকৰণ কি?

.....

.....

প্ৰশ্ন ২ঃ অৰ্থনৈতিক গোলকীকৰণ কি? (৫০ শব্দৰ ভিতৰত)।

.....

.....

.....

.....

১৩.৪ বিশ্বায়ন আৰু আন্তৰাষ্ট্ৰীয় ৰাজনীতি

"**বিশ্বায়ন**ৰ ঐতিহাসিক পটভূমি

১৯৯১ চনত সমাজতান্ত্ৰিক অৰ্থনীতি, বিশেষকৈ ছোভিয়েট অৰ্থনীতি আৰু ইয়াৰ ৰাজনৈতিক ব্যৱস্থা ধ্বংস হোৱাৰ সময়ত বিশ্বই পৰিৱৰ্তনৰ মাজেৰে পাৰ হৈছিল। আনকি পেৰেষ্ট্ৰইকা আৰু গ্লাসনোষ্টেও ইউ এছ এছ আৰক ৰক্ষা কৰিব নোৱাৰিলে। ৰাষ্ট্ৰ হিচাপে ইয়াৰ পতন ঘটিছিল। সমাজবাদী অৰ্থনৈতিক আৰ্হিৰ দুৰ্বলতা সম্পূৰ্ণৰূপে স্পষ্ট হৈ পৰিছিল। ইউৰোপৰ সকলো সমাজবাদী দেশে সমাজবাদী ব্যৱস্থাক উৎখাত কৰাৰ এক প্ৰক্ৰিয়াৰ সাক্ষী হ'বলৈ আৰম্ভ কৰিছিল। ৰাজনীতি আৰু অৰ্থনীতিৰ উদাৰীকৰণক প্ৰয়োজনীয়তা হিচাপে স্বীকৃতি দিয়া হৈছিল।

বিশ্বৰ সকলো দেশেই বজাৰ অৰ্থনীতি, মুক্ত বাণিজ্য, ব্যক্তিগতকৰণ, উদাৰীকৰণ, বাণিজ্য, উদ্যোগ আৰু ব্যৱসায়ৰ শিথিলকৰণ আৰু নিয়ন্ত্ৰণৰ গুণাগুণ উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছিল। আনকি ভাৰতৰ দৰে নতুনকৈ স্বাধীন দেশসমূহেও, উদাহৰণস্বৰূপে ১৯৯১ চনৰ জুলাইত ভাৰত চৰকাৰে অৰ্থনীতিৰ উদাৰীকৰণৰ সিদ্ধান্ত লৈছিল। অৰ্থনৈতিক সংস্কাৰৰ ওপৰত গুৰুত্ব দি এক নতুন অৰ্থনৈতিক নীতি প্ৰস্তুত আৰু ৰূপায়ণ কৰা হৈছিল। ইয়াক এলপিজি (উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ) বুলি জনা গৈছিল। এইবোৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ, বজাৰ অৰ্থনীতি, মুক্ত বাণিজ্য, নিয়ন্ত্ৰণহীনতা আৰু লাইচেন্স বিলোপৰ নীতিৰ দ্বাৰা পৰিচালিত হৈছিল।

এই সংস্কাৰসূহে অৰ্থনীতিৰ উদাৰীকৰণ আৰু বিশ্বায়ন প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পথ প্ৰশস্ত কৰিছিল। বিশ্ব অৰ্থনীতিৰ সৈতে ঘৰুৱা অৰ্থনীতিক সংযোগ কৰা, একত্ৰিত কৰাৰ লক্ষ্যৰে ই এক বাহ্যিকভাৱে মুকলি অৰ্থনীতি হিচাপে বিকশিত হ'বলৈ আৰম্ভ কৰিছিল। এই পৰিৱৰ্তনসমূহ বিশ্বৰ বেছিভাগ ৰাষ্ট্ৰই গ্ৰহণ কৰিছিল।

১৩.৪.২ আন্তৰাষ্ট্ৰীয় ৰাজনীতিত গোলকীকৰণৰ প্ৰভাৱ

গোলকীকৰণ হৈছে বিনিময় আৰু বাণিজ্যৰ গতিবিধি, ধাৰণা, যোগাযোগ, অৰ্থনৈতিক আৰু বিত্তীয় একত্ৰীকৰণ। ইয়াৰ অৰ্থ হৈছে এক বিস্তৃত দৃষ্টিভংগীৰ বাবে স্থানীয় আৰু জাতীয়তাবাদী দৃষ্টিভংগী মুকলি কৰ য'ত অধিক আন্তঃসংযোগ আৰু পাৰস্পৰিক নিৰ্ভৰশীলতা থাকে। মূলধন, সামগ্ৰী আৰু সেৱাৰ মুক্ত হস্তান্তৰৰ জৰিয়তে স্থানীয় অৰ্থনীতি বিশ্ব অৰ্থনীতিৰ সৈতে জড়িত হৈ আছে। বিশ্বৰ বহু অৰ্থনীতি এতিয়া উদাৰীকৰণ হৈছে, যাৰ ফলত তেওঁলোকে তেওঁলোকৰ অৰ্থনীতি প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ বাবে মুকলি কৰিছে। বৰ্তমান বিশ্বখন আত্মঃনিৰ্ভৰশীল আৰু আন্তঃসংযুক্ত। সেয়েহে, গোলকীকৰণে এনে সুবিধা প্ৰদান কৰিছে যাৰ জৰিয়তে এখন দেশে মূলধন বিনিয়োগ কৰিব পাৰে আৰু প্ৰযুক্তি আন এখন দেশক হস্তান্তৰ কৰিব পাৰে আৰু পিছৰ দেশে তেতিয়া সেই দেশত পূৰ্বতে উপলব্ধ নোহোৱা সামগ্ৰী উৎপাদন কৰিব পাৰে। এইদৰে, বিনিয়োগকাৰী দেশে লাভ লাভ কৰে আৰু আনখন দেশে স্থানীয় জনসাধাৰণৰ বাবে চাকৰি লাভ কৰে। বিশ্বায়নে যিকোনো ঠাইতে যিকোনো লোকৰ বাবে সম্পদ উপলব্ধ কৰি তুলিছে। পুনৰ, গোলকীকৰণৰ ফলত আমদানি শুল্ক আৰু অন্যান্য শুল্ক হ্ৰাস হোৱাৰ ফলত দেশসমূহে স্থানীয়ভাৱে উৎপাদন কৰাতকৈ আমদানি কৰ সস্তা সামগ্ৰীৰ বাবে বাণিজ্য আৰম্ভ হৈছিল। ইয়াৰ ফলত ৰাষ্ট্ৰসমূহ পাৰস্পৰিক নিৰ্ভৰশীল হৈ পৰিছে। সেয়েহে যেতিয়া এখন দেশে আন এখন দেশৰ বিৰুদ্ধে আক্ৰমণ কৰাৰ সিদ্ধান্ত লয়, ই সেই দেশৰ লগতে ইয়াৰ মিত্ৰশক্তিৰ সৈতে ইয়াৰ বাণিজ্যত প্ৰভাৱ পেলাব পাৰে। সংক্ষেপে ই যুদ্ধক কম আকৰ্ষণীয় কৰি তুলিছে আৰু ৰাষ্ট্ৰসমূহৰ মাজত শান্তি স্থাপন কৰিছে।

বিশ্বায়নৰ এটা প্ৰধান ৰাজনৈতিক প্ৰভাৱ হ'ল সাৰ্বভৌমত্বৰ ৰূপান্তৰ। কিছু সংখ্যক পণ্ডিতে মত পোষণ কৰিছে যে গোলকীকৰণে জাতি ৰাষ্ট্ৰৰ অন্তিম পৰিণতি ঘটাব পাৰে। এনে

অৱস্থাত নিজৰ অধিক্ষেত্ৰৰ ওপৰত ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ হৈ পৰে। পণ্ডিতসকলৰ এই অংশৰ মতে, গোলকীকৰণৰ ফলত ৰাষ্ট্ৰৰ ক্ষমতা হ্ৰাস পায় আৰু সমগ্ৰ বিশ্বতে পুৰণি কল্যাণকামী ৰাষ্ট্ৰ সমূহে এতিয়া এক অধিক নূন্যতম ৰাষ্ট্ৰলৈ পৰিগণিত হৈছে যিয়ে আইন-শৃংখলা বজাই ৰখা আৰু নাগৰিকৰ নিৰাপত্তাৰ দৰে কিছুমান মূল কাম সম্পাদন কৰে। কল্যাণকামী ৰাষ্ট্ৰৰ ঠাইত ই হৈছে বজাৰ যি অৰ্থনৈতিক আৰু সামাজিক অগ্ৰাধিকাৰৰ প্ৰধান নিৰ্ণায়ক হৈ পৰে। বিশ্ববেংক, আইএমএফৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে অৰ্থনৈতিক নীতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰখনৰ ক্ষমতা সীমিত কৰিছে। অৰ্থনৈতিক প্ৰতিষ্ঠান আৰু উৎপাদন কাৰ্য্যকলাপৰ মাজত বিশ্বজোৰা সম্পৰ্কৰ ফলত মূলধন, সেৱা আৰু মানুহৰ চলাচলৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় বাধা হ্ৰাস পাইছে। অৱশ্যে ৰাষ্ট্ৰৰ প্ৰাধান্য আজিও স্বীকৃত হৈ আছে, কাৰণ মুক্ত বজাৰ নিয়ন্ত্ৰণ কৰিবলৈ এখন কতৃপক্ষৰো প্ৰয়োজন। বাস্তৱতে মুক্ত বাণিজ্যই ৰাষ্ট্ৰবোৰক পৰস্পৰ নিৰ্ভৰশীল কৰি তুলিছে আৰু তেওঁলোকৰ দৃষ্টিভংগীক বহলাই দিছে। তেওঁলোক বেছি উদাৰ আৰু বহিমুখী দৃষ্টিভংগীৰ হৈ পৰিছে। বিশ্বায়নৰ প্ৰভাৱ সাংস্কৃতিক দিশতো দেখা পোৱা যায়। বিশ্বায়নৰ নতুন ধাৰাৰ দ্বাৰা আমাৰ জীৱনশৈলী যথেষ্ট প্ৰভাৱিত হৈছে। গোলকীকৰণৰ ফলত একেধৰণৰ সংস্কৃতিৰ উত্থান হয় বা যাক সমৰূপীকৰণ (cultural homogenisation) বুলি কোৱা হয়। অৱশ্যে কিছু পণ্ডিতৰ মতে, এই একেধৰণৰ সংস্কৃতি প্ৰকৃততে পশ্চিমীয়া সংস্কৃতিৰ বিশ্বৰ বাকী অংশৰ ওপৰত এক প্ৰকাৰৰ বলপূৰ্বক আৰোপ হৈছে। ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে প্ৰভাৱশীল সমাজৰ সংস্কৃতিয়ে কম শক্তিশালী সমাজত ইয়াৰ প্ৰভাৱ পেলায়। ই বিশ্বৰ চহকী সাংস্কৃতিক ঐতিহ্য সংকুচিত হোৱাৰ ভাবুকি কঢ়িয়াই আনে।

অৱশ্যে বিশ্বায়নৰ সাংস্কৃতিক প্ৰভাৱ নেতিবাচক বুলি ধাৰণা কৰাটো ভুল হ'ব। সংস্কৃতি হৈছে এক গতিশীল বস্তু। বাহ্যিক প্ৰভাৱ গ্ৰহণ কৰি ইয়াৰ পৰিৱৰ্তন হৈ থাকে। আমি সকলো বাহ্যিক প্ৰভাৱক নেতিবাচক বুলি ধৰিব নোৱাৰোঁ। এই প্ৰভাৱসমূহে আমাৰ পছন্দৰ ক্ষেত্ৰত মাত্ৰ বহলাই দিয়ে। বিশ্বায়নে বিভিন্ন সংস্কৃতিক একত্ৰিত কৰিছে আৰু ইয়াক কিছু বেলেগ কৰি তুলিছে, যাক অধিক সংহত বুলি ক'ব পাৰি। ই প্ৰতিটো সংস্কৃতিক অধিক অনন্য আৰু স্বতন্ত্ৰ কৰি তোলে। এই প্ৰক্ৰিয়াকে সাংস্কৃতিক বৈষম্যকৰণ (cultural heterogenisation) বোলা হয়।



অগ্ৰগতি নিৰিক্ষণ

প্ৰশ্ন ৩ ঃ সংক্ষেপে লিখক বিশ্বায়নৰ প্ৰভাৱ কি ?

.....

.....

১৩.৫ আইএমএফ, বিশ্ববেংক আৰু ডব্লিউ.টি.অ.

- **আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিঃ**

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ) হৈছে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ১৯৪৭ চনৰ ব্ৰেটন উডছ সন্মিলনত বিভিন্ন দেশে প্ৰতিষ্ঠা কৰা এক আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা প্ৰতিষ্ঠান য'ত দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পিছত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা আৰু वित्तীয় ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ সকলো মিত্ৰ ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে মিলিত হৈছিল। সমগ্ৰ বিশ্বতে বিনিময় স্থিৰতা প্ৰদান কৰা আৰু নগদ সচ্ছলতা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে আইএমএফ প্ৰতিষ্ঠা কৰা হৈছিল (যাৰ দ্বাৰা সম্পত্তি আৰু প্ৰতিভূতি দ্ৰুতগতিত স্থিৰ মূল্যত বজাৰত ক্ৰয় বা বিক্ৰী কৰিব পাৰি) যাতে সদস্য ৰাষ্ট্ৰসমূহৰ সহযোগিতাৰ জৰিয়তে সন্তুলিত বহুপাক্ষিক বাণিজ্যৰ প্ৰচাৰ কৰা হয়।

আই এম এফ (IMF) ৰ জন্ম হৈছিল ১৯৪৫ চনৰ ডিচেম্বৰ মাহত আৰু ইয়াৰ কাৰ্য্যকলাপ আৰম্ভ হৈছিল ১৯৪৭ চনৰ মাৰ্চ মাহত। ই এটা স্বায়ত্বশাসিত সংস্থা আৰু ইয়াৰ সৈতে ৰাষ্ট্ৰসংঘৰ (United Nations) সম্পৰ্ক আছে। ইয়াৰ মুখ্য কাৰ্যালয় ৱাছিংটন ডি.চি.ত অৱস্থিত। বৰ্তমান ইয়াৰ সদস্য সংখ্যা ১৮৯ খন দেশ।

- **আইএমএফৰ উদ্দেশ্যসমূহ ঃ**

নিম্নলিখিত উদ্দেশ্যসমূহৰ সৈতে ১ মাৰ্চ, ১৯৪৭ তাৰিখে পুঁজিটোৱে কাম কৰিবলৈ আৰম্ভ কৰিছিল --

- আন্তঃৰাষ্ট্ৰীয় वित्तীয় সহযোগিতাৰ প্ৰসাৰ
- বৈদেশিক মুদ্ৰাৰ হাৰত স্থিৰতা নিশ্চিত কৰা,
- বিনিময় নিয়ন্ত্ৰণ আঁতৰ কৰা,
- বহুপাক্ষিত বাণিজ্য আৰু পৰিশোধ ব্যৱস্থা স্থাপন কৰা,
- আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰসাৰ কৰা,
- সদস্য ৰাষ্ট্ৰসমূহক সন্তুলিত অর্থনৈতিক বিকাশ প্ৰাপ্ত কৰাত সহায় কৰা
- পিছপৰা আৰু অনুন্নত দেশসমূহত মূলধন বিনিয়োগৰ প্ৰচাৰ কৰা।

- **বিশ্ববেংক ঃ**

বিশ্ববেংক হৈছে এক আন্তঃৰাষ্ট্ৰীয় वित्तীয় প্ৰতিষ্ঠান যি মুলধন প্ৰকল্পৰ বাবে বিশ্বৰ দেশসমূহক ঋণ প্ৰদান কৰে। ১৯৪৪ চনৰ ব্ৰেটন উডছ সন্মিলনত আইএমএফৰ সৈতে ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল। বিশ্ববেংকৰ দুটা প্ৰতিষ্ঠান আছে আন্তঃৰাষ্ট্ৰীয় পুনৰ নির্মান আৰু উন্নয়ন বেংক (আই. বি. আৰ. ডি) আৰু আন্তঃৰাষ্ট্ৰীয় উন্নয়ন সংস্থা (আই. ডি. এ)। ১৯৪৫ চনৰ জুলাইত স্থাপিত বিশ্ববেংকে ১৯৪৬ চনৰ জুন মাহত ইয়াৰ কাম-কাজ আৰম্ভ কৰিছিল। আইএমএফৰ দৰে, এই বেংকটো এটা আন্তর্জাতিক সহযোগিতামূলক সংস্থা আৰু ই ৰাষ্ট্ৰসংঘৰ (United Nations) এটা বিশেষায়িত সংস্থা হিচাপে কাম কৰে। ইয়াৰ লক্ষ্য হৈছে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ অর্থনৈতিক বিকাশত সহায় কৰা আৰু বিশ্বৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড

উন্নত কৰা।

বিশ্ববেংক হৈছে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগক উৎপাদনশীল মাধ্যমলৈ পথ প্ৰদৰ্শন কৰাৰ এক বিশ্বব্যাপী প্ৰচেষ্টা। চুক্তিৰ অনুচ্ছেদসমূহত উল্লেখ কৰা বেংকৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰা ধৰণৰ ঃ

(ক) যুদ্ধৰ ফলত ধ্বংস হোৱা বা ব্যাহত হোৱা অৰ্থনীতিৰ পুনৰুদ্ধাৰ (সেয়েহে ইয়াৰ নাম হৈছে পুনৰ নিৰ্মাণৰ বাবে বেংক) আৰু কম-বিকশিত দেশসমূহত উৎপাদনশীল সুবিধা আৰু সম্পদৰ বিকাশৰ প্ৰেৰণা (সেয়েহে ইয়াৰ নাম হৈছে উন্নয়নৰ বাবে বেংক) আদি উৎপাদনশীল উদ্দেশ্যৰ বাবে মূলধন বিনিয়োগৰ সুবিধা প্ৰদান কৰি সদস্যসকলৰ ভূখণ্ডসমূহৰ পুৰ্নগঠন আৰু বিকাশত সহায় কৰা।

(খ) ব্যক্তিগত বিনিয়োগকাৰীৰ দ্বাৰা কৰা ঋণ আৰু বিনিয়োগত গেৰাণ্টি বা অংশগ্ৰহণৰ জৰিয়েতে ব্যক্তিগত বিদেশী বিনিয়োগৰ প্ৰচাৰ কৰা আৰু নিজৰ বিত্তীয় ব্যৱস্থাৰ জৰিয়তে ব্যক্তিগত বিনিয়োগৰ পৰিপূৰক কৰা।

(গ) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দীৰ্ঘম্যাদী সন্তুলিত বিকাশ আৰু সদস্যসকলৰ উৎপাদনশীল সম্পদৰ বিকাশৰ বাবে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগক উৎসাহিত কৰি পৰিশোধৰ ভাৰসাম্যৰ ভাৰসাম্য বজাই ৰখা, যাৰ ফলত তেওঁলোকৰ ভূখণ্ডত উৎপাদনশীলতা, জীৱন ধাৰণৰ মানদণ্ড আৰু শ্ৰমিকৰ অৱস্থা বৃদ্ধিত সহায় কৰা।

- **বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ) ঃ**

বিশ্ব বাণিজ্য সংস্থা হৈছে এক আন্তঃৰাষ্ট্ৰীয় সংস্থা যিয়ে বাণিজ্য চুক্তি আৰু বিবাদ নিষ্পত্তি প্ৰক্ৰিয়াৰ আলোচনাৰ বাবে এক পৰিকাঠামো প্ৰদান কৰি আন্তঃৰাষ্ট্ৰীয় বাণিজ্য নিয়ন্ত্ৰণ কৰে যাতে অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহে বিশ্বজুৰি নিৰপেক্ষ বাণিজ্য অনুশীলন নিশ্চিত কৰাৰ বাবে কিছুমান নিয়ম আৰু নিয়মাৱলী মানি চলে। ইয়াক আনুষ্ঠানিকভাৱে ১৯৯৫ চনৰ ১ জানুৱাৰীত মাৰাকেশ চুক্তিৰ অধীনত গঠন কৰা হৈছিল, য'ত ১৯৯৪ চনৰ ১৫ এপ্ৰিলত ১২৩ খন দেশে স্বাক্ষৰ কৰিছিল, যাৰ ফলত ইয়াৰ পূৰ্বৰ, অৰ্থাৎ শুল্ক আৰু বাণিজ্যৰ ওপৰত সাধাৰণ চুক্তি (জি. এ. টি. টি) সলনি হৈছিল, যি পূৰ্বে ১৯৪৬ চনৰ পৰা ১৯৯৫ চনলৈকে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য নিয়ন্ত্ৰণ কৰা একমাত্ৰ বহুপাক্ষিক সঁজুলি আছিল। বিশ্ব বাণিজ্য সংস্থাৰ মুখ্য কাৰ্যালয় ছুইজাৰলেণ্ডৰ জেনেভাত আছে। বিশ্ব বাণিজ্য সংস্থাৰ প্ৰায় ১৫৩ জন সদস্য আছে যি বিশ্ব বাণিজ্যৰ ৯৭ শতাংশতকৈও অধিক। প্ৰায় খন দেশে সদস্যপদৰ বাবে আলোচনা কৰি আছে। ইয়াৰ সকলো সিদ্ধান্ত সদস্য ৰাষ্ট্ৰই মিলি-জুলি লয়।

- **বিশ্ব বাণিজ্য সংস্থাৰ উদ্দেশ্যৱলী ঃ**

➢ সদস্য ৰাষ্ট্ৰসমূহৰ জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰা

➢ সম্পূৰ্ণ নিয়োগ আৰু ক্ৰয়ক্ষমতা বৃদ্ধি নিশ্চিত কৰা

➢ সামগ্ৰীৰ উৎপাদন আৰু বাণিজ্যৰ সম্প্ৰসাৰণ কৰা

➢ সেৱা খণ্ডৰ বাণিজ্য বৃদ্ধি কৰা।

- **বিশ্ব বাণিজ্য সংস্থাৰ কার্য্যৱলী ঃ**

বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ) হৈছে ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্যৰ নিয়মসমূহৰ সৈতে মোকাবিলা কৰা একমাত্ৰ বিশ্ব আন্তঃৰাষ্ট্ৰীয় সংস্থা। ডব্লিউ. টি. অ'. (WTO) য়ে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত বাধা হ্ৰাস কৰাৰ লক্ষ্যৰে চুক্তিৰ আলোচনাৰ বাবে এক মঞ্চ হিচাপে কাম কৰে, যাৰ ফলত সকলোৰে বাবে সমান সুযোগ সুনিশ্চিত হয়। বিশ্ব বাণিজ্য সংস্থাই (WTO) এনে এটা আইনী আৰু প্ৰাতিষ্ঠানিক কাঠামো প্ৰদান কৰে যিয়ে বহুপাক্ষিক চুক্তিসমূহ (য'ত সকলো WTO সদস্য ৰাষ্ট্ৰই অংশগ্ৰহণ কৰে) আৰু বহুপাক্ষিক চক্তিসমূহ (য'ত কেৱল কিছুমান সদস্যইহে অংশ লয়) ৰ বাস্তৱায়ন, প্ৰশাসন আৰু কার্যকৰীকৰণৰ লগতে এনে চুক্তিৰ ব্যাখ্যা আৰু প্ৰয়োগৰ পৰা উদ্ভৱ হোৱা বিবাদ নিষ্পত্তিৰ সুবিধা কৰি দিয়ে। ই সদস্য ৰাষ্ট্ৰসমূহক বাণিজ্য আৰু কৰৰ ভৱিষ্যত কৌশল নির্ধাৰণৰ বাবে মঞ্চ প্ৰদান কৰাৰ লগতে আৰু আই. এম. এফ আৰু আই. বি. আৰ. ডি (IBRD) ৰ দৰে আন্তঃৰ্জাতিক সংস্থাসমূহক বিশ্ব অর্থনীতিৰ সুসংগত নীতি প্ৰণয়নত সহায় কৰে।

১৩:৫.১ গোলকীকৰণত আই.এম.এফ, বিশ্ব বেংক আৰু ডব্লিউ.টি.অ. ৰ ভূমিকা

আন্তঃৰ্জাতিক মুদ্ৰা নিধিয়ে (IMF) গোলকীকৰণৰ যুগত অর্থনৈতিক স্থিৰতা আৰু বৃদ্ধি সাধনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে, সদস্য ৰাষ্ট্ৰসমূহক নীতিৰ পৰামর্শ প্ৰদানৰ লগতে আর্থিক সহায় আগবঢ়াই দৰিদ্ৰতা হ্ৰাস আৰু অর্থনৈতিক স্থিৰতা অর্জনত সহায় কৰিছে। বিশ্ব বেংকে ইয়াৰ IBRD আৰু IDA নামৰ দুয়োটা সংস্থাৰ মাজেৰে মধ্যৱর্তী আৰু নিম্ন আয়ৰ দেশসমূহক ঋণ আৰু অনুদান প্ৰদান কৰি বিত্তীয় উন্নয়ন, প্ৰতিষ্ঠান গঠন, দৰিদ্ৰতা দূৰীকৰণ আৰু স্থায়ী উন্নয়ন সাধনত অৰিহণা যোগাইছে। এই অর্থনৈতিক স্থিৰতা আৰু স্থায়ী উন্নয়নে অধিক সংখ্যক লোকক গোলকীকৰণৰ সুফল ভোগ কৰাত সহায় কৰি প্ৰকৃত অর্থত গোলকীকৰণৰ লক্ষ্যত উপনীত হোৱাত অৰিহণা যোগায়। গতিকে IMF আৰু বিশ্ব বেংকে বিশ্বব্যাপী মুদ্ৰা সহযোগিতা, বিত্তীয় স্থিৰতা, আন্তর্জাতিক বাণিজ্যৰ সুবিধা, চাকৰি সৃষ্টি আৰু বিশ্বব্যাপী দৰিদ্ৰতা হ্ৰাসৰ মাজেৰে গোলকীকৰণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

ছিংগাপুৰৰ মন্ত্ৰী পর্যায়ৰ সন্মিলনত গোলকীকৰণৰ সাফল্য আৰু এই প্ৰক্ৰিয়াত ডব্লিউ.টি.অ. ৰ অৱদানৰ বিষয়ে বহু উৎসাহপূর্ণ বিবৃতি দিয়া হৈছিল। গোলকীকৰণ কেৱল প্ৰযুক্তিগত উদ্ভাৱন, মূলধনৰ প্ৰবাহ, উৎপাদন প্ৰক্ৰিয়াৰ ভৌগোলিক বিস্তাৰ আৰু কোম্পানীসমূহৰ লাভ বৃদ্ধিৰ বাবে গ্ৰহণ কৰা অন্যান্য কৌশলৰ ফলত হোৱা নাই, বৰঞ্চ ই ৰাষ্ট্ৰসমূহৰ দ্বাৰা গ্ৰহণ কৰা ৰাজনৈতিক সিদ্ধান্তৰ ফলতো হৈছে -- যেনে আন্তর্জাতিক বাণিজ্য আৰু মূলধন প্ৰবাহৰ প্ৰাতিষ্ঠানিক বাধা আঁতৰোৱা আৰু কোম্পানীসমূহক প্ৰণোদনা প্ৰদান কৰা। এই গোলকীকৰণ প্ৰক্ৰিয়াক ৰাষ্ট্ৰীয় স্তৰত একপক্ষীয় উদাৰীকৰণ আৰু ৰপ্তানি নির্ভৰ বৃদ্ধিৰ বাবে গ্ৰহণ কৰা গাঁথনিগত

পৰিৱৰ্তন, শ্ৰম আৰু সামাজিক নীতি সংস্কাৰৰ জৰিয়তে আৰু আঞ্চলিক আৰু বহুপাক্ষিক স্তৰত বাণিজ্য আৰু বিনিয়োগ উদাৰীকৰণৰ চুক্তিসমূহৰ জৰিয়তে সহায় কৰা হৈছে।

ডব্লিউ. টি. অ. হৈছে আন্তৰ্জাতিক স্তৰত বাণিজ্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নিয়ন্ত্ৰক আৰু ই আঞ্চলিক চুক্তিসমূহ স্বাক্ষৰ কৰাৰ চৰ্তাবলীও নিৰ্ধাৰণ কৰে। এনেদৰে, গোলকীকৰণক বাণিজ্যৰ দৃষ্টিকোণৰ পৰা বিশ্বস্তৰত পৰিচালনা কৰা হয়।

সকলো উন্নয়নশীল দেশৰ বাবে উচ্চ উন্নয়নৰ লক্ষ্য প্ৰাপ্ত কৰাৰ বাবে বাণিজ্যক এক উপাদান হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত ডব্লিউ. টি. অ. য়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে, অৱশ্যে বিভিন্ন অৰ্থনৈতিক পৰিস্থিতিৰ বাবে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ শ্ৰেণীৰ ভিতৰতো এই গোলকীয় সংগঠনৰ প্ৰভাৱ দেশভেদে পৃথক হয়।

বিশ্ব সংস্থা হিচাপে ডব্লিউ. টি. অ. য়ে উন্নয়নশীল ৰাষ্ট্ৰসমূহক বিশ্ব অৰ্থনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কৰাত সহায় কৰিছে। ই সকলো ধৰণৰ উন্নয়নশীল দেশৰ বাবে তেওঁলোকৰ সামগ্ৰী আৰু সেৱাৰ মানদণ্ডৰ বাবে আনৰ সৈতে প্ৰতিযোগিতা কৰাৰ এক মঞ্চ। সেয়েহে ই এখন ৰাষ্ট্ৰৰ জীৱনৰ মানদণ্ড উন্নত কৰাত সহায় কৰে। দেশসমূহৰ মাজত অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ উপৰিও ই বাণিজ্য আৰু উন্নয়ন একেলগে হোৱাত সহায় কৰিছে।

সংক্ষেপে ক'বলৈ গ'লে, উন্নয়নশীল দেশসমূহৰ ওপৰত গোলকীকৰণৰ আটাইতকৈ ডাঙৰ ইতিবাচক প্ৰভাৱ হৈছে যে ই তেওঁলোকক তেওঁলোকৰ উৎপাদন সামগ্ৰীৰ বাবে এক বজাৰ সুৰক্ষিত কৰাত সহায় কৰিছে যিয়ে উন্নয়নশীল দেশসমূহৰ পৰা ৰপ্তানি অধিক গতিত বৃদ্ধি কৰিছে। উন্নয়নশীল দেশসমূহক কা�ৰিকৰী সহায়, গুণগত মানৰ সামগ্ৰীৰ জ্ঞান আৰু নতুন প্ৰযুক্তিৰ প্ৰৱেশাধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰতো ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ'.) ৰ সদস্য সংখ্যা ২০ (সত্য/অসত্য)

প্ৰশ্ন ৫ ঃ বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ'.) যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰা।

.....

.....

প্ৰশ্ন ৬ ঃ বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ'.) ৰ স্থাপন হৈছিল ..... চনত। (খালী ঠাই পূৰণ কৰক)।

প্ৰশ্ন ৭ ঃ বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ'.) ৰ কাৰ্য্যৱলী ৫০ টা শব্দৰ ভিতৰত ব্যাখ্যা কৰা।

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গোলকীকৰণ এটা ঐতিহাসিক প্ৰক্ৰিয়া, মানুহৰ উদ্ভাৱন আৰু প্ৰযুক্তিগত উন্নয়নৰ ফলস্বৰূপ। ই বিশ্বজুৰি অৰ্থনীতিৰ বাঢ়ি অহা একত্ৰীকৰণক সূচায়, বিশেষকৈ সীমান্ত অতিক্ৰম কৰা সামগ্ৰী, সেৱা আৰু মূলধনৰ চলাচলৰ জৰিয়তে।
- গোলকীকৰণে মানুহ, চুবুৰী, চহৰ, অঞ্চল আৰু দেশবোৰক আগতকৈ অধিক ঘনিষ্ঠভাৱে সংযুক্ত কৰিছে। ইয়াৰ ফলত আমি খোৱা খাদ্য, পিন্ধা কাপোৰ, শুনা সংগীত, পোৱা তথ্য আৰু ৰখা ধাৰণাবোৰৰ জৰিয়তে আমি বিশ্বৰ সকলো প্ৰান্তৰ মানুহৰ সৈতে জড়িত হৈ পৰিছে।
- এই আন্তঃসংযুক্ততাক কেতিয়াবা 'গ্লোবেল ভিলেজ' বুলিও কোৱা হয়, য'ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সীমাৰ বাধা অপ্ৰাসংগিক হৈ পৰে আৰু বিশ্বখন আক্ষৰিক অৰ্থত সৰু হৈ যায়।
- ইয়াৰ মূল ধাৰণা হৈছে বিশ্বখনক এটা প্ৰকৃত গোলকীয় সমাজলৈ ৰূপান্তৰিত কৰা - যত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিৱৰ্তন সাধন কৰা হয়। ইয়াক বিশ্বৰ সকলো মানুহৰ বাবে স্থায়ী উন্নয়ন সুনিশ্চিত কৰাৰ এক গুৰুত্বপূৰ্ণ উপায় বুলি গণ্য কৰা হয়।
- ই ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা গোলকীয় অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপলৈ যোৱাৰ ইচ্ছাক প্ৰতিনিধিত্ব কৰে। ইয়াৰ লক্ষ্য হৈছে বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক ব্যৱস্থাক এক গোলকীয় অৰ্থনৈতিক ব্যৱস্থালৈ ৰূপান্তৰিত কৰা।
- বৰ্তমানৰ ব্যৱস্থাত ৰাষ্ট্ৰীয় অৰ্থনীতিবোৰেই মুখ্য ভূমিকা পালন কৰে। নতুন ব্যৱস্থাত গোলকীকৃত অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপে সমগ্ৰ বিশ্বৰ বাবে স্থায়ী উন্নয়ন নিশ্চিত কৰিব।
- গোলকীকৰণে বিনিয়োগ, প্ৰযুক্তি আৰু অন্যান্য সামগ্ৰীৰ উৎপাদন সম্ভৱ কৰিছে। ইয়াৰ জৰিয়তে এজনে লাভ আৰু আনজনে চাকৰি পায়। গোলকীকৰণে বিশ্বত শান্তি আনি দিছে আৰু যিকোনো সম্পদ যিকোনো ঠাইত উপলব্ধ কৰিছে।
- ইয়াৰ ফলত দেশবোৰে স্থানীয়ভাৱে উৎপাদন কৰাতকৈ আমদানি কৰা অধিক সস্তা সামগ্ৰীৰ বাবে বাণিজ্য কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত দেশবোৰ পৰস্পৰ নিৰ্ভৰশীল হৈ পৰিছে।
- বিশ্ব বাণিজ্য সংস্থা (WTO) হৈছে এক আন্তঃৰাষ্ট্ৰীয় সংস্থা যিয়ে বিভিন্ন দেশৰ মাজত বাণিজ্য মুক্ত কৰাত গুৰুত্ব দিয়ে। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত ইয়াক আটাইতকৈ ডাঙৰ বাণিজ্য সংস্থা হিচাপে গণ্য কৰা হয়। ইয়াৰ আৰম্ভণি হৈছিল ১৯৯৫ চনৰ ১ জানুৱাৰীত।

ইয়াৰ কার্যালয় জেনেভা, চুইজাৰলেণ্ডত অৱস্থিত।

- ডব্লিউ. টি. অ'. ৰ প্ৰায় ১৬৪ টা সদস্য ৰাষ্ট্ৰ আছে যিয়ে বিশ্ব বাণিজ্যৰ ৯৭% তকৈ অধিক অংশৰ প্ৰতিনিধিত্ব কৰে। প্ৰায় ৩০ টা দেশে সদস্যপদৰ বাবে আলোচনা কৰি আছে।
- ডব্লিউ. টি. অ' য়ে বাণিজ্য নীতি পর্যালোচনা পদ্ধতিৰ সৈতে জড়িত নিয়ম আৰু ব্যৱস্থা প্ৰণয়ন কৰে। ই সদস্য ৰাষ্ট্ৰসমূহক বাণিজ্য আৰু কৰৰ ভৱিষ্যত কৌশল নির্ধাৰণৰ বাবে মঞ্চ প্ৰদান কৰে।
- ই বিশ্ব বাণিজ্যৰ বহুপাক্ষিক আৰু দ্বিপাক্ষিক চুক্তিসমূহৰ বাস্তৱায়ন, প্ৰশাসন আৰু কার্যকৰীকৰণৰ সুবিধা প্ৰদান কৰে।
- ডব্লিউ. টি. অ য়ে বিবাদ নিষ্পত্তিৰ সৈতে জড়িত নিয়ম আৰু প্ৰক্ৰিয়া পৰিচালনা কৰে। ই IMF আৰু IBRD দৰে আন্তর্জাতিক সংস্থাক বিশ্বব্যাপী অর্থনৈতিক নীতি নির্ধাৰণত সুসংগততা স্থাপনত সহায় কৰে।
- আন্তর্জাতিক স্তৰত হৈছে বাণিজ্যৰ সবাতোকৈ গুৰুত্বপূর্ণ নিয়ন্ত্রক সংস্থা। ই আঞ্চলিক চুক্তিসমূহ স্বাক্ষৰ কৰাৰ চর্তাৱলীও নির্ধাৰণ কৰে। এনেদৰে গোলকীকৰণক বাণিজ্যৰ দৃষ্টিকোণৰ পৰা বিশ্বস্তৰত পৰিচালনা কৰা হয়।
- ডব্লিউ. টি. অ. এ উন্নয়নশীল দেশসমূহৰ উচ্চস্তৰৰ উন্নয়ন লক্ষ্য অর্জনত বাণিজ্যক এক গুৰুত্বপূর্ণ সঁজুলি হিচাপে গঢ়ি তুলিছে। অৱশ্যে ভিন্ন অর্থনৈতিক পৰিস্থিতিৰ বাবে এই গোলকীয় সংস্থাৰ প্ৰভাৱ দেশভেদে ভিন্ন হয়, আনকি একেটা উন্নয়নশীল দেশৰ শ্রেণীৰ ভিতৰতো ইয়াৰ প্ৰভাৱৰ পার্থক্য দেখা যায়।
- এটা গোলকীয় সংস্থা হিচাপে ডব্লিউ. টি. অ. য়ে উন্নয়নশীল ৰাষ্ট্ৰসমূহক বিশ্ব অর্থনৈতিক ক্ষেত্ৰত অংশগ্রহণ কৰাত সহয় কৰিছে। ই সকলো ধৰণৰ উন্নয়নশীল দেশৰ বাবে এক প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰে য'ত তেওঁলোকে নিজৰ সামগ্রী আৰু সেৱাৰ গুণাগুণ অন্যান্যৰ সৈতে তুলনা কৰিব পাৰে। গতিকে ই এখন ৰাষ্ট্ৰৰ জীৱনৰ মানদণ্ড উন্নত কৰাত অৰিহণা যোগায়। দেশসমূহৰ মাজত অর্থনৈতিক সম্পর্ক শক্তিশালী কৰাৰ উপৰিও, ই বাণিজ্য আৰু উন্নয়নক একেলগে আগবঢ়াই নিয়াত সহায় কৰিছে।
- চমুকৈ ক'ব গ'লে, উন্নয়নশীল দেশসমূহৰ ওপৰত ইয়াৰ সবাতোকৈ গুৰুত্বপূর্ণ ইতিবাচক প্ৰভাৱ হৈছে যে ই তেওঁলোকক উৎপাদিত সামগ্রীৰ বাবে বজাৰ প্ৰদান কৰাত সহায় কৰিছে, যাৰ ফলত ৰপ্তানি বৃদ্ধি পাইছে। ইয়াৰ উপৰিও উন্নয়নশীল দেশসমূহক প্রযুক্তিগত সহায়, গুণগত সমাগ্রীৰ জ্ঞান আৰু নতুন প্রযুক্তিৰ প্রৱেশাধিকাৰ প্রদানতো ডব্লিউ. টি. অ. য়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।



১৩.৭ অধিক জানিবলৈ

1) Acocella, Nicola, (2005), Eonomic Policy in the age of Globalisation: Cambridge University Press.

2) Myneni, S. R., (2010), World trade Organization: Asia Law House, New Delhi

3) The World Trade Organization (WTO) available at http://www.ifg.org/wto.html, last visited on 10/9/17.

4) Ganesh, G. and Sumathy, M. (2012), Globalisation and Consumerism: Issues and Chal



১৩.৮ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ৰ উত্তৰঃ গোলকীকৰণ হৈছে এক চিৰপ্ৰবাহিত প্ৰক্ৰিয়া যিয়ে মানুহ, চুবুৰী, চহৰ, আঞ্চল আৰু দেশবোৰক আগতকৈ বহুতো ঘণিষ্ঠভাৱে সংযুক্ত ক�ৰিছে। ইয়াৰ ফলত আমাৰ জীৱন বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছে। পৃথিৱীৰ মানুহৰ মাজৰ এই আন্তঃসংযুক্ততাক কেতিয়াবা 'গোলকীয় গাওঁ' (global village) বুলিও কোৱা হয়, য'ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সীমাৰ বাধা কম গুৰুত্বপূৰ্ণ হৈ পৰে আৰু আক্ষৰিক অৰ্থত বিশ্বখন এক সৰু স্থানলৈ ৰূপান্তৰিত হয়।

প্ৰশ্ন ২ ৰ উত্তৰঃ অৰ্থনৈতিক গোলকীকৰণে সামগ্ৰী, মূলধন, সেৱা, প্ৰযুক্তি আৰু তথ্যৰ মুক্ত প্ৰবাহক সূচায়। ই হৈছে সীমান্ত অতিক্ৰমী সামগ্ৰী, সেৱা, প্ৰযুক্তি আৰু মূলধনৰ বাঢ়ি অহা চলাচলৰ জৰিয়তে বিশ্বজুৰি ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু স্থানীয় অৰ্থনীতিৰ বাঢ়ি অহা একত্ৰীকৰণ আৰু পাৰস্পৰিক নিৰ্ভৰশীলতা। অৰ্থনৈতিক গোলকীকৰণে মূলতঃ অন্তৰ্ভুক্ত কৰে ঃ- উৎপাদনৰ গোলকীকৰণ, বিত্তীয় গোলকীকৰণ, বজাৰৰ গোলকীকৰণ, প্ৰযুক্তিৰ গোলকীকৰণ, সংগঠনাত্মক ব্যৱস্থাৰ গোলকীকৰণ, প্ৰতিষ্ঠানিক গোলকীকৰণ, কোম্পানীসমূহৰ গোলকীকৰণ, শ্ৰমৰ গোলকীকৰণ।

প্ৰশ্ন ৩ ৰ উত্তৰঃ গোলকীকৰণ হৈছে বাণিজ্য, ধাৰণা, যোগাযোগ, অৰ্থনৈতিক আৰু বিত্তীয় একত্ৰীকৰণৰ বিনিময় আৰু গতিশীলতাৰ বিষয়। ই স্থানীয় আৰু ৰাষ্ট্ৰীয় দৃষ্টিভংগীক এক বিস্তৃত আৰু মুক্ত দৃষ্টিকোণলৈ সম্প্ৰসাৰিত কৰে, য'ত অধিক আন্তঃসংযোগ আৰু আন্তনিৰ্ভৰশীলতা থাকে। মূলধন, সামগ্ৰী আৰু সেৱাৰ মুক্ত প্ৰবাহৰ জৰিয়তে স্থানীয়

অৰ্থনীতিক গোলকীয় অৰ্থনীতিৰ সৈতে সংযুক্ত কৰা হয়। বৰ্তমান বিশ্বৰ বহু অৰ্থনীতি উদাৰীকৰণ হৈছে,ফলত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ বাবে অৰ্থনীতি মুকলি কৰা হৈছে। ইয়াৰ ফলত বৰ্তমান বিশ্বখন পৰস্পৰ নিৰ্ভৰশীল আৰু আন্তঃসংযুক্ত হৈ পৰিছে।

গতিকে গোলকীকৰণে এনে এক ব্যৱস্থা গঢ়ি তুলিছে য'ত এখন দেশে আন এখন দেশত মূলধন বিনিয়োগ কৰিব পাৰে আৰু প্ৰযুক্তি হস্তান্তৰ কৰিব পাৰে আৰু গ্ৰহণকাৰী দেশে ইয়াৰ ফলত আগতে উৎপাদন কৰিব নোৱাৰা সামগ্ৰী উৎপাদন কৰিব পাৰে। এনেদৰে বিনিয়োগকাৰী দেশখনে লাভ অৰ্জন কৰে আনহাতে অন্য দেশটোৱে স্থানীয় লোকসকলৰ বাবে চাকৰিৰ সুযোগ পায়। গোলকীকৰণে যিকোনো সম্পদ যিকোনো ঠাইত উপলব্ধ কৰিছে। আকৌ গোলকীকৰণৰ ফলত আমদানি শুল্ক আৰু অন্যান্য কৰ হ্ৰাস পোৱাৰ বাবে দেশসমূহে স্থানীয়ভাৱে উৎপাদন কৰাতকৈ আমদানি কৰা অধিক সস্তা সামগ্ৰীৰ বাবে বাণিজ্য কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত দেশবোৰ পৰস্পৰ নিৰ্ভৰশীল হৈ পৰিছে। সেয়েহে এখন দেশে আন এখন দেশৰ বিৰুদ্ধে আক্ৰমণ কৰাৰ সিদ্ধান্ত ল'লে ই সেই দেশৰ সৈতে হোৱা বাণিজ্যৰ ওপৰত প্ৰভাৱ পেলাব পাৰে, লগতে ইয়াৰ মিত্ৰৰাষ্ট্ৰসমূহৰ সৈতে হোৱা বাণিজ্যতো প্ৰভাৱ পেলাব পাৰে। চমুকৈ ক'ব গ'লে, এইদৰে গোলকীকৰণে যুদ্ধক কম আকৰ্ষণীয় কৰি তুলিছে।

গোলকীকৰণৰ প্ৰভাৱ আমাৰ সংস্কৃতিক জীৱনতো স্পষ্টভাৱে পৰিলক্ষিত হয়। গোলকীকৰণৰ নতুন প্ৰৱনতাই আমাৰ জীৱনশৈলীক গভীৰভাৱে প্ৰভাৱিত কৰিছে। ই একেধৰণৰ সংস্কৃতিৰ উত্থান ঘটায়, যাক সাংস্কৃতিক সমৰূপীকৰণ (cultural homogenisation) বুলি কোৱা হয়। অৱশ্যে, কিছু পণ্ডিতৰ মতে এই একেধৰণৰ সংস্কৃতি প্ৰকৃততে পশ্চিমীয়া সংস্কৃতিৰ বিশ্বৰ অন্যান্য অংশৰ ওপৰত এক প্ৰকাৰৰ বলপূৰ্বক আৰোপহে (imposition)। ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে প্ৰভাৱশালী সমাজৰ সংস্কৃতিয়ে কম শক্তিশালী সমাজত নিজৰ ছাপ এৰি যায়। ই বিশ্বৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক সংকুচিত কৰাৰ ভাবুকি সৃষ্টি কৰে।

অৱশ্যে গোলকীকৰণৰ সাংস্কৃতিক প্ৰভাৱ কেৱল নেতিবাচক বুলি ধৰি ল'লে ভুল হ'ব। সংস্কৃতি হৈছে এক গতিশীল বস্তু। ই বাহ্যিক প্ৰভাৱ গ্ৰহণ কৰি সদায় সলনি হৈ থাকে। আমি সকলো বাহ্যিক প্ৰভাৱক নেতিবাচক বুলি ক'ব নোৱাৰোঁ। এই প্ৰভাৱসমূহে আমাৰ পছন্দৰ ক্ষেত্ৰত মাত্ৰ বহলাই দিয়ে। গোলকীকৰণে বিভিন্ন সংস্কৃতিক একত্ৰিত কৰি এক নতুন ৰূপ দিছে, যাক অধিক সংহত (cohesive) বুলিব পাৰি। ই প্ৰতিটো সংস্কৃতিক অধিক অনন্য আৰু স্বকীয় কৰি তোলে। এই প্ৰক্ৰিয়াকে সাংস্কৃতিক বৈষম্যকৰণ (cultural heterogenisation) বোলা হয়।

প্ৰশ্ন ৪ ৰ উত্তৰঃ অসত্য (WTO ৰ বৰ্তমান সদস্য সংখ্যা ১৬৪, ২০২৪ চনৰ তথ্য অনুসৰি)

প্ৰশ্ন ৫ ৰ উত্তৰঃ

(ক) সদস্য ৰাষ্ট্ৰসমূহৰ জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰা।

(খ) সম্পূৰ্ণ নিয়োগ আৰু ক্ৰয়ক্ষমতা বৃদ্ধি নিশ্চিত কৰা।

প্ৰশ্ন ৬ ৰ উত্তৰঃ ১৯৯৫ চনৰ ১ জানুৱাৰীত।

প্ৰশ্ন ৭ ৰ উত্তৰঃ বিশ্ব বাণিজ্য সংস্থা (ডব্লিউ. টি. অ.) হৈছে ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্যৰ নিয়মসমূহৰ সৈতে মোকাবিলা কৰা একমাত্ৰ বিশ্বব্যাপী আন্তঃৰাষ্ট্ৰীয় সংস্থা। বিশ্ব বাণিজ্য সংস্থাই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰতি থকা বাধা হ্ৰাস কৰাৰ লক্ষ্যৰে সকলোৰে বাবে সমান সুযোগ সুনিশ্চিত কৰাৰ লক্ষৰে সহমতৰ আলোচনাৰ এক মঞ্চ হিচাপে কাম কৰে। ই বিশ্ব বাণিজ্যৰ বহুপাক্ষিক চুক্তি (সকলো সদস্য গ্ৰহণ কৰা) আৰু বহুপক্ষীয় চুক্তি (কিছুমান সদস্য গ্ৰহণ কৰা) ৰ বাস্তৱায়ন, প্ৰশাসন আৰু বিবাদ নিষ্পত্তিৰ বাবে আইনী কাঠামো প্ৰদান কৰে। ই সদস্য ৰাষ্ট্ৰসমূহক বাণিজ্য আৰু কৰ নীতিৰ ভৱিষ্যত কৌশল নিৰ্ধাৰণৰ সুযোগ দিয়ে আৰু IMF, IBRD আদি সংস্থাক বিশ্ব অৰ্থনৈতিক নীতিৰ সংসগতি ৰক্ষাত সহায় কৰে।



১৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ এল. পি. জি. ৰ অৰ্থ লিখা।

প্ৰশ্ন ২ঃ ডব্লিউ. টি. অ. ৰ উদ্দেশ্যৱলী উল্লেখ কৰা।

প্ৰশ্ন ৩ঃ উদাৰীকৰণ (Liberalisation) ৰ ওপৰত চমু টোকা লিখা।

প্ৰশ্ন ৪ঃ গোলকীকৰণৰ ঐতিহাসিক পৰিপ্ৰেক্ষিতৰ ওপৰত চমু টোকা লিখা।

প্ৰশ্ন ৫ঃ ডব্লিউ. টি. অ. (বিশ্ব বাণিজ্য সংস্থা) ৰ ভূমিকা বিশ্লেষণ কৰা।

প্ৰশ্ন ৬ঃ গোলকীকৰণৰ অৰ্থ আৰু ইয়াৰ প্ৰভাৱ ব্যাখ্যা কৰা।

প্ৰশ্ন ৭ঃ গোলকীকৰণৰ প্ৰাসংগিকতাৰ ওপৰত টোকা লিখা।

****

অধ্যায় ১৪ ঃ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশীয় চিন্তা আৰু বহনক্ষম মানৱ উন্নয়ন

অধ্যায় গাঁঠনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ সাম্প্ৰতিক সময়ত পৰিৱেশীয় সমস্যাসমূহ ঃ সেউজ গৃহ গেছৰ নিৰ্গমন আৰু জলবায়ু পৰিৱৰ্তন

১৪.৩.১ বিশ্ব সম্প্ৰদায়ৰ পদক্ষেপসমূহ— UNFCCC, কিয়'ট' প্ৰট'ক'ল

১৪.৪ বহনক্ষম মানৱ উন্নয়নৰ ধাৰণা

১৪.৪.১ বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰ (SDG's)

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কিছুমান আন্তঃৰাষ্ট্ৰীয় পৰিৱেশীয় চিন্তা সম্পৰ্কে পৰীক্ষা কৰিব পাৰিব
- সেউজ গৃহ গেছৰ নিৰ্গমনৰ সমস্যা আৰু জলবায়ু পৰিৱৰ্তন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- UNFCCC আৰু কিয়'ট' প্ৰট'ক'ল সম্পৰ্কে আলোচনা কৰিব
- বহনক্ষম মানৱ উন্নয়ন সম্পৰ্কে আলোচনা কৰিব পাৰিব

১৪.২ পৰিচয়

বিশ্বায়ন আৰু উন্নয়নৰ কাৰকসমূহে সমগ্ৰ বিশ্বজুৰি প্ৰাকৃতিক আৰু ভৌতিক পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। গোলকীয় পাৰিৱেশিক পৰিৱৰ্তনসমূহ শেহতীয়া সময়ত অধিক প্ৰকট হৈ পৰিছে। যিয়ে ভয়ংকৰ ৰূপত পৰিৱেশীয় সমস্যাৰ সৃষ্টি কৰিছে। এয়া আমাৰ কৰ্তব্য আৰু দায়বদ্ধতা যে যি পৰিৱেশত আমি বাস কৰি আছো তাত কৰি থকা কাৰ্যসমূহৰ প্ৰতি সজাগ হৈ আৰু সমস্যাবোৰ আৰু উপাদানসমূহ যিয়ে পৰিৱেশত প্ৰভাৱ পেলাব পাৰে, সেই ক্ষেত্ৰত পৰিৱেশ সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। সক্ৰিয় নীতি-নিয়ম আৰু পৰিৱেশীয় আইন ৰচনা আৰু কাৰ্যকৰীকৰণৰ জৰিয়তে চৰকাৰসমূহে প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিব লাগে। এই অধ্যায়ত জলবায়ু পৰিবৰ্তনৰ দৰে গুৰুতৰ পৰিৱেশীয় সমস্যাৰ ওপৰত আলোচনা কৰা হৈছে। লগতে, ভালে সংখ্যক আন্তঃৰাষ্ট্ৰীয় পৰিৱেশীয়

সন্মিলনৰ সহিতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত পৰিৱেশ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ ওপৰত বৰ্ণনা আগবঢ়োৱা হৈছে। অৱশেষত অধ্যায়টিত বহনক্ষম মানৰ উন্নয়নৰ ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

১৪.৩ সাম্প্ৰতিক সময়ৰ পৰিৱেশীয় সমস্যাবোৰ ঃ সেউজগৃহ গেছৰ নিৰ্গমন আৰু জলবায়ু পৰিৱৰ্তন

সময় অনুসৰি জলবায়ু পৰিবৰ্তন হৈ আহিছে। সেই পৰিৱৰ্তন সাধাৰণতে বতৰৰ আৰ্হিৰ পৰিসংখ্যাগত বিতৰণ আৰু যেতিয়া এই পৰিৱৰ্তন বৰ্ধিত সময়ৰ বাবে অব্যাহত থাকে, তাকে জলবায়ু পৰিৱৰ্তন বোলা হয়। ই বতৰৰ অৱস্থাৰ এক গড় পৰিৱৰ্তন বা বতৰৰ সময়ৰ তাৰতম্যত হোৱা গড় অৱস্থাৰ পৰিৱৰ্তন। মানৱসৃষ্ট (সেউজ গৃহ গেছ) আৰু প্ৰাকৃতিক কাৰ্যকলাপ (সৌৰ বিকিৰণ, আগ্নেয়গিৰি উদ্‌গীৰণ) উভয়েই জলবায়ুৰ ওপৰত প্ৰভাৱ পেলাইছে। যিবোৰ কাৰকে জলবায়ু সৃষ্টি কৰে, তাক জলবায়ু বাধ্যতামূলক বা জোৰ কৰা ব্যৱস্থা বোলা হয়। অনাগত দিনত জলবায়ু পৰিৱৰ্তনে দেখা দিব নে নিদিয়ে সেয়া আজিৰ দিনত জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত বিতৰ্কৰ বিষয় নহয়। (বিশ্বব্যাপী একমত প্ৰকাশ কৰা হৈছে যে জলবায়ু পৰিৱৰ্তন ইতিমধ্যে সংঘটিত হৈ আছে।) কিন্তু ইয়াৰ প্ৰভাৱৰ পৰিমাণৰ বিষয়ে অৱগত হোৱা আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সঁহাৰি জনোৱাৰ সৰ্বোত্তম উপায়। আনহাতে, বিশ্বজুৰি বহুলভাৱে সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ প্ৰয়োজনীয়তা আছে বুলি ঐক্যমত প্ৰকাশ কৰা হৈছে। ইয়াক লাভৰ বাবে পদ্ধতিসমূহৰ ওপৰত এতিয়াও আলোচনা চলি আছে। কিন্তু এয়া এক ক্ষুদ্ৰ পদক্ষেপ মাত্ৰ। কিয়'ট প্ৰট'ক'ল এই দিশত প্ৰথম আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ, কিন্তু ই এক সামান্য প্ৰচেষ্টাহে। সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। কিয়'ট' প্ৰট'ক'লৰ সময়সীমা (২০১২) শেষ হোৱাৰ লগে লগে কেনেকৈ, কি কৰিব লাগে সেই সম্পৰ্কে নতুন সুদূৰ প্ৰসাৰী 32M বিশ্বব্যাপী থকা চুক্তিৰ প্ৰয়োজন আছে। যিয়ে জলবায়ু পৰিৱৰ্তনৰ সমস্যাটোৰ সৈতে মোকাবিলা কৰিব পাৰে। বায়ুমণ্ডলত সেউজগৃহ গেছৰ প্ৰৱেশৰ অন্তৰালত মানুহৰ কাৰ্যকলাপ জড়িত হৈ আছে। যোৱা শতিকাত বায়ুমণ্ডলত সেউজগৃহ গেছৰ পৰিমাণ আৰু প্ৰকোপ কিমান হাৰত বৃদ্ধি পাইছে, সেই সম্পৰ্কে কোনো বিতৰ্কৰ সূত্ৰপাত হোৱা নাই আৰু এই সকলোখিনিৰ আঁৰতো মানবীয় বিভিন্ন কাৰ্য-কলাপ (যেনে— শক্তিৰ ব্যৱহাৰ, পৰিবহণ আৰু কৃষি) জড়িত হৈ আছে।

- **গোলকীয় সমস্যা হিচাপে জলবায়ু পৰিৱৰ্তন ঃ**

জলবায়ু পৰিৱৰ্তন হৈছে গোলকীয় সমস্যা আৰু সমস্যাক গোলকীয় সমাধানৰ প্ৰয়োজন হয়। তলত জলবায়ু পৰিৱৰ্তনৰ পৰিণতিসমূহৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

(ক) সেউজগৃহ গেছৰ বৰ্ধিত মাত্ৰাই ইতিমধ্যে জলবায়ুৰ পৰিৱৰ্তন ঘটাইছে। বায়ুমণ্ডল আৰু সাগৰপৃষ্ঠত যোৱা ১০০ বছৰত বৃদ্ধি পোৱা গড় উষ্ণতাৰ বিভিন্ন ধৰণে প্ৰমাণ পোৱা গৈছে। এই ঘনত্ব বৃদ্ধিৰ সৈতে বায়ুমণ্ডলৰ সেউজ গৃহ গেছৰ ওতঃপ্ৰোতঃভাৱে সম্পৰ্কিত

হৈ আছে।

(খ) জলবায়ু আৰ্হিৰ জৰিয়তে বিশ্বৰ উষ্ণতা ২১০০ চনৰ ভিতৰত ১, ৪ পৰা ৫, ৮ ডিগ্ৰীলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা দেখা গৈছে। গোলকীয় জলবায়ু ব্যৱস্থা এটা দীঘলীয়া সঁহাৰিৰ সময়, যাৰ বাবে সকলো আৰ্হিয়ে উষ্ণতা বৃদ্ধিৰ ভৰিষ্যতবাণী কৰে। বাস্তৱতে, বিশ্বজুৰি মুঠ সেউজগৃহ গেছৰ নিৰ্গমৰ পৰিমাণ এতিয়াও বৃদ্ধি পাইছে আৰু ভৰিষ্যতবাণী কৰাতকৈ উষ্ণতা নিৰ্ধাৰিত আনুমানিক পৰিমাণতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে।

(গ) প্ৰকৃততে গোলকীয় পৰিৱেশত জলবায়ু পৰিবৰ্তনে তাৎপৰ্যপূৰ্ণভাৱে প্ৰভাৱ পেলায়। জলবায়ু পৰিৱৰ্তন দীৰ্ঘম্যাদী প্ৰসাৰিত হ'ব বুলি অনুমান কৰা হৈছে। বৃহৎ ভূমি প্লাৱিত কৰা, সমুদ্ৰ পৃষ্ঠকে ধৰি বিভিন্ন অঞ্চলত খাদ্যৰ উৎপাদন হ্ৰাস, গ্ৰীষ্মমণ্ডলীয় ৰোগৰ পৰিমাণ বৃদ্ধি, বিশুদ্ধ খোৱা, পানীৰ যোগানৰ অভাৱ, ধুমুহাৰ পৰিমাণ বৃদ্ধি, সঘনাই বতৰৰ সালসলনি আৰু বহুতো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ প্ৰতিকাৰৰ বাবে অৰ্থনৈতিকভাৱে ট্ৰিলিয়ন মাৰ্কিন ডলাৰ ব্যয় হ'ব বুলি আশা কৰা হৈছে।

শেহতীয়াকৈ প্ৰকাশিত গোলকীয় অধ্যয়নৰ তথ্য অনুসৰি পৃথিৱীৰ অন্যান্য দেশৰ লগতে ভাৰতবৰ্ষতো জলবায়ু পৰিৱৰ্তনৰ দ্বাৰা বতৰৰ চৰম পৰ্যায়ৰ কাৰণে খাদ্যৰ ক্ষেত্ৰত নিৰাপত্তাহীনতাৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। এই অধ্যয়নৰ জৰিয়তে কেনেদৰে জলবায়ু পৰিৱৰ্তনে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰত অসহায় পৰিস্থিতিৰ সৃষ্টি কৰিছে, মূলতঃ পৃথিৱীৰ ১২২ খন ঘনকৈ উন্নত আৰু কম উন্নত ৰাষ্ট্ৰত (অধিকভাৱে এছিয়া, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাত) খাদ্য নিৰাপত্তাহীনতাক লৈ জনসাধাৰণে প্ৰয়োজনীয় মাত্ৰাত পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ অভাৱত ভোগা দেখা গৈছে। ইয়াত বতৰৰ চৰম অৱস্থাৰ আকাংক্ষিত পৰিৱৰ্তন আশা কৰা হৈছে আৰু বিশুদ্ধ পানীৰ উপলব্ধতা আৰু খাদ্য নিৰাপত্তাহীনতাৰ প্ৰতি ইয়াৰ প্ৰভাৱ দেখা পোৱা গৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ জলবায়ু পৰিবৰ্তন গোলকীয় সমস্যা আৰু গোলকীয় সমস্যাৰ বাবে গোলকীয় সমাধানৰ প্ৰয়োজন। (সত্য / অসত্য)

প্ৰশ্ন ২ ঃ জলবায়ু পৰিৱৰ্তন কি?

.....

.....

প্ৰশ্ন ৩ ঃ জলবায়ু পৰিৱৰ্তনৰ দুটা পৰিণতি উল্লেখ কৰক।

.....

.....

.....

১৪.৩.১ বিশ্ব সম্প্রদায়ৰ পদক্ষেপসমূহ— UNFCCC, কিয়'ট' প্ৰট'ক'ল

জলবায়ু পৰিৱৰ্তনৰ জৰিয়তে সৃষ্টি হোৱা প্রত্যাহ্বানসমূহৰ সৈতে মোকবিলা কৰিবৰ বাবে এক আন্তঃচৰকাৰ সম্বন্ধীয় গাঁথনি হিচাপে ৰাষ্ট্রসংঘৰ জলবায়ু পৰিবৰ্তনৰ কাঠামোৰৰ কথা উল্লেখ কৰিব পাৰি। জলবায়ু তন্ত্রৰ যে ই এক বিতৰণমূলক সম্পদ যাৰ সামর্থ উদ্যোগিক আৰু কার্বন-ডাই-অক্সাইডাৰ দৰে আৰু অন্যান্য সেউজ গৃহ গেছৰ নির্গমনৰ দ্বাৰা যে প্রভাৱিত হয়, তাক স্বীকৃতি প্রদান কৰা হৈছে। এই সন্মিলনে ১৮৯ খন ৰাষ্ট্রৰ সৈতে ৰাষ্ট্রসমূহৰ সার্বজনীন সদস্যপদক অনুমোদন জনাইছে। এই চুক্তিখনৰ অধীনত ৰাষ্ট্রসমূহে ঃ

- সেউজ গৃহ গেছৰ নির্গমনৰ তথ্য সংগ্রহ আৰু বিতৰণ কৰা, ৰাষ্ট্রীয় নীতি আৰু উত্তম পদ্ধতি অৱলম্বন কৰা।
- সেউজ গৃহ নির্গমনৰ সমস্যা দাঙি ধৰা আৰু সম্ভাব্য প্রভাৱসমূহক দাঙি ধৰা আৰু সম্ভাব্য প্রভাৱসমূহক দাঙি ধৰা (লগতে উন্নয়নশীল ৰাষ্ট্রৰ বাবে আর্থিক আৰু প্রযুক্তিগত সহায়ৰ বাবে ব্যৱস্থাৱলী যুগুত কৰা।
- জলবায়ু পৰিৱৰ্তনৰ প্রভাৱৰ সৈতে মোকাবিলা কৰিবৰ বাবে সহযোগিতা আগবঢ়োৱা।

১৯৯২ চনৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত হোৱা ৰাষ্ট্রসংঘৰ পৰিৱেশ আৰু বিকাশৰ সন্মিলনত এই চুক্তিখন মুকলি কৰা হয় (বসুন্ধৰা সন্মিলন বা ৰিঅ' সন্মিলন হিচাপে জনা যায়) আৰু ইয়াক ১৯৯৪ চনৰ ২১ মার্চৰ পৰা কার্যকৰী কৰা হৈছিল।

চুক্তিখনৰ পৰিশিষ্ট ১ত উল্লেখকৰা অনুসৰি দেশসমূহে (প্রধানকৈ উন্নত দেশবোৰে) তেওঁলোকৰ সেউজ গৃহ গেছৰ নির্গমন (কোনো নির্দিষ্ট লক্ষ্য নির্ধাৰণ কৰা হোৱা নাই) হ্রাস কৰাৰ ক্ষেত্রত আৰু সেউজ গৃহ গেছৰ ভাণ্ডাৰ যেনে— বনাঞ্চল বৃদ্ধিৰ বাবে বাধ্যবাধকতা হিচাপে পদক্ষেপ (আঁচনি আদি) গ্রহণ কৰিব লাগিব।

এই পৰিশিষ্ট ১ৰ অন্তর্গত দেশসমূহে সেউজ গৃহ গেছৰ নির্গমনৰ ওপৰত (সেউজ গৃহ গেছৰ ভাণ্ডাৰ) আৰু সেইখিনি হ্রাস কৰাৰ ক্ষেত্রত গ্রহণ কৰা ব্যৱস্থাৱলীৰ ওপৰত নিয়মিতভাৱে প্রতিবেদন দাখিল কৰিব লাগিব।

পৰিশিষ্ট ২ অনুসৰি চিনাক্তকৰণ কৰা দেশসমূহে UNFCCC ৰ অধীনত নিজৰ বাধ্যবাধকতাসমূহ পূৰ কৰাৰ ক্ষেত্রত উন্নয়নশীল দেশসমূহক আর্থিকভাৱে সহায় কৰিবলৈ বদ্ধপৰিকৰ হ'ব। ৰাষ্ট্রীয় পর্যায়ত সেউজগৃহ গেছৰ নির্গমনৰ ক্ষেত্রত গ্রহণ কৰা ব্যৱস্থাপনা হিচাপে ইয়াক প্রথম আৰু প্রধান প্রয়োজনীয়চা হিচাপে ধৰা হ'ব।

কিয়'ট' প্রট'ক'ল এই চুক্তিৰ এক অংশ আৰু দেশসমূহৰ বাবে নির্গমন হ্রাসকৰণৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল আৰু এই লক্ষ্যসমূহত উপনীত হ'বৰ বাবে আর্থিকভাৱেও দেশসমূহক সহায় কৰিবৰ বাবে পদক্ষেপ লোৱা হ'ব। যদিও কিয়'ট' প্রট'ক'ল UNFCCC

ৰ এটা অংশ, তৎসত্ত্বেও ই UNFCCC তকৈও অধিক চাহিদাভিত্তিক চুক্তি আছিল। সেইবাবে বহুতো দেশে UNFCCC স্বাক্ষৰ কৰাৰ পৰা বিৰত আছিল যদিও তেওঁলোকে কিয়'ট' প্ৰট'ক'লত স্বাক্ষৰ কৰিছিল (আমেৰিকা যুক্তৰাষ্ট্ৰ ইয়াৰ উৎকৃষ্ট নিদৰ্শন।)

(ক) আনুষ্ঠানিক গাঁথনি ঃ

তলত আমি UNFCCC য়ে কেনেদৰে জলবায়ু পৰিৱৰ্তনৰ সৈতে বিভিন্ন বিশ্বব্যাপী থকা সংগঠনৰ লগত জড়িত সেই বিষয়ে আলোচনা কৰিম।

১৯৮৮ চনত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ সম্পৰ্কীয় কাৰ্যসূচী (UNEP) আৰু বিশ্ব বতৰ বিজ্ঞান সংস্থা (WMO) ই যৌথভাৱে মিলি জলবায়ু পৰিৱৰ্তনৰ ওপৰত আন্তঃচৰকাৰী পেনেল স্থাপন কৰিছিল যাতে এক ৰাজনৈতিক সমস্যা হিচাপে জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিব পাৰে।

IPCC ৰ মূল উদ্দেশ্য হ'ল বিজ্ঞান, পাৰিৱেশিক আৰু আৰ্থ-সামাজিক প্ৰভাৱ আৰু প্ৰক্ৰিয়াৰ কৌশলসমূহৰ লগতে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত থকা জ্ঞানৰ অৱস্থাৰ মূল্যায়ন কৰা।

IPCC য়ে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত আটাইতকৈ কৃৰ্তৃত্বশীল বৈজ্ঞানিক আৰু পদ্ধতিগত কণ্ঠ হিচাপে স্বীকৃতি লাভ কৰিছে আৰু ইয়াৰ মূল্যায়নে ৰাষ্ট্ৰসংঘৰ UNFCCC আৰু কিয়'ট' প্ৰট'ক'লৰ আলোচনাপন্থীসকলৰ ওপৰত গভীৰ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। মূল তিনিটা কাৰ্যক্ষম দল আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত থকা সেউজগৃহ গেছৰ ব্যৱস্থাপনাসমূহৰ সৈতে এটা কাৰ্যকৰী গোট গঠন কৰা হৈছে। এই চাৰিওটা গোটৰে দুজনকৈ সহকাৰী অধ্যক্ষ (এজন উন্নত দেশৰ আৰু আনজন উন্নয়নশীল দেশৰ) আৰু এটা কাৰিকৰী সহকাৰী গোটৰ ব্যৱস্থা কৰা হৈছে। কাৰ্যক্ষম গল ১ য়ে জলবায়ু তন্ত্ৰ আৰু জলবায়ু পৰিবৰ্তনৰ বৈজ্ঞানিক দিশসমূহ পৰ্যালোচনা কৰিব। কাৰ্যকৰী দল ২ য়ে জলবায়ু পৰিৱৰ্তনৰ মানবীয় আৰু প্ৰাকৃতিক ব্যৱস্থাৰ দুৰ্বলতাৰ লগতে ইয়াৰ নেতিবাচক আৰু ইতিবাচক প্ৰভাৱ আৰু ইয়াৰ সৈতে খাপ খাব পৰাকৈ বিকল্পৰ যোগান ধৰে। তৃতীয় গোটে সেউজ গৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ বিকল্পসমূহৰ মূল্যায়ন কৰে আৰু অন্যান্যভাৱে জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাৰ লগতে অৰ্থনৈতিকভাৱে বিষয়সমূহো চোৱা-চিতা কৰে।

IPCC ৰ সৈতে প্ৰায় ১২০ খন দেশৰ প্ৰায় ৪০০ জন বিশেষজ্ঞ ব্যক্তি প্ৰত্যক্ষভাৱে ইয়াৰ খচৰা প্ৰস্তুত সংশোধন আৰু চূড়ান্ত কৰাৰ লগত জড়িত আৰু আন ২,৫০০ জন বিশেষজ্ঞ পৰ্যালোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ লগত জড়িত। IPCC ৰ লিখকসকলক বেচৰকাৰী সংগঠনৰ লগতে চৰকাৰৰ দ্বাৰা মনোনীত কৰা হয়।

ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ সন্মিলন হৈছে গোলকীয় উষ্ণতা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা এক গোলকীয় প্ৰচেষ্টা। ১৯৯২ চনৰ ৰিঅ' সন্মিলনত ইয়াক স্বাক্ষৰ কৰাৰ বাবে মুকলি কৰি দিয়া হৈছিল। ইয়াৰ মূল উদ্দেশ্য হৈছে বায়ুমণ্ডলত সেউজগৃহ গেছৰ

স্থিতিশীলতা এনে এটা পর্যায়ত ৰক্ষা কৰা যাতে ই জলবায়ু তন্ত্ৰৰ সৈতে বিপদজনকভাৱে মানুহৰ দ্বাৰা সৃষ্টি কৰা মানৰ প্ৰৰোচিত হস্তক্ষেপৰ বিৰোধিতা কৰা। সন্মিলনখনৰ সর্বোচ্চ সংস্থাটো হ'ল চুক্তিখন অনুমোদন জনোৱা বা যোগদান কৰা ১৯৭ খন ৰাষ্ট্ৰক সামৰি লোৱা পক্ষসমূহৰ সন্মিলন। ইয়াৰোপৰি বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সহযোগী সংস্থাৰ পৰামর্শই COPক সময়োপযোগী তথ্য প্ৰদান কৰে আৰু সন্মিলন খনৰ বৈজ্ঞানিক আৰু প্ৰযুক্তিগত বিষয়সমূহৰ ওপৰত পৰামর্শ প্ৰদান কৰে। কার্যকৰীকৰণৰ বাবে সহযোগী সংস্থা হিচাপে এছ বি আইয়ে চুক্তিখনৰ মূল্যায়ন আৰু পর্যালোচনাত সহায় কৰে।

(খ) সন্মিলনখনৰ গাঁথনি ঃ

তলৰ খণ্ডত আমি UNFCCC ৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰিম।

- **দলসমূহৰ সন্মিলন ঃ** ই হৈছে মূলতঃ শাসন আৰু সিদ্ধান্ত গ্ৰহণকাৰী গোট। তথ্য বিনিময় আৰু কার্যকলাপ যৌথভাৱে সম্পাদন কৰে। ইয়াৰ বৈঠক প্ৰতি বছৰে অনুষ্ঠিত হয়।
- **সচিবালয় ঃ** ই UNFCCC আৰু বিয়'ট' প্ৰট'কলৰ গোট হিচাপে কাম কৰাৰ লগতে দলসমূহক কাৰ্যকৰীকৰণৰ পৰামর্শ আগবঢ়ায়।
- **বৈজ্ঞানিক আৰু প্ৰযুক্তিগত পৰামর্শৰ বাবে সহযোগী সংস্থা ঃ** ই বৈজ্ঞানিক, কাৰিকৰী আৰু প্ৰযুক্তিগত মূল্যায়নৰ মাজত সংযোগ সাধন কৰে, যোগ্য আন্তঃৰাষ্ট্ৰীয় গোটসমূহে তথ্য যোগান ধৰে আৰু COP ৰ নাতিকেন্দ্ৰিক প্ৰয়োজনীয়তাপূৰ কৰে।
- **কার্যকৰীকৰণৰ সহযোগী সংস্থা ঃ** ই পর্যালোচনাৰ ক্ষেত্ৰত COP ক পৰামর্শ প্ৰদানৰ ক্ষেত্ৰত অৰিহণা যোগায় আৰু সন্মিলনখনৰ কার্যকৰীকৰণৰ দিশসমূহ পর্যালোচনা আৰু ইয়াৰ সিদ্ধান্তসমূহৰ প্ৰস্তুতি আৰু কার্যকৰীকৰণৰ ক্ষেত্ৰত মূল্যায়ন কৰে।
- **সন্মতি প্ৰদানৰ যৌথ কর্মগোট ঃ** ই সন্মতি প্ৰদানৰ পদ্ধতিৰ প্ৰক্ৰিয়া আৰু ব্যৱস্থাসমূহৰ বিকাশ ঘটায়।
- **প্ৰাসংগিক আন্তঃৰাষ্ট্ৰীয় গোট ঃ** জলবায়ু পৰিৱর্তনৰ ক্ষেত্ৰত কার্যনিবাহ কৰা অন্য কিছুমান আন্তঃৰাষ্ট্ৰীয় সংগঠন হ'ল গোলকীয় পাৰিৱেশিক সুবিধা (GEF)— বিত্তীয় সাহায্য, জলবায়ু পৰিৱর্তনৰ আন্তঃৰাষ্ট্ৰীয় চৰকাৰী পেনেল (IPCC)— জলবায়ু পৰিৱর্তনৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় পৰিৱর্তন পৰিমাপন আৰু প্ৰভাৱৰ ওপৰত গৱেষণা, ৰাষ্ট্ৰীয় UNFCCC ৰ কেন্দ্ৰবিন্দু, ৰাষ্ট্ৰীয় CDM কর্তৃপক্ষ।
- **ৰাষ্ট্ৰীয় পর্যায়ৰ কার্যবাহী গোট ঃ** UNFCCC ৰ দ্বাৰা বাধ্যতামূলক কৰা নাই যদিও প্ৰায় সকলো দেশেই ৰাষ্ট্ৰীয় কেন্দ্ৰ বিন্দু (NFP) প্ৰতিষ্ঠা কৰিছিল, যাৰ মূল উদ্দেশৰ আছিল UNFCCC আৰু জলবায়ু পৰিৱর্তনৰ সৈতে কাম কৰা।

স্থানীয় পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি NFP ৰ পৰিস্থিতি আৰু ব্যক্তিগত সংস্থা বা চৰকাৰৰ অন্তর্গত (প্ৰায়ে মন্ত্ৰণালয়ৰ পৰিৱেশৰ), আন্তঃমন্ত্ৰণালয়ৰ কর্মগোট বা দেশজুৰি থকা নেটৱর্কসমূহ। যোগাযোগ আৰু UNFCCC ৰ সৈতে পাৰস্পৰিক ক্ৰিয়াকলাপ এটা সংস্থাৰ ভিতৰত ৰখা হয়। UNFCCC ৰ অধীনত বাধ্যবাধকতাৰ সৈতে জড়িত কামসমূহৰ সম্পাদনৰ ক্ষেত্ৰত বিতৰণৰ ব্যৱস্থা কৰা হয়, বিভিন্ন সংগঠনৰ মাজত।

ইয়াৰ উপৰিও নমনীয় ব্যৱস্থাত অংশগ্ৰহণ কৰিবলৈ (উন্নয়ন ব্যৱস্থা— CDM, যৌথ ৰূপায়ন— জি আই আৰু নির্গমন ব্যৱসায়) দেশবোৰে নির্দিষ্ট চৰকাৰী কেন্দ্ৰ বিন্দুসমূহ স্থাপন কৰিব লাগিব যি CDM আৰু JI প্ৰকল্পৰ বাবে সন্মতি প্ৰদান আৰু পঞ্জীয়ন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত তথ্য প্ৰদান কৰিব। এই ৰাষ্ট্ৰীয় সংগঠনবোৰ প্ৰায়ে ৰাষ্ট্ৰীয় কর্তৃপক্ষৰ দৰে হ'ব, কিন্তু এইসমূহ UNFCCC, ৰাষ্ট্ৰীয় কেন্দ্ৰবিন্দুৰ দৰে নহ'ব।

- **কয়'ট' প্ৰট'ক'ল ঃ** জলবায়ু পৰিবর্তনৰ প্ৰভাৱক বিপদহীন স্তৰলৈ নিয়াৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত UNFCC ৰ দফাসমূহেই যথেষ্ট বুলি মানি ল'ব নোৱাৰি। সেয়ে UNFCCC ত থকা পক্ষসমূহে ১৯৯৭ চনৰ কিয়'ট' প্ৰট'ক'ল গ্ৰহণ কৰিছিল। কিয়'ট' প্ৰট'ক'লৰ মূল বৈশিষ্ট্য হ'ল যে ই কিয়'ট' প্ৰট'ক'লত স্বাক্ষৰ কৰা দেশবোৰক ১৯৯০ চনৰ তুলনাত সেউজগৃহ গেছৰ নির্গমনৰ মাত্ৰা নির্দিষ্ট পর্যায়ত সীমিত কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিয়ে।

  যিহেতু কিছুমান দেশ, বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ যি বহু ক্ষেত্ৰত সেউজ গৃহ গেছৰ সর্ববৃহৎ একক উৎস যিয়ে প্ৰট'ক'লত স্বাক্ষৰ নকৰাৰ সিদ্ধান্ত হৈছিল। ইয়াৰ বাবে প্ৰট'ক'ল কার্যকৰী হোৱাৰ আঠ বছৰ আগতেই এই সিদ্ধান্ত লোৱা হৈছিল। অৱশ্যে বেছিভাগ দেশেই প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলে, তেওঁলোকে নিজাভাৱে কিয়'ট' প্ৰট'ক'লত অনুমোদন জনোৱাৰ লগে লগে, যদিও প্ৰট'ক'ল তেতিয়াও কার্যকৰী হোৱা নাছিল।

- **বজাৰভিত্তিক এক আহিলা ঃ** কিয়'ট' প্ৰট'ক'লৰ জৰিয়তে দেশবোৰে নিজৰ নির্গমন ১৯৯০ চনৰ তুলনাত ২০১২ চনৰ ভিতৰত সীমিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। প্ৰত্যেক দেশে ৮% হ্ৰাস কৰি ৮% বৃদ্ধি কৰাৰ নিজস্ব লক্ষ্য নির্ধাৰণ কৰিছে। বাস্তৱতে, যিবোৰ দেশে নির্গমন বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিছিল, ১৯৯৭ চনতেই ইতিমধ্যেই এই স্তৰে বহু বেছি অতিক্ৰম কৰে। গতিকে, প্ৰতিশ্ৰুতিৰ বাবে হ'লেও এতিয়াও এই দেশবোৰৰ নির্গমন হ্ৰাস কৰাৰ প্ৰয়োজন আছে।

  ইউৰোপীয় সংঘই যাতে ইয়াৰ প্ৰতিশ্ৰুতিসমূহ পূৰ কৰিব পাৰে, সেই ক্ষেত্ৰত ইউৰোপীয় সংঘৰ ভিতৰত নির্গমন হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিসমূহ

পুনৰ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। যিবোৰ দেশত সেইসমূহ লাভ কৰিবলৈ আটাইতকৈ উপযুক্ত, তাত নিৰ্গমন হ্ৰাস কৰিবলৈ প্ৰয়াস কৰা হৈছে। সেই লক্ষ্যত মিলিত হোৱা দেশসমূহত অন্য ইউৰোপীয় সংঘৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চেষ্টা চলোৱা হৈছে (অৰ্থনৈতিক উন্নয়ন আদিৰ ওপৰত)। তেনেদৰে ইউৰোপীয় সংঘত থকা কিছুমান দেশে প্ৰকৃত নিৰ্গমন হ্ৰাসৰ মাত্ৰাৰ প্ৰতিশ্ৰুতি ২০% তকৈ অধিক কৰিছে (যেনে ডেনমাৰ্ক), তেনেদৰে একেটা পৰিমাণতে আন কিছুমান দেশে নিজৰ নিৰ্গমন বৃদ্ধি কৰিবলৈ সন্মত হৈছে (যেনে— পৰ্তুগাল)।

কিয়'ট' প্ৰট'ক'লত দুটা পৰিশিষ্ট অন্তৰ্ভুক্ত কৰা হৈছে—

- **পৰিশিষ্ট ক ঃ** নিৰ্গমন হ্ৰাসৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰি গেছ আৰু উৎসৰ ৰূপৰেখা দাঙি ধৰা।
- **পৰিশিষ্ট খ ঃ** প্ৰত্যেক দেশৰ বাবে নিৰ্দিষ্ট নিৰ্গমনৰ লক্ষ্য নিৰ্ধাৰণ কৰা।

নিৰ্গমনৰ লক্ষ্যসমূহ প্ৰত্যেকখন দেশৰ বাবে ১৯৯০ চনৰ সেউজ গৃহ গেছৰ নিৰ্গমনৰ ভিত্তি ৰেখাৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ধাৰণ কৰা হয়। ২০০৪ চনৰ পৰা ২০১২ চনক সেউজ গৃহ গেছ নিৰ্গমনৰ গড় বৰ্ষ হিচাপে অভিহিত কৰা হৈছে। দেশসমূহৰ ক্ষমতাত অতি ডাঙৰ প্ৰভাৱ পেলোৱা কোনো বাৰ্ষিক বৃদ্ধি-হ্ৰাসৰ পৰা হাত সাৰি নিৰ্ধাৰিত স্তৰত উপনীত হ'বলৈ এই ব্যৱস্থা কৰা হৈছে।

উন্নয়নশীল দেশবোৰৰ বাবে নিৰ্গমনৰ কোনো লক্ষ্য স্থিৰ কৰা নাই। পৰিশিষ্ট ১ ৰ অন্তৰ্ভুক্ত নোহোৱা দেশবোৰ পৰিশিষ্ট ১ য়ে ইয়াত UNFCCC ৰ পৰিশিষ্ট ১ ক সূচাইছে। অৱশ্যে কিয়'ট' প্ৰট'ক'লে (উন্নত) পৰিশিষ্ট ১ ৰ দেশবোৰক উন্নয়নশীল দেশবোৰক নিৰ্গমন হ্ৰাসকৰণৰ ক্ষেত্ৰত প্ৰকল্প গ্ৰহনৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰিছে আৰু নিজৰ ঘৰুৱা নিৰ্গমন হ্ৰাসৰ প্ৰতিশ্ৰুতিত অৰিহণা গণনা কৰিবলৈ বিদেশত লাভ কৰা নিৰ্গমন হ্ৰাসক ব্যৱহাৰ কৰিবলৈ অনুমতি দিছে। ইয়াক স্বচ্ছ বিকাশকৰণ ব্যৱস্থাপনা বোলা হয়।

পৰিশিষ্ট ১ ৰ অন্তৰ্গত দেশসমূহেও অন্যান্য পৰিশিষ্ট ১ দেশসমূহত নিৰ্গমন হ্ৰাসকৰণ প্ৰকল্প গ্ৰহণ কৰিব পাৰে আৰু CDM ৰ অধীনত থকাৰ ধৰণে নিৰ্গমন হ্ৰাসৰ পৰা লাভান্বিত কৰিব পাৰে। এই প্ৰক্ৰিয়াটোক যৌথ ৰূপায়ণ (JI) বোলা হয়। তেওঁলোকৰ প্ৰতিশ্ৰুতি লাভৰ হেঁচা আৰু নিজৰ দেশত প্ৰকল্প গ্ৰহণ কৰাত সমস্যাই দেখা দিব। কিয়নো ইয়াৰ অৰ্থ মূলতঃ নিৰ্গমন হ্ৰাসৰ কৃতিত্ব অন্য দেশলৈ হস্তান্তৰ কৰা। বাস্তৱতে, কেৱল পৰিৱৰ্তনশীল অৰ্থনীতি (পূৰ্বৰ ছোভিয়েট ইউনিয়ন গোটৰ অংশ /দেশ) ১৯৯০ চনৰ মাজভাগত ঔদ্যোগিক আৰু অৰ্থনৈতিকভাৱে পতন হোৱা দেখিবলৈ পোৱা গৈছিল। ইতিমধ্যেই তেওঁলোকৰ নিৰ্গমনৰ লক্ষ্যত উপনীত হৈছিল আৰু সেয়েহে অন্য দেশসমূহে ব্যৱস্থা গ্ৰহণৰ অনুমতি দিব পাৰে, বিশেষকৈ নিৰ্গমন হ্ৰাসৰ সুযোগসমূহ ব্যৱহাৰ কৰাৰ

ক্ষেত্ৰত JI ৰ জৰিয়তে।

কিয়'ট' প্ৰট'ক'লৰ অন্তৰ্গত সেউজগৃহ গেছবোৰ হ'ল এনেধৰণৰ ঃ

CO_2 — কাৰ্বন-ডাই-অক্সাইড

CH_4 — মিথেন

N_2O — নাইট্ৰিক অক্সাইড

SF_6 — ছালফাৰ হেক্সাফ্লু'ৰাইড

PFC_s — পাৰফ্লু'ৰ'কাৰ্বন

HFC_s — হাউড্ৰ'ফ্লু'ৰ'কাৰ্বন

প্ৰত্যেকবিধ সেউজগৃহ গেছৰ নিজস্বভাৱে গোলকীয় উত্তাপ বৃদ্ধিৰ ক্ষেত্ৰত সামৰ্থ আছে। গোলকীয় উষ্ণতাৰ সামৰ্থতা হৈছে সেউজ গৃহ গেছ, কাৰ্বন-ডাই-অক্সাইডৰ কেটা এককৰ তুলনাত, এবিধ সেউজগৃহ গেছৰ এটা এককৰ উষ্ণতা বৃদ্ধিৰ প্ৰভাৱ। উদাহৰণস্বৰূপে ১ কিঃগ্ৰাঃ মিথেন ২৩ কিঃগ্ৰাঃ কাৰ্বন-ডাই-অক্সাইজৰ দৰে একে উষ্ণতাৰ সম্ভাৱনা থকাৰ দৰে হ'ব।

সেউজগৃহ গেছৰ এটা এককক প্ৰতিনিধিত্ব কৰিবৰ বাবে, সেউজগৃহ গেছৰ পৰিমাণক 'কাৰ্বন-ডাই-অক্সাইডৰ সমতুল্য' হিচাপে পৰিমাপ কৰিব পাৰি। ইয়াৰ অৰ্থ হ'ল আমি ১ কিঃগ্ৰাঃ মিথেন নিৰ্গত কৰিছো বুলি কোৱাৰ পৰিৱৰ্তে ২৩ কিঃগ্ৰাঃ সমতুল্য কাৰ্বন-ডাই-অক্সাইড নিৰ্গত কৰিছো বুলি উল্লেখ কৰিব পাৰোঁ। গতিকে, আমি সদায় কাৰ্বন-ডাই-অক্সাইডৰ সমতুল্যৰ কথা কওঁ, যদিও প্ৰকৃততে হয়তো সম্পূৰ্ণৰূপে কাৰ্বন-ডাই-অক্সাইডৰ কথা কোৱা নহয়, বৰঞ্চ সেউজ গৃহ গেছৰ এবিধকহে সূচায়।

যদিও মিথেন আৰু নাইট্ৰাচ অক্সাইডৰ কাৰ্বন-ডাই-অক্সাইডতকৈ বহু বেছি GPW থাকে, কিয়নো ইহঁতৰ ঘনত্ব বহু কম, কাৰ্বন-ডাই-অক্সাইড আটাইতকৈ গুৰুত্বপূৰ্ণ সেউজগৃহ গেছ, যি সেউজগৃহ গেছৰ প্ৰভাৱ বৃদ্ধিত ৬০% অৰিহণা যোগায়।

কিয়'ট' প্ৰট'ক'লত অন্যান্য কেইবাবিধো সেউজগৃহ গেছ অন্তৰ্ভুক্ত কৰা হৈছে। জলীয় বাষ্প হৈছে আটাইতকৈ বেছি পৰিমাণে থকা সেউজগৃহ গেছ। কিন্তু মানুহৰ কাৰ্য-কলাপে ইয়াৰ ঘনত্বৰ ওপৰত কিছুপৰিমাণে প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। আন কিছুমান সেউজগৃহ গেছ যিবোৰৰ উচ্চ পৰিমাণৰ GWP থাকে, সেইসমূহেও অ'জ'ন স্তৰত ডাঙৰ প্ৰভাৱ পেলায় আৰু সেয়েহে ইতিমধ্যে মণ্ট্ৰিল প্ৰট'ক'লৰ দ্বাৰা এইবোৰক পৰ্যায়ক্ৰমে বন্ধ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে (১৯৮৭ চনত উৎপাদন ব্যৱহাৰ বন্ধ কৰি ষ্ট্ৰেট'স্পিয়েৰৰ অ'জ'ন স্তৰৰ সুৰক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে— অ'জ'ন ক্ষয়কাৰী পদাৰ্থৰ)।

ঘৰুৱাভাৱে হ্ৰাসকৰণৰ জৰিয়তে লাভ কৰাতকৈ কোম্পানী আৰু অংশীদাৰসকলক কিয়'ট' প্ৰট'ক'লৰ নমনীয় ব্যৱস্থাপনাৰ মাধ্যমেৰে নিৰ্গমনৰ প্ৰতিশ্ৰুতিবোৰ লাভ কৰাত সহায় কৰিছে। এটা কোম্পানীয়ে নিৰ্গমন হ্ৰাসৰ বিষয়টো

বিবেচনা কৰাৰ কাৰণ হ'ল যে CDM বা JI ৰ মাধ্যমেৰে ইয়াক কম খৰচতে লাভ কৰিব পাৰি। এনেদৰে নমনীয় ব্যৱস্থাপনাই এনে এক বজাৰক সমৰ্থন কৰে যিয়ে সুলভ মূল্যতে নিৰ্গমন হ্ৰাসকৰণ গোলকীয়ভাৱে লাভ কৰাত সহায় কৰে। গতিকে ব্যৱসায়িক দৃষ্টিকোণৰ পৰা কিয়'ট' নমনীয় ব্যৱস্থাপনাই যথেষ্টখিনি গ্ৰহণযোগ্য সম্ভাৱনাৰ সুবিধা কৰে, যদিহে তেওঁলোকে নিজৰ কাৰ্যবিধিৰ ভিতৰত সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাসকৰণৰ সুবিধাবোৰক চিনাক্ত কৰে।

মন কৰিবলগীয়া যে সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰাত সহায়ক হোৱাকৈ নমনীয় ব্যৱস্থাসমূহ স্থাপন কৰা হৈছে যদিও পৰিশিষ্ট ১ ৰ অন্তৰ্ভুক্ত নোহোৱা দেশবোৰক বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত সমৰ্থন কৰাটো ইয়াৰ দ্বিতীয়টো স্পষ্ট উদ্দেশ্য। CDM ৰ প্ৰকল্পসমূহৰ পূৰ্বচৰ্তসমূহে অনুমোদন লাভ কৰিব যাতে পৰিশিষ্ট ১ ৰ অন্তৰ্ভুক্ত নোহোৱা দেশসমূহে প্ৰযুক্তি হস্তান্তৰ, দৰিদ্ৰতা নিৰ্মূল আদিৰ জৰিয়তে উপকৃত হ'ব পাৰে।

- **বিত্তীয় সাহায্য**

উন্নয়নশীল দেশবোৰে যাতে জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পাৰে, তাৰ লক্ষ্য ৰাখি UNFCCC আৰু কিয়'ট' প্ৰট'ক'লে বিভিন্ন উৎসৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান কৰে।

জলবায়ু পৰিৱৰ্তনৰ বিশেষ পুঁজিয়ে অভিযোজন; প্ৰযুক্তি হস্তান্তৰ, শন্দ্ৰক্ত, পৰিবহণ, উদ্যোগ, কৃষি, বনাঞ্চল আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ দৰে জলবায়ু পৰিৱৰ্তনৰ লগত জড়িত ক্ষেত্ৰসমূহলৈ বিত্তীয় সাহায্য আগবঢ়াব, লগতে যিবিলাক দেশৰ অৰ্থনীতি জীৱাশ্ম ইন্ধনৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল, যিয়ে তেওঁলোকৰ অৰ্থনীতিৰ ক্ষেত্ৰত বিচিত্ৰতা আনি দিয়ে তেনে উন্নয়নশীলবোৰকো সহায় প্ৰদান কৰে। কম উন্নত দেশৰ পুঁজিয়ে LDC ৰ বাবে এক কৰ্ম কাৰ্যসূচীক সমৰ্থন কৰিব। কিয়'ট প্ৰট'ক'লৰ অধীনত কাম কৰা অভিযোজন পুঁজিৰ বিত্তীয় সাহায্যৰ ধনৰ পৰা স্বচ্ছ উন্নত ব্যৱস্থা আৰু অন্যান্য পুঁজিৰ উৎসৰ পৰা বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। ইতিমধ্যে কেইবাটাও পৰিশিষ্ট ২ ৰ পক্ষই ২০০৫ চনৰ ভিতৰত বছৰি সামূহিকভাৱে ৪১০ মিলিয়ন মাৰ্কিন ডলাৰ, পুঁজিৰ বাবে অৱদান হিচাপে আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে।

চুক্তিখনত উল্লেখ কৰা হৈছে যে পৰিশিষ্ট ২ ৰ অন্তৰ্গত পক্ষসমূহে উন্নয়নশীল দেশসমূহক জলবায়ু পৰিবৰ্তনৰ সমাধান আৰু বিৰূপ প্ৰভাৱৰ সৈতে সন্মুখীন হ'ব পৰাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিব (অনুচ্ছেদ ৪.৩ আৰু ৪.১)। ই এনে এক বিত্তীয় ব্যৱস্তাপনা গঢ়ি তোলে যিয়ে উন্নয়নশীল দেশসমূহলৈ আৰ্থিক সাহায্য প্ৰদান কৰিব। যি বৰ্তমান গোলকীয় পৰিৱেশীয় সুবিধাৰ দ্বাৰা পৰিচালিত।

- **ৰাষ্ট্ৰীয় পৰ্যায়ত সাহায্য প্ৰদান ঃ**

ওপৰত উল্লেখ কৰা অনুসৰি কিয়'ট' প্ৰট'ক'ল আৰু / বা UNFCCC ত স্বাক্ষৰ কৰা দেশসমূহ এক বিস্তৃত পৰিসৰৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে বাধ্য। মূলতঃ দুটা গোটত

প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে বাধ্য দেশসমূহৰ বিভক্ত হৈ আছে (কিছুসংখ্যক বাদ দি) পৰিশিষ্ট ১ ৰ (অধিকসংখ্যকেই উন্নত দেশ) যিয়ে নিৰ্গমন হ্ৰাস কৰাৰ লগতে উন্নয়নশীল দেশবোৰক সমৰ্থন জনোৱাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰতিশ্ৰুতি পৰিলক্ষিত হয় আৰু পৰিশিষ্ট ১ ৰ অন্তৰ্ভুক্ত নোহোৱা দেশবোৰৰ কিয়'ট' প্ৰট'ক'লৰ অধীনত কোনো নিৰ্গমন হ্ৰাস কৰাৰ তেনে কোনো প্ৰতিশ্ৰুতি নাই। কিন্তু, তৎসত্ত্বেও তেওঁলোক এতিয়াও সেউজগৃহ গেছৰ তথ্য-পাতিৰ প্ৰতিবেদন দাখিল কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু লগতে UNFCCC ৰ অধীনত অধিক সাধাৰণভাৱে প্ৰতিশ্ৰুতিবদ্ধ হৈ নিজৰ নিগৰ্মন সীমিত কৰিবলৈ প্ৰয়াস কৰে।

পৰিশিষ্ট ১ আৰু পৰিশিষ্ট ১ ৰ অন্তৰ্ভুক্ত নোহোৱা উভয় ধৰণৰ দেশে প্ৰতিশ্ৰুতি পূৰণৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ স্পষ্ট সুযোগ আৰু প্ৰয়োজনীয়তা আছে। যেনে— ৰাষ্ট্ৰীয় সেউজগৃহ গেছৰ প্ৰতিবেদনৰ বাবে তথ্য পাতি প্ৰস্তুত কৰাত, উদ্যোগ আৰু অন্যান্য সংশ্লিষ্ট খণ্ডসমূহত কাৰিকৰী সহায় আগবঢ়োৱা, প্ৰশিক্ষণ আৰু সামৰ্থৰ বিকাশ ইত্যাদি প্ৰদান কৰে।

উন্নয়নশীল দেশসমূহত সমৰ্থনৰ প্ৰয়োজনীয়তাক আটাইতকৈ বেছি জোৰদাৰ কৰা হয় যদিও উন্নত দেশসমূহৰ ওপৰত তেওঁলোকৰ নিৰ্গমনৰ সীমাৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে হেঁচা প্ৰয়োগ কৰাটো উচিত নহয় বুলি অনুমান কৰাটো গ্ৰহণযোগ্য নহয়। কিয়'ট' প্ৰট'ক'লত উল্লেখ কৰা হৈছে যে প্ৰতি টন সেউজগৃহ গেছ (কাৰ্বন-ডাই-অক্সাইডৰ সমতুল্য) ৰ বাবে দেশখনে নিৰ্ধাৰিত সন্তুয়ত সীমা অতিক্ৰম কৰিলে, দেশখনে পৰৱৰ্তী সময়ত প্ৰতিশ্ৰুতিৰ সময়সীমাৰ ভিতৰত ১.৩ লৈ হ্ৰাস কৰিব লাগিব। অন্য কথাত, সেই সময়ৰ ভিতৰত নিজৰ প্ৰতিশ্ৰুতি পূৰণ নকৰা দেশবোৰে পৰৱৰ্তী সময়ত অতিৰিক্ত কঠোৰ নিৰ্গমন সীমাৰ বাবে শাস্তি লাভ কৰিব।

- **সেউজগৃহ গেছৰ সূচক ঃ**

সেউজগৃহ গেছৰ সূচক হৈছে ব্যৱসায়িক আৰু অ-বাণিজ্যিক সংস্থাসমূহক তেওঁলোকৰ সেউজগৃহ গেছ নিৰ্গমন গণনা/পৰিমাপ কৰাৰ ক্ষেত্ৰত সহায় কৰিবৰ বাবে UNEP ৰ দ্বাৰা বিকশিত এক সূচক আৰু ই সেইখিনিৰ হ্ৰাসকৰণক উৎসাহ যোগায়। সেউজগৃহ গেছৰ সূচকে ব্যৱহাৰকাৰীসকলক গণনা কৰিবলগীয়া বা তাত অন্তৰ্ভুক্ত কৰিবলগীয়া কাৰ্যকলাপসমূহৰ বাবে সীমা কেনেকৈ নিৰ্ধাৰণ কৰিব লাগে লগতে কিছুমান তথ্যৰ বাবে 'শ্ৰেষ্ঠ পৰিমাপ' সমূহ কেনেদৰে ৰাখিব লাগে সেই বিষয়ে বিবেচনা কৰিব লাগে, যি কোম্পানীত উপলব্ধ নহ'বও পাৰে। ফলাফলবোৰ তথ্য আকাৰে তালিকা লগতে গ্ৰাফিক শৃংখলৰ জৰিয়তে প্ৰকাশ কৰা হয়।

- **GERIAP ঃ**

এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ উদ্যোগৰ পৰা সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাসকৰণ হৈছে চুইডেন চৰকাৰৰ দ্বাৰা সমৰ্থিত UNEP ৰ এক প্ৰকল্প, যাৰ লক্ষ্য

হৈছে CP পদ্ধতিৰ জৰিয়তে শক্তি দক্ষতা বৃদ্ধিৰ বাবে উদ্যোগৰ বাবে সম্পদ আৰু আহিলাসমূহৰ বিকাশ সাধন কৰা কিয়'ট' প্ৰট'ক'লৰ পৰা এই ক্ষেত্ৰত সমৰ্থনকাৰী সংকেত আছে নে নাই সেই দিশত তেওঁলোকৰ সেউজগৃহ গেছ নিৰ্গমন হ্ৰাস কৰাৰ বাবে উদ্যোগক প্ৰেৰণা আৰু আহিলা প্ৰদান কৰিবলৈ প্ৰকল্পটোৰ আৰ্হি প্ৰস্তুত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ কাঠামোৰ চুক্তিয়ে ১৮৯ খন অনুমোদিত ৰাষ্ট্ৰৰ সৈতে সাৰ্বজনীন সদস্যপদ উপভোগ কৰে। (সত্য / অসত্য)

.....

প্ৰশ্ন ৫ ঃ UNFCCC ৰ সম্পূৰ্ণ ৰূপটো কি?

.....

.....

প্ৰশ্ন ৬ ঃ কিয়'ট' প্ৰট'ক'লৰ এটা দফা উল্লেখ কৰক।

.....

.....

.....

১৪.৪ বহনক্ষম মানৱ উন্নয়নৰ ধাৰণা

আধুনিক উদ্যোগিক প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগে লগে মানুহে বিভিন্ন ক্ষেত্ৰত প্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। মহাকাশৰ ৰহস্য ফাদিল কৰিবৰ বাবে মানুহ মহাকাশত সোমাই পৰিছে। যোগাযোগৰ উন্নত মানৰ প্ৰযুক্তিয়ে সমগ্ৰ বিশ্বখনক পৃথিৱীৰ ভালে সংখ্যক লোকৰ বাবে এখন গাঁৱলৈ পৰিণত কৰিছে। প্ৰযুক্তিবিদ্যাৰ বিকাশে বিকাশ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ৰৱঙণি আগবঢ়াইছে। আধুনিক প্ৰযুক্তিবিদ্যাৰ আগমনৰ লগে লগে, ইয়াৰ ফলত ভৌতিক পৰিৱেশৰ সম্পদৰ বিস্তৰ ক্ষতিসাধন হৈছে। সকলোতে দৰিদ্ৰতা আৰু নিৰনুৰাৰ অস্তিত্ব পৰিলক্ষিত হৈছে। ৰজনী কোঠাৰীয়ে (১৯৯০ ঃ ৩) যুক্তি দিছে "মানুহৰ প্ৰগতিক ভুল উৎসলৈ বিকৃত বা সলনি কৰা হৈছে"। সেয়ে উন্নয়নৰ বিকল্প আৰ্হি আৰু বহনক্ষম উন্নয়নৰ ধাৰণাটোৱে এই পদ্ধতিত অতি প্ৰাধান্যতা লাভ কৰিছে।

ৰাষ্ট্ৰসংঘই বহনক্ষমতাক নিজৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ভৱিষ্যত প্ৰজন্মৰ ক্ষমতাক আপোচ নকৰাকৈ বৰ্তমানৰ প্ৰয়োজনীয়তা পুৰ কৰা বুলি সংজ্ঞাবদ্ধ কৰিছে। ই জীৱনধাৰণৰ মানদণ্ডৰ চিন্তাধাৰাক আকোঁৱালি লয় (কেৱল আয়ৰ বৃদ্ধিৰ ওপৰতে নিৰ্ভৰশীল নহয়)। মানুহৰ মাজত

সমৰূপতাৰ (দৰিদ্ৰতা প্ৰতিৰোধকে ধৰি) আৰু আন্তঃপ্ৰজন্মগত সমৰূপতা নিশ্চিত কৰিব বিচাৰে (ভৱিষ্যত প্ৰজন্মক আমি উপভোগ কৰা পৰিৱেশ প্ৰদান কৰা, যদিও ই উন্নত নহয়)। বহনক্ষম উন্নয়নক প্ৰসাৰিত কৰিবৰ বাবে ঋণ নোলোৱাকৈ একে সময়তে সফলভাৱে শস্য উপাদানৰ বাবে কৃষকসকলক শিক্ষা প্ৰদান কৰিব লাগিব, যাতে তেওঁলোকক শস্যৰ ঘূৰ্ণনৰ বিষয়ে শিকোৱা যাতে তেওঁলোকে নিজৰ মাটিবোৰ নিষ্কাশন নকৰে।

বহনক্ষম উন্নয়নৰ দুটা প্ৰধান দৃষ্টিভংগী হ'ল— পৰিৱেশগত আৰু সামাজিক। বহনক্ষম উন্নয়ন বুলি ক'লে এনে এক প্ৰক্ৰিয়াক বুজায়, যিয়ে সংৰক্ষণ, নবীকৰণ আৰু সমৃদ্ধিৰ দিশত ভৌতিক পৰিৱেশক আৰু ইয়াৰ সম্পদবোৰ যেনে— ভূমি, বনাঞ্চল, পানী, বায়ু আদিক সামৰি লয়। ইয়াৰ বাবে সম্পদ আৰু প্ৰদূষণৰ পৰা হ'ব পৰা ক্ষতিৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰয়োজন।

১৯৯০ চনৰ বছেৰেকীয়াকৈ ৰাষ্ট্ৰসংঘৰ বিকাশমূলক কাৰ্যসূচী (UNDP)ৰ দ্বাৰা মানৱ উন্নয়ন প্ৰতিবেদন (HDR) প্ৰকাশ কৰি অহা হৈছে। এই প্ৰতিবেদনত বহনক্ষম উন্নয়নত গুৰুত্বসহকাৰে স্থান প্ৰদান কৰা হৈছে। ১৯৯৪ চনৰ HDR ৰে নিশ্চিত কৰিছে (১৯৯৪ঃ ১৯) যে "বহনক্ষম উন্নয়ন কেতিয়াবা ভৱিষ্যত প্ৰজন্মৰ বাবে উন্নয়নৰ বৰ্তমান স্তৰ আৰু আৰ্হি বৰ্তি থকাকৈ হ'ব লাগে বুলি ব্যাখ্যা কৰা হৈছে।" বহনক্ষম উন্নয়নে বিশ্ব দৰিদ্ৰতা আৰু বিশ্বজনীন বহনক্ষমতাৰ মাজত থকা ঘনিষঠ সম্পৰ্কক নিবিড়ভাৱে নিৰীক্ষণ কৰিব বিচাৰে। ই এই কথা স্বীকাৰ কৰে যে দৰিদ্ৰ লোকসকলৰ দৈনন্দিন জীয়াই থকাৰ সংগ্ৰামত নিজৰ পৰিৱেশৰ অৱনতিৰ পৰা হাত সাৰিবৰ বাবে প্ৰায়ে সম্পদৰ অভাৱ পৰিলক্ষিত হয়। তদুপৰি মানৱ মূলধনৰ সঞ্চয়ে কিছুমান বিস্তৃত সম্পদৰ স্থান অধিগ্ৰহণ কৰিব আৰু তেনেদৰে বহনক্ষমতাত উল্লেখযোগ্য অৱদান আগবঢ়াব।

বহনক্ষম মানৱ উন্নয়নৰ দ্বাৰা নিশ্চিত কৰা হৈছে যে 'মানুহ বিকাশ প্ৰক্ৰিয়াৰ মূল কেন্দ্ৰবিন্দু।' ই বিকাশৰ এনে এটা আৰ্হিক বুজায় য'ত আজিৰ প্ৰসমতা বহনক্ষমো নহয় বা ধাৰণ কৰাৰ যোগ্যও নহয়। ইয়াৰ মূল কথা এয়ে যে "প্ৰত্যেকৰে বিকাশৰ বাবে বৰ্তমানেও আৰু ভৱিষ্যতলৈ সমান সুযোগৰ সুবিধা থাকিব লাগে।" (HDR ১৯৯৪ঃ ১৯)। মানৱ উন্নয়নৰ সূচকাংক (HDI) ৰচনা কৰা সূচকসমূহে প্ৰতিফলিত কৰে যে যদিও বহনক্ষম উন্নয়ন মানৱ উন্নয়নৰ দৰ্শন ভয়ংকৰ, তথাপিও ইয়াৰ উদ্দেশ্য নিৰ্ধাৰিত পৰ্যায়ত অতি সীমিত। HDI ও তিনিটা উপাদান আছে দীৰ্ঘায়ু, জ্ঞান আৰু জীৱন-ধাৰণৰ মানদণ্ড। আনহাতে এইবোৰ মূলতঃ নূন্যতম প্ৰয়োজনীয়তাৰ পৰিমাণগত পৰিমাপ কিন্তু মানুহৰ, সুস্থতাত যথেষ্ট পৰিমাণে জড়িত। বহনক্ষম মানৱ উন্নয়নৰ মূল গুৰুত্ব হৈছে স্বচ্ছতা সমতা, সুশাসন, অন্তৰ্ভুক্তিকৰণ আৰু প্ৰাকৃতিক সম্পদৰ বিবেচনাপূৰ্ণ ব্যৱহাৰ। যদিহে উন্নয়ন প্ৰক্ৰিয়াই এই সকলোবোৰ দিশ সামৰি লয়, তেন্তে বহনক্ষম মানৱ উন্নয়ন নিজ লক্ষ্যত উপনীত হ'ব।

১৪.৪.১ বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ

বহনক্ষম উন্নয়নৰ লক্ষবোৰ (SDGs) যাক বহনক্ষম উন্নয়নৰ গোলকীয় লক্ষ্য

আখ্যা দিয়া হয়, যি ১৭ টা লক্ষ্যৰ সমষ্টি যাক ২০১৫ বৰ্ষত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ দ্বাৰা নির্ধাৰণ কৰা হৈছিল। এই লক্ষ্য খিনি আন্তঃসম্পর্কযুক্ত প্রকৃতিগত দিশৰ পৰা আৰু বিস্তৃতভাৱে বিভিন্ন সমস্যাক আগুৰি আছে। সেই লক্ষ্যসমূহ হ'ল এনেধৰণৰ ঃ

লক্ষ্য ১ ঃ দৰিদ্রতাৰ অৱসান
লক্ষ্য ২ ঃ ক্ষুধাৰ অৱসান
লক্ষ্য ৩ ঃ সুস্বাস্থ্য আৰু মংগল
লক্ষ্য ৪ ঃ গুণগত শিক্ষাৰ নিশ্চয়তা
লক্ষ্য ৫ ঃ লিংগ সমতা
লক্ষ্য ৬ ঃ বিশুদ্ধ পানী আৰু অনাময় ব্যৱস্থা
লক্ষ্য ৭ ঃ সহজলভ্য আৰু নিকা শক্তি
লক্ষ্য ৮ ঃ উন্নয়নমুখী পৰিকল্পিত কাম আৰু অর্থনৈতিক বৃদ্ধিৰ সুযোগ
লক্ষ্য ৯ ঃ উদ্যোগ, উদ্ভাৱন আৰু আন্তঃগাঁথনি
লক্ষ্য ১০ ঃ অসমতা হ্রাসকৰণ
লক্ষ্য ১১ ঃ বহনক্ষম চহৰ আৰু সম্প্রদায়
লক্ষ্য ১২ ঃ দায়বদ্ধ উৎপাদন আৰু ভোগ
লক্ষ্য ১৩ ঃ জলবায়ু কার্য
লক্ষ্য ১৪ ঃ পানীৰ তলত জীৱন (জলজ জীৱ সংৰক্ষণ)
লক্ষ্য ১৫ ঃ ভূমিত জীৱন
লক্ষ্য ১৬ ঃ শান্তি, ন্যায় আৰু শক্তিশালী অনুষ্ঠান
লক্ষ্য ১৭ ঃ লক্ষ্যসমূহৰ বাবে অংশীদাৰিত্ব

SDG সমূহৰ ক্ষেত্রত বিশ্বৰ ১৯৩ খন দেশে লগতে ভাৰতেও অনুমোদন জনাইছে। উপৰোক্ত লক্ষ্যসমূহ প্রাপ্তিৰ ক্ষেত্রত সকলো স্বাক্ষৰকাৰী ৰাষ্ট্র ঐক্যমতত উপনীত হৈছে। যিয়েই নহওঁক কিয়, এইটো লক্ষ্যণীয় যে বিভিন্ন ৰাষ্ট্রই এই ১৭ টা লক্ষ্য ক্ষেত্রত বিভিন্ন স্তৰত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ HDI ৰ উপাদানবোৰ কি কি?

.....

.....

প্রশ্ন ৮ ঃ বহনক্ষম উন্নয়ন কি?

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- জলবায়ু পৰিৱৰ্তন এক গোলকীয় সমস্যা আৰু গোলকীয় সমস্যাৰ বাবে গোলকীয় সমাধানৰ প্ৰয়োজন।
- জলবায়ু পৰিৱৰ্তন মানবীয় (সেউজগৃহ গেছবোৰ) আৰু প্ৰাকৃতিক কাৰ্য-কলাপ (সৌৰ বিকিৰণৰ বিভিন্নতা, আগ্নেয়গিৰিৰ উদ্গীৰণ) ৰ দ্বাৰা প্ৰভাৱিত হয়।
- জলবায়ু পৰিৱৰ্তনৰ সমস্যাটোৰ সৈতে মোকাবিলা কৰিবৰ বাবে ৰাষ্ট্ৰসংঘৰ দ্বাৰা ভালেসংখ্যক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- এই ক্ষেত্ৰত কিয়'ট' প্ৰট'ক'ল প্ৰথম আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ, কিন্তু ই এতিয়াও এক সামান্য পদক্ষেপহে।
- বহনক্ষম মানৰ উন্নয়নে উল্লেখ কৰা অনুসৰি "মানুহ বিকাশৰ কেন্দ্ৰস্থল।" বহনক্ষম মানৰ উন্নয়নৰ মূল গুৰুত্বসমূহ হ'ল স্বচ্ছতা, সমৰূপতা, সুশাসন, অন্তৰ্ভুক্তিকৰণ আৰু প্ৰাকৃতিক সম্পদৰ বিবেচনাপূৰ্ণ ব্যৱহাৰ। যদিহে এই সকলোবোৰ ক্ষেত্ৰত বিকাশ সম্ভৱ হয়। তেন্তে বহনক্ষম মানৰ উন্নয়নৰ লক্ষ্যসমূহত উপনীত হ'ব পৰা যাব।



১৪.৬ অধিক জানিবলৈ

1) Chander, Prakash, & Arora, Prem.(2005). Comparative Politics and International Relations. New Delhi: Cosmos Bookhive (P) Ltd.
2) Ghai, K.K. (2010): International Relations - Theory and Practice. New Delhi: Kalyani Publishers.
3) Ghosh, Peu. (2009). International Relations. New Delhi: PHI Learning pvt. Ltd.
4) Malhotra , Vinay Kumar (2011). International Relations. Anmol Publisher, New Delhi
5) Singh, Pavneet. (2018). International Relations. Mc Graw Hill Education



১৪.৭ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ উত্তৰ ঃ সত্য

প্ৰশ্ন নং ২ উত্তৰ ঃ সময় অনুসৰি জলবায়ু পৰিৱৰ্তন সংঘটিত হৈ থাকে আৰু বতৰৰ আৰ্হিৰ পৰিসংখ্যাগত বিতৰণৰ পৰিৱৰ্তন আৰু যেতিয়া সেই পৰিৱৰ্তন দীৰ্ঘ সময়ৰ বাবে স্থায়ী হয়, সেয়ে হ'ল জলবায়ু পৰিৱৰ্তন। ই বতৰৰ গড় পৰিস্থিতিৰ পৰিৱৰ্তন বা দীৰ্ঘম্যাদী গড় অৱস্থাৰ প্ৰসংগত বতৰৰ সময়ৰ তাৰতম্য।

প্ৰশ্ন নং ৩ উত্তৰ ঃ (ক) সাগৰৰ জলপৃষ্ঠ বৃদ্ধি পাই বিস্তৃত ভূমি প্লাৱিত হয়।

(খ) বহু অঞ্চলত খাদ্যৰ উৎপাদনশীলতা হ্ৰাস।

প্ৰশ্ন নং ৪ উত্তৰ ঃ সত্য।

প্ৰশ্ন নং ৫ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ চুক্তি সম্পৰ্কীয় কাঠামোৰ।

প্ৰশ্ন নং ৬ উত্তৰ ঃ বিয়'ট' প্ৰট'ক'লে ১৯৯০ চনত তেওঁলোকৰ নিৰ্গমনৰ তুলনাত নিজৰ সেউজগৃহ গেছৰ নিৰ্গমন নিৰ্দিষ্ট স্তৰত সীমিত কৰিবলৈ প্ৰট'ক'লত স্বাক্ষৰ কৰা উন্নত দেশবোৰ বদ্ধপৰিকৰ।

প্ৰশ্ন নং ৭ উত্তৰ ঃ দীৰ্ঘায়ু, জ্ঞান আৰু জীৱন-ধাৰণৰ মানদণ্ড।

প্ৰশ্ন নং ৮ উত্তৰ ঃ বহনক্ষম মানৰ উন্নয়নৰ ধাৰণা অনুসৰি "মানুহ বিকাশৰ কেন্দ্ৰস্থল।" ই বিকাশৰ সেইটো আৰ্হিক ধৰি ৰাখে য'ত আজি অসমতা বহনক্ষমো নহয় বা ধাৰণ কৰাৰ যোগ্যও নহয়। ইয়াৰ মূল কথা এয়ে যে "প্ৰত্যেকৰে বিকাশৰ বাবে বৰ্তমানেও আৰু ভৱিষ্যতলৈ সমান সুযোগৰ সুবিধা থাকিব লাগে।" (HDR ১৯৯৪ ঃ ১৯)। মানৰ উন্নয়নৰ সূচকাংক (HDI) ৰচনা কৰা সূচকসমূহে প্ৰতিফলিত কৰে যে যদিও বহনক্ষম উন্নয়ন, মানৰ উন্নয়ন দৰ্শন ভয়ংকৰ, তথাপিও ইয়াৰ উদ্দেশ্য নিৰ্ধাৰিত পৰ্যায়ত অতি সীমিত। HDI ত তিনিটা উপাদান আছে— দীৰ্ঘায়ু, জ্ঞান আৰু জীৱন-ধাৰণৰ মানদণ্ড। আনহাতে এইবোল মূলতঃ নূন্যতম প্ৰয়োজনীয়তাৰ পৰিমাণগত পৰিমাপ কিন্তু মানুহৰ সুস্থতাত যথেষ্ট পৰিমাণে জড়িত। বহনক্ষম মানৰ উন্নয়নৰ মূল গুৰুত্ব হৈছে স্বচ্ছতা, সমতা, সুশাসন, অন্তৰ্ভুক্তিকৰণ আৰু প্ৰাকৃতিক সম্পদৰ বিবেচনাপূৰ্ণ ব্যৱহাৰ। যদিহে উন্নয়ন প্ৰক্ৰিয়াই এই সকলোবোৰ দিশ সামৰি লয়, তেন্তে বহনক্ষম মানৰ উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পৰা যাব।



১৪.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ UNFCCC ৰ সম্পূৰ্ণ ৰূপটো কি ?

প্ৰশ্ন নং ২ ঃ জলবায়ু পৰিৱৰ্তনৰ সমস্যাটো পৰীক্ষা কৰা।

প্ৰশ্ন নং ৩ ঃ জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা ব্যৱস্থাসমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন নং ৪ ঃ বহনক্ষম মানৰ উন্নয়নৰ ওপৰত এটি টোকা যুগুত কৰা।

****